# গল্প সংকলন

নতুন সাহিত্য পরিষদ

সম্পাদক

সরল মোহন চৌধুরী

It isn't cover banglaboipdf.com

# গল্প সংকলন

নতুন সাহিত্য পরিষদ

সম্পাদক

মদন মোহন চৌধুরী

*Galpa-Sangkalan:*

**A Collection of short stories in Assamese. Edited by Natun Sahitya Parishad and Published by Madan Mohan Choudhury on behalf of Publication sub-committee of Dibrugarh (undivided) district committee of Natun Sahitya Parishad, on the occasion of 5th state conference at Namrup, Assam.**

---

। প্ৰকাশক ।

নতুন সাহিত্য পৰিষদৰ ৫ম ৰাজ্যিক সন্মিলন উপলক্ষে
ডিব্ৰুগড় (অবিভক্ত) জিলা আঞ্চলিকৰ প্ৰকাশন
উপসমিতিৰ হৈ মদন মোহন চৌধুৰী, ডিগবৈ-৭৮৬১৭১

। সম্পাদনা সমিতি ।

মেঘ গগৈ
অমূল্য খাটনিয়াৰ
শৰৎ নেওগ
ভূৱন গগৈ
অজিৎ কৰ
মদন মোহন চৌধুৰী-সম্পাদক

। প্ৰথম প্ৰকাশ ।
ফেব্ৰুৱাৰী : ১৯৯০

। প্ৰচ্ছদ ।
ইছমাইল হোছেইন

। মূল্য ।
ত্ৰিশ টকা

। মুদ্ৰণ ।
নেচনেল টেক্নো প্ৰিণ্টাৰ্চ
কুমাৰপাৰা, গুৱাহাটী-৭৮১০০১

# অৱতৰণিকা

এই গল্পসংকলন বিভিন্ন লেখকৰ সোতৰটা গল্পৰ সমষ্টি । সামাজিক দায়বদ্ধ চেতনাৰে সাহিত্য সৃষ্টিৰ সংগঠিত প্ৰচেষ্টাৰ ই ফলশ্ৰুতি । নতুন সাহিত্য পৰিষদৰ ৰাজ্যিক সন্মিলন উপলক্ষে গ্ৰন্থ প্ৰকাশ কৰা হয়, ১৯৯০ চনত হোৱা ৫ম ৰাজ্যিক সন্মিলনৰ উপলক্ষ্য কৰি ইয়াক প্ৰকাশ কৰি উলিয়াইছে নতুন সাহিত্য পৰিষদৰ আঞ্চলিক সংগঠন—ডিব্ৰুগড় জিলা সমিতিয়ে ।

সত্তৰৰ দশকত সামাজিক দায়বদ্ধতাৰ সাহিত্যচিন্তা আৰু সাহিত্য সৃষ্টিৰ কামত উদগনি দিবলৈ এটা সংগঠিত প্ৰয়াসৰ সূচনা হয়—তিনিমহীয়া আলোচনী "নতুন পৃথিৱী"ৰ যোগেদি । সেই দশকতে এনে প্ৰয়াস নতুন সাহিত্য আন্দোলনলৈ উত্তীৰ্ণ হৈ নতুন সাহিত্য পৰিষদ ৰাজ্যিক ভিত্তিত সংগঠিত হয় । নতুন সাহিত্য পৰিষদৰ গাঁৱে ভূঞে সিঁচৰিত শাখাবোৰে নতুন দিশত সাহিত্য অনুশীলনৰ কাম আৰম্ভ কৰে । প্ৰাচীৰ পত্ৰিকা, হাতেলিখা আলোচনী, ধনুৰাতাৰে প্ৰকাশিত ছপা সৰু আলোচনী, গল্পপাঠ / সাহিত্য আলোচনা সভাৰ যোগেদি এনে অনুশীলন কৰা হয় । এনেদৰে সংগঠিত ভাৱে কৰা সাহিত্য অনুশীলন প্ৰয়াসৰ যোগে আমি আশা কৰিছো যে সৰু-বৰ চহৰে নগৰে গাঁৱে ভূঞে সিঁচৰিত বিভিন্ন পেচাত কৰ্মৰত জনগণৰ মাজৰ পৰা বিশেষকৈ উঠি অহা চামৰ মাজৰ পৰা সাহিত্য প্ৰতিভাৰ বিকাশ হ'ব ।

এই গল্পসংকলনটো এনে এটা প্ৰয়াসৰ ফলশ্ৰুতি । তথ্য ঘটনা আৰু মূল্যজ্ঞানৰ ভাগিদা নহ'লে মাথোন আংগিকৰ কেৰামতিৰে জনগণৰ উপযোগী সাহিত্য সৃষ্টি নহয় । আগতে জীৱন সম্পৰ্কে জ্ঞান আহৰণ, মূল্যায়ন হব লাগিব তাৰ ওপৰত ৰূপ সৃষ্টি হ'ব লাগিব, তাৰ ভেটিতহে সাহিত্য সৃষ্টি হয় । এই তত্ত্বই গল্পকাৰ সকলক—প্ৰেৰণা দিছে ।

সেয়ে এই গল্পসংকলনটোৰ নতুনত্ব আছে । নতুন দিশত ই এটা পৰীক্ষা বুলিও ধৰিব পাৰি ।

পঢ়ুৱৈ ৰাইজে যথাযথ বিবেচনাৰে গল্পসংকলনটো হাতত লব বুলি আশা কৰিলো ।

ৰাজ্যিক সমিতি
নতুন সাহিত্য পৰিষদ

# প্ৰাসঙ্গিক

নতুন সাহিত্য পৰিষদৰ পঞ্চম ৰাজ্যিক সন্মিলন উপলক্ষত ডিব্ৰুগড় জিলা (অবিভক্ত) আঞ্চলিক সমিতিয়ে এটা গল্প সংকলন প্ৰকাশ কৰাৰ চিন্তা কৰিছিল আৰু পৰিকল্পনা কৰা হৈছিল যাতে এই গল্প সমূহৰ মাজেৰে যিমান সম্ভৱ অসমীয়া প্ৰগতিশীল গল্পৰ ধাৰাৰ এটি সম্যক ৰূপ দিব পৰা যায়।

পৰিকল্পনা কৰা আৰু কাৰ্য্যত ৰূপায়িত কৰাৰ মাজৰ সাগৰ সদৃশ দূৰত্ব আজি উপলব্ধি কৰো—বিশেষকৈ আমাৰ অনভিজ্ঞতা, অপৈনতা আৰু অৰ্থনৈতিক সমস্যাৰ বাবে। সেয়ে পৰিকল্পনানুসাৰে কাম হৈ নুঠিল। যিহওক ৰাজ্যিক সমিতিৰ সহযোগত এই সংকলনটো প্ৰকাশ কৰি উলিওৱা হ'ল। বিদ্বৎ সমাজে আদৰিলে কৃতাৰ্থ হম।

উল্লেখ কৰা প্ৰয়োজন যে সংকলনত সন্নিবিষ্ট গল্প সমূহৰ প্ৰায়বোৰেই ইতিমধ্যে প্ৰগতিশীল আলোচনী সমূহত প্ৰকাশ হোৱা—আমি মাত্ৰ লেখকসকলৰ অনুমতি সাপেক্ষে প্ৰকাশ কৰিছো। অৱশ্যে কেইগৰাকী মানে আমাৰ অনুৰোধত গল্প লিখি দিছে। সতীৰ্থ ইচমাইল হোছেইনে প্ৰচ্ছদপট অংকন কৰি দিছে আৰু শিল্পী ধনঞ্জয় শৰ্মাই তাৰ তত্ত্বাৱধান লৈছে। অতি কম দিনৰ ভিতৰতে নেচনেল টেকনো প্ৰিণ্টাৰ্চে সংকলনটো ছপা কৰি দিছে। ছপা কাৰত শ্ৰীযুত পৰমানন্দ মজুমদাৰে তদাৰকী কৰিছে। সম্পাদনা সমিতিয়ে সকোটিলৈকে আন্তৰিক কৃতজ্ঞতা আৰু অভিনন্দন যাচিলো।

সম্পাদনা সমিতি।
গল্প সংকলন।

# গল্প সূচী


১। অনিল ৰায়চৌধুৰী / চাকনৈয়া / ১

২। জোহিৰুল হুছেইন / ভেটি / ৭

৩। অপগণ্ড / লিখাৰ প্ৰত্যয়েৰে / ১৮

৪। অশোক দাস / ভেটা ভঙা গীত/ ২৫

৫। জ্ঞানেন্দ্ৰ কলিতা / ভোট / ২৯

৬। পঞ্চানন দেৱগোস্বামী / গ্ৰহ / ৩৫

৭। হেমেন দাস / হব হব বটা চৰায় / ৪৮

৮। নৰেন দাস / সোনেশ্বৰ দেওধা / ৭৪

৯। কুমুদ কুমাৰ দত্ত / ৰাতিৰ তপস্যা / ৭৯

১০। ৰজেশ্বৰ বোধ / ৰক্তিম পাণ্ডুলিপি / ৮৬

১১। মুকুট ভট্টাচাৰ্য্য / কমল কলাইৰেউৰ কথাৰে / ১০৩

১২। বিবেকানন্দ বৰুৱা / বন্যা / ১১৯

১৩। সমীৰ হুজুৰি / পকেটমাৰৰ পৰা সাৱধান / ১২৮

১৪। পোলেন গগৈ / কমল : / ১৩২

১৫। ভোলেশ্বৰ চৌতিয়া / এজন পগলাৰ আত্মকথা / ১৩৯

১৬। বিপুল খাটনিয়াৰ / সুহৃদৰ পাহুত / ১৪৮

১৭। মদন শৰ্মা / অঞ্জলি / ১৭১

Click Here For
More Books>

# চাকনৈয়া

অনিল ৰায়চৌধুৰী

মালতীৰ বৰ দুখ।

লোকৰ গিৰিহঁতে লৰা তিৰোতাক লৈ যায় পূজা-সবাহ দেখুৱাবলৈ। মালতীক মোহনে ক'ত লৈ যাব; নিজেই পুৱাতে ওলাই যায়, নিশা দুপৰত দুখে ভাগৰে আহে। ব্যস্ত। সুধিলে কয়, "কাম আছে, তুমি নুবুজিবা।" অভিযোগ কৰিলে কাণত নোসোমায়। ভাতকেইটা খায়েই বিচনাত দীঘল দি পৰে।

বুজিবৰ কিটো আছে। কাম বন নোহোৱাৰ কাম। বুঢ়া-থানৰ পাৰৰ বুঢ়াগোসাঁইৰ থানত শিলত কটা মূৰ্ত্তি ওলাল। মোহনে বিশ্ববিদ্যালয়ৰ কোনোবা প্ৰফেচাৰলৈ লিখি পঠিয়ালে। প্ৰফেচাৰৰো কাম নাই; দল বল লৈ আহি ওলাইছে মাটি খান্দি পুৰণি দিনৰ নগৰ এখনৰ চিন উলিয়াবলৈ। কিবা-কিবি ওলাইছেই হেনো, মূৰ্ত্তি কটা শিল, পুৰণি ইটা ইত্যাদি।

এই থানখন হেনো এটা পুৰণি মন্দিৰৰ। কেদাৰেশ্বৰ মন্দিৰ। ইয়াৰ ওচৰতে ৰোলে বাৰ ভূঞাৰ নগৰী আছিল। খনন কাৰ্য চলাব পাৰিলে তাৰো চিন ওলাব। যদিহে ওলায়, তেন্তে এইটো প্ৰমাণিত হ'ব যে সেই প্ৰতাপী ভূঞা উগ্ৰসেনৰ ৰাজধানী আছিল অসমতে বা পুৰণি কামৰূপতে। এতিয়াৰ ধাৰণামতে বঙ্গদেশত নহয়।

মালতীক এই কথাবোৰ মোহনে নকয়। তাই গাৱঁৰে এজন সম্বন্ধীয় দেওৰেকৰ মুখৰ পৰা শুনিছে। তাই মাথোন শুনিছে যে মোহনহঁতৰ পৰিয়ালটো উগ্ৰসেন ভূঞাৰ। উগ্ৰসেন ভূঞা প্ৰায় সাতশ বছৰ আগতে মোহনহঁতৰ উপৰিপুৰুষ আছিল।

কথাবোৰ সাধাৰণ মানুহে কোৱা কথা নহয়। এই প্ৰফেচাৰ ছাত্ৰৰ দলটোৱে কোৱা কথা। গৌৰাধিপতি ৰজা ধৰ্মপালে এই দেৱালয় আৰু উগ্ৰসেনৰ বংশক নিষ্কৰ ভূমিও দান কৰিছিল। প্ৰফেচাৰজনে কিতাপৰ বাহিৰত কোনোবা পুথিত পঢ়ি আহিছে।

সাতশ বছৰ আগতে কোনোবা ৰজাই মোহনহঁতৰ বংশ পৰিয়ালক এহেজাৰ পুৰা মাটি দান কৰিছিল। এই বংশৰ কোনোবাই একালত ৰাজত্ব কৰিছিল। তেওঁলোকৰ নামত কেইবাশ বছৰ আগতে বাঘে-ছাগে একে ঘাটতে পানী খাইছিল। তাকে লৈ গৌৰৱ কৰে। তাইৰ হাঁহি উঠে, বেজাৰো লাগে। বিয়াৰ কইনা হৈ আহি তাই যিটো ঘৰত সোমাল তাতে মাটি আছিল আঠলোছা। নজোপা নাৰিকল আৰু পাঁচজোপা তামোলৰ বাৰী। চাৰিকুৰি ঘৰৰ মাজত এটা ৰাজহুৱা কুঁৱা। অৱস্থা বুলিবলৈ সেয়ে। শহুৰেকে প্ৰাইমাৰীৰ পণ্ডিত কাম কৰি অৱসৰ পাইছে। তিনি বিঘা মাটিহে খেতিৰ মাটি। ভাগ্য ভাল মালতীৰ দেউতাকে এম, এল, এ, ৰাজেন্দ্ৰ দাসক ধৰি জোৱায়েক মোহনক ৰাজগড় এইদেদ্ হাইস্কুলৰ মাষ্টৰৰ কামটো তাইৰ বিয়াৰ আগে যোগাৰ কৰি দিছিল। বেচেৰীৰ কি বিলাই চাবা—শহুৰেকে হালবায়, শাহুয়েকে ভুঁইৰোৱে, পলু পোহে, এড়ি কাপোৰ বয় আৰু বেচে। মালতীয়ে দুই ফাৰ্লং দূৰৈৰ পৰা পানী কঢ়িয়াই আনে। সকলো কাম কৰে। কিন্তু কথাই প্ৰতি মানুহ কেইজনৰ গৌৰৱ কি চাবা, যোলো-আমি সেই নৰুও ভূঞাৰ পোৱালীহে?

একোবাৰ মালতীয়ে ভাবে, তাই ৰূপহী নহয় বাবে আৰু পাঁচজনী জীয়েকৰ প্ৰথমজনী হোৱা বাবেই দেউতাকে তাইক এনে এখন ঘৰলৈ উলিয়াই দিলে। জোৱায়েক বুদ্ধিমান শিক্ষিত, তদুপৰি ভাল বংশৰ ল'ৰা—সেই চাইহে দিলে হেনো। একোবাৰ ভাবে, দেউতাকে তাইক কি দিয়া নাই? জোঁৱায়েকক চাকৰি দিয়াইছে, দুপুৰাৰ বস্তি, দুপুৰাৰ খেতিৰ মাটিৰ পাট্টা কৰাই দিয়াইছে। বিপদে-আপদে দি-থৈ চাই চিন্তিয়েই থাকে। কিন্তু সদায় মাকৰ ঘৰৰ সহায়ত চলিলে নবৌয়েকহঁতে উপলুঙা কৰি হাঁহে। পাকে-প্ৰকাৰে মোহনৰ নামত ঠাট্টাহে কৰে।

মোহনহঁতৰ পৰিয়ালটো শিক্ষিত পৰিয়াল নহয় বুলি কয় কোনে? শহুৰেক জীৱন পণ্ডিত আগৰ দিনৰ নৰ্মাল পাছ। ল'ৰাই আই, এ, তো বৃত্তি পাই পঢ়িছিল, বি, এ, পাছো ভাল ভাবেই কৰিলে। পিছে দেউতাকে কামৰ পৰা এৰা পৰাত ঘৰ চলাবলৈ আহি পঢ়া এৰিব লগাত পৰিল। এম, এ, পাছ কৰা আৰু নহ'ল।

ভাল বংশ, স্বাস্থ্যবান, শিক্ষিত মানুহ-সেইবোৰ হ'লেই হয়নে? মালতীৰ দেউতাকে যেখোন বেছি পঢ়া নাই; ঘৰ দুৱাৰৰ বুকত মাইনৰ পাছ কৰি, চিৰস্তাদাৰক ঘোচ দি মণ্ডল হ'ল। মালতীৰ পিতৃ বংশও তেনে হুলাহুটা নহয়

মালতীৰ ককায়েক তিনিজনেই বা কিমান লিখা-পঢ়া শিকিলে? শিচে বুদ্ধি আছে। ঠিকাৰ কাৰবাৰ, দোকান আছে। অলপতে বাছৰ লাইনো পাইছে। প্ৰচুৰ টকা ঘটিছে। তেওঁলোকক নজনা মানুহ নাই। তেওঁলোকৰ কথা শুনা, তেওঁলোকক খাতিৰ নকৰা মানুহ নাই। একো একোজনৰ খৰচ কিমান—মোহনৰ চাকৰিৰ দৰমহা: প্ৰাইভেট টিউচন কৰি পোৱা টকা, খেতিবাতি সকলোবোৰৰ আয় মিলাইও তিমান নহয়। কেতিয়াবা নবৌয়েকহঁতে কোৱা কথাবোৰ শুনি মালতীৰ গা দেই পুৰি যায়। অথচ কবও একো নোৱাৰে। কি কৰিব, তাইৰ অদৃষ্ট। মাক-তায়েকহঁতৰ নহলে... ...........। ককায়েকে ঠিকেই কয়—পঢ়ি শুনি পাচ কৰিবলৈ বুদ্ধি বেছি নালাগে, বুদ্ধি লাগে ধন ঘটিবলৈ, আৰু ধন নহলে সকলো মিছা। কাৰ বংশৰ গৌৰৱ কি? কাৰ বিদ্যা কিমান? কোনে খবৰ লয়? এবা মোহনক লাখপতি মণ্ডলৰ জোঁৱায়েক বুলিহে ৰাজ্যৰ মানুহে চিনে। আগৰ দিনীয়া তাহঁতৰ বংশৰ ল'ৰা বা লেখা-পঢ়া জনা বুলি কোনেনো চিনি পায়? বাপেক পুতেক দুয়ো শিক্ষিত; কিন্তু ঘৰত কি আছে? নবৌয়েকহঁত আহিলে তাইৰ লাজতে মৰি যোৱা যেন লাগে পিন্ধিবলৈ এখন ভাল কাপোৰ নাই, থাকিবলৈ ভাল ঘৰ নাই; বাথৰুম নাই, নাই বুলি একোৱেই নাই। চোলা এটা চিলাবলৈ বাই চিলাই ক'ল, আলহীক চাহ কাপ দিবলৈ মাথোন দুজোৰ কাপ প্লেট। বহিবলৈ ড্ৰইংৰুম থকাতো দূৰৰে কথা দুখনৰ বাহিৰে তিনিখন চকীও নাই। ইফালে কি চাবা? এওঁলোক বোলে প্ৰবল প্ৰতাপী উগ্ৰসেন ভূঞাৰ বংশধৰ আৰু মালতী হ'ল সেই বংশৰে বোৱাৰী। নিজৰতো একো নাজেই পিন্ধিবলৈকো নেই। কিবা অসহ মানহীয়া পাকলীয়া চহা মানুহৰ দৰেই কাপোৰ পিন্ধি দেউতাকৰ দিনৰ পুৰণি চাইকেলখনত উঠি ঘূৰি ফুৰে। চাইকেলখনৰ কেৰেং কেৰেং মাত: বেল নালাগেই দূৰৰ পৰাই চিনি পায়।

মালতীয়ে ইমানবোৰ কথা সহ্য কৰি আহিছে মানুহজনীলৈ চাই। ঘৰত এটা পানীখোৱা কুঁৱা নাই। দূৰৰ পৰা আলিবাটৰ বাস্তাৰ কুঁৱাৰ পৰা পানী কঢ়িয়াই আনিব লগা কথাতো তাই কোনোমতে সহ্য কৰিব পৰা নাই। কৈ কৈ একো কৰিব পৰা নাই আজিলৈকে। মোহনে কয়—"আইহঁতৰ দিনৰ পৰা এনেকৈয়ে চলি আহিছে—তুমি চলাচোন; শিক্ষিত ছোৱালী হৈছা, দেখা যাব।" কলাই প্ৰতি ঠাইতে কৰে আমাহঁতো আৰু পিতাৰাহঁতৰ দৰে ধন-বাড়ি নাই।" সৰ্বশৰীৰ জ্বলি যায় মালতীৰ। এইকাৰণেই হেনো কোনোবা দিনৰ বজাৰ আহৰ্জে আৰু মালতী হেনো সেই বংশৰে বোৱাৰী।

মোহন মানুহজন ভাল। কিন্তু মালতীৰ এটা কথাও নাৰাখে। মালতীয়ে ভাঙৰ বায়েকৰ লগত বুঢ়াগোসাঁইৰ থানৰ বুঢ়া বাবাজীটোৰ ওচৰলৈ গৈছিল এটা তাবিজৰ বাবে। কিজানিবা ঘৰৰ মানুহজনক কথা শুনাব পাৰি। বাবাজীয়ে কয়—'বেটী! তু ৰাজ ৰাণী হো।" তুমি ৰজাৰ ৰাণী হবা। মালতীৰ হাঁহি উঠে। তাবিজেও কাম দিয়া নাই। মালতীৰ বাবে বুঢ়াগোসাঁইও কণা হ'ল। মিছা—দুখীয়াৰ বাবে ঈশ্বৰ-ছিশ্বৰ মিছা।

পিছে এইবাৰ পানীৰ কুঁৱা দিবই যেন লাগিছে। বোধহয় তেওঁ প্ৰফেচাৰৰ কথাত লাজ পালে। আৰু সিহঁতেওনো বাৰু জীপখন ৰখাই ৰাজ আলিটোৰ মাজতে মোহনৰ ঘৰ কোনটো দেখুৱায় দিবলৈ মালতীকহে কব পায়নে? ইফালে তাইৰ মূৰত এটা, ককালত এটা কলহ—হাতত বালটি আৰু জৰী। গাত আধাভিজা কাপোৰ। ঘৰটো দেখুৱাই দি কোনোবা পাকেদি ঘূৰি পিছ ফালেদি ঘৰ সোমাই মালতীৰ ভিজিত চিপজৰী লবৰ মন গৈছিল লাজতে। সেই ডেকা-ল'ৰা কেইটাৰ নিলাজ চাৱনি মনত পৰিলে তাইৰ গা জ্বলি যায়।

নিজৰ ঘৰত দুখনহে চকী, পৰৰ ঘৰৰ পৰা বেঞ্চিখন আনি নিদিয়ালৈকে কেওজনেই থিয় হৈয়ে ৰ'ল। চাহৰ হুকুম আহিল। দিয়ে কিহত? সোনমইনাহঁতৰ ঘৰৰ পৰা আইনাৰ গিলাচ কেইটা আনি চাহ দি লাজ ঢাকিলে।

পাওক লাজ। মোহনে কয়, —"কিনো নাই নাই কৰি থাকাহে।" শাহুৱেকেও সেই একেই কথাকে কয়।

এওঁলোকেই আকৌ হেনো বাৰভূঞাৰ নে ৰজাৰ বংশধৰ? ৰজাৰ ঘৰলৈ আহিলে পৰৰ ঘৰৰ বাচন খুজিহে আলহী সুধিব লাগে।

বুঢ়া প্ৰফেচাৰজনে কলে, "জানা মোহন এইবাৰ আমি এটা অতি পুৰণি তথ্য সংশোধন কৰিব পাৰিম। উগ্ৰসেন অসমৰেই, বঙ্গদেশ বা বিহাৰৰ হ'ব নোৱাৰে। এই বুঢ়ী-জানেই সেই সময়ৰ কোৱাল পূৰ্ব্ব নৰ্মদা নদী। ইয়াৰ পাৰতেই কেদাৰেশ্বৰ মন্দিৰ যেতিয়া পাইছো তাৰ দুই চাৰি মাইলৰ ভিতৰতে নিশ্চয় আমি উগ্ৰসেনৰ ৰাজধানী জয়ন্তীপুৰ পামেই। আমি বুঢ়াগোসাইৰ থানৰ পৰা পোৱা তথ্য-পাতিৰ ওপৰত ভিত্তি কৰিয়েই আগতীয়াকৈ চৰকাৰলৈ লিখিছোঁ। যাথোন প্ৰকৃত স্থানখিনিৰ উমান পালেই হ'ল। কিবা অলপ গম পালেই আমালৈ লিখিবা। আজি কালি চৰকাৰী আইন আছে—খনন কাৰ্য্যত কেৱে বাধা দিব নোৱাৰে। দিভোখৰ মাটিত ওল্যায় তাক চৰকাৰে অধিগ্ৰহণ কৰিব। তুমি যাথোন খবৰ ৰাখিবা। এটা অতি প্ৰাচীন প্ৰখ্যাত ৰাজবংশৰ

পৰিয়ালৰ বংশধৰ হিচাবে তোমাৰ দৰে শিক্ষিতলোকে যদি এই বিষয়ত একো নকৰা, কৰিব কোনে ? উগ্ৰসেন অকল তোমালোকৰে উপৰি পুৰুষ নহয়, প্ৰাচীন কামৰূপী সংস্কৃতি আৰু সভ্যতাৰ প্ৰতীক ।”

তাৰ পিছত বুঢ়া প্ৰফেচাৰে মালতীকো মাত লগাবৰ ইচ্ছা কৰিলে। মোহনে জোৰ কৰাতহে কোনোপধ্যে প্ৰবল আপত্তি স্বত্বেও তামোলৰ বটাখন লৈ তাই ওলাল। তাইকতো আগতে এই মানুহজাকে নেদেখা নহয়, তথাপিও দেখোন চকুবোৰ ডাঙৰ কৰি আকৌ নুৰৰ পৰা তৰিলৈ আটাই কেইজনে চালে। প্ৰফেচাৰজনে মোহনক ক’লে “আইজনীয়েহে আমাক তোমাৰ ঘৰটো দেখুৱাই দিলে, নহ’লে আমি গৈ কোনোবা ধুবুৰী পালোহেঁতেন।

মোহনৰ বাৰী ঘৰ চাই চিন্তি পলাগি বুঢ়া প্ৰফেচাৰে কৈ গ’ল, “মোহন এটা পানী খোৱা কুঁৱা হ’লে তোমাৰ আৰু ভাল হয়। পাৰিলে কৰি লবা।” দুৰৰ পৰা কথাবাৰ শুনিয়েই মালতীৰ লাজ লাগিল আৰু মোহনৰ ওপৰত থকা খংটো পুনৰ জীপলৈ উঠিল।

‘খেলাৰ নাম বাবাজী।’ তাই ক’লে কথা নহয়, লোকে ক’লেহে কথা। এতিয়া কিয় কুঁৱা খান্দিবৰ বাবে লৰা-ধপৰা লগাবৰ হ’ল ? তথাপিও হওক ধাৰে-ঋণে কুঁৱাটো হয় যদি।

মোহনে ক্লাছত পঢ়ুৱাই আছিল। পিৰিয়ড শেষ নোহওতেই হেডমাষ্টৰে মাতি পঠিয়ালে। মোহনহঁতৰ ঘৰত কিবা হেনো ওলাইছে। বুধবৰীয়া হাটৰ আটাইবোৰ মানুহৰ সৈতে ওচৰৰ বাইজ সিহঁতৰ ঘৰত ভাঙি পৰিছে। বাজগড়ৰ পৰাও চাব, ডিপুটি কলেক্টৰ আৰু দাৰোগাই চিপাহী-চকৰী লৈ গাড়ীৰে তাতে চাপলি মেলিছে। মোহনে কোন পিনে কেনেকৈ ঘৰলৈ চাৰিবাইল বাট চাইকেলেৰে গৈ ঘৰ পালে নিজেই কব নোৱাৰিলে। সৈ দেখে লোকে লোকাৰণ্য। সাম্ৰাজ্যৰ লোক তাৰ ঘৰত। যতনাই বোৱা তামোল; টেঙা, নাৰিকল গছৰ গুলিবোৰ গছকত মাটিত লিপিত খাই পৰিছে। চকোৱা জেওৰা ভাঙি একাকাৰ।

কোনো ধন পোৱা নাই। পাইছে এখন ভঙা তামৰ কাঁহী, এখন দেৱালো হেনো কুঁৱা খান্দোতে ওলাইছে। মাটিৰ তলত ধন সোণ পোৱা নাই বুলি দাৰোগাই বিশ্বাস কৰিব খুজিলেও কোনো কোনোৱে নেৰে; বোলে, “ঘৰ তালাছ কৰি চাওক ! ধন সোণ লুকুৱাই থব পাৰে।”

তামৰ ভঙা কাঁহীখনত কিবা কিবিধন লিখা আছে। মাটিৰ তলত ইটাৰ দেৱালখনো এটা ঘৰৰ দেৱাল যেন লাগিল। এইবোৰ খান্দি উলিয়াবলৈ হ’লে

বাৰী বস্তি সমীপতে তাৰ ঘৰ কেইটা ভাঙিব লাগিব। মাটি অধিগ্ৰহণ কৰিলেও ক্ষতি পূৰণ নাপাব মাটি এতিয়াও ম্যাদী হোৱা নাই—একচনা হৈয়ে আছে।

সিহঁতে যিমানেই উগ্ৰসেন ভূঞাৰ বংশধৰ বুলি দাবী নকৰক কিয় মাটিৰ তলত যি ওলায় সেয়া চৰকাৰৰহে সম্পত্তি।

অতি কষ্টে পাতিলোৱা বাৰী বস্তি, সাজি লোৱা ঘৰ এৰি সি বাৰু কলৈ যাব? সি নজনালে চৰকাৰে জানিব, অধ্যাপকৰ দলটোৱেও জনাব। পুৰাতত্ত্ব বিভাগে খনন কাৰ্য চলাব।

এই খনন কাৰ্যই মোহনৰ ইমান দিনৰ ধাৰণা আৰু পৰিশ্ৰম সাৰ্থক কৰি তুলিব। লুপ্ত প্ৰায় বংশ গৌৰৱ পুনৰ উদ্ধাৰ হ'ব। তাতোকৈ আনন্দৰ কথা আৰু কি হব পাৰে?

কিন্তু তাৰ মুখটো আচন্দ্ৰাই কৰিছে কিয়?

—x—

# ভোট

জেহিৰুল হুছেইন

কেইবাদিনো লেঠাৰি নিচিগা বৰষুণ হোৱাৰ পাছত আজি বতৰ ফৰকাল। চক্‌চকীয়া ৰ'দ ওলাইছে। পুৰা ৭ মান বজাতে মোহন ভাণ্ডৰ দোকানখনৰ সন্মুখৰ ষ্টেপ কেইটাৰ ওপৰত লেপেটা কাঢ়ি বহিল। কাষৰ মোনাটো কাষতে থৈ সি এবাৰ সন্মুখৰ দীঘল ৰাস্তাটোলৈ চালে—মানুহৰ বাও অহা যোৱা। ৰিক্সা, মটৰ, ঠেলা, চাইকেল। কিন্তু ইমান ভিৰৰ মাজতো মোহনে চেমনীয়া ল'ৰা এটা বা গৃহস্থ জাতীয় আদহীয়া মানুহ দোকানখনৰ ফাললৈ অহা সি দেখা নাপালে। আজি কাম নাপালে সি নিগমে মৰিব। বৰষুণৰ কাৰণে আজি ৪/৫ দিনমান ক'তো একো কাম পোৱা নাই। এই চাৰি পাঁচদিন সি কেনেকৈ চলিছে এক-মাত্ৰ ভগৱন্তইহে জানে। তাৰ ভোকটো অলপ চৰা। তথাপিও সি সহ্য কৰিব পাৰে। কিন্তু গাভৰু ঘৈণীয়েক আৰু ল'ৰা-ছোৱালীহালৰ শুকান মুখখন দেখিলে শোকে খুন্দা মাৰি ধৰে। খঙটো একাচি চৰে।

ভোকে-লঘোনে ঘৰত থকাতকৈ দাখন মোনাটোত ভৰাই সি কামৰ আশাত ৭ মান বজাতে ভাণ্ডৰ দোকানখনৰ ষ্টেপত বহিছেহি। কিজানি ফৰকাল বতৰ দেখি মানুহে কামো লোনকালে কৰায়? কিন্তু নাই কোনো গৃহস্থ জাতীয় মানুহে নাইবা চেমনীয়া ল'ৰা তাৰ চকুত নপৰিল।

এনে লেঠাৰি নিচিগা বৰষুণ হোৱাৰ আগে আগে মোহনে হুৰবা ডাক্তৰৰ ঘৰৰ নাৰিকল কেইজোপা চফা কৰি টকা ১০টা পাইছিল। ঘৈণীয়েকেও বহু কেৰাণীৰ ঘৰ লিপি চাউল আধা কিলো আৰু টকা দুটা পাইছিল। তাৰেই চলিল কোনোমতে বৰষুণৰ দিন কেইটা। যোৱা নিশা একেবাৰেই টেকেলি কাটি। ওচৰৰ ফুলৰাম চকীদাৰৰ ঘৰৰ পৰা চাউল এপোৱা খুজি-মাগি আনি ৰান্ধি তাকে সিজাই দি ল'ৰা ছোৱালীহালৰ পেটৰ পোৰণি গুচালে। মোহন আৰু ঘৈণীয়েকৰ ভাগত এলচামান পৰিল। তাকে খাই পানী এলোটা পি দি ৰাতিটো

তেনেকৈয়ে পৰি থাকিল। ৰাতিপুৱা ভোকত তাৰ পেট কলমলাবলৈ ধৰিলে, পেটটো মোচৰ মাৰি ওকালি আহিব খুজিলে। ঘৈণীয়েকে লৰালৰিকৈ টেকেলি এটাৰ পৰা পুৰণি মলঙি যোৱা চিৰা দুটামান উলিয়াই ধুই নিমখ জলকীয়া সানি তাকে দিলে। চিৰাখিনি মলঙি তিতা তিতা লাগিছিল। ল'ৰা-ছোৱালীহালে মুখত দুটামান দি থু থু কৰি এৰি থৈ গ'ল। মোহনে ভোকত তাকে নাকে-মুখে গুজি কাম বিচাৰি ওলাই আহিল। ঘৈণীয়েকে কি খালে কি নাখালে তাৰ সুধিবলৈ সাহস নহ'ল। মাজে মাজে আধাপেটী নাইবা লঘোনে থকাৰ অভ্যাস তাৰ আছে। তাৰ দৰে দিন হাজিৰা কৰা মানুহ আটাইবোৰৰ লঘোন দিয়াৰ অভিজ্ঞতা আছে। কিন্তু কেইবাদিনো আধাপেটীকৈ থাকি সিহঁতৰ অৱস্থা বৰ কাহিল হৈ পৰিছিল। আৰু দুদিনমান বৰষুণ দিয়া হ'লে সিহঁতৰ ফালে আইধাই পৰিবলেহেঁতেন। দুটামান ল'ৰা-ছোৱালী নিশ্চয় সিফলীয়া হ'লহেঁতেন। কিন্তু হঠাতে আহি যেন ভগৱন্তই চকু মেলি চালে। পুৱাৰে পৰা বতৰ ফৰকাল। আকাশতো ক'তো অকণো ডাৱৰ নাই। সেইবাবেই নেকি ভাঙৰ দোকানখনৰ ষ্টেপত আজি হাজিৰা কৰা মানুহৰ ভিৰ বেছি। বঙাজান বাগানৰ ফান্টু মজুৰাবো সংখ্যা আজি সৰহ। নদীৰ সিপাৰৰ লুঙি পিন্ধা মিঞা কেইটাইয়ো ভিৰ বঢ়াইছেহি। কিন্তু হ'লে কি হ'ব? এটাইয়ো কাম পোৱা নাই। বৰ আশাৰে সিহঁতেও ৰাস্তাটোৰ ব্যস্ত মানুহবোৰলৈ লক্ষ্য কৰিছে—কিজানি ক'ৰবাৰ পৰা চেমনীয়া ল'ৰা এটা আহি কয়হি—"অই বাঁহৰ কাম আছে, জেওৰা দিয়া। যাবি নেকি?" নাইবা আদহীয়া গৃহস্থ জাতীয় লোকে কৱহি "অই তহঁতৰ হাজিৰা কিমান হ'ল অ'? মোৰ এবেলাৰ কাম আছে।" এবেলাৰ কাম সাধাৰণতে মোহনহঁতে নকৰে। কিন্তু আজি তেনে কামো যে পাবলৈ নাই।

মোহনৰ ধাৰণা হ'ল যে গেলা বতৰে নগৰখনৰ সকলো কাম-বন শেষ কৰি থৈ গ'ল। ৯ বাজো বাজো হ'ল। কি হ'ব এতিয়া? সেয়ে আজি সুদা মুখেৰেই ঘৰলৈ উভতিব লাগিব। ঘৰ বুলি ভবাৰ লগে লগে মোহনৰ বুকুখন চিৰিং কৰি উঠিল। শুকান মুখৰ মানুহজনী ল'ৰা-ছোৱালী হাল তাৰ চকুৰ আগত ভাঁহি উঠিল। ষ্টেপটোৰ আন এটা মূৰত বহিছিল চোনা মিঞা। চোনা মিঞাই নিজক কোৱাদিয়েই কৈ উঠিল—"এই নিমিত্তেই মই কৈছিলো—হাজিৰা বঢ়াব নালাগে। কাম পোৱা মস্কিল হ'ব।"

১৫ দিনৰ আগতে গোটেই দিন হাজিৰা কৰা মানুহখিনিয়ে সিহঁতৰ হাজিৰা ১৪ টকাৰ পৰা ১৬ টকালৈ বঢ়াইছিল। ইয়াকে লৈ দুটা পক্ষৰ মাজত ভীষণ

তৰ্কা-তৰ্কি চলিল। চোনামিঞাৰ দল হাজিৰা বঢ়োৱাত নাই। মোহনহঁতৰ দল হাজিৰা বঢ়োৱাৰ সপক্ষে। অৱশেষত মোহনহঁতৰ পক্ষৰে জয় হ'ল। ঠিক হ'ল হাজিৰা ১৬ টকা। নহলে সিহঁতে ক'ত্তো কাম নকৰে। চোনামিঞাহঁতে সিহঁতৰ কথাত অৱশেষত হঁয়কৰ দিবলৈ বাধ্য হ'ল।

মোহনে ক'লে—"বুইচ বৰ মিঞা, মানুহৰ কাম থাকিলে ২০ টকা হাজিৰাতো কৰাব নাথাকিলে নোপোচে। হাজিৰা বঢ়ালেই কাম নাইকীয়া নহয়।" বঙাজান বাগানৰ পৰা চাটাই খোৱা ফান্টু মাংৰাই ক'লে—"আমি আজি গাৰঁতে কাম পাইছিলো মহন। মোৰ বহীন জামাইটোৰেও কৈছিল—আহ আজি ইয়াতে কৰো। টাউনত হাজিৰা বেছি নিমিত্তে গুছি আহিলো। এতিয়া টাউনতো নাই গাৱঁতো নাই। পেট শুকাই মৰ চালা এতিয়া।"

১০ বাজিবৰ হ'ল। ৰাস্তাত ভিৰ আৰু বাঢ়িবলৈ ধৰিলে। স্কুল, কলেজ অফিচলৈ যোৱা মানুহ, ৰিক্সা, মটৰ, বাচ, ঠেলা, চাইকেলত ঘটং-ঘটংকৈ গাখীৰ দিয়া মানুহ, ফেৰীৱালা, হকাৰ, কিন্তু হাজিৰা কাম কৰাবলৈ বিচৰা এটাও মানুহ দোকানখনৰ সন্মুখত থিয় নহ'লহি। মোহন হতাশ হৈ পৰিবলৈ ধৰিলে। তাৰ চিন্তাত সাগৰ শুকাল। আজি ঘৰত গৈ কি খাব সি? ল'ৰা-ছোৱালী কেইটাৰ মুখত কি তুলি দিব তাৰ ঘৈণীয়েকে? মোহনে মনে মনে থিৰ কৰিলে যে ঘৰলৈ গৈ সি কাঁহৰ থাল দুখন বিষ্টু দোকানীক বেচি চাউল অলপ আনিব। কালিলৈ হয়তো ওচৰতে ক'ৰবাত কাম পাই যাব পাৰে।

ইতিমধ্যে মুখেশ্বৰ, কৃপা আৰু ভীমে কামৰ আশা বাদ দি ঘৰলৈ বুলি বাট ল'লে। মোহনেও মেচি দা থকা মোনাখন টেপৰ পৰা কান্ধত ওলোমাই যাবলৈ ওলাল। এনেতে সি দেখিলে দুটা ডেকা ল'ৰা স্কুটাৰ এখনত আহি চোনামিঞাহঁতৰ ওচৰত ৰ'ল। চোনামিঞা তৎক্ষণাত একেজাপে স্কুটাৰৰ ওচৰ পালেগৈ মাংৰাও। গোটেই জাকে স্কুটাৰখনৰ ওচৰত ভিৰ কৰি তুলিলে।

মোহনৰ টিকিচ্ কৈ খঙটো উঠিল—এই কুলক্ষণীয়া মিঞা পোৱালিটো। সি দোৰ মাৰিলেই নহয় আৰু এই কুলিমখা। ইহঁতবোৰ জানো কম। চিনাকী মানুহবোৰে আজি কালি মোহনহঁতৰ সলনি ইহঁতকহে কামত লগাব খোজে। ল'ৰাবোৰে ইহঁতক খেদিব খুজি ভালেই কৰিছে।

স্কুটাৰ চলোৱা ল'ৰা কেইটাই চোনাক কি কলে মোহনে শুনিলে। স্কুটাৰখনে তেতিয়াও ফট্-ফট্ কৰি আছে—"এই মোহন, এইফালে আহ।" আনন্দত অধীৰ চোনামিঞাৰ চিঞৰত মোহন লৰা-ঢপৰিকৈ তাৰ ওচৰ পালেগৈ।

"বিহু সম্মিলনৰ পেণ্ডেল দিয়া কাম। বহুত মানুহ লাগে। কৰিবি ?"

মোহনে আজি পায়খানা চাফা কৰা কাম পালেও কৰিব। সি সম্মতিত মূৰ দুপিয়ালে। "কিন্তু কাম ক'ত ?"

"ক'ত হ'ব আৰু ? অই মাথডয়ে বিহু সম্মিলন পাতিছে তাত পেণ্ডেল দিব লাগে। বাবুক জিগ্যাচ কৰনা ?"

মোহনে ক'লে—"তাত হ'ম গার্ডে কাম কৰিছে নহয়।"

চোনাই ক'লে—'ঝগড়া কৰি সিহঁতে কাম চাড়ি দিলে। এইত বাবুহতে কলে।'

মাংৰাই ক'লে—'আমাৰ চৰকে কামত লাগিবলৈ কৈছে। চাৰিঁৰ ভিতৰত পেণ্ডেল কমপ্লিট কৰিব লাগিব।'

স্কুটাৰখন বন্ধ কৰি চালক ডেকাজনে মোহনক ক'লে—"পেণ্ডেল আৰু মঞ্চ দুয়োটা সাজিব লাগিব।"

"এদিনত কেনেকৈ পাৰিম ? মানুহ ১৫ টা মানহে আছে।"

ডেকাই ক'লে—"পেণ্ডেলৰ কাম শেষ হৈয়েই আছে। মাত্র টিন্ তুলিব লাগে। মঞ্চৰ কাম বাকী আছে। তোমালোক গোটেই খিনি লাগিলে হবগৈ। আজি ৰাতি ৭ টাৰ পৰা ফাংচন।"

"ঠিকানে হাজিৰা ? মোহনে দ্বিধাগ্রস্ত কণ্ঠেৰে সুধিলে। "ঠিকা ললেই ভাল হ'ব। সকলো কমপ্লিট কৰি দিলে ৩০০ টকা। কিন্তু ৰাতি ৯ বজাৰ 'পাচতহে পেমেণ্ট কৰিব পাৰিম।"

মাংৰাই চিঞৰি দিলে—'ইমান ৰাতি বাগানলৈ যাম কেনেকৈ ?

"আমাৰ উপায় নাই। গেষ্ট আৰ্টিষ্টখিনিক পে' কৰাৰ পাচতহে তোমালোকৰ হ'ব। এই চৰ্ত্তত যদি ৰাজী তেন্তে গোটেই কেইটা ফিল্ডলৈ আহঁা। আমি তাতে আছো।" ল'ৰা জুটাই স্কুটাৰ এৰি দিলে।

সিহঁতৰ মাজত গুণগুণনি উঠিল। জুটামানৰ সন্দেহ হ'ল পইচা বা দিয়েনে নিদিয়ে। হমগার্ডখিনিয়ে কাম এৰি গ'ল কেলেই ? মানুহ কিজানি ভাল নহয় মাংৰাইহঁতৰ ৰাতি ৯/১০ বজাত উভটি যোৱাটোও সমস্যা। ভি, ডি, পি, য়ে ধৰে। মোহনৰ চিন্তা হ'ল ৰাতি দহ বজালৈকে নোখোৱা নোবোৱাকৈ ল'ৰা-ছোৱালীহাল থাকিব কেনেকৈ ? তাৰো পেট ইতিমধ্যে জলিছে। মুখখনলৈ তিতা তিতা লাগিছে পানীবোৰ উজাই আহিছে; চোনা মিঞা কিন্তু যাবই। ৰাতি ১০ টা হওক, ১১ টা হওক, তাক টকা লাগে।

মোহনে—ক'লে দুপৰীয়া খাবলৈ পইচা দিবনে নিদিয়ে? তহঁতে সুধিছিলিনে?"

চোনাই গেঞ্জেৰি দি উঠি ক'লে—"ইয়াত ফেক ফেক কৰি থাকিলে কি হ'ব? তাৰ্লৈ যাওঁ তাত চব ঠিক হ'ব লয়।" অৱশেষত সন্দেহ, অবিশ্বাস, ভয় আৰু নানা প্ৰশ্ন বুকুত বান্ধি উঁহতৰ দোকানখনৰ মুখৰ দলটো বিহু সম্মিলনৰ পেণ্ডেলৰ ফালে আগবাঢ়িল। বিভিন্ন জাতৰ, বিভিন্ন ধৰ্মৰ বিভিন্ন বয়সৰ প্ৰায় ১৫ টা মান দিন মজুৰ। সিহঁতৰ কক্ষ শুকান হ'দে পোৱা মুখবোৰত গভীৰ উদ্বেগ আৰু অনিশ্চয়তা। পেটত সিহঁতৰ জ্বালাময়ী ক্ষুধা

পেণ্ডেলৰ কাম সঁচাকৈ শেষেই হৈছিল। টিন তুলিবলৈহে বাকী। টিনো কাষত দম কৰি থোৱা আছে। মঞ্চটোৰ গাঁতবোৰ খন্দা আছে। খুটা কিন্তু এটাও পোতা নাই। বঁহ বাঁহ ত'তে পৰি আছে। গোটেই। ঠাইখনত বোকা। বননিবোৰত ভৰি দিলে পেলপেলীয়া বোকা ওপৰলৈ উঠি আহে। পৰি এখনে বালি পেলাইছে। বিহু সম্মিলন কমিটীৰ বিষয় ববীয়াহঁতৰ ব্যস্ত অহা যোৱা। ইটো-সিটো নিৰ্দেশ দিছে। মোহনহঁতে কি কৰিব কি নকৰিব গুণা গঠা কৰি থাকোতেই। ক্ চাৰজনা ডেকা ছুটা ওলালহি।

"অ' তোমালোক আহিলা? কেইজন আহিছা?" চোনা মিঞাই গহিন কৰি ক'লে—"পঞ্চৰটা আহিছো।"

"ঠিক আছে।" ল'ৰাটোৱে দূৰলৈ চাই চিঞৰিলে—"অ' বকুৱা দা—বকুৱা দা, আপোনাৰ মানুহ আনি দিলো, চম্ভালি লওক।" বকুৱা নামৰ মোটা আহহীয়া পাটৰ ধুতী পাঞ্জাবী পিন্ধা মানুহটো সাৱধানে খোজ দি সিহঁতৰ ওচৰ পালেহি। "ইহঁতেই কৰিব, কোনটো কৰাৰ লাগে আপুনি নিজে 'ডিৰেক্চন' দি কৰাব। বস্তুৰ প্ৰয়োজন হলে খেতান ষ্ট'ৰৰ পৰা স্লিপ দি অনাব।'

মোহনে হঠাতে মাত লগালে—"আমাক কিন্তু দুপৰীয়া খাবলৈ টকা দিব লাগিব। নহলে নোৱাৰিম।" বকুৱাদা বোলাজনে মোহনলৈ থোপাকৈ চাই ক'লে—'তহঁতক দুখুৱাই দুবুৱাই কাম কৰিবলৈ অনা নাই বুজিছ। আগতে কামত ধৰ। হে'ৰা দীপ তুমি মোক টকা দুটামান দি যাবাচোন।"

দীপে ক'লে—'টকা নালাগে, বকুৱা দা জেকা হোটেলত বন্দোবস্ত কৰা আছে। স্লিপ দিব। খৰ-খৰ কৰক। মই যাওঁ। এচ, ডি, অ'ৰ পৰা বাতি ক্ চাৰ চলোৱাৰ 'পাৰমিচন' টো লওঁগৈ। 'সেই আৰ্টিষ্ট'ৰ লগত বাতি কিমান বাৰ যে অহা যোৱা কৰিব লাগিব তাৰ কি ঠিক আছে। বকুৱা দা, বহু আমনি লগিছে

এইবোৰ কৰি। অহাবাৰৰ পৰা মোক আৰু সন্মিলনৰ দায়িত্ব নিদিব দেই। কোনেও কুটা এগছকো নকৰিব, চব চেক্ৰেটাৰীৰ ওপৰত। বোপাই ঘৰৰ বিয়া খনহে পাতিলো জানিবা।'

বকৰাই লগে লগে ক'লে—'ইমান সোনকালে হতাশ হ'লে কেনেকৈ চলিব' ভেকা ল'ৰা। দেশৰ সংস্কৃতিৰ বাবে ইয়াতকৈও বিয়াগোম 'চেক্ৰিফাইচ' ৰ বাবে সাজু থাকা। এইয়া বিহু সন্মিলনহে··· ।"

বকৰাৰ কথা শেষ নহ'ল। দীপে স্কুটাৰ ষ্টাৰ্ট দিলে। স্কুটাৰখন চকুৰ আঁতৰ হোৱাৰ লগেই বকৰাৰ কথাৰ সুৰো সলনি হ'ল- "চালাহঁত, ৰাইজৰ কাম কৰিবলৈ ভাগৰ লাগে। ৰাইজৰ টকা মাৰিবলৈ ভাগৰ নালাগে। তহঁতৰ দৰে দেশৰ নেতা ঢেৰ দেখিলো। যা বেটাহঁত যা। Guest artist ৰ লগত গেলা খাই পৰি থাকিবলৈও S.D.O ৰ Permission এটা লৈ ল'বি।" মোহনহঁতে একো বুজিব নোৱোৰি এবাৰ বকৰাৰ মুখলৈ এবাৰ ইটোৰ সিটোৰ মুখলৈ চালে। বকৰাই এইবাৰ সিহঁতক ক'লে, "আহ তহঁত। তহঁত সেই মঞ্চৰ কামত ধৰ। তহঁত কেইটাই টিঙ উঠা। ওপৰত বাঁহৰ কামি দি বান্ধি দিবি। বতাহ ৰবযুগৰ দিন। তহঁত কেইটাই বালিবোৰ য'ত য'ত বোকা হৈছে দি যা। যা-যা জটপট কামত লাগ।"

মোহনহঁতে চোলাবোৰ খুলি মোনাত ভৰালে আৰু দাবোৰ উলিয়াই ললে। মঞ্চ সজাৰ কাম আৰম্ভ হ'ল। শাৰী-শাৰীকৈ চুটি চুটি খুটাবোৰ পোতা হ'ল। ওপৰত পথালিকৈ বাঁহ বান্ধি তাৰ ওপৰত তক্তা দি সজা হব বিহু সন্মিলনৰ মঞ্চ। পেণ্ডেলৰ ফ্ৰেমৰ ওপৰত চোনা মিঞাহঁতে টিঙ তুলিবলৈ ধৰিলে। মাংৰাহঁত বালি দিয়াত লাগিল। ৰৰ দ্ৰুতগতিত কাম আগবাঢ়িল। বকৰা মানুহটো ওস্তাদ। এক মুহূৰ্ত্তও সিহঁতক জিৰণি লবলৈ দিয়া নাই তেওঁ।

কামৰ ব্যস্ততাত মোহনে ভোকটো পাহৰি আছিল যদিও এটামান বজাত তাৰ পেটটোৱে পাক মাৰি ধৰিলে। সি কাম এৰি বাকী-বোৰক ক'লে "অই তহঁতৰ ভোক চোক লাগিছেনে নাই অ'? মোৰ হলে আৰু নচলিব।"

কামবন থৈ আটাইবোৰ গোট খালে। বকৰাই সিহঁতৰ হাতত একোখন ছুটকাৰ স্লিপ দি ভেকা হোটেললৈ যাবলৈ ক'লে, "খাই উঠিয়েই কিন্তু কামত ধৰিবি। গধুলিৰ আগে আগে চব শেষ হ'ব লাগিব।"

ছুটকা? "ছুটকাত আমাৰ কিটো হ'ব? মোহনে প্ৰতিবাদ কৰি উঠিল। চোনা মিঞাৰো কথাটো মনঃপুতঃ হোৱা নাছিল।

বকৰাই ক'লে—"বেছিকৈ দিব পাৰো কিন্তু তইঁতৰ হাজিৰাৰ পৰা কটা যাব।" অৱশেষত প্ৰত্যেকেই একোখন ৪ টকীয়া স্লিপলৈ ডেকা হোটেল পালেগৈ। বাটত মোহনে চোনা মিঞাক সুধিলে, "আৰু আমি কিমানকৈ পাম।"

মিঞাই মুখতে হিচাপ কৰি ক'লে "৪ টকা গ'লে আৰু ১৬ টকাকৈ।"

ডেকা হোটেলৰ পনীয়া দাইল, সস্তীয়া চাউলৰ ভাত আৰু নিৰখ চোকা ভাজিও মোহনৰ অমৃত যেন লাগিল। চোনামিঞাইতে কিবাকিবি বকি আছিল। মোহনৰ সেইবোৰ শুনিবলৈ সময় নাছিল। সি গো গ্ৰাসে গিলিবলৈ ধৰিলে। খাই থাকোতে কেৱল তাৰ মনত পৰিল ল'ৰা-ছোৱালীহাল আৰু মাহুহজনীলৈ। সিহঁতে বাৰু কি কৰিছে? চাউল দুটামান যোগাৰ কৰিব পাৰিছেনে নাই? মাকে নিশ্চয় কিবা এটা যোগাৰ কৰিব। নিজৰ মনক সান্ত্বনা দিলে মোহনে। ৰাতিলৈ আজি সি ভালকৈ পেট ভৰাই খাব। ৰাতি দোকানীক অগাই হলেও চাউল দাইল কিনি নিব।

ভাত খাই উঠি সি মাংৰাৰ পৰা শুকান তামোল অকণমান আৰু চাধা ল'লে। চোনামিঞাই বিড়ি জ্বলালে। পেটটো ভৰাৰ লগে লগে মোহনৰ গাটো বহুত বল ঘূৰি আহিল। দুখ ভাগৰ যেন সকলো আঁতৰি গ'ল। সি বিড়ি হুপি থকা চোনা মিঞালৈ চালে। চোনা মিঞা কিবা এটা ভাৱত তন্ময়।

"কি ভাবিছ, বৰ মিঞা। নাখাম নেকি"

হুমুনিয়াহ এটা এৰি চোনামিঞাই ক'লে—"কি ভাবিবি আৰু? মোৰতো পেটৰ জ্বালা মৰিল। ঘৰত বিবি বাচ্ছাইতৰ কি হৈছে আল্লাইহে জানে। আজি চাৰিদিন ঘৰত দানা এটাও নাই। তোক মই আৰু কি মিছা কম, মোহন?"

মোহন জিকাৰ খাই উঠিল। মাংৰাই কথাটো শুনাৰ তাও ঘূৰি আঁতৰি গ'ল। মাংৰাৰ ঘৰতো বোধহয় একেই অৱস্থা। মোহনৰ যেন মন গ'ল— আটাইকেইটাকে সাৱটি সি হুক্ হুককৈ কান্দি দিব। কিন্তু মুখেৰে একো নামাতি সি মাংৰাৰ পিছে পিছে পেন্দেলৰ ওচৰ পালেহি।

আকৌ আৰম্ভ হ'ল কাম। বাঁহ কটা, গাঁত খন্দা, টিং তোলা, বালি চটিওৱা,।

মঞ্চৰ পথালি বাঁহ বান্ধিবলৈ গৈ মোহনে প্ৰথমে লক্ষ্য কৰিলে বাঁহবোৰ বৰ দিৰিকা। ভাগি যাব পাৰে। সি কথাটো এবাৰ বকৰাৰ কাণ চোৱালে "চাৰ ইয়াৰ ওপৰত নাচ-গান নহ'ব জানো?

"অঁ নাচ-গান হ'ব। বিহুনাচ, ওজাপালি, ভাওনা, মেমেও অসমীয়া বিহুনাচ নাচিব। দেখিবি নহয় ৰাতিকৈ। কিন্তু তই কেলেই সুধিলি?"

"এই বাঁহবোৰ বৰ লিৰিকা। ভাগি যাব পাৰে।" মোহনে এটা বাঁহ হাবে ঘপিয়াই ক'লে,

"তোৰ সেইবোৰ কেলেই লাগিছে। কাম কৰা মানুহ কাম কৰ" গেঙেৰী দিলে ৰকবাই।

বাঁহ যে লিৰিকা ৰকবাইও জানে। বাঁহ কিনাৰ দায়িত্বও আছিল তেওঁৰেই। অলপ সস্তীয়া বাঁহ কিনি বাহি পইচাখিনি তেওঁৰ পকেটত ভৰাইছিল। লিৰিকা বাঁহৰ কথাটো কমিটিৰ বাকী সদস্যৰ আগত প্ৰচাৰ হয় বুলিয়েই তেওঁ ভবিয়াই মোহনৰ মুখখন বন্ধ কৰিলে।

তেওঁ মোহনক অলপ মোলায়েম সুৰত সুধিলে—"তই অসমীয়া নহয় জানো?"

"হয় চাৰ," মোহনে কামি এটা চাচি চাচি ক'লে।

"চেচ হৈ গ'ল বুজিছ। অসমীয়া জাতি চেচ হৈ গ'ল। এটা স্বাধীন জাতিৰ অস্তিত্বই চেচ হৈ গ'ল.........।" কৈ কৈ ৰকবা পেন্দেলৰ সিটো মূৰ পালেগৈ। শেষ নহ'ল কিন্তু মোহনহঁতৰ কাম। ইটোৰ পাছত সিটো। মঞ্চৰ ওপৰত তক্তাবোৰ পাৰি দিয়া। তাৰ ওপৰত বিৰাট তিৰপালখন মেলি দিয়া। মকলৈ উঠা খট্‌খটি সজা। টিঙৰ চকীবোৰ শাৰী শাৰীকৈ মেলি দিয়া এন্ধাৰ হোৱাৰ লগে লগে জ্বলি উঠিল অসংখ্য নিয়ন লাইট। ল'ৰা-ছোৱালী কিছুমান আঁৰ কাপোৰেৰে তৎক্ষণাত মঞ্চটো সজাই পেলালে। লাইটৰ পোহৰত গোটেই দৃশ্যটোৱেই সলনি হৈ গ'ল। উজ্জ্বল পোহৰত মঞ্চটো জক্‌মকাই উঠিল। ইতিমধ্যে পেন্দেলত দৰ্শকৰ ভিৰ আৰম্ভ হ'ল। গাড়ীৰে আহিব ধৰিলে বিভিন্ন শিল্পী, বৰ বৰ মানুহ। মোহনহঁতৰ অস্তিত্ব ক্ৰমে জাকজমকীয়া পৰিবেশৰ মাজত যেন নাইকীয়া হৈ গ'ল। সিহঁতবোৰ এতিয়া অনাগতিয়াল বস্তুৰ দৰে হৈ পৰিল। সিহঁত গোটেই কেইটা মুখৰ থাঁহনি এটুকুৰাৰ ওপৰত ইটা ছুটুকুৰামানৰ ওপৰত বহি জিৰণি লবলৈ ধৰিলে। বৰ ভাগৰ লাগিছিল আটাইকেইটাৰ। মুখত মাতো নাই এটাৰো। এবাৰ মাত্ৰ মাংবাই ক'লে—'টকাটো জাল্ডি পালেই হয়। চাৰি মাইল খোজ কাঢ়িব লাগিব। চেক্ৰেটাৰী বাবুটোৱে বাতি ৯ বজাত টকা দিব বুলি চুক্তি কৰিছিল।'

মোহনে ইচ্ছা নোহোৱা সত্বেও ক'লে—"এতিয়া ইয়াত বোম্বাপৰ দি মৰ .........।" তাৰ মুখত অশ্লীল মাত ওলাল।

"পেটৰ নিমিত্তে চব কৰিব লাগিব।" দাৰ্শনিকৰ দৰে মন্তব্য দিলে চোনা বিজাই।

মোহনে একো নাৰাখিলে। আঠু দুটাত মূৰটো গুজি সি চকু দুটা মুদিবলৈ চেষ্টা কৰিলে। তাৰ কেৱল এটাই চিন্তা, কেতিয়া চাউল দাইল কিনি সি ঘৈণীয়েকৰ হাতত তুলি দিবলৈ। কেতিয়া হেপাহ পলুৱাই ল'ৰা-ছোৱালীৰ লগত এসাজ খাব। কথাবোৰ ভাবি ভাবি চিলমিলকৈ টোপনি আহিল তাৰ।

"আমাৰ সাংস্কৃতিক সন্ধিয়া আৰম্ভ হ'ব এযোৰা বাচকবনীয়া হচাইৰে....." মাইকত ঘোষকৰ মাতত মোহনৰ তন্দ্ৰা ভাগি গ'ল। সি চক্‌মক্‌কৈ এবাৰ সকলো চালে। পিলিঙা ডেকা কেইটামান মঞ্চত ঘূৰি ঘূৰি পদ দিছে...... দেউতাৰ পলুলিত ·· গোবিন্দাই ৰাম। মোহনে চকু কেইটা আকৌ মুদি দিলে। তাৰ আকৌ টোপনি আহিল।

কিমান সময় গ'ল জানো। হঠাৎ চোনা মিঞাৰ চিঞৰত সি থক্‌মক্‌কৈ সাৰ পাই উঠিল "এই মোহন উঠ। তোক চেক্রেটাৰী বাবুৱে বিচাৰিছে"

মোহন থৰমৰাই ঠিয় হ'ল—"তহঁতে টকা পালিনেকি ?'

"দুৰ বেটা, তোৰ ওপৰত চেক্রেটাৰী বাবু গৰম। মাতিছে জাণ্ডি।"

মোহনৰ অষ্ঠ-কণ্ঠ শুকাই গ'ল, "ক'ত আছে চেক্রেটাৰী বাবু ?" মোহন লৰালৰিকৈ দীপৰ ওচৰ পাওঁতে দীপে তৰ্জন গৰ্জন কৰি আছিল। মোহনে ভয়ে ভয়ে সুধিলে—"কি হ'ল মোক বিচাৰিছিল বোলে ?"

তাক দেখি দীপ গৰজি উঠিল "ষ্টেজ সাজিছিলি, চালা। ফুটাকড়ি এটাও নাপাৱ। মোৰ চব ইজ্জত আজি শেষ।

"কি হ'লনো ?"

"কি হ'বলৈ আছে ? ষ্টেজৰ তলৰ বাঁহ ভাগি গৈছে। আৰু এটা নাচিলেই ভাগি পৰি যাব। গুৱাহাটীৰ Guest artist খিনি ক'ত থিয় কৰাম আজি ?........."

মোহনে, ক'লে ৰ'ব ৰ'ব মোৰ ওপৰত গালি দিলেই নহ'ব। বৰুৱাচাৰক মই কেইবাবাৰো ক'লো—বাঁহ কেইডাল লিৰিকা ভাগি যাব পাৰে। বৰুৱা চাৰে শুনোতাই মোকহে ধমকি দিলে। আমি কি কৰিম। হাজিৰা কৰা মানুহ। যেনেকৈ কব আমি তেনেকৈ কৰি দিম। আমাৰ গাত কি দোষ ?"

"চুপ চুপ। বৰ বৰ কথা নকবি। বৰুৱা ক'লৈ গ'ল।" যত চব বদমাচি এই বৰুৱাৰ। চেবটেজ কৰিব আহিছে চালাই।"

চোনা মিঞাই লৰালৰিকৈ ক'লে, "বৰুৱা বাবুতো কেতিয়াবাই টুকুৰা বাঁহ কাঠ চব ঠেলা এখনত তুলি দি ঘৰলৈ পঠিয়ালে আৰু নিজেও লগতে গ'ল।"

দীপৰ মাত আৰু ভাঙৰ হ'ল—"চালাই ডুবাই থৈ গ'ল" দীপ ৰহি পৰিল।

"কি হ'লহে দীপ ?" কমিটিৰ সভাপতি বয়োবৃদ্ধ মহেন্দ্ৰ হাজৰিকাই সুধিলে।

"কি হ'ব আৰু খুড়াদেউ। অবন বৰুৱাই ডুবাই থৈ গ'ল ? ষ্টেজ ভাগো ভাগো অৱস্থা। কি কৰে কৰক খুড়াদেউ ? মোৰ মগজে কাম নকৰা হৈছে।"

"ৰ'বা ৰ'বা ধৈৰ্য্য নেহেৰুৱাবা। সকলো সমস্যাৰেই সমাধান আছে।" হাজৰিকা বুঢ়াই মোহনৰ ফালে চাই সুধিলে "তহঁতৰ মানুহ কিমান আছে ?"

মোহনে সংখ্যাটো ক'লে।

"দীপ ইহঁতক হাজিৰাৰ টকা দিলানে ?"

"নাই দিয়া খুড়াদেউ।"

"ভাগিছে কিমান ? এডাল নে বেছি ?"

চোনা মিঞাই ক'লে, "ভাগিছেতো মাত্ৰ এডাল। কিন্তু কোনো ৰকমে জোৰা দিব নোৱাৰি।"

সভাপতি হাজৰিকা দীপক একাষৰীয়াকৈ মাতি আনি ফুচ-ফুচকৈ কিবা এটা কৈ আঁতৰি গ'ল। দীপৰ মুখখন উজ্জ্বল হ'ল। সি মোহনহঁতৰ ওচৰলৈ আহি কলে তহঁতৰ ১৫ টা মানুহ আছ নহয় ? আমাৰ আইটেমো এঘণ্টামানৰ বাবেহে আছে। তহঁতে তিনিটা তিনিটাৰ দলে ষ্টেজৰ তলত সোমাই কান্ধেৰে ষ্টেজটো ধৰি থাক। ওপৰত বৰ বেছি artist ও নাথাকে। প্ৰগ্ৰেম শেষ হ'লেই তহঁতক টকা দি দিম বাৰু।"

মোহন, মাংৰা জাঙুৰ খাই উঠিল "নাই এই চব হ'ব নোৱাৰে। আমাৰ হাজিৰা দিয়ক আমি যাওঁ। দিন ভৰ কাম কৰি আমি হায়ৰাণ হৈ গৈছো।"

"এইখিনি নকৰিলে ফুটাকড়ি এটিও নাপাৰ।"

মোহনৰ মাতত এইবাৰ অবাইচ মাত ওলাল, "নেলাগে তোৰ ···টকা। আমাৰো তেজ-মঙহৰ শৰীৰহে। কি বুলি ভাবিছ ?"

এইবাৰ চোনা মিঞা মাজত জপিয়াই পৰিল, "হেই হেই ঝগড়া নকৰিবি, মোহন ভাই। ঠেকা তোৰ মোৰ। টকা নাপালে আমাৰহে মৰণ। বিবি, বাচ্ছাৰ কথা একবাৰ চিন্তা কৰ·········।"

হাজৰিকা বুঢ়া ক'ৰবাৰ পৰা আহি ওলাল, "তুমি ঠিক কৈছা, ভাই। তোমালোকেও সবহ টকা পাবা। আমাৰো সন্মান বাচিব। এঘণ্টা সময়নো আৰু কি ? লাগি যোৱা।"

ঘৰ সংসাৰ ল'বা ছোৱালীৰ চিন্তাত থকা মোহনহঁতৰ দলটোৰ আকৌ এবাৰ পৰাজয় হ'ল। সকলোৰে আপত্তি ভূলি শেষত সকলো ৰাজী হৈ গ'ল।

মঞ্চৰ তলখন অন্ধকাৰ। ভ্ৰাতে গোলেপা গৰম। মহৰ উৎপাত। পৰ্দাৰ বাহিৰ কাষত লৈ তিনিমূৰ্ত্তি তিনিটা মানুহ মোহন, মাংৰা আৰু চোনা মিঞা। মঞ্চৰ ওপৰত চলিছে তেতিয়া উদ্দাম নৃত্য। গুৱাহাটীৰ অভিজাত সাংস্কৃতিক সংঘ কলাক্ষেত্ৰৰ আপুৰুগীয়া অসমীয়া লোকনৃত্য। দৰ্শকৰ বৈ বৈ হাত চাপৰি।

"চোনা মিঞা," মোহনে চিঞৰি ক'লে, "মোৰ কিন্তু কান্ধ জলি গৈছে এৰি দিম কিন্তু?"

"চুপ চুপ ভাই জোৰেৰে নিচিঞৰিবি। ওপৰত বাবুহঁতৰ নাচ চলিছে। তোৰ যদি কান্ধ জ্বলিছে মই ধৰো। তই অলপ জিৰাই ল।" মোহনে একো নামাতি ভবিৰে ভালকৈ খোপনি পুতি কান্ধখন দাঙি ধৰিলে।

আকৌ ঘোষকৰ কণ্ঠ শুনা গ'ল "এইয়ে অসমৰ বাবে বৰণীয়া সংস্কৃতি। ইয়াৰ মাজতেই জীপ লৈ আছে এটা জাতিৰ স্বপ্ন—আশা-আকাঙ্ক্ষা। এই সংস্কৃতিক জীয়াই ৰাখিব নোৱাৰিলে এটা জাতিৰ অস্তিত্বও চিৰকালৈৰ বিলনি হ'ব।"

ঘোষকৰ কণ্ঠ শেষ হোৱাৰ লগে লগে মাংৰাই খুক খুককৈ হাঁহি উঠিল।

মোহন আৰু চোনা মিঞাই তাৰ ফালে বেকাকৈ চাই ক'লে, "কি হ'ল তোৰ মাংৰা। ইমান দাঁত চেলাইছ? মাংৰাই হাঁহি হাঁহিয়েই ক'লে, "নাই হাসি আৰ কি কৰিব বে? আম্‌ৰা চাড়ি দিলে বাবু গিলা চাপা চৰ পিৰি যাব বে—" বুলি আকৌ খুক-খুককৈ সি হাঁহি উঠিল।

জ্বলি যোৱা কান্ধখন সলাই মোহনে ভাবিছে—সঁচাকৈ সিহঁতে এৰি দিলে বাৰু কি হ'ব?

—x—

# লিখাৰ প্ৰত্যয়েৰে

"অপগণ্ড'

কাকতখনত লিখা আছিল—

॥ নমঃ নাৰায়ণ নমঃ ॥

কলিযুগত ভগৱান

শ্ৰীকৃষ্ণৰ অদ্ভুত অৱতাৰ

'দক্ষিণ ভাৰতৰ মাদ্ৰাজৰ········ মন্দিৰত কলিযুগত এক অদ্ভুত দৃশ্য দেখা যায়, যি দৃশ্য আজি পৰ্য্যন্ত নিজ চকুৰে কেৰে দেখা নাই। বৰ্ত্তমান এই মন্দিৰত এটা সাপ ওলাই বহু সময় অপেক্ষা কৰি এজন ব্ৰাহ্মণৰ ৰূপ ধাৰণ কৰে। মন্দিৰত সেই সময়ত পূজাৰী উপস্থিত আছিল। ব্ৰাহ্মণৰূপী সাপে উত্তৰ দিলে—ভয় কৰাৰ কোনো কাৰণ নাই। যি কম মন দি শুনি যোৱা। কিছুদিনৰ পাছত এই পৃথিৱীত মই অৱতাৰ ৰূপে জন্ম গ্ৰহণ কৰিম। যিয়ে ধৰ্মক অপমান কৰে তাক সমুচিত দণ্ড দিম। পাপ কাম এৰি সৎ পথে চলা। মোৰ নামত যি জনে ১০০ কাগজ ছপা কৰি বিলাই দিয়ে, ১৪ দিনৰ ভিতৰত তেওঁৰ মানসিক চিন্তা নাইকিয়া হব আৰু তেওঁৰ সকলো কাম সফল হব আৰু যদি কোনোলোকে জানি শুনিও ১৪ দিনৰ ভিতৰত প্ৰচাৰ নকৰে তাৰ যথেষ্ট ক্ষতি হব। সাপৰূপী ব্ৰাহ্মণে এই কথাখিনি কৈ ৩৩ খোজ পিছুৱাই সাপ হৈ অন্তৰ্ধান হয়। এই খবৰ শুনি বোম্বাইৰ এজন মানুহে মাত্ৰ ২৪ খন কাগজ ছপা কৰি বিলাই দিয়াত ১৪ দিনৰ ভিতৰত লটাৰীত পাঁচলাখ টকা পায়। আলিপুৰ দুৱাৰৰ এজন বিক্ৰীৱালাই ৪০০ খন ছপা কৰি বিলাই দিয়াত ১৫ দিনৰ ভিতৰত ঘৰৰ মজিয়াত একলহ কেঁচা নগদ টকা পায়। এই পত্ৰ পাই এজন মানুহে হাঁহিৰে উৰুৱাই কাগজখন কালি পেলায়; ১৪ দিনৰ ভিতৰত তেওঁৰ লৰাটোৰ মৃত্যু হয়। এই কথা সত্য যে শ্ৰীকৃষ্ণৰ মহিমা প্ৰচাৰ কৰাই ইয়াৰ উদ্দেশ্য। এই পত্ৰ পাই ক্ষমতা অনুযায়ী কিছু বিলাই দিয়ক, নাইবা এজনৰ হাতলৈ পঠিয়াই দিয়ক। এই পত্ৰৰ যেন অৱহেলা নকৰে।

আমি উপকৃত হৈছো। যিমান পাৰে বিলাই দিয়ক। সকলোৰে ভাল হৈছে, আপোনাৰো হব।"

এই লিখ্ কথা কাগজখন আগবঢ়াই দিলে অধ্যাপক ড০ দুৰ্গাচৰণ ঠাকুৰে তেওঁৰে সহকৰ্মী আন এজন অধ্যাপক ৰাজেন মেচৰ্ক। শেষ আবেলিৰ সেই সময়টোত ৰাজেন মেচে বাৰান্দাতে বেতৰ চকীএখনত আৰামেৰে বহি বাতৰি কাকতত সেইদিনাখন প্ৰকাশিত অষ্টম গোষ্ঠী নিৰপেক্ষ শীৰ্ষসম্মিলন'ত আলোচিত হোৱা দক্ষিণ আফ্ৰিকা বৰ্ণভেদ নীতিৰ বিষয়ে পঢ়ি আছিল।

ড০ দুৰ্গাচৰণ ঠাকুৰ আৰু ৰাজেন মেচ দুয়ো একেখন কলেজতে অধ্যাপনা কৰে আৰু থাকেও কলেজৰ ওচৰতে একেটা ভাড়া ঘৰৰে বেলেগে বেলেগে দুটাকৈ কোঠা লৈ। দুয়োজনৰে পৰিয়াল সৰু আৰু যাৱতীয় সা-সুবিধাখিনি মোটামুটিভাৱে থকা বাবে ভাড়াঘৰ যদিও অসুবিধা তেনেকৈ হোৱা নাই। কিন্তু অসুবিধা হৈছে আন দিশৰ পৰাহে। দুয়ো বিজ্ঞানৰ ছাত্ৰ আৰু অধ্যাপক আৰু দুয়োজনকে প্ৰায় সমবয়সী বুলিব পাৰি। দুয়োজন গৰীব গাঁৱলীয়া পৰিয়ালৰ পৰা অশেষ কষ্টেৰে পঢ়া-শুনা কৰি অহা মানুহ। এইখিনিলৈকে দুই অধ্যাপকৰ মাজত মিল আছে। পিছে অমিলৰ তালিকাখন যথেষ্ট পৰিমাণে দীঘল। যিটো বিষয়ত অমিল চূড়ান্ত, সেইটো হৈছে তেওঁলোকৰ জীৱন দৰ্শন। অধ্যাপক ড০ ঠাকুৰ পুৰণি ধ্যান-ধাৰণাক খামোচ মাৰি ধৰি থকা মানুহ। তেওঁ বিশ্বাস কৰে ভক্তিয়ে হৈছে 'এ ভৱ গ্ৰহণ বন'ত কালাতিপাত কৰাৰ প্ৰধান সাৰথি। সেয়েহে তেওঁৰ এটা কোঠাৰ এমুৰে ৰাম কৃষ্ণ, শিৱ, পাৰ্বতীকে আদি কৰি ভালেমান দেৱ-দেৱীৰ ফটো' সযতনে আঁৰি থোৱা আছে। পুৱা সন্ধিয়া সেইবিলাক ফটো'ৰ আগত ধূপ-ধুনা জ্বলাই বিৰ্ বিৰকৈ মন্ত্ৰ আওঁৰোৱা কামবোৰ তেওঁৰ নিত্য-নৈমিত্তিক। তেওঁৰ মতে ঈশ্বৰ উপাসনাই যিবিলাকে উপলব্ধি কৰে, সেইবিলাকৰ তাটি বয়সৰ চেতনাত আত্মাৰ নিৰ্জনতা প্ৰবল হয় আৰু মৰিবৰ সময়ত জ্ঞান চক্ষু মেল খায়।

অধ্যাপক মেচ ইয়াৰ সম্পূৰ্ণ বিপৰীত। ছাত্ৰ জীৱনত অভাৱৰ মাজেদি চলি অহা মেচে দুখ-লাঞ্ছনাৰ পৰা পৰিত্ৰাণৰ পথ বিচাৰি সহজাত মানৱতাবোধৰ আশ্ৰয় লৈছিল। ইয়ে তেওঁক ব্যক্তিগতভাৱে সৎ আৰু আদৰ্শবাদী হবলৈ প্ৰেৰণা যোগাইছিল। মানুহেই দেৱ, মানুহেই সেৱ, মানুহ বিনে নাই কেও। মানুহেৰে দীক্ষিত মেচে পিছত দেখিলে যে এইবেন মহামন্ত্ৰইও তেওঁৰ মনত শান্তি দিব পৰা নাই। তেওঁৰ চাৰিওকালে দিনে দিনে অন্যায় এনেভাৱে ব্যাপক হবলৈ ধৰিছে যে 'মানুহে অন্যায় পথত চলিব লাগে বুলি যেন এটা অঘোষিত

নীতি বচন মানুহবিলাকৰ মগজুত বদ্ধমূল হবলৈ ধৰিছে। চকুৰ আগত ঘটি থকা সততাৰ অপমৃত্যুৱে মেচক স্বাভাৱিকতে অস্থিৰ কৰি তুলিলে। তেওঁ আগতকৈও অধিক জিজ্ঞাসাৰে বিভিন্ন কিতাপ আলোচনী আদি পঢ়িবলৈ ধৰিলে আৰু আলোচনা চক্ৰ আদিত সঘনাই উপস্থিত থাকিবলৈ ধৰিলে। লগতে বন্ধু-বান্ধৱ সকলৰ লগতো তেওঁ তৰ্ক যুদ্ধত প্ৰবৃত্ত হ'ল। ঘটনাক্ৰমে বস্তুবাদী দৰ্শনৰ লগত তেওঁৰ পৰিচয় ঘটিল। মেচ নিজে বিজ্ঞানৰ এজন অনুসন্ধিৎসু ছাত্ৰ হিচাপে এই দৰ্শনৰ দ্বন্দ্বমূলক তত্বৰ প্ৰতি সহজে আকৃষ্ট হৈ পৰিল। সমাজদৰ্শনো যে প্ৰাকৃতিক বিজ্ঞানৰ আধাৰত ৰচনা হব পাৰে—সেই কথা জানি তেওঁ অভিভূত হ'ল। ইমান দিনে তেওঁৰ মনত খোপনি পুতি থকা অস্থিৰতা জোকাৰি পেলাবলৈ তেওঁৰ বেছি সময় নালাগিল। তেওঁ আগৰে পৰা পোষণ কৰা মানৱতাবাদক বাস্তৱসন্মত ৰূপ দিয়াৰ পথ এইবাৰ যেন বিচাৰি পালে।

অধ্যাপক ড° ঠাকুৰে মেচক গুৰু গোসাঁই নমনা এজন অসামাজিক লোক বুলিয়ে গণ্য কৰে। বন্ধু-বান্ধৱৰ আগত সুবিধা উলিয়াই তেওঁ মেচক কমিউনিষ্ট বুলি তাচ্ছিল্য কৰে। তলত গেদ জমা হৈ ওপৰত ফটফটীয়া হৈ থকা এডোঙা পানীত এটা শিলগুটি পেলাই দিলে যেনেকৈ তলিৰ পৰা গেদবিলাক উঠি আহি পানীখিনি ঘোলা কৰি পেলায়, তেনেকৈ কমিউনিষ্ট !—এই এটা মাত্ৰ শব্দই ড° ঠাকুৰৰ মনৰ গহনত থুপ খাই থকা ঘৃণা, বিৰক্তি, পুতো আদি শব্দত জড়িত থকা অস্বস্তিকৰ অনুভূতিবিলাক জগাই তুলি তেওঁৰ মনটো অশান্ত কৰি তোলে। ড° ঠাকুৰ প্ৰাচীন সম্ভ্ৰান্ত মানুহৰ ঘৰৰ, সদায় সেই কথা তেওঁ মনত ৰাখে! মেচ যে কুলত তেওঁতকৈ নীচ আৰু সাধাৰণ খেতিয়কৰ ঘৰৰ পৰা আহিছে তাকো পাহৰি নাযায়।

পৰস্পৰ বিৰোধি মতবাদত বিশ্বাসী দুই অধ্যাপকৰ মাজত সেয়েহে সদ্ভাৱৰ বাকৈয়ে অভাৱ। মেচে তেওঁৰ স্বাভাৱিক কথন ভংগীৰে প্ৰথমতে একো একোটা বিষয়ৰ ওপৰত ড° ঠাকুৰৰ লগত মত বিনিময় কৰিবলৈ চেষ্টা কৰিছিল। কিন্তু ড° ঠাকুৰৰ আকোৰগোজ মনোবৃত্তিয়ে মেচক সংকুচিত হবলৈ বাধ্য কৰিলে। আনহে নালাগে, সাধাৰণ ঘৰুৱা কথা এটাতো তেওঁলোকৰ মনোমালিন্য এনে ধৰণে বাঢ়িবলৈ ধৰিলে যে কথা ওলালেই সি তৰ্কবিবাদত পৰিণত হোৱাৰ উপক্ৰম হবলৈ ধৰিলে। মেচে প্ৰমাদ গণিলে। পৰিস্থিতি অধিক বেয়ালৈ যাতে নাযায় তাৰ বাবে তেওঁ সতৰ্ক হ'ল। তেওঁ ড° ঠাকুৰৰ লগত কথা-বতৰা একেবাৰে কমাই দিলে। মুখামুখি হলে ভদ্ৰতাৰ খাতিৰত সোধা "ড° ঠাকুৰ, ক্লাচলৈ যাইনে ?"

"মেচ, কোনিবা ওলাইছে নেকি ?" এই জাতীয় চুটি বাক্য কেইটামানহে তেওঁলোকৰ মাজত সংযোগ ৰক্ষাৰ ভূমিকাত ব'লগে।

দিনবিলাক এই ধৰণেই অতিবাহিত হৈ আছিল। সময়ৰ এই ধাৰাবাহিকতাত যতি পেলাই অধ্যাপক ড° ঠাকুৰে পিছিনাখন আবেলি যেতিয়া লিখা কৰা কাগজখিলা আগবঢ়াই দি বাতৰি কাকত পঢ়ি থকা মেচক কলে, "মেচ এইখন পঢ়ি চাওকচোন।" দস্তৰমত মেচ অবাক হোৱাৰে কথা। মেচে বাতৰি কাকতৰ পৰা মুৰ দাঙি ড° ঠাকুৰৰ প্ৰসাৰিত হাতলৈ চালে আৰু বেছ কৌতুহলেৰে কাগজখন ললে। কাগজখনৰ দুটামান বাক্যৰ ওপৰত চকু ফুৰায়েই বিষয়টো অনুধাৱন কৰি ললে। ৰেলষ্টেচন, বাছ-ষ্টেচন আদিত এই ধৰণৰ কাগজ মাজে সময়ে কোনো-কোনোৱে বিলি কৰি ফুৰা মেচে দেখিছে। তেওঁ সেইবিলাক নিতান্তই ধৰ্মভীৰু বা অৰ্থলোলুপ কেইজনমান নিকৃষ্ট মগজুৰ মানুহৰ কাম বুলি বিশেষ গুৰুত্ব দিয়া নাছিল। কিন্তু ড° ঠাকুৰৰ হাতৰ পৰাও যেতিয়া একে ধৰণৰ কাগজ এখনকে পালে, তেওঁ বিস্মিতভাবে সুধিলে, "ড° ঠাকুৰ, ক'ত পালে এইখন ?"

তেওঁক অধিক বিস্মিত কৰি ড° ঠাকুৰে উত্তৰ দিলে, "আজিৰ ডাকত পালো।"

মেচে কিবা কোৱাৰ আগেয়ে ড° ঠাকুৰে কৈ গ'ল—"বুজিছে মেচ, কাগজখন যিসকলে মোলৈ পঠিয়াইছে, তেওঁলোকে মোক ভুল ভাবিছে।"

বিস্ময়ৰ প্ৰাথমিক আবেশ মেচৰ মনৰ পৰা ইতিমধ্যে কাটি গৈছে। ড° ঠাকুৰৰ কথাত তেওঁ একপ্ৰকাৰ আশ্বস্ত হ'ল আৰু কাগজখন ড° ঠাকুৰক ওভটাই দিব খুজিলে ঠাকুৰে লৰালৰিকৈ কৈ উঠিল, "নালাগে নালাগে, মেচ ! সেইখন আপুনিয়েই ৰাখক। আপুনি ছাগে ফালি পেলাই দিব নহয় জানো ?"

'এৰা, ফালিয়ে পেলাম। এই ধৰণৰ ধাপ্পাবাজি কথাবিলাকৰ চলতি আজি-কালি বেছিকৈ হৰলৈ ধৰিছে।'—মেচে তেওঁৰ চিৰাচৰিত আত্মপ্ৰত্যয়ৰ সুৰত উত্তৰ দিলে।

মেচৰ কথা সম্পূৰ্ণকৈ শুনিবৰ বাবে ড° ঠাকুৰ বৈ নাথাকিল। সন্মুখৰ চোতালৰ সেউজীয়া বননিৰ ওপৰত থৈওত থিয়কৈ ৰখা চাইকেলখনত উঠি তেওঁ পেডেল চলাই দিলে।

ড° ঠাকুৰ ওলাই যোৱালৈ চাই থাকি মেচে পুনৰাই বাতৰি কাকতৰ পৃষ্ঠালৈ ঘূৰি আহিব খুজিলে। বাতৰি কাকতৰ ওপৰত মেল খাই থকা কাগজখন দেখি তাৰ লিখাখিনি তেওঁ আকৌ এবাৰ ভালদৰে পঢ়ি চাবলৈ মন কৰিলে।

ড° ঠাকুৰে তেওঁক কাগজখন দেখুওৱা আৰু পাছত সেইখন তেওঁৰ হাতৰ

পৰা লৈ নোযোৱা—এই গোটেই ঘটনাটোকে তেওঁ প্ৰথমতে গুৰুত্বহীন বুলি এৰি দিব খুজিছিল। কিন্তু কাগজখন দ্বিতীয়বাৰ ভালদৰে পঢ়াৰ পাছত তেওঁৰ মনোভাৱ সলনি হ'ল। তেওঁ ঘটনাটোত ড° ঠাকুৰৰ অকল চিত্তদৌৰ্বল্যই নহয়, কুমতলবৰো যেন উমান পালে। তেওঁৰ মনটো গধুৰ হৈ পৰিল।

ৰাতি ভাত-পানী খাই অতোৱাৰ পাছত বিমলাই ডাঁৰ ডালত লৰা-ছোৱালী দুটাই দিনত বিশৃঙ্খল কৰি থোৱা কাপোৰকানিবিলাক থানথিত লগাই আছিল। মেচে চুৰট এটা জ্বলাই দুহোপামান মাৰিলে আৰু ধোঁৱাখিনি নাকেৰে এৰি দি পত্নীৰ ফালে চাই মাত লগালে, "বিমলা, তোমাক কথা এটা কওঁ, শুনা।"

বিমলাই সংসাৰৰ গতানুগতিক কথা বুলি ভাবি থিয় হৈ থকা ঠাইৰ পৰাই কাণ উৎকীৰ্ণ কৰি ৰ'ল। তাকে দেখি মেচে কলে, "কথাটো অলপ দীঘলীয়া হব, বিমলা! তুমি বৰং কামখিনি শেষ কৰি ওচৰতে বহি লোৱাঁ।"

বিমলাই সেইমতে মূঢ়া এটা চোঁচোৰাই আনি স্বামীৰ ওচৰত বহি ৰ'ল আৰু তেওঁৰ কথা শুনিবলৈ সাজু হ'ল। মেচে আবেলিৰ ঘটনাটো পুংখানুপুংখৰূপে বৰ্ণাই পত্নীলৈ চাই কলে· "বিমলা ঘটনাটো মই কিয় সহজভাবে লব পৰা নাই তাৰ কাৰণ তুমি নিশ্চয় জানিবলৈ বিচাৰিবা; নহয় জানো?"

"কওক!"—বিমলাই চুটিকৈ উত্তৰ দি সম্মতি জনালে।

মেচে কৈ গ'ল—"চোৱাঁ বিমলা! প্ৰথম কথা হ'ল: ড° ঠাকুৰৰ নিচিনা শিক্ষিত বিদ্বান, বিজ্ঞানী অধ্যাপক এজনক বিচাৰি বিচাৰি এনে ধৰণে প্ৰচাৰৰ কামত লগাবলৈ বিচৰাৰ কাৰণ কি? দ্বিতীয় কথা: ড° ঠাকুৰ যদি প্ৰকৃততে অন্ধ-বিশ্বাসী নহয়, তেনেহলে কাগজখন নিজেই ফালি নেপেলালে কিয়? তৃতীয় কথা: লিখাখিনিত চিন্তভীত হৈ তেওঁ কাগজখন অইন কাৰোবাক সহজে দি দিব পাৰিলেহেঁতেন। তাকে নকৰি মোৰ লগত তেওঁৰ সম্পৰ্ক মুঠেই প্ৰীতিকৰ নোহোৱা সত্বেও কাগজখন মোক দিয়াৰ কাৰণ কি? এই তিনিটা প্ৰশ্নৰ উত্তৰো মই তোমাক দিওঁ, শুনা।

"মোৰ প্ৰথম প্ৰশ্নটোৰ উত্তৰত কৈছো: কৃষ্ণ অৱতাৰৰ লেখীয়া প্ৰচাৰ কাৰ্যৰ আঁৰত যিবিলাক মগজুৱে কাম কৰি আছে, সেইবিলাক যেন-তেন-প্ৰকাৰেণ সমাজৰ স্থিতাৱস্থা বাহাল ৰখাৰ খাতিৰত অন্ধ সংস্কাৰ প্ৰচাৰ কৰাৰ কামত নিয়োজিত হৈছে। বৰ্তমান সমাজৰ নিৰ্মম নিষ্পেষণত মানুহৰ মনত পুঞ্জীভূত অসন্তুষ্টিয়ে যাতে উদ্গীৰণৰ পথ বিচাৰি পাব নোৱাৰে, তাৰ বাবে চমকপ্ৰদ দৃশ্যৰ প্ৰদৰ্শন কৌশল-সভভাবে এনে প্ৰচাৰ কাৰ্যকৰী কৰা হৈছে। এই ক্ষেত্ৰত বিজ্ঞানী হিবা

আধ্যাপক জাতীয় সেইবিলাক মানুহ—যিবিলাকৰ আকাঙ্খাৰ তালিকাত শেহতীয়াভাবে সংযোজিত হোৱা সামগ্ৰীৰ নাম হৈছে ৰঙীন টি. ভি. ক্ৰীন, সেইবিলাক মানুহক হাতিয়াৰ হিচাপে সহজে ব্যৱহাৰ কৰিব পাৰি। তাৰোপৰি অধ্যাপক বা বিজ্ঞানী হিচাপে সমাজত এটা বিশিষ্ট স্থান থকা হেতুকে জনসাধাৰণৰ ওপৰত তেওঁলোকৰ প্ৰভাব তালেখিনি। গতিকে সমাজ পৰিবৰ্তনৰ যি কোনো প্ৰচেষ্টাক প্ৰতিহত কৰিবৰ বাবে ড° ঠাকুৰৰ নিচিনা মানুহ উত্তম নিৰ্বাচন।

"দ্বিতীয় প্ৰশ্নটোৰ উত্তৰ প্ৰশ্নটোতে ওলাই আছে। ড° ঠাকুৰে কাগজখন নিজে ফালি পেলোৱা নাই—কাৰণ কাগজখনৰ বিষয়বস্তুৱে তেওঁৰ মনত সম্ভাব্য বিপদৰ আগ-জাননী দিছে। পাৰিবাৰিক অমংগল খণ্ডন কাৰবলৈ যিজন মানুহে অস্ত্ৰ-মন্ত্ৰ মাদুলীৰ আশ্ৰয় লয়, সেইজন মানুহ মানসিকভাবে পঙ্গু। শূন্য স্থান পূৰাবলৈ যিদৰে কেউফালৰ পৰা বায়ুৱে ধৰ্তাহৰ ৰূপ পৰিগ্ৰহণ কৰে, একেদৰে মানসিক শূন্যতা পূৰাবৰ বাবে সামাজিক ঘটনাপ্ৰবাহৰ পৰা অন্ধবিশ্বাসৰ ঘূৰ্ণি ৰতাহ বলে।

"তৃতীয় প্ৰশ্নটোৰ উত্তৰ : প্ৰচলিত ধ্যান-ধাৰণাৰ বিপৰীতে কথা কোৱা যি কোনো মানুহকে ঠাকুৰে কমিউনিষ্ট লেবেল লগাব খোজে। গতিকে ড° ঠাকুৰে মোকো সেইটো লেবেল লগাইছে। কমিউনিষ্ট এজনে কৃষ্ণ অৱতাৰ হেন অলৌকিক ঘটনাত মুঠেই বিশ্বাস নকৰে। কিন্তু ড° ঠাকুৰে মনে মনে এটা সন্দেহ পোষণ কৰে যে ঈশ্বৰ-মাহাত্ম্য ইমান ব্যাপক আৰু গভীৰ যে তাৰ পৰা প্ৰভাব-মুক্ত হৈ থকাৰ সাধ্য কোনো নৰ-মনিচৰ নাই। গতিকে যদি মই আদৰ্শৰ খাতিৰত কাগজখন ফালিও পেলাওঁ, তেন্তে তেওঁৰ বিশ্বাস মতে মোৰ অহিত হ'ব, অথচ সৰ্বশক্তিমান ঈশ্বৰৰ বিৰোধ আচৰণ কৰাৰ ফলত মানসিকভাবে মই ভীতিগ্ৰস্ত হৈ পৰিম। মোৰ মনত সৃষ্টি হোৱা মানসিক দ্বন্দ্বই কিছুদিনৰ বাবে হলেও মোৰ শান্তি ব্যাহত কৰিব। সেয়া কমিউনিষ্ট হোৱাৰ পৰিণাম পোৱা বুলি দুষ্টবুদ্ধিৰ ড: ঠাকুৰে আত্মতৃপ্তি লাভ কৰিব পাৰিব।"

একেবাৰে কৈ থকাৰ পাছত যেচে পত্নীলৈ চাই হাঁহি মাৰি সুধিলে, "বিমলা, মোৰ কথাখিনি বাৰু ক্লাচত লেকচাৰ দিয়াৰ নিচিনা শুনাইছে নেকি ?"

বিবাহিত জীৱনৰ যোৱা সাত বছৰৰ সহচৰ্যই বিমলাক স্বামীৰ মানসিক অৱস্থা বুজি পোৱাত পলম নকৰে। যেচৰ মনৰ ভাৱৰ খাঁতৰ কৰাৰ-উদ্দেশ্যে মিচিকিয়াই হাঁহি তেওঁ পৰিহাসৰ সুৰত উত্তৰ দিলে, "ঢেকী স্বৰ্গলৈ গলেও ধান বানিবই। গতিকে হে অধ্যাপক প্ৰবৰ। এতিয়া ৰাতি তালেখিনি হ'ল। আপোনাকৰো নিদ্ৰাজাগৰণৰ কাৰ্যসূচী আজি নহয়।"

মেচে হাত ঘড়ীটোলৈ চাই ব্যস্তভাবে কৈ উঠিল, "অ' এবাৰ বাজি গ'ল। শোৱা যাওক।"

বিছনাত শৰীৰটো এৰি দিলে যদিও মেচৰ চকুৰ পতা জাপ খোৱাৰ লক্ষণ দেখা নগল। বিমলাৰ আগত কথাখিনি মুকলিকৈ কোৱাৰ পাছত তেওঁৰ মনটো ফৰকাল হব বুলি ভাবিছিল। কিন্তু কাৰ্যতঃ তেওঁৰ মনটো আগতকৈও অধিক ভাবাক্ৰান্তহে হৈ পৰিল।

ইমানদিনে মেচে বিজ্ঞানৰ অনুশীলন কৰি মনে মনে তৃপ্তি পাই আছিল। সভা-সমিতিত যোগদান কৰিছে আৰু কিতাপ-আলোচনী আদিও পঢ়িছে। কিন্তু আজি আবেলিৰ ঘটনাটোৱে তেওঁক যেন নতুনকৈ ভবাই তুলিলে। বিশ্ববিদ্যালয়ৰ বিজ্ঞানৰ উচ্চ ডিগ্ৰীধাৰী লোক এজনেও যেতিয়া আধুনিক জ্ঞান-বিজ্ঞানৰ বা-বতাহ নোপোৱাকৈ বহু শতিকা পাছত থকা কৌটি কোটি নিৰক্ষৰ গ্ৰাম্য লোকৰ কুসংস্কাৰৰ সহযাত্ৰী হয় তেনেলোকৰ পৰা কি আশা কৰিব পাৰি? বিজ্ঞানৰ উচ্চ ডিগ্ৰীটো কি অকল কেৰিয়াৰ'ৰ মাপকাঠি? কথাবিলাক ভাবি ভাবি মেচে মনত এক প্ৰকাৰ উত্তেজনা অনুভৱ কৰিলে।

কি কৰিব পাৰি?

মেচ বিছনাৰ পৰা উঠিল আৰু দুৱাৰৰ খিলিটো লাহেকৈ খুলি বাহিৰলৈ ওলাই আহিল। তেওঁ ওপৰলৈ চালে। তৰাৰে জলমলীয়া হৈ থকা আকাশখন দেখিও তেওঁৰ মনটো উজলি উঠিল। অস্থিৰভাবে তেওঁ বননিৰ ওপৰত পায়-চাৰি কৰিবলৈ ধৰিলে।

হঠাৎ, হঠাৎ যেন তেওঁ আলোকৰ সন্ধান পাই গ'ল। তেওঁ লিখিব। তেওঁৰ চাৰিওফালে কুসংস্কাৰে ছাটি থকা সমাজখনক বাদ দি বিজ্ঞানৰ অনুশীলন তেওঁ কাৰ কাৰণে কৰিব? নাই, নাই। বিজ্ঞানৰ অনুশীলন কৰি পোৱা আনন্দৰ ভাগ তেওঁ সকলোকে দিব লাগিব। তাৰ কাৰণে মানুহৰ মনৰ পৰা অন্ধকাৰ আঁতৰাব লাগিব। এই কামটো আইন কোনোবাই কৰিব বুলি তেওঁ বাট চাই থাকিব নোৱাৰে। এই কাৰণতে, ঠিক এই কাৰণতে তেওঁ লিখিব।

মেচে তেওঁৰ মন ঠিক কৰি ললে।

—x—

# ভেটা ভঙা সেঁত

অশোক দাস

সমাজৰ মাৰভঙা কথা। প্ৰথমে কাৰ মুখৰ পৰা প্ৰচাৰ হ'ল কব নোৱাৰি। শংকৰদেৱৰ জন্মোৎসৱ পালনৰ বাবে পইচা তুলিবলৈ যাওঁতে বাৰিকক মেধিয়ে ক'লে—দেওবৰৰ পচা নানিবা।" বাৰিকে ক'লে—"এৰা আমাৰ সমাজৰ মাৰ ভাঙিছে। একেবাৰে আমাৰ মাজত নোহোৱা নোপজা কথা। তেনেই জাত মাৰিলে। হেৰা, সংসাৰখনত আৰু কাম নোহোৱা হ'লনে?" "এই ডেকাসোপাৰ উৎপাততে এইচব হৈছে। স্ব-ধৰ্ম ত্যাগ কৰি বিধৰ্মী হ'ল। কি হ'ব অস্তিশ্ৰী হতশ্ৰী।" কৈ কৈ মেধিয়ে বাঁহৰ হোকাত লাগি থকা ধপাতৰ চিলিমত সোঁহাতে আধা ঢাকি ফুঁৱালে। ছাইবোৰ কুকুহা উৰাদি উৰি তামোলৰ বটাটোত অলপ পৰিলেহি। চকলিওৱা তামোলখন বাওঁহাতৰ তলুৱাত ডুমোহাৰমান মাৰি ওপৰলৈ মুখ মেলি মুখত ভৰাই বাৰিক যাবলৈ উঠিল। মেধিয়ে ক'লে—"ৰবা চাহপানী এটোপা খাই যোৱা" বুলি ভিতৰৰ ফালে চাই চিঞৰিলে "হয়ে শুনিছনে শুভেশ্বৰৰ মাক, এই চাহপানী অকণ আন অ'।" "নালাগে নালাগে মেধি, এই আধাঘণ্টামান নোহয় এথোন, চুলেমানৰ হোটেলত গাখীৰ দিবলৈ গৈ চিঙৰা সতি চাহ একাপ খাই আহিছো।' বাৰিকে ক'লে। মেধিয়ে ক'লে—"অৱশ্যে হোটেলৰ চাহকণ বেয়া নহয়। মইও কেতিয়াবা শুভেশ্বৰৰ খবৰ কৰিবলৈ যাওঁতে বা ফিছাৰীখনৰ মাছ বিক্ৰিৰ বাবে মাছুৱৈ বিচাৰি চহৰলৈ গলে একাপ পিয়াহ গুচছে কাৰণে তিনি কাপলৈকে খাওঁ। অৱশ্যে মই ভাত খুনিয়া বা জেলেপিহে খাই ভাল পাওঁ। পিচে বাৰিক গাৱঁৰ লেখৰ মানুহ কিটাৰ ওপৰত সকলোৰে চকু। হোটেল-চোটেলত খালে অলপ চাইচিটি খাবা। অৱশ্যে পইচা দি কিনি খালে চুৱা নালাগে। তথাপিও দেখি শুনি অলপ আচহুৱা যেন লাগে।" "কব নেলাগে মেধি মই এইবোৰত সদায় পিয়ান। গাৱঁৰ কাকো নেদেখিলেহে খাওঁ। কোনোবা থাকিলে টিপতে চিঙৰা দুটামান কাগজত বান্ধি লৈ আহোঁ। আমাৰ তেওঁত

আকৌ ভাতৰ লগত অলপ চিঙৰা পিটিকা কৰি খাই বৰ ভাল পায়।”—বাৰিকে উত্তৰ দিলে। বাৰিক যাবলৈ উঠিল। এনেতে মেধিয়নীয়ে দুটা বাটিত চাহ লৈ চ'ৰা- ঘৰলৈ আহি কলে—“বহক চাহপানী আনিছো।” “এহ্ নেখাওঁ বুলিয়ে ভাবিছিলো”—বুলি বাৰিক পুনৰ প্লাচটিকেৰে গঠা মূঢ়াটোত বহিল। ফুঁৱাই ফুঁৱাই চাহ খাই বাৰিকে ক'লে—“আপুনিতো কনটোলৰ চেনি অকণকে পায়। আমি আক বিচাৰিলে এদাই হ'ল বুলি কয়।” “এ, ইহঁত কনট্ৰলৰ দোকানীবোৰ বৰ বেয়া হ'ল। গাৱঁলৈ চল্লিচ পঞ্চাশ কিলো'মান চেনি আনি বাকীখিনি বাহিৰে বাহিৰে বেলেক্ কৰে। এইবোৰত আক ডেকামখাই মাতেই নামাতে। আমাৰ শুভেশ্বৰে এদিন কমপেলেন দিম বুলি কৈছিল। মইহে কলো বোলে দুখীয়া মানুহ যেনে তেনে চলিছে, এইবোৰত নালাগিবি। আমিচোন পায়ে আছো। কেতিয়াবা মচুৰ মাহো দুই এক কিলো দিয়ে।” এৰা তোমালোক মুখলগা কিজনে পাই থাকিলে ক'ত মাতিবা। মৰণ আমাৰহে। বাৰিকে ক'লে, “হ'ব হ'ব এইবাৰৰ পৰা তোমাকো অলপ দিবলে মই তাক ক'ম বাক।”—মেধিয়ে উত্তৰ দিলে।

ইতিমধ্যে চাহখোৱা হৈছিল। বাৰিকে তামোল চকলিয়াই ক'লে—“পিছে মেধি, সেই চহৰত পঢ়া তোমাৰ লৰাটোলৈহে চিন্তা। সি আহিলে তাতে ইহঁত মখাবো দেমাক উঠে। ইহঁতে বা আক' কি মুকুতি ধৰে।” শুভেশ্বৰৰ কথা কৈছা, তাক মই ঠিক কৰিম। তেৰি মেৰি কৰিলে পইচা দিয়া বন্ধ কৰি দিম। কেনেকে পঢ়ে পঢ়িব।” —মেধিয়ে কলে। বাৰিকে ক'লে—জন্মাষ্টমী তিথিতে কি কৰিলে নেদেখিলানে? ভাওনাৰ বচন আমি ভগাই দিয়ামতে নহ'ল। সিহঁতে নিজে বিলালে। ছোৱালীকো বচন দিলে। তাতে আক চুৰীয়া এৰি ঠেঙাবোৰকে পিন্ধিলে। মুদ্ধবোৰো দেখিলানে? কিবা খোজ কাটলত তাল মান নাই। চিনেমাৰ নিচিনা 'ফাস্টেট' কৰিলে হেনো। চিঃ চিঃ ইহঁতে সমাজৰ মাৰত মাথমাৰ সোধালে। খোজ ধৰণী তেনেই লৰক্-ফৰক্ কৰিলে।”

বাৰিকে তামোলখন ভৰাই চুণ এলেপা বেঙুনীয়া ৰঙৰ তলৰ লৰি থকা দাঁতত সানি “মই উঠোহে” বুলি চোতাল পালেগৈ। মেধিয়ে কলে—“এইবাৰ কিন্তু নহ'ব। বাহ্মতো অলপ টানি দিব লাগিব।”

শংকৰদেৱৰ জন্মোৎসৱৰ পচা বাৰিকে দেওবৰৰ বাদে গাৱঁৰ সকলোৱে পৰা তুলিলে। বেমেজালি হোৱাৰ বাবে এইবাৰৰ কাৰণে ভাওনা 'কেনচেল' কৰিলে। দেওবৰৰ পচা ননাত সবহকালে হক্ হৈছে বুলি ক'লে। ডেকা কেইটামানে বু-বু বা-বাকৈ দেওবৰক সমৰ্থ দিলেও ঘৰধনৰ ভয়ত মুখ ফুটাই নকয়।

শংকৰদেৱৰ জন্মোৎসৱৰ আগদিনা শুভেশ্বৰ চহৰৰ পৰা আহিল। জন্মোৎসৱৰ দিনা বিয়লি চাৰিমান বজাত শুভেশ্বৰ নামঘৰলৈ বুলি ওলাল। মাকে বৈ থোৱা কুবিয়া সূতাৰ চুৰীয়াখন কৰ্ণফুলত পৰাকৈ পিন্ধি কলেজলৈ যাওঁতে কেতিয়াবা লংপেণ্টৰ লগত পিন্ধা পাঞ্জাবৰ পাঞ্জাবীটো পিন্ধি ললে।

নামঘৰৰ বাটচ'ৰাত শুভেশ্বৰ বৈ গ'ল। দুৱাৰ মুখৰ জয় বিজয়ৰ কাঠৰ মূৰ্ত্তি দুটাৰ ওচৰতে দেওবৰৰ ল'ৰা-ছোৱালী দুটা। গাত চোলা নাই। কটা পেণ্ট দুটা নামতহে কঁকালত লাগি আছে। শুভেশ্বৰ আগুৱাই গ'ল। নামঘৰৰ দুৱাৰ মুখত সেৱা এটা কৰি সোমাই গ'ল। ইতিমধ্যে নামঘৰীয়াই বাইজক ঘৰমূৰীয়া পাত চমজাই গৈছে। শুভেশ্বৰৰ উপস্থিতিত বাইজে শুভেশ্বৰলৈ চালে। শুভেশ্বৰে বাইজক উদ্দেশ্যি ক'লে—"বাইজ, এই কণমান ল'ৰা ছোৱালীহালক বাহিৰত দিয়াৰ অৰ্থ কি ?"

প্ৰথমতে কোনোৱে মাত নিদিলে। ইজনে সিজনে ফুচ্‌ফুচাই কাণে কাণে কিবা ক'লে। মেধিয়ে কলে তোৰ এইবোৰত মাত মতাৰ দৰকাৰ নাই। আহিছ, ভগৱন্তৰ প্ৰসাদ শিৰত ল। আঠু লৈ পৰীক্ষাত পাছ হ'বলৈ গাঁইজৰ ওচৰত আশীৰ্ব্বাদ এজোলোকা ল।" "মাতিব লগা কথাত নমতাকৈ থকাতো কাপুৰুষালি দেউতা, এই কণমানি শিশু দুটাৰ দোষ কি ? শুভেশ্বৰে প্ৰশ্ন কৰিলে।

দুটামান ডেকা ল'ৰা থিয় হ'ল। সিহঁতে অলপ উচপিচ কৰা দেখা গ'ল। মেধিয়ে কলে "কৈ দিয়াহে বাৰিক।" বাৰিকে নামঘৰীয়াক ক'লে—"তুমিয়ে কোৱাহে নামঘৰীয়া।" নামঘৰীয়াই ক'লে—"কৈ দিয়াহে পাঠক।" পাঠকে ক'লে—সি আমাৰ সমাজৰ মাৰ ভাঙিছে। জাত মাৰিছে।" এটা ডেকাই তপৰাই ক'লে—"চিধা চিধা নকয় কিয় ? দেওৰে মাছ বেচিছে।" "কথা তেনে বিষমেই। কাম কৰি খালেও জাত যায়। চুৰ কৰিলেও বান্ধ খায়। নাখালেও প্ৰাণ নৰয়। আজি শংকৰদেৱৰ জন্মতিথিত প্ৰকৃততে আপোনালোকে গুৰুজনক অসম্মান কৰিছে। মহাপুৰুষসকলে জানো কিবা জাত পাতৰ বিচাৰ কৰিছে ? শংকৰগুৰুৱেচোন কুকুৰ, শৃগাল, গৰ্দ্দভকো ভিন দেখা নাই। কৈৱৰ্ত্ত, কছাৰী, নগা, মিৰি সকলোকে সামৰিলৈছিল। যৱনকো আদৰিছিল। বাধিকা পোহাৰীকে দেখোন আগস্থান দিব বিচাৰিছিল।" শুভেশ্বৰে ক'লে।

সমাজৰ পৰা এজন ডেকাই সাহস পাই ক'লে—"শুভেশ্বৰ, তহঁতৰ কিছাৰী-থনৰ মাছ অকল তহঁতেই খাবনে বেপাৰীকো দিয় ? তুলাচনী নধৰিলেও টকা মাৰি মাছ বেচা টকা তহঁতে লব নে নলব ?" আন এটাই কলে—"আজিকালি

গোসাঁই মহন্তইও ফিছাৰী খন্দায়। চৰকাৰৰ ধাৰ কৈবৰ্ত্তকৈও বেচিকৈ পায়। মাছ বিকি ধাৰ মাৰে। সেইবোৰ সমাজে নেদেখে।"

শুভেশ্বৰে ক'লে–"এৰা, তহঁতে ঠিকেই কৈছ, সিহঁত ডাঙৰ মানুহ। ডাঙৰ মানুহৰ বিৰুদ্ধে মাতিলে জগৰ লাগে। দেওবৰহঁত নাখায় মৰক, সিও ভাল। দিনটো খাটি দহ টকা হাজিৰাৰ পৰিবৰ্ত্তে একিকলো মাছ বেচি পচিশ টকা পালে সমাজে এঘৰীয়া কৰে।"

ইতিমধ্যে বেলি ডুবিছিল। দেওবৰে বজাৰৰ পৰা আহি নামঘৰৰ কাষ পাইছিলহি। তাৰ ঘৰলৈ নামঘৰৰ কাষৰবাটটোৰেই যাব লাগে। ল'ৰা-ছোৱালী হালে পাত চেলেকি চেলেকি "দতি দতি" বুলি দেওবৰক ধৰিলেহি। শুভেশ্বৰে বাহিৰলৈ চাই মাত দিলে "দেওবৰকাই এইফালে আহা।" দেওবৰে ক'লে—"হাটৰ পৰা আহিছো। গা-পা ধোৱা নাই।" এজন ডেকাই ক'লে—"হৰ, নামঘৰৰ পুখুৰীতে গাতো তিয়াই লোৱা।" "হ'ব হ'ব" দেওবৰে উত্তৰ দিলে "ঘৰৰ পৰা আহিমগৈ।" শুভেশ্বৰে ক'লে–'নহয় এতিয়াই আহঁা।"

দেওবৰে বজাৰৰ পৰা অনা পকৰীৰ কাগজৰ টোপোলাটো খুলি ল'ৰা-ছোৱালীহালক ভগাই দি পুখুৰীৰ পাৰতে থৰাটো থৈ বাল্টিৰে পানী তুলি গাটো তিয়ালে। গামোচাখন চেপি ভুমুৰি দিয়া তিয়নিখন সলাই চেপি পুনৰ পিন্ধিলে। বাইজৰ মাজত ক-কৰনি উঠিল। দীঘল সেৱা এটা কৰি দেওবৰ নামঘৰত সোমাল। গাঁৱৰ মেধি সাতোলা বাৰিক, নামঘৰীয়া, পাঠক, বায়ন, নামধাৰী, দেউৰীয়ে মাত দিবলৈ সময়ে নহ'ল। শুভেশ্বৰে কলে—"প্ৰয়োজন হলে আমি আইনৰ আশ্ৰয় লম।"

কোনোৱে নমতা দেখি পুনৰ শুভেশ্বৰে ক'লে "দেউতা বাইজৰ পচা কিমানকৈ আছিল?" তালৈ নোচোৱাকৈয়ে মেধিয়ে কলে—'দহ টকা।"

"দেওবৰকাই, মাছ বেচি কিমান পালা? আছে যদি পচাটো দি দিয়া।" শুভেশ্বৰে কলে।

দেওবৰে হাতৰ মুঠৰ পৰা সেমেকা দহটকীয়া এটা নামঘৰীয়াৰ আগত থকা বটাত দিলেগৈ। তিতা গামোচাখন মেলি আঁঠু ললে। মেধিৰ লগতে বাইজে হৈ-ধ্বনি দিলে। নামঘৰৰ সন্ধ্যাৰ ভূৰা-কাঁহ বাজি উঠিছিল।

বাহিৰত দেওবৰৰ ল'ৰা-ছোৱালী দুটাই পকৰী খাই খাই কিৰিলি পাৰিছিল।

—+—

# ভোট

জ্ঞানেন্দ্ৰ কলিতা

ভোট।

মাজে মাজে আহি থাকে।

এইবাৰো আহিছে। ভোট আহিলে মদনৰ ভাল লাগে। সিইতৰ গাঁৱৰ মানুহবোৰেও ভাল পায়। আমাৰ দেশত বোলে দহজনৰ ভিতৰত আঠ-ন জন মানুহেই গাঁৱত থাকে। মদনে যিমান গাওঁ দেখিছে, সকলো গাঁৱৰ বেছি ভাগ মানুহেই দুখীয়া। গতিকে, ভোট আহিলে দেশৰ বেছি ভাগ মানুহেই কিজানি ভাল পায়।

নাপাবই নো কিয় ?

মদনে ভাবিলে—ভোট আহিলে গাঁওৰ তিৰী-ছোৱালীয়েও গাড়ী-মটৰ দেখা পায়। বাৰিষা যিবোৰ ৰাস্তাৰে চেণ্ডেল পিন্ধিও যাব নোৱাৰি, ভোটৰ সময়ত সেইবোৰ ৰাস্তাৰেও গাড়ী-মটৰত উঠি বৰ বৰ মানুহবোৰ গাঁৱলৈ আহে। খাবা চাবা থাকিলে বোকা-পানী খচিও আহে। ৰাস্তা ভাল কৰাৰ কাৰণে, দলঙৰ কাৰণে টকা দিয়ে। মন্দিৰ-মছজিদ, স্কুল-ঘৰৰ কাৰণেও টকা দিয়ে। এই টকাৰ ভাগ ঘৰে ঘৰেও দহ-বিশ টকাকৈ পৰে। গাঁৱৰ মানুহবোৰ ভাল। যাৰ লোণ খায়, তাৰ গুণ নোগোৱাকৈ নেথাকে।

যোৱাবাৰহে বৰ বেমেজালিখন ঘটিছিল।

ভোটত উঠা দুজন মানুহে আহি টকা দিলে। কিন্তু, দুটা ভোটতো দিব নোৱাৰি। এটা মাত্ৰ ভোট কাক দিয়া যায় ?

বাইজ লগ হৈ এদিন আলোচনা কৰিছিল। গিৰীশে কৈছিল-"দুজনৰ পৰা টকা লব নেলাগিছিল।"

দিলীপে কৈছিল—"নহয়, টকা সকলোৰে পৰা লব লাগে। কিন্তু ভোট কাকো দিব নালাগে।"

হৰমোহনে না কৰিছিল—"আমি আচলতে কাৰো পৰাই টকা লব নেলাগে। টকালৈ ভোটটো বিক্ৰি কৰা মানে আমি নিজকে বিক্ৰি কৰা। দহ-বিশ টকাৰে দুদিনৰ অভাৱ গুচালে কি হব ? কটা আঠুৱাৰ তলত মহ ৰাখিতো লাভ নাই।"

নৰেশেও সেই সুৰতে সুৰ মিলাইছিল—"গতিকে, ভোটৰ নামত আমি নিজক বিক্ৰি কৰিব নালাগে। কিন্তু ভোট আমি সকলোৱে দিব লাগে। দিয়াতো কৰ্তব্য। এইখন দেশত আমাৰ দৰে মানুহৰ মূল্য মাত্ৰ সেই ভোটটোহে।"

সকলোৱে "হয় হয়" কৰিছিল।

বছৰ বছৰ ধৰি যিবোৰ মানুহৰ মাত্ৰ নামহে শুনা যায়, ছাঁয়াটোও নেদেখি —ভোটৰ সময়ত সিবোৰৰ কায়াও দেখি। ভোটৰ বাবে সিহঁতে গাঁৱৰ মানুহক খাটিৰ কৰিবলৈ আহে। নাম ঘৰ, স্কুল ঘৰত মিটিং পাতে। কেতিয়াবা মানুহৰ ঘৰে ঘৰেও গৈ চিনাকিৰ দৰে মাত কথাৰে নমস্কাৰ দিয়ে।

সেইবাৰো টকা দিয়া দুয়োজন মানুহেই ঘৰে ঘৰে আহি নমস্কাৰ দিছিল। কিন্তু দুজনৰ কাক এৰি কাক লোৱা যায়?

ৰঞ্জিতে কৈছিল—"যিজনে বেছি টকা দিছে, সেইজনকে আমি ভোট দিয়া উচিত।

ফণীয়ে না কৰিছিল-"নহয়, যিজন মানুহ ভাল, সেইজনকহে ভোট দিব লাগে।"
-"নকৰি, নকৰি।" বহুকেইজন একে লগে জাঙুৰ খাই উঠিছিল। ভাল বেয়াৰ কথা নকৰি। যিয়ে লংকালৈ যায়, সিয়ে ৰাৱণ।

সেইটোহে সচা কথা।" অতুলে কেতিয়াবাৰ পৰা কিবা কওঁ কওঁ কৈ আছিল। কিবা সুচল পাইহে যেন সি তপৰাই কৈ উঠিল—"গতিকে, যি পাৰ্টিয়ে চৰকাৰ কৰিব পাৰিব, সেই পাৰ্টিৰ মানুহজনক গৰুচোৰ হ'লেও ভোট দিব লাগে। নহ'লে, বিৰোধী মানুহ পঠালে গাঁও বা অঞ্চলৰ কোনো কাম নহয়।"

বুঢ়া-মেথাসকলে এই বাক-বিতণ্ডা ভাল পোৱা নাছিল। তেওঁলোকৰ কথা—দুজনৰ পৰা টকা লৈ এজনকে সকলো ভোট দিলে আনজনৰ পাপে চুব। গতিকে প্ৰতিঘৰে ভোটবোৰ দুভাগ কৰি দুজনকে দিব লাগে।

এইবাৰ অৱশ্যে টকা দিবলৈ এতিয়ালৈকে কোনো অহা নাই। অ'ত ত'ত দুই এখন লেখা কাগজ-কানি দেখা গৈছেহে। দুই-এখন মিটিঙো অ'ত-ত'ত হবলৈ ধৰিছে।

তেনে এখন মিটিঙলৈকে মদন যাবলৈ ওলাইছে।

মিটিং হব টাউনত। দেশৰ কোনোবা ডাঙৰ নেতা আহিব বোলে। গাঁৱৰ বহুত মানুহ ইতিমধ্যে গৈছেই। মদন সাজি-কাচি ওলাই আহিল।

টাউনলৈ চাৰি মাইল দূৰ। অকলে খোজ কাঢ়িলে, ৰাস্তা দীঘল, সেয়ে কিছু আগে আগে তিনিজন মানুহ গৈ থকা দেখি মদনে খোজৰ বেগ

বঢ়াই দিলে। মাত কথাৰে যাব পাৰিলে, এই ভুগবত্তো খোজ মুক্তা পৰেই পোৱা নেযাব।

কিন্তু মানুহ তিনিওজনেই তাৰ অচিনাকী। সিহঁতেও ভোটৰে মেল কৰিছে। আগে আগে যোৱাজনে কৈছে—"অসমীয়াই বঙালীক ভোট নিদিয়ে। বঙালীয়েও বোলে অসমীয়াক ভোট নিদিয়ে। বড়োৱে বোলে বড়োকহে ভোট দিয়া কৰিছে। গতিকে, আমাৰ গাঁৱৰ সিদ্ধান্ত ভুল নহয়। হিন্দুবোৰ সংখ্যাত আমাতকৈ বহুত বেছি। তথাপি সিহঁত এতিয়া আমাৰ বিৰুদ্ধে এক হব ধৰিছে। গতিকে, আমি নিজক বচাবৰ বাবেই এক হব লাগিব।"

আন এজনে কলে—"আপোনালোকে যিয়েই নকৰক, আমি দিল্লীৰ ইমামৰ কথালৈ বাট চাইছো। তেখেতে যি পাৰ্টিক দিবলৈ কয়, আমি সেই পাৰ্টিকে ভোট দিম।"

"সেইটো খুউব এটা ঠিক নহব।" তৃতীয়জনে ক'লে—"তেখেত থাকে দিল্লীত। দেশৰ বিভিন্ন অঞ্চলত আমাৰ স্থানীয় অৱস্থা আৰু সমস্যাবোৰতো তেখেতে নেজানে। নিজৰ ঠাইত আমি ভালদৰে বাচি থাকিবলৈ হ'লে আমাৰ ঘৰ মানুহৰ কথা মানিবই লাগিব। আমাৰ গাঁৱে বহুমত মাতব্বৰৰ কথামতে ভোট দিব। আমাৰ কাষৰ হিন্দু গাঁৱখনেও গাওঁবুঢ়াৰ কথামতেহে ভোট দিয়ে।"

নজনা কথা।

নুশুনা কথা।

মদনৰ বাবে এইবোৰ নতুন কথা। ভোটৰ লগত টকাৰ সম্পৰ্ক সি কাহানিবাই পৰাই জানে। কিন্তু ভোটৰ লগত ভাষাৰ, ধৰ্মৰ সম্পৰ্ক .....। হয়তো সিহঁতে নজনাকৈ এইবোৰ নতুন নতুন সম্পৰ্ক গঢ়ি উঠিছে। সিহঁতে ভু-ভা নোপোৱাকৈ আৰু কিমান সম্পৰ্কই বা আছে ·· ···।

ভাবি ভাবি মদনে বেগা-বেগিকৈ খোজ দিলে। মিটিং কিজানি আৰম্ভ হৈছেই। ডাঙৰ মানুহজন গুচি গ'লে ইমান দূৰ বাট কৰি বাই অহাই অথলে যাব।

মিটিং আৰম্ভ হৈছিলেই।

বহুদূৰৰ পৰাই মদনে মাইকৰ আৱাজ শুনিছিল। ওচৰ পাই দেখে যে সাত-আঠটা মাইকে খলক লগাইছে। মানুহেৰে সভাস্থলী থৰমৰ। সভাস্থলীৰ সমুখৰ ৰাজপথতো বিৰ দি সোমাব পাৰবলৈ নাই। কেৱল মানুহ।

ভিৰ ঠেলি মদন ভিতৰলৈ সোমাই গ'ল। মঞ্চৰ পানীপিচাৰ সমান ওখকৈ মঞ্চ সজোৱা হৈছে। ৰং-বিৰং ৰক-কি ধুনীয়া। বহুত টকা খৰচ পৰিছে কিজানি।

হয়তো পাঁচশ, এক হাজাৰো হব পাৰে। মঞ্চৰ ওপৰত দহজনমান মানুহ। এজনক তাৰ চিনাকি চিনাকি লাগিল। হয়, সেইজনেই হয়। নামটো সি পাহৰিলে। মানুহজন কেইবাৰো ভোটত উঠিছে। সিইতৰ গাঁৱলৈও আহিছিল। প্ৰথমতে, মানুহজন গাই-দামুৰীৰ ছবিত উঠিছিল। পিছৰবাৰ গাড়ীৰ চ'কাৰ মাজত খেতি-য়কৰ ছবিত উঠিছিল। তাৰপিছত, যোৱা পঞ্চায়তৰ ভোটৰ সময়ত গাড়ীৰ চকাৰ মাজত খেতিয়কৰ ছবিত উঠাজনৰ বিৰুদ্ধে লেমৰ ছবিত উঠাজনৰ হৈ মিটিং কৰিবলৈ আহিছিল। এইবাৰ বা নিজে উঠিছে নে আনৰ হৈ মিটিং কৰিবলৈ আহিছে ? বৰ ডাঙৰ মানুহ কিজানি। সকলোৱে নিজৰ মাজলৈ টানে।

হঠাতে আগৰফালে মানুহবোৰে হাঁহিলে, হাঁহি হাতচাপৰি বজালে। বক্তৃতা দিয়া মানুহজনে কিবা ভাল কথা কৈছে হব পায়। ইমান সময় মদনে কাণেই দিয়া নাছিল। কিন্তু, কাণ দিও লাভ নহ'ল। মানুহজনৰ মাত-কথাবোৰ সি বুজি নাপায়।

তথাপি অলপ আগবাঢ়ি গৈ মানুহৰ মাজতে মদনে বহি ল'লে। তাৰ চাৰিওফালে মানুহ। তাৰ নিচিনা মানুহেই সৰহ। কিবা অলপ বুজি পায় নেকি সি কাণ থিয় কৰিছেহে, আগফালে পুনৰ হাঁহিৰ ৰোল উঠিল, লগে লগে চাপৰি। চাপৰিটো লাহে লাহে পিছফালে আহিল। মদনৰ সন্মুখৰ মানুহ দুজনেও চাপৰি বজালে। পিছফালেও বাজিল। সি যদি নবজায়, মানুহবোৰে কি ভাবিব ? মূৰ্খ বুলি ভাবিব কিজানি। সিও দুটামান বজাই দিলে।

—"হেই, হেই।"

মদনৰ সন্মুখৰ মানুহ দুজনৰ এজনে আনজনক ফাহা-ফুহাকৈ মাতিলে। সন্মুখত দৃষ্টি ৰাখি মন নিদিয়াৰ ভাওঁ ধৰি মদনে কাণ পাতিলে। মানুহজনে ক'লে— "চাপৰি কিয় বজালি ?"

—নাজানো। সকলোৱে বজালে কাৰণে বজালো। তইও দেখোন বজাইছ।" প্ৰথমজনে সেমেনা সেমেনি কৰিলে। হিল-দল ভাঙি মদনৰ এটা হাঁহি ওলাই আহিছিল। দাঁতেৰে ওঁঠ চেপি চেপি কোনোমতে সি দমাই ৰাখিলে।

দ্বিতীয় মানুহজনে আকৌ ক'লে-"ইয়াত যিয়ে নকওঁকদে। আমি বোলে ও, বি, চি, মানুহ। গতিকে, ও, বি, চি, মানুহকে ভোট দিব লাগিব। আমাৰ ও, বি, চি, মানুহ উঠিলে বোলে বামুণ, কলিতা কায়স্থইতে ভোট নিদিয়ে। বুজিছ ?"

প্ৰথম মানুহজনে মূৰ দুপিয়ালে।

আৰু এটা নতুন কথা মদনে শুনিলে। ৰাস্তাত শুনা কথা কেইটাই তাৰ

জিভাত কেহা লগাইছিল। এইটোৱে তিতাও পানি দিলে। তিতৱখনো তাৰ কিবা গৰম হৈ আছিল। বহি থাকি মুঠেই ভাল লগা নাই। বিড়ি এটা খালে ভাল লাগিব নেকি? মদনে জেপত হাত ভৰালে। বিড়ি নাই। সিকি এটা আছে।

মিটিঙৰ মাজৰ পৰা সি উঠি আহিল।

ৰাজপথৰ সিপাৰৰ পানদোকানখনৰ সমুখত সি থিয় দিছে। হাতত টেবা জোকাৰি থকা ডেকা-ডেকেৰীৰ জুম এটাও তাৰ চকুত পৰিল। সিহঁতে কিবা কাগজ বিলাইছে আৰু পইচা তুলিছে। কোনোৱে দিছে, কোনোৱে দিয়া নাই। নিদিলেও সিহঁতে ব্যাক-বিতণ্ডা কৰা নাই। কাগজ এখন দি আন এজনৰ কাষলৈ গৈছে। —"হেৰা।" লোহিতৰ কাষতে ভদ্ৰলোক এজনে ক'লে—"টকা যদি নাই কিয় ইলেকচনত উঠিলে। নামতহে কমিনিষ্ট গুলাইছে। এম, এল, এ, হ'লে সেই দৰিদ্ৰজনে কি কৰিব জানা নে? জীৱনত যাতে আৰু কোনোদিন দুখ-দাৰিদ্ৰ পাব নালাগে, তাৰবাবে নিজৰ পকেট মাথোন ভৰাই থাকিব।"

"ভুল কৰিছে ভাঙৰীয়া।" ডেকা এজনে হাঁহি হাঁহি ক'লে—"নিৰ্বাচন খেলোতে যিয়ে মন্দিৰ, মছজিদ, স্কুল ৰাস্তাৰ কাৰণে, আনকি মানুহৰ মাজতো হেজাৰ লক্ষ টকা বিলায়, তেওঁলোকৰ টকাবোৰ কৰপৰা আহে? হয়তো নিজৰ জমাৰ পৰা অথবা কোনো কোটিপতিৰ পৰা গতিকে, এম, এল, এ, এম, পি হ'লে তেওঁলোকে দুখীয়া ৰাইজক চাব নে সেই কোটিপতিকহে সুদে-মূলে উঠোৱাৰ ব্যৱস্থা কৰি দিব? আৰু নিজৰ জমাৰ পৰা খৰচ কৰিলেতো তেওঁলোকৰ সুদে-মূলে উঠাবই। কিন্তু যিজনে কোনো কোটিপতিৰ ওচৰত নিজক বন্ধকত থোৱা নাই, নিজৰো টকা নথকাত ৰাইজৰ বৰঙনিৰেহে নিৰ্বাচনৰ খৰচ উলিয়াইছে, সেইজনেই ৰাইজৰ প্ৰকৃত প্ৰতিনিধি নহব নে? আপুনিতো জানেই, কোনোবাই কিবা পাব লাগিলে, কোনোবাই কিবা হেৰুৱাবই লাগিব। গতিকে, দুখীয়াৰ সৰ্বাংগীন উন্নতিৰ ব্যৱস্থা কৰি ধনীক শ্ৰেণীয়ে হাতৰ কুঠাৰ ভৰিত নামাৰে ভাঙৰীয়া।"

ডেকেৰী এজনীয়ে ছপোৱা কাগজ এখন ভদ্ৰলোকলৈ আগবঢ়াই দিলে, "আৰু এইটোও বোধ হয় আপুনি জানেই, যাৰ পো মেলত নাই, সেই মেল কণা।"

মানুহজনে একো নেমাতিলে।

ডেকা-ডেকেৰীৰ জুমটো আন এজন মানুহৰ ওচৰলৈ গ'ল। মদনে নিৰিবিলি নেপেলোৱাকৈ সিহঁতৰ আলেখ-লেখ চাই থাকিল। আজি শুনা নতুন নতুন কথাবোৰ তাৰ জিভাত তিতা-কেহাৰ জাবি পেলাইছিল। ইহঁতৰ কথাই যেন

সেই জাবি আঁতৰাই জিভাত মিঠাহে সানি দিছে। ইহঁতৰ মুখত হিন্দু-মুছলমান, অসমীয়া-বঙালী, বড়ো, ও বি চি চো বি চি নাই, আছে ধনী আৰু দুখীয়া। জীৱনৰ চল্লিশটা বছৰে মদনে দেখিছে ধনীৰহে ধন বাঢ়িছে, দুখীয়াৰ দুখহে চৰিছে। ক'ৰবাত ধনী যদি বাঢ়িছে একঘৰ, দুখীয়া বাঢ়িছে দহঘৰ। মদনে দেখা হিন্দু-মুছলমান, অসমীয়া-বঙালী, বড়ো-অবড়ো, বামুণ-শূদিৰ সকলো সমাজৰে সেই একেই অৱস্থা। কিন্তু চৰকাৰতো হিন্দু-মুছলমান, অসমীয়া-বঙালী, বড়ো, বামুণ, শূদিৰ সকলোৰে মানুহ আছে। অৱশ্যে, সকলোৰে ধনী-ধনী মানুহবোৰেই ভোটত জিকি এম, এল, এ, মন্ত্ৰী হব পাৰে। সিহঁতে বোধহয় নিজৰ জাতি-ধৰ্ম-ভাষা সকলোবোৰ পাহৰি কেৱল ধনীৰ জাতটোকহে চিনি পোৱা হয়।

পইচা বিচৰা জুমটো তাৰ ফাললৈ পুনৰ আহিছে। মদনে জেপত হাত ভৰালে, সিকিটো সিহঁতক দিব। কিন্তু তাৰ হাতৰ পইচা হাততে থাকিল। জুমটো তাৰ আগত নৰ'ল। তাৰ কাপোৰ-কানি দেখিয়ে বোধহয় সিহঁতে তাৰ দৰিদ্ৰ অৱস্থাটো বুজিছে।

তলমুৱা হৈ মদনে কিবা ভাবিলে।

তাৰপিছত একোবত গৈ সি জুমটোৰ আগত থিয় হ'ল। কলে, "বাপাহঁত, মোৰ ঘৰ বজালী উদয়পুৰত। আমাৰ সেইফালেও তোহঁনাৰ মানুহ ভোটত উঠ্ছিনা?"

ডেকা এজনে কৌতূহলী দৃষ্টিৰে মদনলৈ চালে—"অ, উঠিছেতো।"

"তে এটা কাম ক'ৰবা। তোহ্না সোনকালে এক্দিন আমাৰ গাওঁক যাবা আৰু...... ।"

মদনে আৰু কিবা কব খুজিছিল। কিন্তু মুখেৰে নোলাল। গোটেই জুমটোৱে মুখত হাঁহি লৈ তাৰ পিনে চাইছে। সিহঁতৰ দৃষ্টিত-লাজ নে কিবা ভাৱে তাক জুমুৰি দি ধৰিলে। তাৰ মুৰটো তললৈ দোঁখাই পৰিল। এনসময়ত সি টেমা এটাত সিকিটো ভৰাই দিলে আৰু বেগেৰে খোজ ল'লে।

—x—

# গ্ৰহ

পঞ্চানন দেৱ গোস্বামী

কণদেউৰ মুখত সৰগ ভাগি পৰাদি পৰিল। চকুৱে ধুৱঁলি-কুৱঁলি দেখিলে। আজিহে উপায়ন্তৰ হৈ তেওঁ পুথি-পাঁজিবোৰ মেলি নিজৰ গ্ৰহ-গতিবোৰৰ ভাল বেয়া দশান্ত গণনা কৰি চালেহি। আদবয়স গ'ল। বহুত বিপদ-আপদতো তেওঁ সেইবোৰ খুলি নিজৰ দশাৰ গণনা কৰি চোৱা নাছিল। কাগজ-কলম লৈ বাৰান্দাতে বহি চাৰিপাহ ফুলৰ নাম ভাবিলে। ভগবানৰো প্ৰিয় বুলি পদুম ফুলপাহৰ নাম লিখাৰ পাছতে পাৰিজাতৰ নাম বহুৱালে। গোঁসায়ে তলত ওৰলা বাবে বকুল ফুলপাহৰ নাম লিখিলে। আৰু এপাহ ভাল ফুলৰ নাম মনলৈ আনিব পৰা নাই। বঙা ফুলৰ কথা তেওঁ নাভাবেই। তেওঁৰ ধৰ্মপত্নী 'জবা' অকালতে কাল হৈ তেওঁক অলপ জঞ্জালত পেলোৱা নাই। অশেষ অভাৱ-অনাটনৰ মাজতো সদায় হাঁহি মুখেৰে তেওঁক বহু কথা পাহৰাই থকা 'জবা'ৰ কথা মনলৈ আহে বুলিয়েই বঙা ফুলৰ কথা তেওঁ নাভাবে। আৰু এপাহ ভাল ফুলৰ নাম মনলৈ আনিব নোৱাৰি ডাঙৰ জীয়েক পাৰ্বতীক মাতিলে—

"পাৰ্বতী কচোন এপাহ ভাল ফুলৰ নাম। পাৰিজাত, পদুম, বকুলৰ নাম লিখিলো।"

পাৰ্বতী আচৰিত হ'ল। কোনোদিনে তেনেকৈ নোসোধা দেউতাকে আজি কিয় ফুলৰ নাম সুধিলে? অকলে বহি পুথি-পাজি লৈ মেলি চোৱা তাই কাহানিও দেখা নাই। তাই ব্যগ্ৰভাৱে সুধিলে—

"কি হ'ল দেউতা? ফুলৰ নাম কেলৈ?"

"কচোন বাৰু, পাছতো গম পাবি।"

"পাৰিজাতৰ নাম যে লিখিছা দেখিছা জানো?

"নেদেখিলে কি হ'ল? গোঁসায়ে গোঁসানীক লৈ নিজে চুৰ কৰিবলৈ গৈছিল দেখোন। নোচোৱাকৈয়ে গৈছিল নে? কচোন বাৰু তাই।"

"নাজি, খৰিকাজাঁই এইবোৰ বহুত আছে ।" পাৰ্বতীয়ে উপায় নাপাই কলো'

"এইবোৰ গোঁসাইৰ লগত কিব। সম্বন্ধ আছে জানো ? ভাল এপাহক ।"

"তেনে—কদম ফুল ।"

"বেচ—গোঁসায়ে তলত বহি বাঁহী বজাইছিল নহয় ? হব বাক যা ।"

"চাৰিওপাহ ভালবো ভাল ফুলৰ নাম লিখি গণনা কৰি চালে। কটাকটি খেলাৰ দৰে ঘৰকেইটামানো বহুৱালে। সোঁহাতৰ বুঢ়াআঙুলিৰ মুৰটো বাকীকেইটা আঙুলিৰ পাবকেইটাত চলালে। একো ক'তো অশুভ নাপালে। আকৌ পাৰ্বতীক মাতিলে—

"পাৰ্বতী, পেড়াটোৰ তলতে মোৰ সোঁৱৰণীখন থোৱা মনত আছে। চাচোন—মোক আনি দে।"

কণদেউ বাৰান্দাতে পীৰা এখনত জলকা লাগি বহিল। সৰু জীয়েক লখিমীয়ে আহি মাত দিলেহি—

"দেউতা—আজি কামৰপৰা গুচি আহিলিয়ে, কাম বন্ধনেকি ?"

লখিমীক কণদেউৱে বৰ মৰম কৰে। তাই জন্ম হোৱাৰ পাঁচ মাহমানৰ পাচতে কণদেৱে চাকৰিটো পাইছিল। দুপইচা হাতত পাই আগতকৈ অলপ ভালকৈ চলিছিল। সকলোৱে তাইক সৰু ভনী বুলি মাতিলেও কণদেউৱে কিন্তু মৰমতে লখিমী বুলিহে মাতিছিল। সেই লখিমীয়ে আহি মাতযাৰ দিলত কণদেউৱেও ক'লে—

"বন্ধ নহয়—অলপ কিবা লেঠাতহে পৰিলো। আজিৰপৰা কামলৈ যোৱা মানা।"

"মানা ? কোনে কৰিছে ?"

"মালিকে। —কেশৱ বৰুৱাই।"

"এতিয়া কি কৰিবি পিচে ?"

"তাকেহে ভাবি বিপাণ্ডত পৰিছো। চাওঁচোন—কি কৰিব পাৰো।" পাৰ্বতীয়ে মাজতে আহি ধোঁৱা বৰণৰ কাগজ এখন দিলেহি।

"দেউতা, চাচোন, এইখন তোৰ সোঁৱৰণী হয়নে ? উঁয়ে খাই শেষ কৰিলে। নামটো ধৰিবকে নোৱাৰিলো।"

"এৰা এইখনেই।" কণদেউৱে চকু ফুৰাই ক'লে। "আচল জন্মবাৰ, নক্ষত্ৰ উঁয়েই খালে। বাক হ'ব যা।"

সোঁৱৰণীখনৰ ছুয়োটা লুটিতে ফুৰাই-পকাই চালে। ওঠ দুখন লৰাই বিৰবিৰকৈ

কিবা বৰ্জকিলে। তাতো কোনো গ্ৰহৰ কু-দৃষ্টি নাপালে। কঁপালখন কোঁচাই চোতালখনত দুটামান পাক মাৰিলে। আগৰ পৰা কথাবোৰ ভাবিলে—

·····মই গণনা কৰি দিয়া ব্যৱসায় আৰম্ভৰ অমৃতক্ষণ, কাৰ নামত বহুৰাৰ, গ্ৰহ-গতিৰ দশা আৰু দৌৰ্দোষৰ বিধান মতেই দান-দক্ষিণা কৰি, কেশৱ বৰুৱাৰ আজি এইটো অৱস্থা। এটা কাঠকলা মেচিনৰপৰা চাৰিটা হ'ল, ডিজেল তেলৰ সলনি বিজুলী মেচিন বহুৱালে, নগৰত ইন্দ্ৰপুৰী যেন ঘৰখনো সজালে, গাড়ীও ল'লে তিনি-চাৰিখন। দিনে দিনে উন্নতি হ'ল। কিন্তু এবেলা কটাবলৈ নিজৰ দশা গণনা কৰি ক'তো খুত এটাও নাপালো—অথচ মোৰ আজি এইটো দুৰৱস্থা কিয় হ'ল?' ভাবি ভাবি একো উৱাদিহ নাপাই আকৌ আহি বাৰান্দা উঠিলেহি। বেৰখনতে কৰ্কালটো ভেজা দি ৰহি, চিন্তা বিভোৰ হৈ পৰিল। দেউতাকৰ কিবা থং উঠা বুলিয়ে ছোৱালীকেইজনীয়েও আহি আমনি কৰিবলৈ সাহস নকৰিলে। আগকালে থকা লোকৰ ধাননী পথাৰখনলৈ চাই চাই চিন্তাত ডুব গ'ল। অতীত জীৱনটোৰ দিনবোৰৰ কথা মানস পটত ভাহি উঠিল—। দেউতাক হৰদেউৰ কথা ভাবিলে—।

'.. ...দেউতাৰ বাহিৰেনো এই অঞ্চলটোত দ্বিতীয়জন জ্ঞানী জ্যোতিষী কোন আছিল? আঙুলীৰ মূৰতে গ্ৰহ-গতি, বৰ্ষচক্ৰ, বিষ্ট আদিৰ কথা গণনা কৰি মুহূৰ্ততে বৰ্ণনা কৰি দিব পাৰিছিল। সেই অনুপাতে বিধানো দিছিল। অমঙ্গলীয়া মহৰ বাবে দিয়া বিধানৰ দান-দক্ষিণাটো ল'বলৈ তেতিয়াই দেউতাকে মাতিব যাব পাৰিছিল। একেটা গুণীতে দুটা চিকাৰ হয়। সেয়ে মানুহৰ সুবিধাও হৈছিল। অঞ্চলটোতে দ্বিতীয় এখৰ গণকো নাই। দেউতাও কম পাহোৱাল, গহীন-গম্ভীৰ মানুহ নাছিল। দানৰ টোপোলা, সিধা, তামোল-পাণ দি সেৱাটো কৰিয়ে মানুহৰ মনটো ভাল লাগিছিল। ৰসাতলত পৰা বৰ্ষচক্ৰৰ বাবে সুশস্য বুলি এদোণ ধান দিবলৈ ক'লে দেউতাৰ মৰমতে মানুহে এপুৰা পৰ্য্যন্ত দিয়েহি। সেই সময়ত সৰহভাগ মানুহৰ বৰ্ষচক্ৰ ৰসাতলতে পৰাৰ কাৰণটো দেউতাই কৈছিল। বহাগৰ মাহটোত দিনৰ দিনটো বৰ্ষচক্ৰ চাবলৈই আহৰি নাপায়। আহোঁদিনলৈ কাগজ এখনত লিখি লোৱা মতে লেচাৰি পাক এটা মাৰি দান-দক্ষিণাবোৰ চপায়। গধূলি ভাত খোৱা পৰত চাইটনীয়া দুখন কাষত ওলোমাই কেকোঁ-জেকোঁকৈ ঘৰ সোমালেহি দেখিয়েই কেনে লাগিছিল? ধান-চাউল সৰহ হ'লে আনিব নোৱাৰিলে, ঘৰলৈ আহি মোকে বা তোলা কৰাইদেউকে পঠায়। কেতিয়াবা কোনোবাই থৈয়ো যায়হি। বহাগ মাহটো সুকিলে তাৰ মানলৈকে খোৱাৰ

যোগাৰটো হৈছিল। ৰ্ৰবচক্ৰৰ সময় গ'লে দশা গণনা, গ্ৰহগতিৰ বিষ্ট আদিৰ কাম ওলাইছিল। কম টেঙৰ আছিল জানো দেউতা? ঘৰখনৰ দৰকাৰী বস্তুৰ বুজ লৈহে দান-দক্ষিণাৰ বিধান দিছিল। মানুহ চাইয়ো বিধান দিছিল বাবেই মানুহবোৰৰ অসুবিধা নহৈছিল। সত্তৰাম মৌজাদাৰৰ হালোৱা বলোৰামক শনি গ্ৰহৰ বাবে ক'লা কাপোৰ এহাত দান দিবলৈ ক'লে, মৌজাদাৰৰ কিন্তু ক'লা ছাগলীৰ বিধান দিছিল। ল'ৰা-ছোৱালীৰ যোৰা নাহিলেও চিত মিলিলে, নাম বদলি কৰি হ'লেও টানি আঁজুৰি যোৰা লগাই দিছিল। সেয়েহে ডেকা-গাভৰু বোৰেও দেউতাক ভাল পাইছিল। কম কষ্ট কৰি দেউতাই আমাক পোহপাল দিয়া নাছিল নহয়। দুবছৰ একাজী বেমাৰত বিছনাত পৰি থাকোতেও জানো আহৰি পাইছিল? মোকে বা ভোলা ককাইদেউক মাতি কাষতে ধহুৱাই গণনা কৰায়। বিধানৰ কাগজখন লিখায়। 'ল'ৰাই পালেই মই পোৱা হব' বুলি মানুহক বুজনি দি আমাকে দান-দক্ষিণা চপাবলৈ পঠায়। এইদৰেহে মোৰ দান-দক্ষিণা গোটোৱাত নিচাটো বহি গৈছিল। কাম বন কৰি খাবলৈ হেঁপাহ নোহোৱা হৈছিল। খংহে উঠে। এইবোৰত নলগাই পঢ়া-শুনা কৰিবলৈ দিয়া হ'লেহে ভাল আছিল। তেতিয়া হয়তো এইটো গতি আজি নহ'লহেঁতেন। কিনো কৰিব—? দেশ-কাল এনেকুৱা হব বুলি দেউতাইতে চাগে ভাবিবকে নোৱাৰিছিল। এদোণ ধান দিয়া বাদেই মূল্য বুলি দুঅনীয়া এটাহে দিয়ে। দিয়েনো ক'ৰ পৰা? ৰাইজখনৰে অৱস্থা নাই। গ্ৰহে টেটুত চেপি ধৰি থাকিলেও দানটো দি ৰক্ষা পাবলৈ ৰাইজখনৰ শকতি নাই। দানৰ বিধান দিওঁ বুলি চোৱাবলৈ চিন্তাবলৈকো এৰিলে। ৰৰ টানত পৰি আহিলেও দান-দক্ষিণাৰ বিধান দিলে উচপ খাই উঠে তামোল-পাণ এটাত দুঅনীয়া পইচাটোৰে গণনা কৰি মগজ খটুৱাই কিমান খাম। সিধা এটাৰ কথা ক'লেও—'নামঘৰত তেল শলিতা এগচ দিলেই নহবনে' বুলিহে সোধে। নহব বুলিনো ক'মনে? পিচে গোসাঁয়ে তেল-শলিতাৰ ধোঁৱা খাকিব পাৰে, বিপদ মোৰহে। তেওঁ ব্ৰহ্মাণ্ডখনৰপৰা পায়, মইনো দান, সিধা নাপালে কি খাওঁ? কমতো টানত পৰি কাঠফলা মিলটোত সোমোৱাগৈ নাই নহয়—।

এনেতে জেওঁৰা ভাঙি কণদেউৰ গৰুজনীয়ে শাকনি বাৰীখন গছকি পেলোৱাৰ বাবে কাষৰ বাৰীখনতে থকা ন-বোৱেকে খঙতে কণদেউইতক শুনাই অনেক কৰ্কথনা কৰিছে। কণদেউৰ চিন্তাৰ আঁও হেৰাই ঘপহকৰে ককায়েক ভোলাদেউৰ কথা মনলৈ আহিল।

……ককাইদেউৰ লগত একেলগে থাকোতে অলপ সুখেৰেই খাইছিলোঁ।

দুয়ো দুহাতে চপাওঁ। ভতিজা ল'ৰা এটা সিও পুলিচত সোমাল। মাহেকে-পধেকে দুকুৰি-তিনিকুৰি সিও পঠায়। ভালকৈয়ে চলিছিল। এই নবৌজনীয়েহে ফালিলে। ৰাতি শোওঁতে ককাইদেউক লগোৱা মই নিজ কাণে শুনিছিলো নহয়—'বেলেগ হ'লে আৰু অলপ সুখেৰেহে খাব পাৰিম বুজিছে। ল'ৰাটোৱেও পঠায়। আপুনিও সিধা-দাম চপায়। সিহঁতবোৰে খাওক বেলেগে। গজগজকে চাৰিজনী ছোৱালী, মতা-মাইকী হালৰে সৈতে ছটা পুঁহিব লাগে। সকজনেনো কিমান খৰচা যোগায়? আৰু এটা কথা মন কৰিছেনে? কাৰবাৰ কিবা হোৱা ভলে ভলে গম লৈ আগতেই গৈ পুঁথি-পাজি মেলি সিধা-দক্ষিণা লৈ আহে। আপোনাক আৰু কৰি থয়। নহ'লেনো ছোৱালী সজাবলৈ ক'ৰ পইচাবোৰ পাইছে?'—ককাইদেউৱেও একো উত্তৰ নিদিয়ে। দিয়া হ'লেহে ককাইদেউৰ চিত্তটোৰ কথা বুজি পালোহেঁতেন। সদায়নো কিমান কথা শুনি থাকিব? সেয়েহে সকজনীৰ অশৌচটো খেদায়েই বেলেগ হৈ আহিলো। এতিয়া পাইছে নহয়। অকলে টান-আজুৰি বিধৱা ভাত খাব লগা হৈছে। বোৱাৰীয়েকজনীয়েও খাব নোৱাৰিলে লগত। বোৱাৰীজনীতো বেয়া নহয়। মোৰ ভাগৰজনী ছোৱালীৰ লগৰে। বিহুৰে সংক্ৰান্তিয়ে দদাই বুলি গামোচা এখনকে দি হ'লেও মনে মনে সেৱাটো কৰিহে যায়। নবৌজনীৰ লাগনী কথাত ককাইদেউৰো মনটো পাছলৈ ঘূৰিল হ'ব পায়। নহ'লেনো মোৰ ওচৰত চোৰা-চিতা কৰিবলৈ অহা মানুহক বাটতে আগচি ধৰি আঙুলি মূৰতে গণনাটো কৰি বিধানটো দি, পাচতে চপায়গৈনে? মোৰ বিৰুদ্ধে গাৰ্বৰে যেধুৰা ককাইটিক ৰটনা কৰা মোক কৈছেই নহয়। যেধুৰা ককাইটিয়ে ছোৱালীজনী হওঁতে মোৰ ওচৰতহে চোৱাবলৈ আহিছিল। ককাইদেৱে বাটতে আগভেটি ধৰি আঙুলি মূৰতে হিচাপটো কৰি—'সুভগা যোগ, ৰৰত নাই, বাৰৰ বাৰে এজনক ক'লা বস্ত্ৰে চাউল খুৱাবা কণদেউৰ ওচৰলৈ গলে তোমাক ক'লা ছাগলী এটা, চাউল এপুৰা ভৰাবই' বুলি বিধান দি ওভোটাই পঠালে। পাছতে ভেওঁ নিজেই গৈ চাউল বাঢ়ি আলুৰে-মাছে সিধা এটা নবৌলৈকো আনিলে। ইমান পেট-কপটীয়া হ'ব লাগিছিলনে? ল'ৰাৰনো মতি-গতি কি চাবা? বৰ পুলিচৰ চাকৰিটো কৰিলে—বেত জোঁকাৰি জোঁকাৰি। অহাটো বাদেই—মাতবাৰকো নিদিয়ে। নবৌয়ে লগালে হ'বপায়। সেয়েহে চকোৱাখন দি আমাৰ ঘৰখন আঁৰ কৰি পেলালে। লগালেও কি হ'ল? তেজ-মঙহৰ কথা—একেতাল নাড়ীতে হোৱা। ককাইদেউ—ককাদেউৱেই। চকুৰাৰ দিনা নিজে কান্ধত তুলি আনক চুৰলৈকে নিদিলো। ককাইদেউ কাল হোৱাৰ পাছত ভাবিছিলো-

মোৰ চোৱা-চিতোৱা মানুহ কিছু বাঢ়িব। পিচে ক'তা? দান-দক্ষিণা বেচি ধৰো বুলি বদনামটো থাকি যোৱা বাবেইনেকি—নাবাঢ়িল। বেছিকৈ নধৰিলেনো চলো কেনেকৈ? গজ্‌গজ্‌কে চাৰিজনী ছোৱালী—অলপ-খিনি পইচা লাগে জানো? বস্তুৰ দামহে যি—চাৰিজনী সজোৱা কম কথানেকি? মাকজনীৰ বেমাৰ-আজাৰৰ দৰৱজাতিৰ খৰচবোৰটো আছিলেই—।'

আকৌ খপহকৰে কণদেউৰ ধৰ্মপত্নী 'জবা'ৰ কথা মনলৈ আহিল। মনটো সেমেকি গ'ল।

'......জবা যি জবাই। পকাথেকেৰাটো যেন আছিল। মুখ-খনত হাঁহিটোকে শুগুছে। পিছে কি হ'ব? অলপ কষ্টত ঘৰখন চলোৱা নাছিল নহয়। মইতো কষ্টৰ কাম নকৰি নকৰি কোৰ-চাবকে মাৰিব নোৱাৰা হ'লো। তেৱেঁ টানি-আজুৰি ছোৱালী-কেইজনীক লৈ এচাব-দুচাব মাৰি বাৰীতে লাউ-বেঙেনাকেইটা কৰিছিল। বজাৰৰপৰা কাচিৎহে কিনিছিলো। সেই কাৰণেহে মানুহজনী বেমাৰী হলগৈ হ'বপায়। বছৰে বছৰে লেঠাটো শুগুচেই। মইনো কি কৰিম? দেউতাই দান-দক্ষিণা লৈ সুখেৰে কষ্ট নোপোৱাকৈ খুৱালে। মযো ভাবিছিলো—খাম এইদৰেই। খাইছিলোও কোনো-ৰকম। মাটি যি কেইডৰা আছিল—আমাৰ ঘৰ পাতোতেই দেউতাই বন্ধক দিছিল। আজিও খুলিব পৰা নাই। তথাপি চলিছিলো—আকালে নাই, ভৰালো নাই। আকালতে মানুহজনী কাল হৈ ছোৱালীকেইজনী টেটুত লাগিলতহে মৰিলো। গাওঁ-ঘৰ ফুৰিব নোৱাৰা হ'লো। ছোৱালীকেইজনীও গজ্‌গজ্‌কৈ বাঢ়ি আহিল। মানুহবোৰো সেই—কাৰোনো বেমাৰ-আজাৰ নোহোৱা হৈছিলনে? গ্ৰহ-গতি চোৱাব লাগে বুলি মনত ভাব নহৈছিলনে। পাৰোতেনো পুথি-পাঁজি চাঙত তুলি কাঠফলা মিলটোত সোমালোগৈনে?

খপহকৰে সেই ঘটনাটো হুবহু তেওঁৰ মনলৈ আহিল। প্ৰায় বাৰটা বছৰৰ আগৰ সেই ঘটনাটোৰ প্ৰতিটো মুহূৰ্তৰ কথা কণদেউৰ মনত পৰিল।

—কোনোবা এটা আঁউসীৰ নিশাল কথা।

দিনটো এজনো মানুহ নাই। নিজে ওলাই যাবলৈকো দান-সিধাৰ যোগাৰ নাই। আবেলি পৰত বাৰান্দাতে কণদেউৱে জুপুকা মাৰি বহি আকাশ পাতাল ভাবি আছে। ডাঙৰ জীয়েক পাৰ্বতীয়ে মাত লগালেহি,—"দেউতা, গধূলিলৈ চাউল নহবগৈ। তোক দিনতে কৈছো, পাছত মোক নকবি"। "এবা কিনো কৰো বাক? দিনটো সিকি এটাৰ উপাৰ্জন নাই। সিধা-দক্ষিণাবোৰতো বাদেই দিছো"।

"ঘি' কৰ কৰ, মইনো কি কৰিম ?। কালি গধূলি আঁউসী তুলি দিয়াৰ দিলোৱেই।"

'কালিনো ক'ৰ আঁউসী। দিনৰ সাজ খোৱাৰ আতালি তোমো খাই পেটটো ভৰাই আহিলি—খাৱেহে ক'লো। এসাজটো বাহি হ'ল।" "তেনে আজিও আঁউসী বুলিয়ে কাহনেকি ?"

'তোনটো চালেই গম পাবি নহয়। কিনো কৰো উপায়কে পোৱা নাই। চিভিল হস্পিতেলৰ কাষৰ চাহ বেপাৰীটোৱে চাহ বিক্ৰী নহ'লে, বেমাৰী মৰা বন্ধ কৰিলে বুলি ডাক্তৰকে শাও-শপনি পাৰে। মইনো কাক গালি পাৰিম ? ঈশ্বৰকে পাৰিলেহে হ'ব। মানুহেও বেমাৰ আজাৰ হৈ পাটীতে শুকাই নাইকিয়া হ'ব—তথাপি গ্ৰহগতি কেইটা ঠাৰাই প্ৰতিকাৰ এটা কৰিবলৈ এৰিলে। কোনোটো আহিলেও তামোল-পাণ এটাত তুষনীয়া এটা দিব। দান বিধান দিলেও কাকান্' দিয়ে ক'ব নোৱাৰো। আগৰ দেউতাৰ দিনত দান-দিয়া চপায়ে আমনি লাগে। এনেয়ে পাক এটা মাৰিলেও শুদাহাতে নপঠিয়ায়। একো নাথাকিলেও শাক এমুঠিকে হ'লেও দিয়ে। এতিয়া কি হুই লাগিল ক'ব নোৱাৰো, দেশ-কালবোৰো কিবা উলটিল।"—কণদেউৱে বৰ দীঘল হুমুনিয়াহ এটা পেলালে।

"মানুহেনো দিয়ে ক'ৰপৰা ? গাওঁখনতে দেখা নাই জানো ? দুই একৰেহে অলপ জীপ লৈ আছে।" পাৰ্বতীয়ে বাপেকৰ কথাৰ উত্তৰ দিয়ে।

এনেতে গাড়ী এখন পদূলিতে ৰখালেহি। কণদেউ দৌৰি যোৱাদি আগবাঢ়ি গ'ল।

"এইটো কণদেউৰ ঘৰ নহয় জানো ?" গাড়ীৰপৰাই মানুহজনে সুধিলে।

"হয়, হয় মইয়ে, মোকে বিচাৰিছেনে ? আহক, আহক।" কণদেউৱে কাষতে তুলি আনিব যেন কৰিলে। চোতালৰ মাজৰ-পৰাই চিঞৰিলে—"পাৰ্বতী চকীখন বাৰান্দালৈকে উলিয়াই দেছোন।"

পাৰ্বতীয়ে চকীখন আনি বাৰান্দাৰ খুটা এটাত তেজা দি থৈ ক'লে—"বহকচোন, চকীখনৰ খুৰা এটা অলপ ভগা। তেজাটো দিহে ৰাখিব।" পাৰ্বতী কৈয়ে ভিতৰ সোমাল।

"চিনে চিনি পোৱা নাই, কোনখনৰপৰা আহিছে ?" কণদেউৱে হাত দুখন মোহাৰি মোহাৰি সুধিলে। নিজেও পীৰা এখন পাৰি বহি পৰিল।

"মই টাউনৰপৰা আহিছো। তাহানি মৌজাদাৰৰ পুতেক। মোৰ নাম কেশৱ বৰুৱা। আমাৰ দেউতাৰ লগত আপোনালোকৰ দেউতাৰ চিনাকি

আছিল। আজি কালিহে আহ-যাহ নাই। দেউতাও ঢুকালে।"

"এবা আহ-যাহেইহে কথা। আমিও ঘৰ এৰি বৰকৈ ওলাব নোৱাৰা হ'লো। মাক ঢুকুৱাৰ পাছত ছোৱালীকেইজনী মোৰ টেটুত লাগিল।"

"কি কৰিব? যাৰ ভাগ্য যেনেকুৱা। ময়ো এটা বৰ ডাঙৰ দৰকাৰত আহিলো। মই পি ডব্লিউ ডি, ই, এণ্ড, ডিত ঘৰ সজাৰ ঠিকা কৰো। কাঠৰ কুপো আছে কেইটামান। সুবিধা হ'ব ভাবি কাঠফলা মিল বহুৱাইছো। এই বাস্তাটোৰেদি ডুমাইলমান গৈয়ে বাস্তাৰ দাঁতিতে যে পায় সেই মিলটোৱেই। এতিয়া ব্যৱসায়টো আৰম্ভ কৰাৰ আগতে দিন-বাৰবোৰ চাই দিব লাগে। কাৰ নামে বাখিম, কেতিয়া আৰম্ভ কৰিম, এই সপ্তাহৰ ভিতৰতে দিন এটা চাই দিয়ক। কাম আৰম্ভ কৰিব পৰা হৈ আছে। মায়ে বৰকৈ কোৱাত আপোনাৰ ওচৰলৈ আহিলো।" পাঁচটা টকাৰ নোট এখন কণদেউৰ হাততে গুজি দিলে— ।

বৰ কোবাকোবিকৈ পুথি-পাঁজিবোৰ মেলি ল'লে। সকলোৰে নামবোৰ লিখিলে। এপাহ ফুলৰ নামো সুধিলে। 'জবা' বুলি কওঁতেও কণদেউৰে আগৰ দৰে উচাপ নাখালে। সকলো চাই-চিতি একমাত্র পুতেক 'ৰঞ্জন'ৰ নামতে বহুৱাবলৈ কৈ দুই-এটা দান-দক্ষিণাৰ বিধানো দিলে। কেশৱ বৰুৱাইয়ো পাছদিনা পুৱাই দানকেইটা নিজে আহি দি যাবহি বুলি কৈ গ'লগৈ। কণদেউৰে পাৰ্বতীক ক'লে—

"পাৰ্বতী, আচলতে আজি আঁউসী হ'লেও খাব লাগিব। কালি গধুলিও লঘোন। আজিও লঘোন দিলে পেট চেপেটা লাগিব। টকা পাঁচোটা পাইছো।"

গামোচা এখন কান্ধত লৈ গাওঁবুঢ়াৰ দোকানৰপৰা চাউল কিনি গামোচাৰ আগ এটাতে বান্ধি আনিলে। সেই সাজ সুখেৰেই খালে। খাই-বৈ জুহালৰ কাষতে বহি কিবা এটা ভাবি পাৰ্বতীক ক'লে—

"পাৰ্বতী এটা কাম কৰোনেকি?"

"কি কাম?"

"আজি অহা কেশৱ বৰুৱাকে কওঁনেকি—মিলতে কিবা কাম এটা যোগাৰ দিবলৈ? চোৰা-চিতা কৰি টানি-আজুৰি কিমান খুটুৱাম? মানুহজন ভাল। হাতখনো বলী যেন লাগিল। সামান্য কথাটোতে আজি ধপহকৰে পাঁচটা টকা উলিয়াই দিলে। ধৰম-কৰমলৈকো মাতি আছে যেন লাগে।"

"মিলতনো কি কাম ওলাব তোলৈ? কাঠ ফালিব পাৰিবি?"

“হাত কৰতেৰে ফালিব নালাগে—মেচিনেহে ফালিব। মহৰী-চহৰীৰ কাম এটা হ'লেও হয়।”

“কৰি চেষ্টা—হ'লে ভালেই হয়।” পাৰ্বতীয়ে সম্মতি জনালে—।

পাচদিনা পুৱাতে দান-শিধাকেইটা যোগাৰ কৰি কেশৱ বৰুৱাই আহি গাড়ীখন পদূলিত ৰাখিলেহি। লগত অহা লগুৱাটোৱে বেগ দুটামান আনি বাৰান্দাতে থ'লে। বৰুৱা বাৰান্দাৰ খুটাত ভেজা দি থোৱা চকীখনত বহিল। লগুৱাটোক বহিবলৈ কণদেউৱে পীৰা এখন দিলেহি। ততাতৈয়াকৈ গাটো ধুই কণদেৱে দান-শিধাৰ উছৰ্গাৰ কামখিনি সমাধা কৰি আগদিনা ভবাৰ দৰে কথাটো উলিয়ালে—

“কথা এটা সোধো—বেয়া নাপায় যদি।”

“সোধক—কিয় বেয়া পাম?”

“ছোৱালী চাৰিজনীৰে সৈতে ঘৰখন চলাবলৈ বৰ টান পাইছো। উপাৰ্জনো নাই। চোৱা-চিতাবোৰতো মানুহৰ আগ্ৰহ নাইকিয়া হ'ল। আপোনালোকৰ দৰে নহয়। আগৰ দিনত গৰু এটা কিনোতেও পুথি-পাঁজি মেলে।”

“এৰা, মানুহে ধৰ্ম-কৰ্মলৈ পিঠি দিছে। কেৱল পেটটো ভৰোৱাৰ চিন্তা কৰিয়ে সময়বোৰ পঠায়।”

“যদি পাৰে, মিলটোতে কিবা কাম এটাৰ যোগাৰ কৰি দিয়ক। আখৰকেইটা লিখিব-পঢ়িব জানো। হিচাপ-নিকাচবোৰো পাৰিম। গণনাৰ অংকবোৰ কৰাৰ অভ্যাস আছেই।”

“আপুনি কৈছে যেতিয়া কিবা এটা কৰিম। কাম কৰা মানুহ-কেইটা অহাৰ হিচাপটো ৰাখিব। বৰ্তমান বিশজন মানুহ আছে। দৰমহাৰ দিনত হাজিৰাটো হিচাপ কৰি দিব লাগিব। কাঠৰ হিচাপ ৰখা কামটো শিকি ল'লে দুপইচা সৰহকৈয়ে দিব পাৰিম। বৰ্তমানে তিনিশমানকৈয়ে দিম।”

“হ'ব—হ'ব—বৰ দয়া কৰিলে।”—তিনিশ শব্দটো শুনি কণদেউৱে জাপ মাৰি দিব যেন কৰিছিল। কেশৱ বৰুৱা গাড়ীত উঠি চকুৰ আঁৰ নোহোৱালৈকে মুখত এমোকোৱা হাঁহি লৈ চাই থাকিল। ঘৰলৈ সোমাই পাৰ্বতীক ক'লেহি—

“পাৰ্বতী ভবামতেই কামটো হ'ল। কিমাননো লোকৰ মুখলৈ হাতলৈ চাই থাকিম। দশা গণনা কৰি কোনদিনা তিনিশ টকা পাইছোনো? অঁতেৰ সৰুজনীৰহে কপাল বুজিছ। তাইহে লখিমী উপজিল মোৰ ঘৰত। মাকে তাইক জনম দিয়েই কাল হ'ল—। তেওঁৰ ভাগ্যত নাই। এতিয়া থকা হ'লে কিমান ৰং পালেহেঁতেন।

……"চাংখনত শুৱাই থোৱা পাঁচমহীয়া কেচুৱা সৰুভনীক কোলাত তুলি গালে মুখে চুমা খালে। মোৰ আই লখিমী' বুলি বুকুতে সাবটি ধৰিলে। তাইক জন্ম দিয়ে মাক জৰা অকালতে কাল হোৱাবেপৰা এইয়া প্ৰথম বাৰৰ বাবে তাইক ইমান মৰমত তুলি ধৰিছিল। আগতে 'এইটো মোৰ ঘৰত কাল আহিলে' বুলি কান্দি ঠেবেঙা দিলেও কেৰাহিকৈ চাবলৈকো মন নগৈছিল। সেইদিনাৰপৰাই কণদেউৰ মনত সৰুভনী লখিমী হ'ল—নামো ৰাখিলে লখিমী বুলিয়েই। এই গোটেই ঘটনাটোৰ প্ৰতিটো মুহূৰ্তৰ কথা তেওঁৰ মনত জল্‌জল্‌ পট্‌পট্‌কৈ জাঁহি উঠিছে। আজি কিন্তু কণদেউৱে ভাবিছে—

……সেইটো মোৰ কালমুহূৰ্তহে আহিছিল। মিলৰ কামটোতো বেয়া নাছিল। মই কাম পোৱা বুলি গাঁৱৰ ৰাইজখনে প্ৰথমতে উপলুঙা কৰিছিল। কাম কৰি দেখুৱালতহে মেলা মুখ জাপ খালে। কিছুমান হিংসাকুৰীয়া মানুহ আছে নহয়। আমাৰ নবৌজনী জানো কম কপটীয়া। হকে বিহকে—লোকক কোৱাৰ চলেৰে কথা শুনায়—এইবাৰ শেনৰ এজাত, ভেকুলীৰ পিঠিত নোম গজিব'। ছোৱালী-কেইজনীয়ে মোক কয়। ময়ো কওঁ—ক'বলৈ দে—পুতেকে পুলিচৰ চাকৰীতনো কিমান পায়। মই ঘৰতে থাকি তিনিশ পাওঁ। সিহঁতকৈ ভালকৈহে চলিম। চলিচিলোও ভালকৈয়ে। বেচি নোৱাৰিলেও দুবেলা দুসাজৰ জোৰাটো মৰিছিল। দোকানীয়েও বাকী দিবলৈ টান পোৱা নাছিল। দৰমহা পালেই দি দিওঁ। কামবোৰ শিকি লোৱাৰ পাছত আৰু সুবিধা হ'ল। কোনোবা মানুহ কামলৈ নাহিলে হাজিৰাটো দি থ'লে আধাটো পইচা মোকে দি দিয়ে। এইদৰেই দেখোন মাহটোত তিনি চাৰিকুৰি ওপৰঞ্চি পাওঁ। এবাৰহে ধৰা পৰিছিলো। মোৰ গাতনো কি দোষ আছিল। বহীত হাজিৰা দিলো—সিটোৱে টেটুলৈকে মদসোপা খাই নগৰত তহল দিয়াত লাগিল। মালিকে দেখি হাজিৰা বহী চাই মোক সুধিলে। ভুলতে হোৱা বুলি ক'লতে মানিলে। তাৰ পাছত ময়ো সাৱধান হ'লো। পাছদিনা কামলৈ আহিলেহে সুধি-পুচি হাজিৰা দিওঁ। সুখেৰেই খালো ভোতিকা। ছোৱালীকেইজনীয়েও আগতকৈ ভালকৈ এখন পিন্ধিবলৈ পালে। পূজা-পাৰ্বনত নগৰত ফুৰিবলৈকো যায়। মোৰ দেখিয়ে কিমান ভাল লাগে। মানুহে কয়ো নহয়—ছোৱালীকেইজনী ভালে সজাইছে বুলি। সজোৱাও জানো অলপ কথা। একনীৰ শাৰীখন ল'লেই দৰমহাৰ আধা যায়। এবাৰটো দোকানৰ ধাৰ মাৰিব নোৱাৰাত বৰ বিপদাৰীত পৰিছিলো পাছত যেনিবা কাঠৰ হিচাপত পাক এটা লগাই ধাৰটো মাৰিলো। চলি আছিলো—আঁকালো। নাই

ভঁৰালো নাই। মাজতে এই হিন্দুস্তানী মেনেজাৰটো আহি সেঠা লগালেহি। তাক লগত লৈ মালিক ধনহাই মোক কৈছিলহি—"কণদেউ, মিলটো ডিজেল তেলৰ বদলি বিজুলী মেচিন হ'ল, তাপ মচিন এটাও আনিলো। এতিয়া মিল চলাবলৈ তোমাৰ অসুবিধা হ'ব। ইংৰাজীও জানিব লাগিব। মেচিনৰ কামো জানিব লাগিব। গতিকে এই হিন্দুস্তানী মেনেজাৰজন দিছো—। কি কৰিবলৈ কয় কৰিবা—।" সেইটো অহা দিন ধৰি মোৰ গতিও বেয়া হ'ল। অলপ হিংস্কুকীয়ানে সি-পাই পাই হিচাপ লাগিব। মালিকেও তাক পলাগোতে জতেই নাই। হয়ো—সি অহাৰপৰা ৰকবাৰ উন্নতি। মৰিলো মইহে। দৰমহাটোৰ বাদে চৰতীয়া এটাৰো উপাৰ্জন নাই। আনো—বাহিৰা পইচা উপাৰ্জন কৰা বেয়া। আগতে আনে কৰিলেও বেয়া পাওঁ। কিন্তু কি কৰিম—নহ'লে যে নচলে। দৰমহা—সোমাওঁতে যি পালো—আজিও সিমানেই। টকা এটাও যদি বঢ়াই দিলেহেঁতেন। আগতে তৰাই নাছিলো—টান পাইহে তাৰ হ'ল। মালিকৰো মতি-গতিবোৰ বদলি দেখিলো। 'কণদেউ নমস্কাৰ' বুলি গাড়ীখনৰপৰা নামি অহা মানুহজনক পাছলৈ মইহে নমস্কাৰ দিব লগা হ'ল। আগতে আপুনি—পাছত তুমি-তয়া। বেয়া লাগে কেতিয়াবা। উপায়ো নাই—দশা গণনা কৰি থোৱাৰ উপায়ো নাই। কেতিয়াবা অহাকেইজনকো—তদা তামোল-পাণ আনিছা বুলি দাবি-ধমক দি উভতাই পঠাও। এতিয়ালৈ চাগে কণদেউ বুলি গণক এজন আছিল বুলি মানুহে পাহৰিলেই। সেয়ে—মিয়ে যি কয় সহি সাৰধি থাকো। তথাপি চলিছিলো কোনোৰকম। পুৰাই যাওঁ—গধূলিহে সোমাওঁহি। মানুহৰ হিচাপ ৰখা কামেইনে কিবা—কৰতত কাঠ ধৰাটো নাহিলেও কণদেউ, মেচিনত তেল দিয়াতো নাহিলেও কণদেউ। কণদেউ যেনিবা আলুৰজিহে টেঙাটো খাবা—জুলাটো খাবা। টকা এটা বঢ়াই দিছেনে—আঠ-দহ বছৰে। তেওঁৰ যে এটা মেচিনৰ ঠাইত চাৰিটা মেচিন হ'ল—, তাপ কল বহুৱালে, গাড়ী ল'লে তিনি-চাৰিখন। ভাবিগুণিয়েই দিনবোৰ গৈছিল। এদিন গুলালহি কাম কৰা ৰহুৱাকেকেইটামান—বোলে হাজিৰা বঢ়াব লাগে—মালিকক ধৰো। কাম কৰাৰ সময়ৰ কোনো হিচাপ নাই। আঠ ঘণ্টাতকৈ বেচি হ'লে উপৰিকি পইচা লাগিব। কোনোবাই মতি দিলে ইউনিয়ন কৰিব লাগে—দাবী জনাব লাগে। ময়ো ভাবিলো কথাটো হয়। সকলোৱে ধৰিলে হ'ব—নহ'ব কিয়? ইউনিয়নো হ'ল—সবে ধৰি মোক পাতি দিলে চেক্ৰেটৰী। নানাতিৰলৈ মইহে আনো লিখা-পঢ়া কৰিব। মালিকে গম পাই মোক মাতিলৈ পঠালে। ক'লে—"বৰ ভাল

হৈছে। কল-কাৰখানাত ইউনিয়ন থকাটো সংসাৰৰ নিয়ম। নহ'লে লোকে হাঁহিব।" ভাবিলো—মালিকে বেয়া পোৱা নাই। হাজিৰা বঢ়াব লাগে, কামৰ সময় আঠ ঘণ্টা কৰিব লাগে, এনেকুৱা দাবীকেইটামানৰ কথা মালিকক ক'লো। তেৱো 'বাক হ'ব, বুলি নলাগিলে। টকা পাঁচশ হাতত গোজা মাৰি দি ক'লে, "লোৱা খৰচ কৰিবা। ল'ৰাবোৰক বুজাই-বঢ়াই ৰাখিবা।' দ্বিতীয়জনী ছোৱালীৰ তোলনি বিয়াখনৰ খৰছটো তেনেই পালো। ভাবিলো—চেক্ৰেটেৰী হোৱাও বেয়া নহ'ল। ঢুবছৰমান ভালকৈয়ে গ'ল। মাজে-সময়ে দুশ-এশ টকা ওপৰতে দি থাকে মালিকে। পাছে ল'ৰাজাঁকে খাই যাবে। হয়ো—সিহঁতেনো কি কৰিব? ল'ৰা-ছোৱালী, বাপেক-মাক সকলোকে পোহপাল দি বেমাৰ-আজাৰ বাটোতে অলপ ধন লাগে জানো? মালিকো সেই—অলপ বঢ়াই দিলেই হয় হাজিৰাটো। ল'ৰাবোৰকনো বুজাম কিমান। মোৰ কথা মানে বুলিহে। নামানিবলৈ সেইবোৰৰ ল'ৰাৰ নামবোৰ মই বা মোৰ দেউতাই চাই দিয়া কিজানি। টনা-আজোৰাকৈয়ে গ'ল আৰু দুটা বছৰ। ল'ৰাবোৰো আপত্তি বাঢ়িল। কিমাননো সহিব সিহঁতে। আজি দেখিলো গোটেইজাকে ৰুদ্ৰমূৰ্ত্তি ধৰি বেঢ় ধৰিলেহি মোক। মাৰিবলৈহে বাকী থাকিল। গোটেইবোৰে ধৰি কাগজখন লিখালে—হাজিৰা বঢ়াব লাগে, থকাৰ ব্যৱস্থা লাগে ইত্যাদি—। ময়ো ভাবিলো—মালিকে ভয় খাই এনেয়ে দিব। দিলো চহী কৰি কাগজখনত। কাম বন্ধ—মিলো বন্ধ। দাবী মানি ল'বই লাগিব। মালিকো আহি পালেহি। মোক অফিচলৈ মাতিলে—বাকীবোৰ সব বাহিৰত। ক'লে—"কণদেউ—তুমি নতুন ল'ৰা কিছু গোটাই দিয়া। এইবোৰ খেদি দিওঁ। ইহঁত বৰ টেঙৰ হৈছে।"

মই ক'লো, 'মালিক, সেইটো কেনেকৈ কৰিম? ল'ৰাবোৰে মুখেৰে খবনে? ল'ৰাবোৰেও বৰ কষ্ট কৰে—হাজিৰাহে একেটাই আছে। অলপ বঢ়াই দিয়ক—।" মালিক দপ্‌দপ্‌াই উঠিল "বঢ়াব লাগে নালাগে মই জানো। তোমাক যিটো কৈছো—সেইটো কৰা। লাগিলে কিছু টকা-পইচা তুমিয়েই লোৱা"। মনটো বেয়া লাগি গ'ল। মই সাধাৰণ মানুহটো হৈ এই ল'ৰাবোৰৰ অহিত চিন্তো কেনেকৈ? ময়ো ক'লো, "মালিক—ল'ৰাবোৰৰ মুখলৈ চালে বেয়া লাগে—। শুকাই গৈছে মুখবোৰ। খাইছে নাখাইছে হিচাব নাই—কেৱল কামহে কৰিছে। সিহঁতে কৰা বাবেহে আপোনাৰ অত সম্পত্তি হৈছে।" মালিক একেবাৰে অগ্নিশৰ্মা হৈ পৰিল—। কাগজ এখন মোৰ হাতত দি ক'লে, "লোৱা—এতিয়াই, বাহিৰ হোৱা—আকৌ পুথি-পাঁজি মেলি মই খোৱাগৈ।" কিমান ক'লো নেমানিলে।

মই হেনো আইনমতে দোষী—। এদিনতে কাগজ দি কাম বন্ধ কৰিলো। বাহিৰত থকা ল'ৰাবোৰক ক'লো—। হুলস্থুল লগাই দিলে—। দুৱাৰ ঘৰ ভাঙো যেন কৰিলে। সিহঁতেনো কি কৰিব। পেটত ভোক থাকিলে কাম কৰে কেনেকৈ?

কণদেউৰ খংটো ক্ৰমে উঠি আছিল। কপালখন কোঁচাই ধৰিলে। দাঁতবোৰ কৰচি মুখৰ ভিতৰতে ভোৰভোৰালে—'এনে আপোনপটীয়া স্বভাৱ। কেৱল নিজৰহে সুখ—লোকে নাখাই মৰক। যিবোৰে দিনে-ৰাতি খাতি তাৰ অত সম্পত্তি গোটাই দিলে সেইবোৰকে পুলিচ-মিলিটাৰী আনি মৰোৱালেহি।"

এনেতে ভিতৰৰপৰা চুচুক-চামাককৈ পাৰ্বতী আহি কণদেউৰ কাষত বৈ মাত লগালেহি। তেতিয়াহে কণদেউৰে সম্বিত ঘূৰাই পালে।

"দেউতা—অতপৰ যে গণনা কৰিলি—কিবা গ্ৰহ-গতি বেয়া পালিনেকি?"

"পালো—একেবাৰে সঠিক গণনা কৰিছো"—যেন কিবা এটা নতুন আৱিষ্কাৰ কৰাৰ ভাবহে কণদেউৰে প্ৰকাশ কৰিলে।

"কোনজনা গ্ৰহ দেউতা?" পাৰ্বতীয়ে ব্যগ্ৰতাৰে সুধিলে—।

"মালিক গ্ৰহ—। এইবোৰ গ্ৰহ দান-দক্ষিণা, সিধা-ভোজনী দি তুষ্ট কৰি লাভ নাই। এইবোৰ গ্ৰহক এই পৃথিৱীৰ পৰা বিদায় দিব নোৱাৰিলে আমাৰ দৰে মানুহৰ উদ্ধাৰ নহয়।"

উত্তেজনাত কঁপি উঠা কণদেউৰে খপহকৈ বহাৰপৰা উঠিল আৰু চেলেলী-ভেদেলী হৈ পৰা বনুৱাবোৰক সংগঠিত কৰি ন্যায্য দাবী পূৰণৰ বাবে দৃঢ় আন্দোলন কৰিবলৈও প্ৰতিজ্ঞাবদ্ধ হ'ল—।

—x—

# 'ভুৰ্ ভুৰ্ বটা চৰাই'

**হেমেন দাস**

হ'লাৰ মিলটো কিনাৰ আগতে হৰেন মহাজন সদায় গাৱঁলৈ গৈছিল। সন্ধিয়া ঘৰলৈ আহোঁতে যোগেনৰ ঘৰত অলপ সময় ৰহে। তাক নানা ধৰণৰ দিহা পৰামৰ্শ দিহে ঘৰলৈ আহে। এতিয়া নানা কামত ব্যস্ত থকাত গাৱঁলৈ যোৱা পাতলাই দিছে। সেই বুলি গাৱঁৰ খবৰ নৰখাকৈ নাথাকে। খবৰ দিয়ে যোগেনে। সি কমেও সপ্তাহত দুদিন হৰেনক লগ ধৰে। কেৱল গাৱঁৰ খবৰ দিবৰ বাবে যোগেন টাউনলৈ নাযায়। যায় হাটলৈ। প্ৰতি হাট বাৰে বাৰীৰ পাণ-তামোল, শাক-পাচলি আনি বেচি তেল-নিমখ আদি কিনে। বেচিব লগা বস্তু নাথাকিলেও কিনিব লগা থাকে। কিনে হৰেনৰ দোকানৰ পৰা। পইচা থাকিলে নগদ, নাথাকিলে বাকী।

যোগেনৰ পৰা সকলো খবৰ পাই থাকিলেও হৰেনে গাৱঁলৈ গৈ নিজে খবৰ লোৱাৰ পুৰণি অভ্যাসটো একেবাৰে এৰা নাই। দুমাহ তিনি মাহৰ মূৰত এতিয়াও যায়। কেতিয়াবা ৰাতিও থাকে। ধান, সৰিয়হ, মৰাপাট আদি চপোৱাৰ সময়তহে ৰাতি থাকে। থাকে যোগেনৰ ঘৰত। হৰেণ থাকিলে যোগেনে ভাল পায়। কাৰণ 'মাছ-মাংস'' নহলে হৰেনৰ পেট নভৰে। মাছ মাংসৰ খৰচ হৰেনে দিয়ে। কেতিয়াবা তেল-মছলা কিনাৰ পইচাও দিয়ে।

হৰেনে যোগেনৰ ঘৰত ৰাতি থকাৰ খবৰ পালে মাধৱ, কালু, হীৰেন, মজিন, আৰু মাধনে গোটেই সন্ধিয়াটো যোগেনৰ চোতালতে কটায়। আন সময়ত ইমান মানুহ গোট খালে যোগেনৰ চিলিমে জিৰণি নাপায়। কিন্তু হৰেন থাকিলে সেইবোৰ জঞ্জাল নাই। চোতালত বহিয়েই মাধৱইতে বিড়ী এতাল বুলি হৰেনৰ ফালে হাত আগবঢ়ায়। ইহঁতে আধা মান খাই বাকী খিনি কাণৰ হেচাত খুঁচি লয়।

হৰেন ৰাতিৰ আলহি হলে অকণো ভাল নাপায় যোগেনৰ ঘৈণীয়েকে। সি থাকিলে তাই ভাত আৰু "খুব ভালকৈ" ৰান্ধিব লাগে, সঘনাই চাহ কৰিব লাগে, কাঁহী-বাতিবোৰ ভালকৈ ঘঁহিব লাগে। ইমান যত্ন কৰি খুউৱা সত্বেও সি বোলে এবাৰ পানী খাওঁতে লোটাৰ গোন্ধ পাইছিল আৰু এই কথা মাধৱৰ ঘৈণীয়েকক কৈছিল। তেতিয়াৰে পৰা তাৰ ওপৰত তাইৰ খং।

মাধবহঁত গলে হবেনে ভাল পায়। কাৰণ ভাত খোৱাৰ সময়লৈ সিহঁতৰ লগত গল্প কৰি থাকিব পাৰে। সিহঁতক পাই সি দেশ বিদেশৰ গল্প কব ধৰে। কিছুদিনৰ পৰা বয়-বস্তুৰ চ'ৰা দামৰ বিষয়েও কব ধৰিছে। সি কয় বস্তুৰ দাম বঢ়ালে কণ্ট্ৰোলে আৰু ভেটি খোৰ অফিচাৰ বোৰে। ইংলণ্ড, আমেৰিকা আদিত কণ্ট্ৰোল নাই। অভাব-অনাটনো নাই। ইংৰাজৰ দিনৰ অফিচাৰবোৰে এতিয়াৰ দৰে ভেটি খাব নোৱাৰিছিল। সি যি কয় ইহঁতে তাকে সত্য বুলি বিশ্বাস কৰে। কেতিয়াবা কয়, দেশখনক বিপদে আগুৰি ধৰিছে। চীন আৰু পাকিস্থানে আমাৰ উন্নতি সহ্য কৰিব পৰা নাই। সিহঁতৰ এজেণ্ট কিছুমানে দেশত অশান্তি সৃষ্টি কৰিব খুজিছে। সেইবাবে ইচমাইলহঁত তহঁতৰ চুবুৰীয়া হলেও সিহঁতৰ লগত হলি-গলি নকৰিবি। সাৱধান হৈ নচলিলে পদে পদে বিপদ। দিন-কাল বৰ বেয়া হৈছে।

বিপদলৈ সিহঁতৰ বৰ ভয়। বিপদৰ ভয়ত সিহঁতে হবেনৰ কথা আখৰে আখৰে পালন কৰে। হবেনৰ অনুমতি নোলোৱাকৈ গাঁৱৰ প্ৰাইমাৰী স্কুলখন মেৰামতি কৰিবলৈ নোলায়। কাৰণ স্কুলখন মুছলমান পাৰাত। গলেও চাহ তাহ নাখায়। চাইফহঁতে চাহ খাই থকা সময়ত সিহঁতে জিৰণি লয়। কিন্তু প্ৰত্যেকজনৰ চকু বাৰে বাৰে চাহৰ কেটলিটোলৈ যায়। ঠিক সেই মুহূৰ্ত্তত হবেনৰ কথা মনত পৰাত সেপ চুকি গলটো তিয়াই লয়। হবেনে এইবোৰ ভাল নাপায়। কিন্তু মাধবহঁত থকাৰ কাৰণে সিও কষ্ট ভোগ কৰে। গাঁৱৰ মানুহৰ বিৰুদ্ধে যোৱাৰ সাহস নাই বাবে সি দুখ কৰে। চাউনলৈ আৰু তাৰ মোমায়েকৰ গাওঁলৈ গলে সি দেখে সেইবোৰ ঠাইৰ মানুহে মুছলমানৰ ঘৰত চাহ-তামোল আদি খায়। দেখিলেও কোনেও নিন্দা নকৰে। ৰাইজেও বিচাৰ নকৰে। সি দুই একজনৰ মুখত শুনিছে—এতিয়া বোলে বহুতে ভাত খায়। কিন্তু এই গাঁৱত সেইবোৰ নচলেই নহয়, দোষণীয়ও। সেইবাবে সি গাঁৱৰ নিয়ম-নীতিবোৰ ভাল নোপোৱা হব ধৰিছে।

একেখন গাঁৱৰ বাসিন্দা হৈয়ো দুয়োটা পাৰাৰ মানুহ দুখন দেশৰ মানুহৰ দৰে চলে। দুয়োপাৰাৰ মানুহে কিন্তু একেখন নৈৰ পানী খায়, একেলগে মাছ মাৰে, গা-ধোৱে। বাৰিষা নৈয়েদি কাঠ ভাঁহি আহিলে দুয়োদল মানুহ একল হয়। নৈৰ সোঁতৰ লগত যুঁজ কৰি কাঠ ধৰি আনে। দুয়োদল মানুহে একেখন পথাৰতে হাল বায়, ধান কাটে। পথাৰৰ আলিৰ ওপৰত জুইৰ জুটাটো থৈ হাল বাই থকোতে জুটাৰ জুই নুমাই গলে মাধৱে চাইফৰ জুটাৰ জুইৰ

পৰাই নিজৰ থপাত ছিলিম লগায়। চাইফকো যাতে। দুয়ো প্ৰাণ ভৰি থপাত খায়। মাধবহঁতৰ গৰুৰ নাকিজৰী দিব লগা হগা হলে চাইফহঁতৰ পাৰাব যিকোনো এজনক খবৰ দিলেই যায়। গাৱঁৰ মানুহ বুলি পইচাও নলয়। হৰেনে সকলো খবৰ ৰাখে। সিহঁতৰ মিলা-প্ৰীতি গাঢ় হৈ অহাৰ খবৰ পালেই গাৱঁলৈ আহে। দুই চাৰিজনক লগধৰি সাৱধান কৰি দিয়ে যাতে মাধবহঁতে চাইফহঁতৰ লগত বৰ বেচি হলি গলি নকৰে। সি কয়, দিন-কাল বেয়া হৈ আহিছে। কোনে কি মতলবত অহা যোৰা কৰিছে বুজা টান।

হৰেন যোৱাৰ পিছত সিহত আকৌ সাবধান হয়। চাইফহঁতক সন্দেহৰ চকুৰে চাব ধৰে। হৰেনে সিহঁতৰ অহিত নিচিন্তে। হৰেনে সিহঁতৰ ভালৰ কাৰণেই কয়। গতিকে তাৰ কথামতে চলে। তাক বিশ্বাস কৰে, ভক্তি কৰে।

হৰেন সিহঁতৰ আপোন মানুহ। সেই বাবে হাটলৈ যাওঁতে হৰেনৰ কাৰণে কোনো জনে অলপ গাখীৰ, কোনো জনে শাক-পাচলি, কোনো জনে আলিৰ কাষৰ পৰা ঢেকীয়া শাক দুমুঠামানকে নিয়ে। ঢেঁকীয়া শাকৰ মুঠা কেইটা লাৰি চাই হৰেনৰ ঘৈণীয়েকে কয়—দুটা মান কেঁচা আম নানিলা কিয় ? ঢেঁকীয়া শাকত দুচকলমান আম দিলে বৰ সোৱাদ হয়।

শাক-পাচলি আৰু গাখীৰৰ বাবে হৰেনে পইচা নিদিয়ে। সিহঁতেও নিবিচাৰে। সিহঁতৰ অভাব বেচি হলে হৰেনক কলেই টকা দিয়ে। প্ৰতিবছৰে বহাগ-জেঠ আৰু আহিন-কাতি মাহত অভাব বাঢ়ে। কেতিয়াবা লঘোনে থাকে। এনে সময়তহে হৰেনৰ ওচৰত হাত পাতে। সি কাকো বিমুখ নকৰে। টকা দি বহী এখনত টিপ চহী ৰাখে। টিপ চহী লওঁতে কাগজত একো নিলিখে। লিখা লিখিলৈ সিহঁতে চকুও নিদিয়ে। টকাৰ ধাৰ মৰাৰ বাবেও সিহঁতে ভাবিব নালাগে। হৰেন নিজে গাওঁলৈ গৈ ধান মৰাপাট সৰিয়হ আদি গাড়ী বোজাই কৰি লৈ আহে। আহোতে কয়, "সুদে-আচলে মিলি যাৰ যিমান টকা হৈছে সিমান টকাৰহে বস্তু লৈছো, তাকো বজাৰ দামত। মই কম দাম ধৰা বুলি ভাবিছা যদি আন বেপাৰীক সুধি চাব পাৰা।"

সিহঁতে কয়, "ইছ। ৰাম, ৰাম। আপোনাক কেতিয়াবা অবিশ্বাস কৰিছোনে ?" সুদে-আচলে কাৰ কিমান টকা হৈছিল তাৰ হিচাপ সিহঁতে নাৰাখে। কাৰণ হৰেন সিহঁতৰ আচল মানুহ। তাৰ বুদ্ধি পৰামৰ্শ মতে নচলিলে চাইফহঁতে মাটিবাৰী কাঢ়ি নিলেহেঁতেন। এই কথা হৰেনে বহুদিন কৈছে। গতিকে

হৰেনৰ লগত লেনদেন কৰোঁতে হিচাপ ৰখাৰ প্ৰয়োজন বোধ নকৰে। কেৱল হৰেনে মাজে সময়ে গোলমাল লগাই দিব খোজে। হীৰেনে বুজাই দিয়াত বাইজৰ অৰ্থাৎ মাধৱ-মজিনহঁতৰ বিশ্বাস হৈছে যে চাইকৰ লগত হুলিগলি কৰোতে চাইকে হীৰেনৰ মূৰত কুবুদ্ধি সুমুৱাই গৃহ কন্দল লগাই দিব ওলাইছে। সেইবাবে হীৰেন কিবা কলে কোনেও তাৰ কথাক কথা বুলি ধৰি নলয়।

বছৰ বাগৰি থাকে।

বস্তুৰ দাম বাঢ়ে।

মানুহৰ দুখ বাঢ়ে। অভাৱ বাঢ়ে।

এদিন যোগেন হাটলৈ আহিয়েই হৰেনৰ দোকানত সোমায়। তেলৰ বটল দুটা দোকানিৰ মাল জোখা লম্বাটোক চমজাই দি হৰেনৰ ওচৰলৈ গৈ আন দিনৰ দৰে টকাৰ কথা কয়। হৰেনে টকা দহটা দি আগৰ দৰে নিলিখা কাগজত টিপচহী এটা ৰাখে। যোগেন যাব খোজোঁতে অলপ ৰব কৈ মাধৱ-মজিনহঁত আহিছেনে নাই অহা সুধিলে। আটাইকেইজনক সি মাত বুলি কব কলে। তাকো আহিব কলে। যেনেতেনে।

আহিল। মাধৱ, মজিন, মাখন, যোগেন, হীৰেন আহি হৰেনৰ গাদীত বহিল। তেতিয়া বজাৰ ভাঙো ভাঙো। হৰেনৰ দোকানত মানুহৰ ভীৰ নাই। হৰেনে বিড়ী আৰু দিয়াচলাই আগবঢ়াই দিলে। নিজেও এডাল জলাই ললে। সিহঁতক কলে, "বুজিছা, দিন-কাল বৰ বেয়াহৈ আহিছে। কোনেও কাকো বিশ্বাস কৰিব নোৱাৰা হৈছে।"

"হয়, হয়।" সিহঁতে মূৰ দুপিয়াই বিড়ীৰ ধোঁৱা এৰি দি তাৰ ফালে চালে।

হৰেনে আকৌ কলে, "আমি আটাইবোৰ আজিলৈকে মিলাপ্ৰীতিৰে আছোঁ। এই দৰে আৰু কিমান দিন চলিব পৰা যাব কোৱা টান।"

সিহঁত : হয়, হয়। আপুনি ঠিক কৈছে।

হৰেন : গতিকে সকলোৱে যাতে চিৰদিন ভাই-বন্ধুৰ দৰে থাকিব পাৰো সেইফালে মন দিব লাগে। আমাৰ মাজত আজিলৈ কোনো হাই-কাজিয়া হোৱা নাই। যাতে এই মিলাপ্ৰীতি সদায় থাকে মই সেই ফালেহে বেচি মন দিছো।

মাধৱ : আপুনি আমাৰ ভাল নিচিন্তি কোনটো চিন্তিবনে ?

হৰেন : মাধৱে ঠিক কৈছে। মই সদায় তহঁতৰ কথা ভাবি চিন্তি থাকো। এই যে মাটি-বাৰী, টকা-পইচা—এই বোৰেই হ'ল হাই কাজিয়াৰ মূল। যাক থাওক, সেইবোৰ কথা। আন এটা কামৰ কাৰণে তহঁতক মাতিলো। মোৰ

সৰু ল'ৰাটোক জান নহয় ? সি বি, এ পাচ কৰা ফুৰছৰ হ'ল। ঘৰতে বহি আছে। জানই নহয়, কাম নকৰিলে মানুহ নষ্ট হয়। তাক কৈছিলো এনেয়ে বহি থকাতকৈ ধানৰ মিলটোকে চোৱাবেলা কৰ। পিছে সি বোলে সেইবোৰ ভাল নাপায়। খেতি কৰাৰ প্ৰতিহে তাৰ ইচ্ছা।

মাধব : ভালহে। স্বাধীন কাম। মন গলে হালবালে, মন গলে ঘৰতে থাকিলে। এনে স্বাধীন কাম আৰু কি আছে ?

হৰেন : তই ঠিক বুজিছ। সাত-পাচ ভাবি তাৰ মনোবাঞ্ছাকে পূৰণ কৰিব খুজিলো। চাওঁচোন কি কৰে। তাৰ আগ্ৰহ দেখি ট্ৰেক্টৰ এখনো আনিলো।

মজিন : বৰ ভাল হৈছে।

মাধব : আজি-কালি আৰু গৰুৰে হালবোৱা দিন আছেনে ?

মজিন : ঠিকেই। আমাৰ উপায় বুদ্ধি নাই বাবেহে বুঢ়া গৰু ঠেলি আছো। তাৰো যিহে দাম, আমাৰ দৰে মানুহ ওচৰলৈকে যাব নোৱাৰি।

মাধন : এইবাৰ শাওনাহঁতৰ গাৱঁৰ পাঁচ ঘৰমান মানুহে গৰু কিনিব নোৱাৰি হাল বাবকে এৰিলে।

সিহঁতৰ কথালৈ বিশেষ মনোযোগ নিদি হৰেনে যোগেনক চাহ দোকানলৈ পঠালে। চাহৰ লগত নিমকিও আনিব কলে। চাহৰ নাম শুনি সিহঁতে কথা বন্ধ কৰি ইজনে সিজনৰ চকুলৈ চায়। সকলোৰে মুখত আনন্দৰ চিন স্পষ্ট হৈ উঠে। কেৱল হীৰেণে নিৰ্বিকাৰ ভাবে বহি থাকে।

হৰেনে আকৌ আৰম্ভ কৰিলে, "সি বি, এ, পাচ কৰিলেও খেতি-বাতিৰ বিষয়ে একো নাজানে। তাক নিজৰ ভাই বুলি ভাবি শিকাই বুজাই মানুহ কৰিবি।"

হৰেন মহাজনৰ বি, এ পাচ লৰাক মানুহ কৰাৰ দায়িত্ব পোৱাত সিহঁতৰ বুকু আনন্দ আৰু গৰ্বত ওকন্দি উঠে। দোকানৰ গাদীৰ ওপৰতে ভুৰোভৰি লকাই গা-মুৰ লৰাই ভালদৰে বহি তালৈ চাই মাধবে মাত লগালে, "ভাকো কৰ লাগিছে নে ? আমি থকালৈকে কোনো চিন্তা নাই। গাৱঁত শিক্ষিত মানুহ এজন থাকিলে আমাৰো উপকাৰ হব। ( মজিনহঁতলৈ চাই ) কি কোৱা।"

সিহঁতে 'হয়' বুলি সমৰ্থন জনাই বিড়ী একোডাল জলাই তামোল চোবাব ধৰে। হৰেনেও বিড়ী এটা জলাই লয়। সি বাহিৰলৈ চাই কয়, "বেলি গলেই। ঘৰ পাওঁগৈ মানে বাতি হব।"

মজিন : তেনেহলে বাওঁ। গৰু বাচুৰ আনিব লাগিব।

হৰেন : মই পাহৰিয়ে গৈছিলো। ইয়াত বহি থাকিলে পথাৰৰ গৰু পথাৰতে

থাকিব। যা ভেনেহলে। (সিহঁতলৈ নোচোৱা কৈ) পিচে এটা কাম কৰিবি। এইবাৰ লৰাটোৰে ইচ্ছা কৰিছে যেতিয়া তহঁতে মাটিত হাল নাবাবি। সি তুই এদিনতে ট্ৰেকুটৰ লৈ গাঁৱলৈ যাব।

সিহঁতে নিজৰ কাণক বিশ্বাস কৰিবলৈ টান পাই দুৱাৰ মুখত থিয় হৈ ভাব ফালে চালে। সি সিহঁতলৈ পিঠি দি লোহাৰ আলমাৰীটোৰ ওচৰলৈ গৈ 'তহঁত যা এতিয়া' বুলি কলে।

সিহঁতৰ মুখবোৰ মুহূৰ্ততে ক'লা পৰি গল। ইজনে সিজনৰ ফালে চালে। কৰ নোৰাবাকৈয়ে আঙুলিৰ মাজৰ পৰা আধা পোৰা বিড়ীৰ টুকুৰা সৰি পৰিল। তামোল চোবোৱা বন্ধ হৈ গল। যি যত আছিল তাতেই কিছু সময় থিয় হৈ থাকি থলুক বৰকৈ আলিবাটলৈ ওলাই আহিল। সিহঁতৰ সৰ্বশৰীৰ কঁপিছিল। চকুৰ আগত কিছুমান গৰম ধোঁৱা উঁৰি থকা যেন অনুভব কৰি মাতবোল নোহোৱাকৈ বৰ মৰৰ গতিত খোজ কাঢ়িছিল। হীৰেনৰ মুখেদি এটা শব্দ অস্পষ্ট ভাবে ওলাই যোৱাত সিহঁতে তাৰ চকুলৈ চাইছিল। তাৰ চকু দুটা ৰঙা পৰিছিল।

সন্ধিয়া। যোগেনৰ চোতালত মানুহৰ ভীৰ। চাইকৰ আৰু অ.কৰবো আছিছে। আন দিনৰ দৰে আজি আৰু যোগেনৰ চোতাল থপাতৰ ধোঁৱাৰে ধুৱলী হোৱা নাই। তাৰ বৈণীয়েকে অনিচ্ছা স্বত্ত্বেও তামোল পানৰ বটাখন উলিয়াই দিছে। যোগেনে নিজে পিৰা এখন আনি মাধৱৰ কাষতে বহে। কেৰাচিন তেলৰ চাকিটো মাটিত থকাত কোনেও কাৰো মুখ দেখা নাছিল। যোগেন থান কলা উৰালটো মাধৱৰ সমুখত থৈ তাৰ ওপৰত চাকিটো থলে। হীৰেনৰ চকুলৈ চাওতে যোগেনৰ গাটো জিকাৰ খাই উঠিল। হীৰেনৰ চকুত আবেলিৰ তেজ এতিয়াও আছে। মাধবে তামোলৰ বটাটো সমুখত লৈ তামোল কাটিব ধৰে। 'চুণ নাই' বুলি কোৱাত যোগেনৰ বৈণীয়েকে চুণৰ টেমাটো দি ঘৰৰ ভিতৰলৈ গৈ থাকোতে কয়,—

: কেৱল বাবু, বাবু, বাবু। আজি বোলে বাবু আহিব, ঘৰটো ভালদৰে মচিবি। কালি বোলে বাবুৱে ভাত খাব, কাঁহী-বাটি ভালকৈ ধুবি। বাবুৱে এতিয়া কি দিলে? এইবাৰ আহকচোন বাবু, বাঢ়নীৰ কোবত মুখৰ চুলি চিঙিম।

আবেলিৰে পৰা বিচাৰি প্ৰকৃত সহযোগী এজনৰ সন্ধান পাই হীৰেনে চোতালৰ সবাই মাতি পঠালে।

: ঠিক কৈছা বৌ। এইবাৰ গাঁৱলৈ আহিলে চালা চুৰৰ মূৰ ভাঙিম।

মাধৱে এইবোৰ শুনি ভাল পোৱা নাই। তামোল এখন মুখত ভৰাই খুব লাহে লাহে ক'লে:

: মুখত যি আহে তাকে নকবি চোন। এইবোৰ কথা শুনিলে হৰেনে আমাক কি বুলি ভাবিব? মানী মানুহক মান কৰি চলিলেহে আমাৰ ভাল হব। নহয় জানো মাখন?

মাখনে কিবা কব খোজোতেই হৰেনে ৰূঢ়ভাবে ক'লে,

: তইঁতৰ কাৰণেই হৰেনে ইমান লাই পাইছে। মানী মানুহ যদি আমাক পথৰ ভিখাৰী কৰিলে কিয়?

মজিন: নহয়নো কি? তাৰ ল'ৰাৰ কাৰণে আমি মাটি এৰিব লাগে। আমাৰ কি হ'ব সি কিয় নাভাবে?

মাখন: কথাটো শুনাৰ পৰাই মোৰ মূৰ গৰম হৈছে। এই বয়সত ক'ত কি কৰিম ভাবি পাৰ পোৱা নাই।

মাধৱ: ওপৰৰ জন আছে নহয়। জীৱটো দিছে যেতিয়া জীয়াই থকাৰ পথো দিব।

হৰেন: ওপৰৰ জনে হাতত দা এখন তুলি দিব। দিনটোৰ কাম কৰি ঘূৰি-ফুৰি সন্ধিয়া ঘৰপাই শুদাপেটে শুই থাকিব লাগিব।

মজিন: কথাটো মিছা নহয়। মাটি এৰি দিলে দিন হাজিৰা দিয়াত বাদে আন পথ নাই।

চাইফে মাত লগালে: দিন হাজিৰা দিয়াৰ যে কথা ভাবিছ, কাম পাবি ক'ত? আমাৰ পাৰাৰ ২৫ জন মানে দিন হাজিৰা কৰো বুলি ওলাই যায়। পুৱাই দা-কুঠাৰ লৈ ওলাই যায়। সন্ধিয়া বেচি ভাগেই শুদাহাতে ঘৰলৈ আহে। কাম পালেও দিনটো কাম কৰি পায় মাত্ৰ দুটকা বা তিনি টকা।

সিহঁতৰ কথা বন্ধ হ'ল। চকুৰ আগত ভাঁহি উঠিল দিন মজুৰৰ জীৱনৰ ভয়াবহ ছবি।

হাতত দা-কুঠাৰ লৈ পুৱা ঘৰৰ পৰা ওলাব। ঘৰে ঘৰে কাম বিচাৰিব, ঘৰত ল'ৰা-ছোৱালী, মাক, ঘৈণীয়েক গোটেই দিনটো অনাহাৰে থাকিব। ল'ৰা ছোৱালীবোৰে 'ভাত ভাত' কৈ কান্দিব। ঘৈণীয়েকে কব আৰু অলপ পিচতে বাপেক আহিব। চাউল আনিব। ......তাই পদূলিত থিয় হৈ বাটলৈ চাব। বেলি ডুবাৰ আগে আগে অৱশ দেহটো লৈ সি ঘৰলৈ আহিব। হাতত চাউল নাই। পেটত ভোকৰ জুই।......

আতংকত সিহঁতৰ সৰ্ব শৰীৰ শিয়ৰি উঠিল।

'নাই নাই, মাটি এৰা নহব। মাটি এৰা নহব।' উত্তেজিত হৈ হীৰেনে চিঞৰিব ধৰিলে।

ঠিক হ'ল, কোনেও ম্যাটি এৰি নিদিব। মাধৱে 'হা' 'না' একো নামাতিলেও সিহঁতৰ কথাতে হয় ভৰ দিয়া যেন দেখুৱালে।

এতিয়া কথা উঠিল, দুই-এদিনতে হৰেনে ট্ৰেক্টৰ লগাই দখল কৰিব। তেতিয়া কি কৰা হব? ইজনে সিজনৰ মুখলৈ চালে। এই প্ৰশ্নৰ উত্তৰ এজনেও দিব নোৱাৰি নীৰৱে বহি থাকে। মজিনে আশা কৰিছিল হীৰেনে কিবা উপায় দিব। সেইবাবে সি বাৰে বাৰে হীৰেনৰ চকুলৈ চাইছিল। কোনো সহাৰি নাপাই চাইকৰ ফালে মুখ কৰি মাত লগালে—

: তয়ে কচোন চাইফ, কি কৰো এতিয়া?

: ময়ো উপায় পোৱা নাই। এইবোৰ কামত কিন্তু নৰেন হাইতাৰ একপাট। সি থাকিলে হৰেন মহাজনৰ মৰা বাপেক উঠি আহিলেও মাটি নিব নোৱাৰিব। বৰ সাংঘাটিক মানুহ। যাক ধৰে বাৰে ধৰা দিয়ে। মোৰ মতে তাক লগ ধৰাই ভাল।

সিহঁতৰ 'কথা' মতে চাইকে ঢল পুৱাতে নৰেনৰ ঘৰলৈ যায়। হীৰেনকো লগত নিয়ে। নৰেনে মাটিৰ আঁতি-গুৰি জানিব খোজাত হীৰেনে কয়; আমাৰ পিতাই কৈছিল গোটেই পথাৰখনৰ মাটি আমাৰ গাৱঁৰ মানুহৰ আছিল। পিতাইহঁত সৰু থাকোতে তাত এখন ডাঙৰ হাবি আছিল। আমাৰ গাওঁৰ মানুহে হাবি জংগল ভাঙি খেতি কৰিব ধৰে। কেইবছৰমান খেতি কৰাৰ পিছত মণ্ডল আৰু মাটিৰ হাকিমক টকা দি মেয়াদি পট্টা কৰি লয়। পিছত হৰেন মহাজনৰ দোকানৰ বাকী আৰু ধাৰে অনা টকা শোধ কৰিব নোৱাৰাত তাৰ নামত মাটি লিখি দিয়ে। সি নিজৰ নামত নামজাৰী কৰি লৈ আমাক আধি থাবলৈ দিয়ে। আজি কুৰি বছৰমান হ'ল আধি থাই আছো। আধিৰ ধানো ঠিক মতে দি আছো।

'চাইক এতিয়াই যা। আবেলি চব মানুহ এঠাইত লগ কৰিবি। মই মতো আৰু মুকিক লৈ যাম। যি কোনো উপায়ে উচ্ছেদ ৰোধ কৰিব লাগিব।'

– নৰেনে কলে।

... .. .. ... .. .. ... ... ... ...

চাইফহঁতৰ পিছতেই মাধৱে নৈ পাৰ হৈ টাউনলৈ যায়। হৰেনক লগ ধৰি যোগেনৰ চোতালত বহা মেলৰ খবৰ দিলে। যোগেনৰ বৈণীয়েক আৰু হীৰেনে কোৱা কথাও কলে।

খণ্ডত হৰেনৰ কাণদুখন ৰঙা পৰে। ওঠ কঁপিব ধৰে। হঠাৎ গাদীৰ পৰা উঠি মজিয়ালৈ নামি আহি উত্তেজিত হৈ পায়চাৰি কৰি কয়:

কুকুৰৰ পোৱালিহঁতৰ ইমান সাহ। চালা, নিমখহাৰামৰ জাত।

মাধৱে অলপ ভয় খাইছিল। ভাবিছিল তাকে কিজানি কিবা কৰে। অলপ সাহস গোটাই আকৌ কব ধৰিলে:

কালিৰ মেলত চাইফ আৰু আকবৰো আছিল। আজি ৰাতিপুৱা চাইফ আৰু হীৰেন নবেন দাইভাৰৰ ঘৰলৈ অহাৰ কথা। নবেন দাইভাৰ গলে আকৌ মেল বহিব। আৰু.... .

: কি? নবেন ড্ৰাইভাৰক লৈ মিটিং কৰিব? যা, তই এতিয়াই গাৱঁলৈ যা। ময়ো গৈছো। দেখা যাব, নবেন ড্ৰাইভাৰে কেনেকৈ মিটিং কৰে। পুতুল, (দোকানৰ ল'ৰাটোক) চাইকেলখন উলিয়াই দে। ড্ৰাইভাৰক কবি, আজি সন্ধিয়া ট্ৰেক্টৰ নিব লাগিব। সৰুবাবু আহিলে দোকানত থাকিব দিবি। হৰেন মহাজন গাৱঁলৈ গ'ল।

বেলি ডুবাৰ আগতে নবেন, মটো আৰু মুক্তি চাইফৰ ঘৰ পালে। চাইফ আৰু আকবৰে মিটিঙৰ কথা পাতি আছিল। সিহঁতক বহিব দি চাইফে বৈণীয়েকক চাহ কৰাৰ কথা কৈছিল। কিন্তু নবেনে বন্ধ কৰিলে। তাত বেচি সময় নবহি মিটিঙৰ ঠাইলৈ যায়।

প্ৰাইমাৰী স্কুলখনৰ সমুখৰ পথাৰত ঢাৰিপাতি মজিন-হীৰেনহঁত বহি আছে। নবেনহঁতক দেখি হীৰেন আগবাঢ়ি আহে। মজিন থিয় দিয়ে। শিও ডুখোজমান আগবাই আহি নবেনক নমস্কাৰ জনাই বহিব কয়। নবেন যোৱাৰ খবৰ পাই গাৱঁৰ মানুহ আহিব ধৰে। প্ৰায় আধাঘণ্টামানৰ ভিতৰত স্কুলৰ পথাৰত মানুহৰ ভীৰ হয়। ছুৱো পাৰাৰ মানুহ আহিছে। অহা নাই কেৱল মাধৱ আৰু কালু। চাইফহঁতৰ চৰ মানুহ আহিছে। হীৰেনে নবেনক কলে, ধুপৰীয়া হৰেন মহাজন গাৱঁলৈ আহি মানুহবোৰক ভয় দেখুৱাইছে। এই মিটিঙলৈ আহিলে পুলিচে ধৰিব বুলি কৈছে। আৰু কৈছে, চাইফহঁতে চক্ৰান্ত কৰি আমাক বিপদত পেলাব ওলাইছে। মাধৱে বোলে ৰাতিপুৱাই তাৰ ঘৰলৈ গৈ কালিৰ মেলৰ

খবৰ দিছে। সি এতিয়াও ঘৰটিওলৈ অহা নাই আৰু তিনি জনমান অহা নাই। সিহঁত তাৰ লগ।

"মাধৱ জেঠাই আমাৰ পিতাক কৈছে, মহাজনে বোলে কালি ট্ৰেক্টৰ আনি মাটি দখল কৰিব।" মাধৱৰ ল'ৰাটোৱে কলে।

চাইফে থিয়হৈ কলে, "এতিয়া সভাৰ কাম আৰম্ভ কৰা হব।"

সকলোৱে কথা কোৱা বন্ধ কৰিবলে।

সভাৰ উদ্দেশ্য ব্যাখ্যা কৰি হীৰেনে কলে যে হবেন মহাজনে অতি অন্যায়ভাৱে ২৫ টা পৰিয়ালক উচ্ছেদ কৰিছে। দুই-এদিনতে সি পথাৰত ট্ৰেক্টৰ নমাব। যদি সকলোৱে লগ লাগি উচ্ছেদ বন্ধ নকৰো তেনেহলে পথৰ ভিকাৰী হব লাগিব।

উপস্থিত ৰাইজৰ মতামত বিচৰাত সকলোৱে দখল ৰক্ষাৰ সপক্ষে মত দিলে। কেৱল যোগেনে প্ৰশ্ন তুলিছিল—হবেন টকা থকা মানুহ। তাৰ কথাত পুলিচ থানাখন উঠা-বহা কৰে। সি মামলা-মোকৰ্দ্দমা লগাই হাৰা-শাস্তি কৰিব যেনহে পাওঁ।

'যি কৰে কৰক, আমি মাটি এৰি নিদিওঁ—নবীনে কলে। 'সি ট্ৰেক্টৰ অনাৰ আগতে আমি হালবাব লাগে।' ৰাইজে হাত চাপৰি বজাই তাৰ কথা সমৰ্থন কৰিবলে।

ৰাইজৰ ফালৰপৰা কোৱা শেষ হোৱাত নবেন ড্ৰাইভাৰক কবলৈ অনুৰোধ কৰা হ'ল। তাৰ নাম কোৱাৰ লগে লগে সভাতলি নিঃশব্দ হয়। যিবোৰে বিড়ী হুপি আছিল, সি থিয় দিয়াত বিড়ী হুপা বন্ধ কৰিলে। তাৰ বক্তৃতাৰ সাৰমৰ্ম এই—

"মাটিৰ দখল ৰক্ষা কৰিব যাওঁতে কেইটিমান কথালৈ বিশেষ মনোযোগ দিয়া উচিত। (১) কৃষক ৰাইজ মানে দৰিদ্ৰ কৃষক যাতে এক হব নোৱাৰে তাৰ কাৰণে জমিদাৰ-মহাজনহঁতে ভেদনীতিৰ আশ্ৰয় লয়। যেনে—এই গাঁৱত হিন্দু-মুছলমান—দুয়ো সম্প্ৰদায়ৰ কৃষক আছে। হবেন মহাজন হিন্দু আৰু তাৰ আধিয়াৰ-বোৰো হিন্দু। সি পাঁচশটা পৰিয়ালৰপৰা মাটি কাঢ়ি নি তেওঁলোকক মৃত্যুৰ মুখলৈ ঠেলি দিছে। চাইফে এই খবৰ জানি হীৰেনহঁতক লগ ধৰে আৰু আমাক খবৰ দিয়ে। পাঁচশ টা পৰিয়াল দুখত পৰাত চাইফে সিহঁতৰ দুখ মোচনৰ বাবে আগবাঢ়ি গৈছে। এই কথা জানি হবেন মহাজনে কি কৈছে? কৈছে চাইফহঁতে চক্ৰান্ত কৰি হীৰেনহঁতক বিপদত পেলাব ওলাইছে। আচল কথা

চাইফো গৰিব, হীৰেনহঁতো গৰিব। দুয়ো গৰিব লগ হলে হৰেন মহাজনৰ বাৰ বাজিব। মাটিবপৰা হীৰেনহঁতক উচ্ছেদ কৰিব নোৱাৰিব। যাতে হীৰেনহঁতক উচ্ছেদ কৰিব পাৰে তাৰ বাবে সি মহা হিন্দু প্ৰেমী হৈ হীৰেনহঁতক চাইফহঁতৰপৰা আঁতৰত ৰাখিব বিচাৰিছে। তাৰ যদি হিন্দুপ্ৰেম আছে তেনেহলে সি হীৰেনহঁতক উচ্ছেদ কৰিলে কিয়? পঁচিশটা হিন্দু পৰিয়ালক বিপদত পেলালে কোনে? চাইফহঁতে নে হৰেনে? জমিদাৰ-মহাজনৰ ধনপ্ৰেমত বাদে অন্য প্ৰেম নাই। সকলো জাতিৰ বা সম্প্ৰদায়ৰ গৰিব মানুহবিলাক লগ লগা দেখিলে সিহঁতে জাতি প্ৰেম, ধৰ্ম প্ৰেম, দেশপ্ৰেম আদিৰ কথাকৈ গৰিবৰ একতা ভাঙে। গতিকে জমিদাৰ-মহাজনৰ এইবোৰ প্ৰেমৰ ওপৰত চোকা নজৰ ৰাখিব লাগে। অসমৰ জমিদাৰ-মহাজনসকলে কেইবছৰমানৰ মূৰে মূৰে হিন্দুপ্ৰেম, অসমীয়া প্ৰেম আদিৰ বানপানী সৃষ্টি কৰি হাজাৰ হাজাৰ কৃষকক নিষ্ঠুৰভাবে মাটিৰপৰা উচ্ছেদ কৰি আছে। লাখ লাখ কৃষকক অতিমাত্ৰা সুতত টকা ধাৰলৈ দি সৰ্বস্ব লুণ্ঠন কৰি আছে। এই অত্যাচাৰ আৰু লুণ্ঠনৰ অৱসানৰ বাবে আমি অসমৰ পথাৰ গৰিব কৃষক প্ৰেমৰ বানপানীৰে ডুবাই দিব লাগিব।

(২) কৃষকৰ একতা ভঙাৰ কাৰণে সি দুই এজনক আজি উচ্ছেদ নকৰিব। কেইজনমানক টকা দি তাৰ ফলীয়া কৰিব। যিবোৰে তাৰ কথা মতে বাকীবোৰ আধিয়াৰৰ বিপক্ষে যায় তাৰ বাবে কিছুদিন সি সিহঁতৰ মাটিত হাত নিদিব। কিন্তু এদলৰ মাটি নিব পাৰিলে পিচবছৰ বাকী কেইজনৰো নিব। কোনো আধিয়াৰক ভাল পাই মাটি কাঢ়ি নিনিয়াকৈ নাথাকে। তাৰ নিজ স্বাৰ্থৰ কাৰণেহে কেতিয়াবা দুই এজনক বাদ দিয়ে। টকাৰ ক্ষেত্ৰতো একে কথা। তাৰ কাম হাচিল নহয় মানে মাজে সময়ে দুই একাপ চাহ আৰু দুই এটা টকা দিয়ে। কাম হাচিল হলেই চব বন্ধ। তেতিয়া এটি ঘুটাকড়িও নেপাব। গতিকে হৰেনৰ মাটি বা টকাৰ জালত যাতে কোনেও নপৰে সেই বিষয়ে সদায় হুচিয়াৰ হ'ব।

(৩) আপুনি যদি জাতি বা ধৰ্মৰ প্ৰেমত নপৰে, টকা বা মাটিৰ জালতো নপৰে, তেতিয়া সি পুলিচৰ আশ্ৰয় লব। কিছুমান মিছা মোকৰ্দমা জাপি দিব যাতে ভয়তে তাৰ বিৰুদ্ধে কোনেও থিয় নিদিয়ে অৰ্থাৎ মাটিৰ দখল ৰক্ষা কৰিবলৈ আগবাঢ়ি নাযায়। ইয়াকে কয় দমন নীতি। জমিদাৰ মহাজনৰ এইপাতেই শেষ অস্ত্ৰ। এজন বা দুজনে ইয়াৰ বিৰুদ্ধে গলে লাভ নাই। কিন্তু আজি ইয়াত যি একতা গঢ়ি উঠিছে এই একতাৰ দ্বাৰা হৰেন মহাজনৰ

সকলো ভাবুকিব বিৰুদ্ধে যুঁজিব পৰা যাব। এই যুঁজত আপোনালোক জয়ী হব অৰ্থাৎ আপোনালোকে মাটিৰ দখল বক্ষা কৰিব পাৰিব। মনত ৰাখিব হৰেনৰ আক্ৰমণ কেৱল পুঁচিশজন আধিয়াৰৰ বিৰুদ্ধে নহয়, সমগ্ৰ অধিয়াৰ আৰু গৰিব কৃষকৰ বিৰুদ্ধে। গৰিব কৃষকৰ একতাইহে অত্যাচাৰী জমিদাৰ-মহাজনৰ অত্যাচাৰৰ মোকাবিলা কৰা একমাত্ৰ অস্ত্ৰ।

নবেন ব্ৰাইভাৰৰ বক্তৃতা শেষ হোৱাত চাইফে মজিনক (সভাপতি) কলে তই এইবাৰ থিয়হৈ ক'—কাইলৈ হাল নমোৱাত কাৰোবাৰ আপত্তি আছে যদি কব পাৰে। মজিন কোনোদিন সভাপতি হোৱা নাছিল। সেইবাবে কেতিয়া কি কব লাগে চাইফে ওচৰতে বহি শিকাই দিছিল।

সভাৰ শেষ শাৰীত বহি থকা মানুহ এজন থিয় হৈ 'মযে অলপ কওঁ' বুলি মাত লগালে। তেওঁক চাৰিওফালৰপৰা কব ধৰিলে 'আগলৈ আহ, সভাপতিৰ ওচৰহৈ আহ।' 'তেনেহলে নকওঁ' বুলি কৈ মানুহজন বহি পৰিল। নবেনে তাৰ দুৰ্বলতা বুজি মাত লগালে, 'বাক ইয়ালৈ আহিব নালাগে, কি কব খুজিছিল তাৰপৰাই কওঁক।' আন কেইজনমানেও কলে, 'ক'; ক', তাৰপৰাই ক'।'

'গলে সকলোৱে যাব লাগিব। বিয়ে নাযায় তাৰ কি কৰা হব?' মানুহজনে কলে।

'গাৱঁৰপৰা আলাগ কৰি থম।' কোনো এজনে তপৰাই উত্তৰ দিলে।

সেইচব নহয়, উত্তম-মধ্যম লগাম।' নবীনে থিয়হৈ কলে। ঠিক কৈছা, ঠিক কৈছা' বুলি চাৰিওফালৰপৰা কব ধৰিলে। সভাত গুণ গুণ আৱাজ উঠিল।

নবেনৰ নিৰ্দ্দেশমতে এখন দখল বক্ষা কমিতি গঠন কৰাৰ পিচত সভা ভাঙিল।

ৰাতি দখল বক্ষা কমিতিৰ সভা। ঠাই হৰিবেনৰ চোতাল। নবেনে দখল বক্ষা কমিতিৰ কামৰ বিষয়ে বুজাই আছে। এনেতে নবীন উপস্থিত হ'ল। নবেনে কথা বন্ধ কৰি তালৈ চালে। হৰিবেন তৎক্ষণাত থিয়হৈ তাৰ ওচৰলৈ গ'ল। দেখিলে তাৰ লগত আৰু এজন আছে। সুধিলে, 'কোন?

'মইদে' বুলি কৈ সেই অঞ্চলৰ নামজাদা গুণ্ডা ভালেৰ তাৰ ওচৰলৈ আহিল।

'কি লাগে?' চাইফে সুধিলে।

'আগতে বহিব দে। তাৰপিচত চব কম।' বহিব কোৱালৈ আপেক্ষা নকৰি লেম্পটোৰ ওচৰতে বহে। চিগাৰেট এডাল জ্বলাই কেইহোপামান মাৰি নবেনক নমস্কাৰ জনাই কব ধৰিলে, 'জানে বাবু, মই বৰ বেয়া মানুহ। বহুতবাৰ এনেই হৈছো। সেইবুলি এবাৰো জেল দিব পৰা নাই।'

হয় নেকি ?—নৰেনে অলপমান হাঁহি মাত লগালে।

“হয়। মাহুহো মাৰিছো।”

মটো আৰু মুঙ্কিয়ে থু পেলোৱাৰ ভাওঁ ভুৰি বহা ঠাইৰপৰা উঠি নৰেনৰ ওচৰলৈ গৈ তাৰ দুয়োকাষে বহিল।

এটা কথা কবহে আহিছো। মই অহাত বেয়া পাইছে যদি যাওঁ।

“নাই, নাই। কিয় বেয়া পাম। কি কব আহিছে কওকচোন” নৰেনে ক'লে। : মানে কথা হৈছে সেই চালা হৰেন মহাজন। মই ডকাইতি কৰি অনা সোপা কমদামত কিনি কিনিয়ে সি বাইজৰ ভেটিমাটি লুটিছে। আজি টাউনৰপৰা আহোতে নৈৰ পাৰত তাক লগ পালো। মোক দেখি সি চাইকেলৰপৰা নামি কলে—মই তাৰ লগতে তাৰ ঘৰলৈ যাব লাগে। বৰ ডাঙৰ কাম আছে বোলে। ভাবিলো ভাল চিকাৰ ওলাইছে বোধহয়। গলো তাৰ পিচে পিচে। প্ৰথমে চৰবত, তাৰপিচত চাহ, মিঠাই খালো ইচ্ছামতে। সি হঠাৎ দোকানৰ দুৱাৰ বন্ধ কৰি লৰাটোক বাহিৰলৈ যাব কলে। মোৰ ওচৰলৈ আহি কলে, ‘কাইলৈ পুৱা আমি ট্ৰেক্টৰ লৈ হালবাব যাম। পিচে আজি গাৱঁলৈ গৈ খবৰ পালোঁ নৰেন ড্ৰাইভাৰহঁতে মাটি এৰি নিদিবলৈ উচতাই দিছে।’ মই সুধিলো, কোন নৰেন ? ( নৰেনক ) বেয়া নেপাব, আমি বেলেগ লাইনৰ মাহুহ, দুনিয়াৰ চব মাহুহৰ খবৰ নাৰাখো। তাৰপিচত সি কলে তাক মই সহায় কৰিব লাগে। আমাৰ দলটোক এহেজাৰ টকা দিব। ভেটিয়াই চাৰিশ টকা দিলে। বাকীখিনি দুই এদিনতে দিব বুলি কলে।

যোগেনৰ মুখ ক'লা পৰে। চাইফ আৰু হীৰেন দমি যায়। মজিনে নৰেনৰ ফালে চাই থাকে। তাৰো ওঠ শুকাইছে।

তালেবে কৈ যায় : মই চব বুজিছো। ধনীয়ে গৰিবৰ মাজত মাৰামাৰি লগাই নিজ ধন আৰ্জি থাকে। ইয়াকে কব আহিছিলো। যাওঁ এতিয়া।

: ৰব। এতিয়া কি কৰিব বুলি ভাবিছে ?

: আমাৰ লাইন ঠিক আছে। আপোনালোকে সেইবোৰ নুবুজিব।

: কাইলৈ কি কৰিব তাকে জানিব খুজিছো।

কি কৰিম ? এই হীৰেন, চালা ইমানপৰ বহিলো তামোল এখন নিদিলি আকৌ বহ।

হীৰেনে লাজ পালে। ‘পাহৰি গৈছিলো ভাই। অলপ বহ।’ বুলি কৈ ঘৰলৈ গৈ তামোলৰ বটাখন আনি তালেবৰ সমুখত থৈ কলে, ‘তামোল কাটি

থৈছিল। মইহে তোৰ গল্প শুনি আনিব পাহৰিছিলোঁ।'

ৰটাৰপৰা তামোল এখন মুখত ভৰায়। আকৌ এটা চিগাৰেট জ্বলাই কব ধৰিলে—

: আমি ডকাইত মানুহ। কাৰো উপকাৰ কৰি পোৱা নাই। আপোনালোকে গৰিবৰ উপকাৰ কৰিব ওলাইছে। বৰ ভাল কামত হাত দিছে। টকা চাৰিশ অগ্ৰিম নোলোৱা হলে কথা মাছিল। কি কৰো ঠিক কৰিব পৰা নাই ভতপৰি আজিলৈ কাৰো নিমখহাৰামী কৰা নাই।

হীৰেনহঁত নীৰৱ শ্ৰোতা হৈ বহি থাকে। প্ৰত্যেকজনৰ মুখত ভাৱৰ চিন স্পষ্টভাবে ফুটি উঠিছে।

চাইফ ঠ্যালেৰহঁতৰ লাইনত নচলে যদিও সিহঁত নিমখহাৰাম হয়নে নহয় সেই খবৰ ভালদৰে ৰাখে। সি মাত লগালে—

: হীৰেনহঁতে খেতিবাতি কৰি থকাত তোৰ আপত্তি আছেনেকি?

: থকা হলে এই খবৰ দিব আহো নেকি?

: তেনেহলে এটা কাম কৰিলে তই নিমখহাৰাম হব নালাগিব আৰু হীৰেনহঁতেও মাটি ৰাখিব পাৰিব।

আমি দলে বলে গৈ হালবাই থাকিম। তই কম মানুহ লৈ আহিবি। তহঁত আগবাঢ়ি অহা দেখিলে আমি খেদি যাম। তই 'বাপৰে ইমান মানুহৰ লগত কত পাৰিম' বুলি কৈ ঘৰলৈ দৌৰিবি।

: চাবাচ, চাবাচ। চালা তই ইমান বুদ্ধি কত পালি? দাইতাৰ বাবু, চাইফে যি কৈছে তাকে কৰিম। যাওঁ এতিয়া।

নৰেনহঁতে তাৰ ফালে চাই থাকোঁতে সি ৰাতিৰ আন্ধাৰৰ লগত মিলি গল।

মটোৰ তোক লাগিছে। বহুত ৰাতি হৈছে বুলি কৈ হৰেনৰ ঘৰৰফালে চায়। নৰেনে তাৰ চকুলৈ চালে। তাৰ ওপৰত নৰেনৰ খং উঠিল। কিন্তু সি মিচিক কৈ হাঁহি ঘৰৰ ফালে পিঠি দি ৰহিল।

আকৌ আলোচনা আৰম্ভ হল। দখল ৰক্ষা কমিটিৰ সভ্যসকল নৰেনৰ ওচৰলৈ আহি মন দি নৰেনৰ কথা শুনে। নৰেনে কলে যে হৰেন মহাজনে সাম্প্ৰদায়িকতাৰ ওপৰত নিৰ্ভৰ কৰিব নোৱাৰি তালেৰহঁতৰ আশ্ৰয় লৈছে। গতিকে সাৱধানে আগবাঢ়িব লাগিব।

চাইফে কলে: তালেৰে চিন্তাত পেলালে। আমাৰ গাওঁৰ মানুহে তাক বৰ ভয় কৰে। সি যদিও আমাক সমৰ্থন কৰা বুলি কয় তথাপিও তাক বিশ্বাস

কৰিব নোৱাৰি। সি অতি নিষ্ঠুৰ আৰু বেইমান।

হীৰেনে কলে যে সিহঁতে তালেবক ভয় নকৰে। এবাৰ আমাৰ পাৰালৈ কাজিয়া কৰিব অহাত তাক বান্ধি ধৰি কোবাইছিলো। তেতিয়াৰে পৰা যি মটোই আকৌ হীৰেনৰ ঘৰৰ ফালে চাব ধৰে। আকবৰে বাৰে বাৰে বাহিৰলৈ চায়। তাৰো ভোক লাগিছে। বাকীবোৰ মানুহো অধৈৰ্য্য হৈছে। আবেলিৰে পৰা পানী এটোপা মুখত দিয়া নাই। মটোই ভাবিছিল হীৰেনৰ ঘৰৰ চাহ পাব। নৰেনেও আশা কৰিছিল হীৰেনৰ ঘৰত নিশ্চয় চাহ এবাটি পাব। হীৰেনৰ চোতালত থিয় দিয়াত চাইফ আৰু হীৰেনে ওচৰা ওচৰিকৈ থিয় হৈ 'চাহ' শব্দটো উৰ্চ্চাৰণ কৰা শুনিছিল। হীৰেনে চেষ্টা নকৰা নহয়। চেনি বিচাৰি যোগেনহঁতৰ ঘৰলৈও গৈছিল। নাপালে।

কাইলৈ খুব পুৱাই দলেবলে আহিবলৈ কৈ নৰেন থিয় হ'ল। মটোই থিয় হৈ এণ্ডামুৰি ভঙাৰ চলেৰে আকৌ এবাৰ ঘৰৰ ফালে চালে। মজিনহঁত ঘৰা-ঘৰি গল। চাইফ আৰু আকবৰো যাব ওলাল। কিন্তু হীৰেনে যাব নিদিলে। ভাত খাই যাব কলে। হীৰেনৰ সাহস দেখি চাইফ আচৰিত হ'ল কাৰণ এই গাওঁত কোনো হিন্দুই মুছলমানক ভাত খুৱাব নোৱাৰে। খুৱালে ৰাইজে বিচাৰ কৰি জৰিমনা কৰে। এবছৰ আগৰ কথা তাৰ আজিও মনত আছে। লক্ষী দাসৰ জৰ হোৱাত মুছলমান এটাক হালোৱা ৰাখে। চোতালত ভাত দিয়ে। তাকো কাঁহীত নহয়, কলাপাতত। কথাটো জনাজাত হোৱাত গাৱৰ নাম ঘৰত লক্ষী কলিতাৰ বিৰুদ্ধে মেল বহিল। তাৰ অপৰাধ সি মুছলমানক ভাত দিছে। ৰাইজে তাক বিচাৰ কৰিলে। জৰিমনা নিদিও বুলিও কোৱাত এঘৰীয়া কৰিলে।

সিফালে হালোৱাটোৰ বিৰুদ্ধে মুছলমান পাৰাৰ ৰাইজে মেল পাতিছে। তাৰ অপৰাধ সি হিন্দুৰ ঘৰত পাত পাৰিছে কিয় ?

এনে এখন সমাজত থাকি হীৰেনে চাইফ আৰু আকবৰক ভাত খাব কোৱাত চাইফ আচৰিত নহৈ নোৱাৰে। সিহঁত থিয় হৈ থাকোতে হীৰেনৰ ঘৈণীয়েকে চোতালখন মুছি কলপাত আৰু পিৰা দি গল। হীৰেনে আটাই-কেইজনকে বাহিৰ কলে।

সিহঁত ভাত খাই থাকোতে হীৰেনে বাহিৰা ঘৰটো চাফা কৰি এবোজা ধানখেৰ পাৰি নৰেনহঁতৰ বাবে বিচনা কৰি দিলে। কিন্তু গাৰুৰ সমস্যা সমাধান কৰিব নোৱাৰি চিন্তাত পৰিল। কিছু সময় বিচনাৰ ওচৰত থিয় হৈ থাকি হঠাৎ ধান খেৰ এপোপাকে গাৰু যেন কৰি বিছনা চাদৰৰ তলত

সোমাই দিলে। এবাৰ তৰি শিতানৰ কাষে থিয় দি বিচনাখনলৈ চাই নিজৰ উপস্থিত বুদ্ধিক নিজে প্ৰশংসা কৰি চোতাললৈ গ'ল।

তেতিয়া নৰেনহঁতে ভাত খাই উঠি তামোল খাইছিল। সি অহাত চাইক আৰু আকবৰে 'বহুত বাঢ়ি হৈছে' বুলিকৈ ঘৰলৈ খোজ ললে। নৰেনহঁতে বাটলৈ ওলাল। নৰেনে ট্ৰেঙ্ক কলে ব্ৰাঞ্চিয়াটিঃ আছে। আকৌ আহিৰি চাইফে কিবা খুজিছিল। আকবৰ থকাৰ কাৰণে নকলে।

কেই মিনিটমান পিচত নৰেনহঁত আহে। হীৰেনে চাকিটো হাতত লৈ বিছনাখন দেখুৱাই কলে: ইয়াতে শুব লাগিব। গধিৰ মানুহ। বিছনাপত্ৰ নাই। বেয়া নাপাব।

"আয়'ৰো একে অৱস্থা। এজন আলহী গলে শুব দিয়াৰ ঠাই নাই।" —নৰেনে কলে।

"মাৰোৱাৰীৰ গাদী যেন লাগে। বহুত খেৰ পাৰিছে। বৰ আৰাম হব।" —বিছনাত বহি মুকিয়ে কলে।

নৰেন আৰু মটোইও প্ৰশংসা কৰিলে।

হীৰেনৰ চকুত আনন্দৰ হাহি। 'বহুত বাতি হৈছে। আপোনালোক শোৱক। মই যাওঁ।' —হীৰেনে কলে।

নৰেন বিছনাত বাগৰি পৰি ওপৰলৈ চাই ছালৰ ফুটাইদি আকাশৰ তৰা দেখিলে।

ছালছুখনৰ দুৰৱস্থা দেখি মুকিয়ে কলে, 'সিধন একেবাৰে শেষ। এইবাৰ বাৰিষা এইখনো যাব।"

'কি?" মটোই সুধিলে।

: ছাল ছুখনলৈ চা'।

: মোবো একে দশা।

নৰেন: মোৰো এইবাৰ বাৰিষা পানীত তিতি মৰিব লাগিব।

মটো: ৰ, ৰ। বেটাহঁতক খতম নকৰাকৈ মৰিব নাৰাবি। তিতি তিতি হলেও বেটাহঁতৰ ৰাজৰ খতম কৰিম।

নৰেনে মটোৰ কাষে চাই হাঁহিলে। মুকিৰো হাঁহি উঠিল। কাৰণ মটো কথাবহে মানুহ। কামৰ সময়ত তাক বিচাৰি পোৱা টান।

বাহিৰত খোজৰ শব্দ। কথা বন্ধ কৰি বাহিৰলৈ চাব খোজোতে চাইক ঘৰ সোমায়। আহিয়ে বিচনাত হাঁফাদি পৰি কয়—মেটাই উঠি পৰি লাগিছে;

আৰু জমিবো চিথা হৈছে।

নবেনে তৎক্ষণাত বিছনাত বহি সুধিলে, কি হৈছে ?

: কি আৰু হব। তেলক তেলে মিলি গৈছে। হৰেন মহাজন আৰু বচিব গাওঁবুঢ়া লগ লাগিছে। আমাৰ মিটিঙৰ পিছত বচিবে ঘৰে ঘৰে গৈ কৈছে আমাৰ মানুহ যেন হাল বাব নাযায়। গলে বিপদ আছে।

মুক্তি : এতিয়াহে খেল জমিব।

মটো : গাওঁবুঢ়াই হৰেন মহাজনৰ টকা খাইছে।

নবেন : টকা নাখালেও গাওঁবুঢ়াই বিৰোধিতা কৰিব। সিও ২৫০০ বিঘা মাটিৰ মালিক। নিজ শ্ৰেণীৰ স্বাৰ্থ ৰক্ষাৰ বাবেহে সি কামত নামিছে। দেখা যাব কেনেকৈ দখল কাঢ়ি নিয়ে।

“আৰু জমিৰৰ কথা কি কলা ?”—

“কি আৰু কব ?—সি শাস্তিৰ মাজেদি নিস্পত্তি বিচাৰে।” চাইফে কলে। জমিৰৰ আইন আদালতৰ ওপৰত অগাধ, বিশ্বাস,—দেশখনৰ পৰা ইংৰাজ খেদিলে অহিংসাৰ দ্বাৰাই— : এতিয়া নিজৰ দেশৰ নিজৰ ভোটেৰে বচা চৰকাৰৰ দিনত —কিবা আইন নাই নে ? আধিয়াৰ আইন, প্ৰজাস্বত্ব আইন, আইনৰ কিবা কম নেকি ? আইনৰ দিহা সুধিবলৈ সি কাকো নোকোৱা নেমেলাকৈ চহৰৰ বংশী উকীলৰ তালৈ গৈছিল। বংশী উকীল হিচাপে ভাল, বহুতো মাটিৰ মালিক—তাতে এম এল এও। বংশী উকীলক সুধিছিল কৌশল কৰি—

: খুবাদেউ চৰকাৰে বোলে ৰায়তক মাটি দিয়া, আধিয়াৰ উচ্ছেদ বন্ধ কৰা নাঙল যাৰ মাটি তাৰ এই আইনবোৰ কৰিলে, এতিয়া মাটিবোৰৰ কি হব ?—

“কিয় তোমাৰো মাটিত তেনে কিবা লেঠা লাগিল নেকি ?”

“এৰা—সেয়ে আহিলো কথাটো কি বুজ লবলৈ”

“বুজ লবলৈ কি আছে ?—আইনো আছে, আমিও আছো ?—নহলে নিজে নিজৰ হাতৰ কুঠাৰ ভৰিত মাৰি লবলৈ আইন কৰিলোনে ?

মনত ৰাখিবা কমিউনিষ্টৰ ‘নাঙল যাৰ মাটি তাৰ’ কথাবোৰ আমি কলেও আমি সিহঁতে যি বিচাৰে তাকে যদি কৰো, আমি দেখোন দেশখন সিহঁতৰ হাতত সপি এৰি দিলোহেতেন। খেতি কৰিলে বুলি, আধি খালে বুলি তোমাৰ পাট্টাৰ মাটি—সিহঁতৰ হবনে ? হে: হে:—চব ঠিক আছে ; ভয় নাখাবা। অকল আধি-ৰায়তী আইনেই নহয় দিয়া হে: হে: আৰু হেজাৰ বিজাৰ আইন আছে— পুলিচ হাকিম সকলোৰে কমিউনিষ্ট হৈ গল নে ? কি যে ভাবা।”

জমিবৰ খেতিৰ মাটি কেবাডৰাও আছিল। সি মহেশ উকীলৰ লগত ১৯৪২ চনত জেলত থাকোতেও—সেই মাটি আছিল। পিচে সেই মাটিও গৈ হৰেন মহাজনৰ হাতলৈ গ'ল-গাৰ্ৰ আনবোৰৰ দৰে। এইকথা মহেশ উকীলে নাজানে। জমিৰ পাঠশালাৰ পণ্ডিত; তাঁৰ সৰু ভায়েকটোৱে আধিখেতি কৰে হৰেনৰ মাটিত, হৰেনৰ নহয়—সিহঁতৰ পৰা হৰেনৰ নিয়া মাটিত।

সেয়ে জমিৰৰ মনৰ হেহোঁনেহো ভাব কাটিছে। সি বুজিছে অন্ততঃ যিসকল জমিদাৰে চৰকাৰ চলায়—সিহঁতে কোৰে কাটি নিজৰ জ্ঞান বিশ্বাস মতে গ্ৰহণী নচপায়। খেতিয়কে নিজে দখল আৰু মাটি ৰক্ষা নকৰিলে—আইন-পুলিচে ৰক্ষা কৰি নিদিয়ে। সেই জমিৰেই আহি হৰেন আৰু বচিৰ গাওবুঢ়াৰ কথা কৈছে। গান্ধী-অহিংসা-কংগ্ৰেছ-বিনোৱা এই সকলোবোৰ কথাই যে মাটি ৰাখি দিব নোৱাৰে সেই কথা নিজৰ ৰবীয়াকৈ সি মুকিহঁতৰ আগত স্বীকাৰ কৰিছে। কিন্তু বচিৰ? বচিৰ গাওঁবুঢ়াৰ কথামতে কিমানে চলিব তাৰে বিচাৰ কৰে।

মুকি: মোৰ বিশ্বাস তাৰ কথামতে চৰ মানুহ নচলিব।

চাইফ: সেইতো ঠিক। খুব বেচি ছয়-সাত ঘৰ নাহিব পাৰে।

হৰেনৰ দৰে বচিৰেও এমোন খানত আধামোন সুত লয়। কেইঘৰমানৰ মাটি বন্ধকত ৰাখি নামজাৰী কৰি লৈছে সেইবাবে বহুতে তাক বেয়া পায়।

নবেন: বাৰু, হৈছে সেইবোৰ। এতিয়া মিটিং আৰম্ভ কৰো। মটো, চাইফ ভালদৰে বহু।

এঘণ্টামানৰ ভিতৰতে মিটিং শেষ হল। মিটিঙৰ সিদ্ধান্ত হ'ল—ৰাতিৰ ভিতৰতে মুছলমানপাৰাৰ প্ৰতিজন মানুহক একোবাৰ লগ ধৰি পুৱাই হাল গৰু লৈ অহাৰ কথা কব লাগিব; তালেৰক লগ ধৰি হৰেনহঁতৰ প্ৰস্তুতিৰ বিতং বিৱৰণ জানিব লাগিব আৰু ৰাতি পুৱা কিছুমান বাঁহৰ লাঠি কাটিব লাগিব।

যেতিয়া হীৰেনহঁতে গম নোপোৱাকৈ আটাইকেইজন বাহিৰলৈ ওলাই আহিল তেতিয়া পুব আকাশখন পুৱতি তৰাটোৱে পোহৰাই তুলিছে। ৰাটত থিয় হৈ নবেনে কলে, প্ৰথমে আকবৰৰ ঘৰলৈ। মটো আৰু মুকিয়ে আকবৰক লগত লৈ ঘৰে ঘৰে যাব লাগিব। প্ৰথম কুকুৰাই ডাক দিয়াৰ পিচতেই হীৰেনৰ ঘৰ পাব লাগিব।

আকবৰে মাত্ৰ তেৰ ঘণ্টা আগতে শুইছে। ভাত-মুমতিৰ পৰা জগোৱা বৰ টান। বহুবাৰ মাতাৰ পিচত সি সাৰ পালে। চকুটো মোহাৰি মোহাৰি চোতালত ভৰি দিয়াৰ লগে লগে নবেনে কলে, বিশেষ কাম আছে ৰাতেছে

আহিলো। মটো আৰু মুঁকিয়ে কয়। আমি যাওঁ।
নৱেন: তালেবৰ ঘৰ কিমান দূৰত?
চাইফ: প্ৰায় আধা মাইলমান যাব লাগিব।
দুয়ো বেগাই খোজ দিলে। কিছু দূৰ গৈ এটা সুৰসুৰীয়া বাট পাই চাইফ ৰল।
নৱেন: কি হৈছে?
: এইটোৱে গলে সোনকালে পাম।
: ব'ল।
দুয়ো গৈ থাকে। গাওঁখন নিজান পৰিছে। কতো কুকুৰৰ মাত পৰ্যান্ত নাই। ওপৰত মেঘহীন আকাশ। হেজাৰ হেজাৰ তৰাৰ পোহৰতে পৃথিৱী পোহৰ হৈছে। দুয়ো নীৰৱে গৈ থাকে। কিছুদূৰ যোৱাৰ পিচত নৱেনে মাত লগালে,
: গাওঁত কুকুৰ নাই নেকি?
: আছিল। এতিয়া নাই। খাব নাপাই গাওঁ এৰিছে। মানুহৰ মল খাই আৰু কিমান দিন থাকিব। কেৱল গাওঁবুঢাৰ ঘৰত দুটামান আছে।
তালেবৰ পদূলীমুৰ পাই চাইফে থিয় দি কলে,
: এইটোৱে তালেবৰ ঘৰ। ইয়াৰ পৰাই মাতিম নেকি?
: নালাগে ভিতৰলৈ বল।
চোতালত থিয় হৈ চাইফে 'তালেব ভাই' বুলি কেইবাৰমান মাতিলে। তালেবে সাৰ পাই কিছুপৰ মনে মনে আছিল। তাৰ পিচত 'কোনঅ' বুলি মাতি বিছনাতে বহে। ঘৈণীয়েকে কাণৰ ওচৰলৈ মুখখন নি সৰুকৈ কলে, পুলিচ হব পায়। ভয়ত তাইৰ মুখ শেতা পৰে।
"মই চাইফ। আৰু দাইভাবো আছে।"
তালেবে ঘৈণীয়েকক চাকিটো জলাব কৈ বিচনাৰ পৰা নামে। চাইফৰ মাত বুজি খালী গাৰে চোতাললৈ আহে। শেষ নিশা তালেবক বিচাৰি আহে এক মাত্ৰ পুলিচ। সেইবাবে চোতালত তালেব বুলি মতা শুনিলে সি চোলা দুটা পিন্ধি চাৰ্টৰ কলাৰত দহ টকীয়া নোট কেইখনমান সোমাই ওলাই আহে। আজি বহু বছৰ এইদৰে চলি আহিছে। মানুহৰ মাত শুনি আজিও পুলিচ আহা বুলিয়ে ভাবিছিল। বৌক এখন আনি নৱেনক বহিব কলে। চাইফ আৰু নৱেন বহে। নৱেনৰ ওচৰলৈ গৈ সি এই শেষ ৰাতি তাক বিচাৰি

ঘোৰাৰ কাৰণ সুধিলে। নবেনে কলে, তেতিয়া বহুত মানুহ থকাত তাৰ লগত তালৈৰে কথা হ'ব নোৱাৰি এতিয়া আহিব লগা হ'ল। কাইলৈ পুৱা নবেনহঁতে হাল নমাব। তালৈৰে কলেও, তাৰ বাবে অকণো চিন্তা কৰিব নালাগে। হৰেন মহাজনৰ প্ৰতি তঁহতৰো আখেজ আছে। এবাৰ এপোৱামান লোণ তাৰ ঘৰত জমা থৈছিল। নিজৰ স্ত্ৰী, ডকাইতি কৰি অনা। হৰেনে টকা দিলে মাত্ৰ চাৰিশ। সেইবাবে তাৰ টকা হাত পাতি ললেও নবেন—হীৰেনহঁতৰ লগত কাজিয়া কৰি মাটি দখল কৰি নিদিব।

: তাকে জানিব আহিছিলোঁ। যাওঁ এতিয়া।

শেষ নিশা।

আকৌ সৰু-সুৰীয়া বাট। বাটৰ দাতিৰ প্ৰকাণ্ড আহত গছ জোপাত বাদুলীৰ কিচিৰ মিচিৰ মাত শুনি চুয়ো ওপৰলৈ চালে। শিঙৰ মুৰৰ ওপৰেদি উৰি যায় এজাক বাদুলী। তেতিয়া পুৱাতি তৰাটোৱে পূব আকাশ পোহৰ কৰিছে। টুপ-টাপ শব্দ কৰি গছৰ পাতৰ পৰা নিয়ৰ সৰিব ধৰিছে। গাঁৱৰ দক্ষিণে নলজৰা নৈ। নৈৰ পাৰৰ কহুৱাবোৰ কুঁৱলীয়ে আবৰি ধৰিছে। নবেনে এবাৰ আকাশলৈ আৰু এবাৰ নৈৰ পাৰলৈ চাই খোজ কাঢ়ি থাকে। নীৰৱে। চাইফৰ টোপনি ধৰিছে। সোনকালে ঘৰ পোৱাৰ আশাতে বেগাই যাব ধৰিছে। কিছু বাট যোৱাৰ পিচত নবেনে নীৰৱতা ভাঙি কলে।

: চাইফ ?

: কি ?

: তালৈৰে বেইমানি কৰিব নেকি ?

: নকৰিব যেন পাওঁ।

: তেনেহলে তোৰ সন্দিয়াৰ মন্তব্য ভুল নাছিল জানো ?

: হৰেনৰ প্ৰতি যে তাৰ আখেজ আছে জনাই নাছিলোঁ।

: সেইবাবে আন্দোলন আৰম্ভ কৰাৰ আগতে শত্ৰু পক্ষৰ মাজৰ বিৰোধবোৰ তালৈৰে লক্ষ্য কৰিব লাগে। যিকোনো বিৰোধৰ সুত্ৰ পালে তাক সাৱধানে ব্যৱহাৰ কৰি আন্দোলন আগবাই নিব পাৰি।

: আৰু কলৈ যা ?

: ম' পালোৱে দেখোন। সিহঁত অহা নাই বোধ হয়।

চুয়ো সাৰ-শব্দ নকৰাকৈ ঘৰত সোমায়। মুক্তিহঁত অহা নাই। চুয়ো সিদ্ধান্ত কৰে। চাইফ জাগৰি পৰিছে। বিচনাখন পাৰি বাখৰ দিলে। নবেনে মুক্তিহঁতলৈ

অপেক্ষা কৰি বহি থাকে। অলপ সময় পিচতে চাইফৰ নাকৰ শব্দ উঠিল। তাৰ গাত গেঞ্জিটোত বাদে আন আন কাপোৰ নাই। হাতদুখন বুকুত বান্ধি টোপনিত লালকাল। নবেনে তাৰ মোনাৰ পৰা কাপোৰ এখন উলিয়াই চাইফৰ বুকুখন ঢাকিলে। তাৰো টোপনি ধৰিছে। কিছু সময় মজিনহঁতলৈ বাট চাই থকাৰ পিচত চাইফৰ কাষতে বাগৰ দিলে। তাৰো টোপনি আহিল। সি এটি সপোন দেখিলে...গাওঁত এটা সশস্ত্র বাহিনীৰ কেম্প বহিছে। সিহঁতৰ অত্যাচাৰত মতামানুহবোৰে গাওঁ এৰিছে। তাৰ ঘৰলৈও পুলিচ যোৱাত সিও গাওঁ এৰিছে। হৰেন মহাজনৰ লৰাটোৱে সিহঁতৰ লগ লাগি গাওঁৰ তিৰোতাবোৰৰ ওপৰত অকথ্য অত্যাচাৰ চলাইছে; কেইজনীমান গাভৰু ছোৱালী বলপূৰ্ব্বক কেম্পলৈ নি পৈশাচিক উল্লাসেৰে বলাৎকাৰ কৰিছে। সি কেইদিনমান পিচত চাইফ হঁতঁৰেনহঁতক লগ ধৰে। এদিন শেষ নিশা বাহৰ তলিৰ পৰাই কেম্প লৈ লক্ষ্য কৰি গুলিয়াব ধৰিলে......

এনেতে মটোৰ মাতত টোপনি ভাঙিল।

'উঠ, উঠ। আমাক কামত লগাই ফোচফোচাই শুই আছে।" বুলি কৈ সি নবেন আৰু চাইফৰ মাজত শুই পৰিল।

নবেনে বিছনাত বহি কৈফিয়ৎ দিয়াৰ সুৰত কলে, এই মাত্র ঘৰ সোমাই তহঁতলৈ অপেক্ষা কৰি থাকোতে টোপনি আহিল।

মুঞ্চি আৰু আকবৰ তাৰ কাষত বহে। চাইফো উঠি বহে। তেতিয়া ঘৰ আন্ধাৰ বাহিৰ পোহৰ। বেৰৰ ফুকাইদি বাহিৰৰ পৰা পাতল কুৱলীবোৰ ঘৰৰ ভিতৰলৈ বয়।

চাইফ বাহিৰলৈ যায়। বাহিৰত প্ৰচুৰ পোহৰ। কিন্তু গাৱৰ চাৰিওফালে কুৱলীৰ দেৱাল। ভিতৰলৈ আহি কলে, অলপ পিচতে আজান দিব।

: এতিয়া চাইফ আৰু আকবৰ ঘৰলৈ গল। বেলি উঠাৰ আগতে সকলোকে জগাই দিব। লগে লগে হাল গৰু লৈ ইয়ালৈ আহিব কৰি। নবেনে কলে। মটো আৰু মুঞ্চিক গাৱৰ খবৰ সোধে। মটোই কলে, সকলোৱে ঘৰলৈ যাব পৰা নগ'ল। বচিৰ গাওঁ বুঢ়াই মানুহবোৰক ভয় খুৱাই থৈছিল। আৰু তালেবৰ নাম শুনিও কিছুমানে ভয় পাইছিল। সেইবাবে প্ৰতিজনৰ লগত সময় খৰচ কৰিব লগা হৈছিল। কোনেও নাহো বুলি নকলে।

মুঞ্চিয়ে এজন হাপানী ৰোগীৰ কথা কলে। মানুহজন বুঢ়া। হাপানীৰ কাৰণে শুব পৰা নাছিল। সিহঁতৰ কামৰ কথা শুনি বুঢ়াৰ বৰ ফুৰ্ত্তি। অলপ

সকাহ পালে বুঢ়া নিজেই আহিব। নাহিলেও লবাটোক জৰব পঠাব। নহলে হেনো হৰেন মহাজন আৰু বছিৰ গাওঁবুঢ়াৰ উৎপাতত গাৱত মানুহ থাকিব নোৱাৰিব। সিহঁত দুজনে গাৱৰ মানুহক লুটি পুতি খালে। সিহঁতৰ উৎপাত বন্ধ কৰিলেহে গাৱলৈ শান্তি আহিব। বুঢ়াই কলে।

মটো : পিচে তোৰ খবৰ কেনে ?

নবেন : ভাল। হৰেনৰ প্ৰতি ভালেবাৰো আখেজ আছে।

চাইফহঁতৰ মছজিদৰ পৰা পুৱাৰ আজানৰ ধ্বনি ভাঁহি আহে।

হীৰেনৰ ঘৈণীয়েকে দুৱাৰখন মেলি হাঁহদুজনী চোতালত এৰি দি নবেনহঁত থকা ঘৰলৈ চায়। সিহঁতক বহি থকা দেখি ঘৰলৈ গৈ হীৰেনক জগাই দিয়ে। সি উঠিয়েই নাদৰ পাৰলৈ গৈ খৰখৰ কৈ মুখ ধুই নবেনহঁতৰ ওচৰলৈ যায়। নবেনে কলে : আপুনি যোগেনক লগতলৈ প্ৰভিৰৰ মানুহৰ ঘৰলৈ যাওঁক। নাঙল গৰু লৈ ওলাই আহিব কব। নবীনক মই মতা বুলি কব।

সি যাব খৰাত ঘৈণীয়েকে মাত লগালে : ভই যে যাব ওলালি, চাহ দিম কিহেদি। নিজে খালো বুলি আন মানুহকো নিমখ চাহ দিব পাৰি নেকি ? নোৱাৰি। আগে পিচে অহা মানুহ হলে বিশেষ ভাবিব লগা নাছিল। কিন্তু কোনো দিনে নহা মানুহ। নিজৰ গৰুজত অহা নাই। আহিছে সিহঁতৰ বাবে। বাতিপুৱা চাহ এটোপা দিব নোৱাৰিলে মান সন্মান নৰব। কিন্তু চেনিতো নায়েই, পইচাও নাই। ইয়াকে ভাবি হীৰেনে মাজ চোতালত আগকটা গছৰ দৰে থিয় হৈ থাকে। ভালেখিনি সময় তেনেদৰে থকা দেখি ঘৈণীয়েক ওচৰলৈ আহি কলে, এনেকৈ থাকিলে হব নেকি ? সিফালে যা যদি বিপিনআতাৰ বাইক অলপ চেনি বা মিঠে দিবা কবি। মই চাউল দুকঠামানকে ভাজো। এটি জটিল সমস্যাৰ পৰা উদ্ধাৰ কৰা বাবে ঘৈণীয়েকক মনতে শলাগি হীৰেনে খংজনে ওলাই যায়।

তেতিয়াও গাওঁৰ চাৰিওফালে কুৱলী ধীৰ গতিত ওপৰলৈ উঠি আছে। নবীন আহে। নবেনে নবীন আৰু মুখিক লাঠি কাটিব পঠায়। নবেন আৰু মটো বাটলৈ ওলায়। ঘুৰলৈ চায়। কোনো মানুহ নেদেখে। চাইফহঁত কেতিয়াবাই গৈছে। হীৰেন যোৱাও বহু সময় হ'ল। 'কি হ'ল কাৰো দেখাদেখি নাই যেখোন।' মটোই কলে।

"তাকেতো ভাবিছো। মানুহবোৰ আহিব খোজা নাই বোধহয়—নবেনে উত্তৰ

দিলে।

কিছু সময় বাটত থিয় দি আকৌ ঘৰলৈ আহে। চিন্তান্বিত হৈ ৰহে। অলপ পিছতে চাইফৰ মাত শুনি দুৱাৰ বাটলৈ ওলাই যায়। মাত্র ৫ জন মানুহ সহ চাইফক দেখি হতাশ হয়। চাইফৰ মুখখন মলিন। নৰেনক দেখি সি তলমুৰ কৰি কলে। নৰেনে ভালদৰে লক্ষ্য কৰি দেখিলে চাইফৰ চকু দুটাৰ পৰা পানী ওলাও ওলাও হৈছে। তাৰ হতাশা মনতে ৰাখি কলে, হৰেনহতৰ পৰাৰ পৰা কমেও কুৰি জন আহিব। চব মিলি ২৫ জন হব। চিন্তাৰ কাৰণ নাই। 'আৰু নাহে নেকি?' মটোই সুধিলে।

নাহে' বুলি কোনেও কোৱা নাই। মোৰ লগত আহিব কোৱাত কলে, আগবাঢ়, চাহ খাই গৈছো।

অলপ পিচত আকবৰ আহে। তাৰ লগত মাত্র তিনিজন। নৰেনক দেখি তলমুৰ কৰে।

মটোৰ ওঠ শুকায়।

নৰেন গম্ভীৰ হয়। চাইফ, আকবৰ আৰু মটোৰপৰা দুষ্টি আঁতৰাই সমুখৰ মাটিলৈ চাই খুব ধীৰ গতিত হীৰেনৰ চোতালৰ ফালে গৈ থাকে।......... যদি হীৰেনহঁতৰ পাৰাৰ ২৫ জনৰ ঠাইত ৫ জন আহে? আজিলৈ স্থগিত ৰাখিব? চাইফ, হীৰেন, আকবৰৰ মনোবল ভাঙে যদি? ইহঁতৰ মনোবল ভাঙিলে ইয়াত সংগঠন গঢ়া কঠিন নহব জানো? আৰু হৰেন-বাছিৰৰ অত্যাচাৰ বৃদ্ধি নহব জানো?—তাৰ চকুৰ আগেদি পাৰহৈ যাব ধৰে বহুত প্ৰশ্নৰ সমদল।

যোগেন আৰু মজিনকলৈ হীৰেন আহে। খঙত অগ্নিশৰ্মা হৈ সি কয়, দাইভৰ, আপনালোক যাওঁক। ভেৰাৰ দলৰহে কষ্ট খাব নালাগে।

'এক মাধবৰ কথাত ঘৰৰপৰা নোলোৱা হৈছে।' মজিনে কলে।

'তাকে আগতে শেষ কৰিব লাগে।' নবীন গৰ্জি উঠিল।

ঠিক কৈছা। এই দালালবোৰক শেষ নকৰিলে একো কৰিব নোৱাৰি।' চাইফে যোগ দিলে।

'ঠিক নহয় কমৰেদ। মূল শত্ৰুৰপৰা দৃষ্টি আঁতৰালে আমাৰ অভিলাস ব্যৰ্থ হব। ইমান সোনকালে অধৈৰ্য্য নহব। কমৰেদ হীৰেন, মানুহবোৰে কি কলে? কিয় নাহিল?' নৰেনে সুধিলে।

'কেইজনমানক মাধৱে হাত কৰিছে। বাকীবোৰে অহাৰ কথা কৈ ঘৰতে আছে। কাৰ কি মতলব বুজিব নোৱাৰিলো।'

নাহে মানে মাটি নাৰাখে। তেনেহলে আমি ক্ষৰাঘৰি যাওঁ। যাৰ টেই আহিছো সি চাওৰ তলিত লুকাই থাকিলে আমি কি কৰিম। আকৰ্ষে কলে।

কথাটো মিছা নহয়। চাইফ আৰুৰহঁতে নিজৰ বাৰে অহা নাই। হীৰেনহঁতৰ পাৰাৰ ২৫ ঘৰ আধিয়াৰৰ দখল কৰাৰ কাৰণে গোটেই ৰাতি কষ্ট কৰি পুৰা ওলাইছে, কিন্তু যিসকলৰ কাৰণে আহিছে সিহঁত নাই। এই অৱস্থাত কি কৰা উচিত হব—নৰেনে তাকে ভাবিছে। কিন্তু কোনেও নাহো বুলি কোৱা নাই। তেনেহলে অহা নাই কিয়? কিহে সিহঁতক বাধা দিছে? হৰেন, ৰঞ্চিৰ, তালেব আৰু মাধৱে? নহয়। হবই নোৱাৰে। নিজেই উত্তৰ দিয়ে আৰু তাৰে এতিয়া কি কৰিব।

এইদৰে ভাবি থাকোতে তাৰ মগজুত এটা বুদ্ধি খেলালে। হঠাৎ উত্তেজিত হৈ চাইফ, হীৰেন আৰু মটোক মাতি কলে, এইবাৰ চব মানুহ আহিব। কথা শুনি আটাইবোৰ মানুহ তাৰ ওচৰলৈ আহে। সি 'ইন কিলাব জিন্দাবাদ', 'কৃষক ঐক্য জিন্দাবাদ' শ্লোগান আৰম্ভ কৰিলে। হাতৰ মুঠি জোকাৰি শ্লোগান লগাই দি গাৱৰফালে খোজ ললে। চাইফ-হীৰেনহঁতৰ পিচে পিচে গৈ থাকে। এটি চুটি সমদল গাৱৰ ভিতৰলৈ যায়। শ্লোগান শুনি বাটৰ দুয়োকাষত গাৱৰ ল'ৰা-ছোৱালীবোৰ থিয় হয়। কিছুবাট গৈ নতুন শ্লোগান আৰম্ভ কৰে—'দখল কৰাৰ আন্দোলনলৈ সকলো আধিয়াৰ ওলাই আহক।' কিছুমান লৰাই সমদলত যোগ দি বাটৰ কাষত সমদল চাই থকা লৰাক সিহঁতৰ মাজলৈ টানি নিয়ে। বিনা প্ৰতিবাদে সিহঁতৰ লগত গৈ থাকে। শ্লোগানৰ আৱাজ শুনি 'কি হৈছে' বুলি বাটলৈ ওলাই অহা কৃষকবোৰে হীৰেনহঁতক দেখি নিজৰ অজ্ঞাতেই সমদলত যোগ দিয়ে। ক্ৰমে শ্লোগানৰ আৱাজ ডাঙৰ হয়। গাৱৰ শেষ সীমাৰপৰা আন এটা বাটেদি হীৰেনৰ ঘৰৰফালে সিহঁত ঘূৰিয়া আগবাঢ়ে তেতিয়া গাৱৰ প্ৰায়বোৰ কৃষক সমদলত যোগ দিছে। নৰেনে পিচলৈ চালে। তাৰ চকুৱে মুখে আনন্দৰ ঢেউ বাগৰি যায়। হীৰেন-চাইফহঁতে পিচলৈ চাই আনন্দত অধিৰ হৈ জপিয়াই জপিয়াই শ্লোগান দিব ধৰে।

যোগেনৰ ঘৈণীয়েকে বাটলৈ ওলাই আহি সিহঁতক চাই থাকে। তাইৰ চকুতো আনন্দৰ ঢেউ উঠিছে।

তেতিয়া কুৱলী পাতলিব ধৰিছে।

পথাৰত। নৰেনৰ নিৰ্দেশত হীৰেন-যোগেনহঁতে মাটিৰ চাৰিসীমা দেখুৱাই দি হাল জুৰিলে। নৰেন-মটো-মুকি একাষৰীয়া হৈ থিয় দি থাকে। তিনিযুৰিমান কৃষকে একেলগে হাল বাব ধৰিলে। সমদলত যোৱা তেকা লৰাবোৰ নৰেনহঁতৰ

ওচৰত থিয় দি চাই থাকে। নাঙলৰ মুঠি টানকৈ ধৰি হীৰেনহঁতে ৰংমনে হাল বাই থাকে। নৰেনৰ মুখত হাঁহি বিৰিঙে।

কিন্তু অলপসময় পিচতে ট্ৰেক্টৰৰ বিকট শব্দই নৰেনৰ হাঁহি কাঢ়ি নিয়ে। সি ঘুৰলৈ চায়, দেখে এখন ট্ৰেক্টৰ সিহঁতৰফালে আহিব ধৰিছে। লৰাবোৰে নৰেনৰ ওচৰ চাপি এবাৰ ট্ৰেক্টৰখনলৈ, এবাৰ নৰেনলৈ চাব ধৰে। সিহঁতৰ মুখ শেতা পৰে। খেতিয়কবোৰে হাল বাখি ট্ৰেক্টৰখনলৈ চাই থাকে। এটা ভয়ংকৰ বনৰীয়া হাতীৰ দৰে ট্ৰেক্টৰখন আহিব ধৰিছে। পথাৰৰ আধাপকা সৰিয়হৰ ওপৰেদি ট্ৰেক্টৰখন আহি থকা দেখি খেতিয়কবোৰে 'ইছ, ইছ, চব ধ্বংস কৰিলে, চব শেষ কৰিলে' আদি শব্দ কৰি চাই থাকে। ভয়ত মুখ শুকাই গৈছে। সিহঁতৰ মনৰ অৱস্থা বুজি নৰেনে আকৌ শ্লোগান আৰম্ভ কৰে।

ট্ৰেক্টৰ ওচৰ চাপি আহে। ট্ৰেক্টৰৰ পিচত প্ৰায় কুৰিজনমান মানুহ। সমুখত তালেৰ আৰু হৰেন মহাজনৰ লৰাটো। মানুহবোৰৰ কান্ধত লাঠি। দুই এজনে বৰ্ষাও আনিছে। কেইজনমানৰ ককালত ভেগাৰ। সিহঁতক টেংকৰ লগত অহা পদাতিক বাহিনী যেন দেখি। ট্ৰেক্টৰে ধ্বংস কৰা শস্যৰ ওপৰেদি খোজ কাঢ়িব লগাৰ কাৰণে সিহঁতে কেতিয়াবা পিচ পৰে আৰু কেতিয়াবা দৌৰি আহি ট্ৰেক্টৰৰ কাষ পায়।

নৰেনৰ ইঙ্গিতত খেতিয়কবোৰে হাল বাখি তাৰ ওচৰলৈ আহে। ডেকাবোৰে লাঠি লৈছে। খেতিয়কবোৰে হালোৱা লক (এছাৰি) হাতত লৈ নৰেনৰ ওচৰত থিয় দিয়ে। নৰেনে কলে, জান গলেও ট্ৰেক্টৰ নমাব নিদিম। আটাইবোৰে ট্ৰেক্টৰৰ সমুখত থিয় দিব লাগিব। ট্ৰেক্টৰখন যিফালেদি আহিব ধৰিছিল নৰেনহঁত সেইফালে গল।

ড্ৰাইভাৰজনে সমুখত বহু মানুহ দেখি ট্ৰেক্টৰৰ বেগ কমাই তালেৰহঁতৰ ফালে চায়। হৰেনৰ লৰাটোৱে মাত লগালে, গৈ থাক। মানুহ নাচাবি।

নৰেনক সমুখত দেখি তালেৰ মানুহৰ মাজলৈ যায়। হৰেনৰ লৰাটোৱে তাৰ কাষ নেৰে। সি মানুহৰ মাজৰপৰা এবাৰ ওলাই আহি চিঞৰি চিঞৰি কয়— বাট এৰি দে। নহলে কথা বেয়া হব।

ট্ৰেক্টৰ নমোৱা নচলিব। আধিয়াৰ উচ্ছেদ নচলিব। নৰেনহঁতে শ্লোগানেৰে তাৰ উত্তৰ দি ট্ৰেক্টৰ অহা বাটত থিয় দিয়ে। ভেতিয়া নৰেনহতৰ পৰা ট্ৰেক্টৰৰ দুৰত্ব মাত্ৰ ৫০ গজমান হব।

ড্ৰাইভাৰজনে আকৌ বেগ কমাই তালেৰহঁতলৈ চায়। হৰেনৰ ল'ৰাটোৱে হাতৰ লাঠি কান্ধত লৈ—ভালে ভালে কৈছো, কোনেও সমুখত নাথাকিবি।

ড্ৰাইভাৰ, গৈ থাকে। ট্ৰেক্টৰ আগবাঢ়ে।

"খবৰদাৰ মাটিৰ সীমাৰ ইপাৰ নহবি। বন্ধ কৰ ট্ৰেক্টৰ—" বজ্ৰ নিনাদে গৰ্জি উঠিল নৰেনে। তেও ট্ৰেক্টৰ আগভেটি ধৰিবলৈ দপদপাই আগবাঢ়ি গ'ল।

নৰেনক এনেদৰে আগবাঢ়ি দেখি কিংকৰ্ত্তব্য বিমূঢ় হোৱা খেতিয়কৰ মাজৰ পৰা মটো, মুক্তি, নবীন, হীৰেনহঁতে হাতৰ হালোৱা লক (এচাৰি) জোকাৰি জোকাৰি "বন্ধ কৰ—খবৰদাৰ" আদি চিঞৰি নৰেনক পিচ পেলাই বেগাই আগবাঢ়িলে ট্ৰেক্টৰ ভেটিবলৈ। বাকী কিজনেও পাচে পাচে লৰ ধৰিলে। জমিৰ পণ্ডিতে উত্তেজিত হৈ পথাৰৰ পকা চপৰা হাতত লৈ ট্ৰেক্টৰৰ লগত অহা দলটোলৈ এটা ফমু'টি মৰাৰ লগে লগে ট্ৰেক্টৰখনৰ ওপৰত চাৰিও পিনে পকা চপৰাৰ জাল ঢাপধুপ পৰিবলৈ ধৰিলে। ড্ৰাইভাৰটোৱে ইঞ্জিন বন্ধ কৰি জাপ মাৰি মাটিত নামি মালিকৰ লৰাজনৰ কাষ পালেগৈ। মালিকৰ লৰাজনে ভেতিয়া প্ৰতিপক্ষৰ পিনে চাই "ৰহ চালাহঁত, এটা এটাকৈ পুলিচৰ হতুৱাই বান্ধি নিয়াম" বুলি গৰ্জি থাকোতে এটা চপৰা আহি তাৰ বাউসীত পৰিল। সি দেখিলে যে অকল হালোৱা খেতিয়ক নহয় আলিৰ কাষৰত থিয় দি থকা মাইকীমতা লৰা-ছোৱালীৰ জুমটোৱেও হীৰেনহঁতৰ পিচে পিচে উত্তেজিত হৈ ট্ৰেক্টৰৰ আৰু সিহঁতৰ পিনে চোঁচা লৈ আহি আছে। তালেৰহঁতৰ পিনে চাই সি কিবা এটা কৰ খোজতেই তালেৰে উধাতু খাই আহি "পুলিচ তুলিচ পিচত হব এতিয়া প্ৰাণ লৈ পলোৱা" বুলি কৈ উভতি লৰ ধৰিলে। হতাশ, ভয় আৰু অস্থিৰ ভাবে সিও তালেৰহঁতৰ লগতে বেগাই খোজ ললে।

অজস্ৰ চপৰা দলিৰ ফমু'টিৰ আঘাতত বং এৰাই যোৱা ট্ৰেক্টৰখন আগচি লৈ হীৰেনহঁতৰ জুমটোৱে শেন যেন হৈ আহি ফেচাটোৰ দৰে উধাতু খাই পলোৱা মহাজনৰ দলটোৰ উদ্দেশ্যে শাওপাত গালি ধিক্কাৰ দি আহিল। বোধহয় চাকৰিৰ মায়াত নতুবা ট্ৰেক্টৰখনৰ মোহ এৰাব নোৱাৰি ৰণত শৰণ দি চুচুক চামাককৈ আকৌ উভতি অহা ট্ৰেক্টৰ ড্ৰাইভাৰজনক নৰেন ড্ৰাইভাৰে দাবি দি কৈছিল —'লৈ যা এইখন পথাৰৰ পৰা।"

হীৰেনে লগৰ মানুহবোৰক কৈছিল—"বল, হালত ধৰোগৈ"

নৰেনে গম্ভীৰ স্বৰে কৈছিল—'যোৱা হালত ধৰাগৈ, হালো বাবা, খেতিও কৰিবা আৰু মাটিও ৰক্ষা কৰিবা—আৰু এনেদৰে ডুবমনৰ লগত যুজ কৰিবও লাগিব ডুবমন একেবাৰে নিৰ্মু'ল নহয় মানে।"

মালিকৰ দলবলৰ বাবা পৰিত্যক্ত ড্ৰাইভাৰজনে ট্ৰেক্টৰখন লাহে লাহে চলাই নিছিল উভতি অহা বাটেদি—হাটে লুটে ধৰা পৰি বাটৰ জনতাৰ হাতত পাইকাৰী হাৰে মাৰ খোৱা পকেটমাৰজনৰ দৰে ভলমূৰকৈ।

—+—

# সোনেশ্বৰ দেউধা

নৱেন দাস

বগৰীজোপাৰ তল পোৱাৰ লগে লগে মোৰ গাটো জিকাৰ খাই উঠিল। ওপৰলৈ চাই দেখিলো, নাওঠ ল'ৰা এটা ডালত বহি ঘুচুৰীয়া বগৰীকে চোবাই আছে।

পিছ মুহূৰ্ত্ততে মোৰ হাঁহি উঠিল, সোনেশ্বৰ দেওধাতো কেতিয়াবাই মৰিল!

বগৰীজোপালৈ চালো। আগৰ দৰেই আছে। কেৱল কিছু ডাঙৰ হ'ল। মূল ডাল এটা কোনোবাই কাটিছে। হয়তো বেছি জোপোহা হোৱা বাবেই।

এই বগৰী জোপাৰ তলতে সোণেশ্বৰে চিঞৰি, কান্দি কান্দি নাচিছিল, জপিয়াইছিল; দাদা মই কি কৰো?

ওচৰত থকা বিলাকে কিৰিলি পাৰি উঠিছিল: সোনেশ্বৰ তই বেলপাত লৈ থাম।

কথাটো মনত পৰাৰ লগে লগে মোৰ চকুহালি সেমেকি উঠিল।

পগলা জক উঠা সোনেশ্বৰ বেলপাত এটা লৈ থামিল ঠিকেই; কিন্তু সিদিনাৰ পৰা তাৰ আন এটা জক আৰম্ভ হ'ল মৃত্যু জক।

এই বগৰী জোপাৰ তলতে সোনেশ্বৰ নামৰ ডেকা ল'ৰাটো পৰি মৰিছিল। এই নিৰ্মম কাহিনীৰ ৰোমন্থনে এতিয়াও মোৰ অন্তৰ চুই যায়। ই কাৰোবাৰ বাবে শোকৰ, কাৰোবাৰ বাবে ৰসৰ। শীতৰ দিনত জুই শালত বহা ডেকা বুঢ়াই দুখেৰে স্মৰণ কৰে। পথাৰত ধান দাওতে, গৰু ৰখোতে, বল খেলোতে, হাউ খেলোতে সোণেশ্বৰৰ কাহিনীয়ে সজীৱতা লাভ কৰে। বজাৰত বোন্দাৰাম হাট খোৱাক খাজনা পাঁচ পইচা কমকৈ দিলে খেৎখেতাই উঠে; বোন্দাৰামক জোকাবলৈ টেকেনা ল'ৰামাখাই ছৰে দিয়ে: সোনেশ্বৰ বেলপাত লৈ থায়। ধনচা বাওঁৰিয়ে ৰবধলা আহাৰ আগজাননী চিঞৰি চিঞৰি ঘোষণা কৰিলে চিঞৰটো কমাবলৈ জৰৰ টামুথু বেপাৰীয়ে টিতকাৰী দিয়ে: দাদা মই কি কৰো? সিফালৰ

পৰা ছুমহ দর্জীৰ জৰাৱ আছে; সোনেশ্বৰ, এক চিকেন চাহ খাই যায়।

আজিও ই এটা জনপ্ৰিয় ককৰা। সোনেশ্বৰৰ নগৰ ছুই এজন এতিয়াও জীৱিত আছে। ভেঙুলোকে ডদমুৰ কৰি কাণপাতি শুনে। তাহানিতে ফিৰোৰ চেঙেলীয়াই সোনেশ্বৰক জোকাইছিল- ভেঙুলোকে এক অপৰাধ বোধত ভুগলৈ মুৰ কৰি দোৰা দোৰিকৈ আঁতৰি যায়।

বামুণ গাৱঁৰ অধ্যাপকৰ ঘৰৰ মাৰৈ পূজাক কেন্দ্ৰ কৰি ঘটিছিল ঘটনাটো। মাৰৈ পূজা বুলি ক'লে গৃহস্থৰ কথাটো বাদেই পূজাৰ নাম শুনা প্ৰত্যেকৰে গা কঁপি থাকে। তাতে খোদ অধ্যাপকৰ ঘৰত। আগদিনাতে বলি দিয়া ম'হটো নিৰলৈ কুৰি মাইল দুৰৈৰ পৰা অ'নন মামা আহি হাজিৰ।

যথাসময়ত পূজা আৰম্ভ হ'ল। বিৰাট আয়োজন। উজৰজীয়া কেকা দেওধা সোনেশ্বৰে পূজাৰ সৌষ্ঠৱ বঢ়াইছে। এটা বেপেকৰা ব্যস্তভাই সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছে। মুখত জপা ছুই ভৰাই কলা পাৰৰ মুৰ চিঙি তেজ পি অমোহৰ ৰূপেৰে তাণ্ডৱ নৃত্য দেখুৱা দেওধাই যেন সকলো সংহাৰ কৰিব ওলাই পিছতে। ঢুলীয়া কালীয়াৰ গাতো ভং নাই—একে দেওধা নাচ ৰ কালীয়াৰ মুখখন ফুলা বেলুনটোৰ নিচিনা হৈছে। বলিদাখন চিকচিকাই আছে। সেন্দুৰেৰে ফোট কেইটাই দাখন বেছি ভয়াবহ কৰি তুলিছে? বলি শালটোও তেল-সেন্দুৰৰ জপ্‌জপীয়া হৈ আছে। বেৰি ধৰা মানুহবোৰৰ দৃষ্টি প্ৰথমতে দাখনত, পিছত বলিশালৰ পৰা বাগৰি ওচৰতে থিয় কৰি ৰখা নোদোকা ক'লা ম'হটোত ৰৈ গৈছে। প্ৰচলিত নিয়ম মতে ম'হটো সজোৱা হৈছে।

যথাসময়ত পুৰোহিতে দা-খনত সষ্টাঙ্গে প্ৰণাম কৰি কঁকালৰ গামোচাৰ গাঠিটো টানকৈ বান্ধি ললে খুতিৰ লোচ ছুটা কঁকালত খুচি ল'লে। ম'হটো লাহে লাহে বলিশাললৈ নৈ যোৱা হ'ল। আয়তী সকলে কঁপা কঁপা কণ্ঠেৰে উৰুলী জোকাৰ দিলে, গৃহস্থৰ মানুহ পূজা মণ্ডপৰ সন্মুখত মাটিত দীঘল দি পৰিল। দেওধাই এহাতে জুই, আনহাতে ক'লা পাৰ এটা লৈ চুলি জোকাৰি নাচিছে। নাচোনত মানুহৰ ৰপ নাই? এক বিৰাট উন্মাদনা।

পুৰোহিতে দাখন দুহাতেৰে খামোচ মাৰি ধৰিলে; নিজৰ গাত চপাকিয়াই ৰুদ্ৰমূৰ্তি ধৰি প্ৰচণ্ড ঘাপ বহৱাই দিলে।

কন্তেকতে এটা গুণগুণনী, এক জয়ধ্বনি বাগৰি গ'ল। ভক্তিপ্ৰৱণ আৰু বহুত মানুহ যি য'ত আছিল মাটিত সাষ্টাঙ্গে প্ৰণাম কৰিলে। বলিশালটো তেজেৰে ধুই পেলালে।

দেওধা জাঁকিয়ে থাকিল। পিছমুহূৰ্ত্ততে পুৰোহিত মাটিত বাগৰি বাগৰি : মৰিলো, বচোৱা প্ৰভু, গৃহস্থৰ দোষ নধৰিবা প্ৰভু বুলি কঁপি কঁপি চিঞৰিবলৈ ধৰিলে। মুহূৰ্ত্ততে হুৱা-দুৱা লাগি পৰিল; কিহৰ পৰা কি হ'ল কোনেও একো ধৰিবই নোৱাৰিলে। গৃহস্থৰ মাজত কন্দা-কটা লাগি পৰিল। বুঢ়া-মেথা, ইষ্ট-কুটুম প্ৰত্যেকে চোতালত দীঘল দি পৰি হুৱাৰৱাৰে কান্দিবলৈ ধৰিলে।

অধ্যাপকৰ ৰবপুতেকে উঠি আহি পুৰোহিতৰ ঠেঙত দীঘল দি পৰিল। তেওঁকে স্বয়ং প্ৰভুজ্ঞান কৰি নিবেদন কৰিলে : প্ৰভু কি দোষ লাগিল ব্যক্ত কৰক প্ৰভু। অভগাক বচাওঁক প্ৰভু, সমস্ত দোষ মৰিষণ কৰক।

ভক্তৰ কাকুতি-মিনতিত পুৰোহিতৰ হৃদয় গলিল; এনে ভাৱ দেখুৱালে, যেন ভগৱানৰ নিৰ্দ্দেশতহে তেওঁ ক্ষান্ত হ'ল। ধ্যানস্থ হৈ বচন দিলে : ত-থা-স্তু। দোষ লাগিছে! মহাদোষ !!

: কি দোষ লাগিছে প্ৰভু ?

: দে-ও-ধা-ক স্থিধি-ব লা-গি-ব। দেওধাৰ জক দুগুণে চৰিল।

: দে-ও-ধা ? কি-দো-ষ ?

দেওধা নিৰ্ব্বিকাৰ। উৎকণ্ঠা দ্ৰুতগতিত বৃদ্ধি।

: দে-ও-ধা, কি-দোষ-বৎ-স-স-ব-ৰ ?

দেওধা আগৰ দৰে নিৰ্ব্বিকাৰ। গৃহস্থৰ সকলোবোৰে মাটিত দীঘলদি পৰি কান্দিবলৈ ধৰিলে : দেওধা, দেওধা, প্ৰভু প্ৰভু !!

পুৰোহিত দেওধাৰ ঠেঙত দীঘল দি পৰিল : দেওধা, দেওধা, প্ৰভু ! কি দোষ বৎস সবৰ ?

নাচি নাচিয়ে দেওধাই কলে : মহা দোষ : কা-ল-কে-তু উপ-বিষ্ট ! বি-ধ বা-ৰ যোগ।

: প্ৰতিকাৰৰ বিধান নাই নেকি প্ৰভু ? সকলোৰে মুখত সৰগ ভাঙি পৰিল।

: প্ৰায়শ্চিত্ত। মহা প্ৰায়শ্চিত্ত।

: কেনেকৈ কেনেকৈ ?

: বৎস সবক সষ্টাঙ্গে প্ৰণাম কৰিবলৈ কোৱা হওঁক।

দেওধাৰ মাতত উঠি বহা মানুহবোৰ পুনৰ ধাচ্ ধাচ্ কৈ মাটিত দীঘল দি পৰিল।

: নিৰ্দ্দেশ লিখি লোৱা হওঁক। দেওধা ওপৰলৈ মুখ কৰি থিয় হ'ল। পুৰোহিতৰ নিৰ্দেশত কাগজ কলম অনোৱা হ'ল। পুৰোহিতে দেওধাৰ বাণী লিখি গ'ল।

: প্ৰথমতে : তিনিটা নিখুঁত নমবৰসৰ কলা পঠা।

: দ্বিতীয়তে : পাঁচ যোৰ ভৰ কলা পাৰ। তৃতীয়ত : এটা গোলা মহ।

চতুৰ্থত : কুৰি দোণ কুণকুণিয়া জহা চাউল। পঞ্চমত : এক্কুৰি ন-টা নাৰিকল। দহ পোণ তামোল, দহটা পাণ, দুখন ফাইন ধুতি, দুটা পাঞ্জাবী চোলা, আৰু অন্তিমত ন-কুৰি নগদ টকা, ধূপ-ধুনা, সেন্দুৰ ইত্যাদি।

বৰ্ণনা শুনি গৃহস্থই থোৰা-কোৰা দেখিলে। এহাতে ছোৱালীৰ বিয়া আনহাতে দেৱতাৰ ৰোষ; ছোৱালীৰ বিধবা যোগ। সন্মত হোৱাত বাহিৰে গত্যন্তৰ নাই।

দেওধাই পুনৰ চুলি জোকাৰি নাচিবলৈ ধৰিলে।

বিষম দেখি গৃহস্থই সন্মতিৰ কথা জনাই দেওধাক দকত পৰিবলৈ বটাত পাণ তামোল আগবঢ়াই অনুৰোধ কৰিলে।

দ্ৰব্যসমূহ পূজা থলিলৈ ননালৈকে দেওধা নাথামে বুলি জানি গৃহস্থই মূৰে কপালে হাত দি বহি পৰিল। ক'ত পায় লাগ বোলোতে গোণা মহ, পঠা, কলা পাৰ?

পুৰোহিতে গৃহস্থৰ অৱস্থা বুজি দেওধাক অনুৰোধ কৰি সামগ্ৰীৰ মূল্যদানত সন্মত কৰালে। দেওধাই বুঢ়া আঙুলিটো লুকাই বাকী চাৰিটা আঙুলি দেখুৱালে।

দান আগবঢ়োৱা হ'ল।

দেওধাৰ প্ৰফুল্ল বদন। গৃহস্থৰ মুখত হাঁহি। ঢুলীয়া ঢলি পৰিল, কালীয়াৰ মাত নোহোৱা হ'ল, পুৰোহিত হতবাক দেওধা নাথামে কিয়?

দেওধাই পুৰোহিতলৈ বাৰে বাৰে চাইছে তেওঁ থামা নিয়মটো পাহৰি গ'ল। দেহ থৰক-বৰক। উপায় বিহীন দেওধাই পুৰোহিতক সুধি পেলালে : দাদা মই কি কৰো?

পুৰোহিতে জাউ উৰি যোৱা যেন পালে। ভয়ত গা থৰথৰাই কঁপিবলৈ ধৰিলে। টেঙৰ পুৰোহিতে গাত দুটা চাপৰ মাৰি খপহকে নিৰ্দ্দেশ দিলে : সোণেশ্বৰ বেলপাত লৈ থাম।

সোণেশ্বৰে হাতত বেলপাত লৈ মাটিত দীঘল হৈ পৰিল।

কথা বুজিলে থতাই। কেইদিনমানৰ ভিতৰতে দাদা আৰু সোণেশ্বৰৰ টেকেলি পেটা গোবিন্দৰ জাল ওঠি খোৱাৰ ফিকিৰটো বাহ্ৰ হৈ পৰিল। উদীয়মান দেওধা ওৰফে সোণেশ্বৰ কতো ওলাব নোৱাৰা হ'ল। ঘৰৰ বাহিৰ হলেই : অ দাদা, মই কি কৰো : সোণেশ্বৰ বেলপাত লৈ থাম। সোণেশ্বৰৰ কাণ খোলা হৈ গ'ল।

: সোণেশ্বৰ কলা পাৰৰ তেজ খাই দেখোন দিনে দিনে ফীপাই গৈছা?

বাস্তাই ঘাটে লগৰ মানুহে লগ পালেই সোধে।

সোণেশ্বৰ ক্ষীণাই যোৱাটো সচাঁ। ঘৰৰ বাহিৰ ওলালেতো কথাই নাই আনকি ঘৰৰ ভিতৰত থাকিও ৰক্ষা পোৱা নাই সোনেশ্বৰে। পিলিঙা মখাইতো কোবাচকে গোৱা আৰম্ভ কৰিছে: সোণেশ্বৰ দেওধা কলা পঠা তিনিটা 'এটা নিলে চোবে, সোণেশ্বৰ পিছে পিছে দৌৰে।

পেটৰ তাড়নাত সোণেশ্বৰ বজাৰলৈ নাহিলে নহয়। কাণত সোপা দি হ'লেও সি পাণৰ গোটা ছুটামান লৈ বজাৰলৈ আহে। আধা বাটৰ পৰাই সোণেশ্বৰৰ উভতি যাওঁ উভতি যাওঁ লাগে।

সোণেশ্বৰৰ 'মেনিয়া' হৈছে, মানুহ দেখিলেই খং উঠে। আজি কালি জোকালেও সি কাকো নামাতে, কেতিয়াবা খঙাল দৃষ্টিৰে চায়। বজাৰত কোনোবাই তাৰ নাম কাঢ়ি মাতিলেও সি চাই থাকে, কেতিয়াবা গালি পাৰে।

বজাৰৰ বগৰী জোপাৰ তলতে সোণেশ্বৰে বেছি ভাগ সময় কটায় কেতিয়াবা তলমূৰ কৰি বহি থাকে, কেতিয়াবা অ দাদা মই কি কৰো বুলি নাচে। তাৰ ফালে কোনোবাই চালে হাতত যি থাকে মাৰি দিয়ে। পিটনো খাইছে তাৰবাবে।

কেতিয়াবা অনাই বনাই ঘূৰি ফুৰে, জোকালেও হাঁহি থাকে; মানুহ দেখিলে হুক হুকাই কান্দি পিন্ধা কাপোৰখন হাতত লৈ দৌৰিবলৈ ধৰে; সি মানুহ দেখিলেই দৌৰে। কথবাত কলা ছাগলী দেখিলে গা-ছুই সেৱা কৰে; আৰু ইফালে সিফালে চাই ভিৰ ভিৰাই দৌৰ দিয়ে।

চৰিৰ আহেনে পৰি আহে। সোণেশ্বৰো পৰি আহিল অলপ দিনৰ ভিতৰতে। শামুকক ধৰি মানুহৰ অখাদ্যকে সোণেশ্বৰে গো-গ্ৰাসে খাবলৈ আৰম্ভ কৰিলে। বজাৰৰ বগৰী জোপাৰ তলতে লেতু সেতু হৈ পৰি থাকে সোণেশ্বৰ নামৰ একালৰ ডজৰজীয়া দেওধাৰ জকাটো ওচৰে পাজৰে অসংখ্য শামুকৰ খোলা; আন আন খোৱা বস্তুও পৰি আছে সিঁচৰতি হৈ। এদিন সোণেশ্বৰৰ শটো জানৰ পাৰত পুতি থোৱা হ'ল; খুব নিৰ্মম সেই দৃশ্য।

বগৰী জোপাৰ পৰা সোণেশ্বৰৰ শৱটো নামি অহা দেখি মোৰ গাঁটো জিকাৰ খাই উঠিল। চকুদুটা মোহাৰি লৈ দেখো যে বগৰী খাই থকা নাঙঠ ল'ৰাটো নামি আহিছে।

—x—

# ৰাতিৰ তপস্যা

—কুমুদকুমাৰ দত্ত

বগীজান চাহ বাগিচাৰ কৰ্মকাৰ লাইনত এটা যেন নোহোৱা নোপজা ঘটনাহে হ'ল। লাইনৰ মানুহৰ কথাটো বাদেই, নিজৰ ঘৈণীয়েক আনকি ল'ৰা-ছোৱালী কেইটাও আচৰিত হ'ল। বিহুৰে আজি মদ খোৱা নাই। কোনো চিঞৰ-বাখৰ, গালি-শপনি পৰা নাই। বেছ গহীন গম্ভীৰ হৈ মনমাৰি পিৰালিতে বহি আছে। সাধাৰণতে সি জেনেদৰে নেথাকে। জুপুকা মাৰি বহি থকা দেখি ঘৈণীয়েক কদমে বিহুৰৰ কাষচাপি আহি সুধিলে

—কামটা হইল কি নাই?

বিহুৰে একো নেমাতিলে। সি অন্যমনস্ক হৈ পদূলিৰ ফালে চাই থাকিল। তাৰ তেনে অৱস্থা দেখি কদমৰ মনত বৰ ভাবে খেলি মেলি লগাই গ'ল। সি আজি ওলাই যাওঁতে তাই বহুত কথা বুজাই পঠাইছিল। সংঘৰ মানুহ আহিব; চিন্তা কৰিব নালাগে। আমাৰ নিজৰ মানুহ যেতিয়া ভয় কৰিবলগীয়াও একো নাই। সংঘৰ মানুহ আহি কি কৰিলে কি নকৰিলে অন্ততঃ তাইক ক'ব লাগিছিল। বিহুৰৰ কিবা অসুখ-বিসুখেই হৈছে নেকি আকৌ! কিছুপৰ বৈ কদমে আকৌ সুধিলে -কি হ'ল—নাই বলছি কেনে? ত'ৰ কিবা বেমাৰ হইছেনেকি? বিহুৰ এইবাৰো নিমাত হৈয়ে থাকিল।

চোতালৰ গেলাকানি ডোখৰত গাহৰি কেইটাই আহাৰ বিচাৰি সোক-সোকাই আছে। কুকুৰা চৰাই কেইটা তেতিয়াও গৰালত সোমোৱা নাই। সৰু পোৱালীকেইটাক লৈ সিহঁত পিত-পিতাই ফুৰিছে। বিহুৰৰ ঘৰটো সৰু এটা একোঠালীয়া ঘৰ। কাষতে এখন বাঁহৰ চালি। তাতে ধানখেৰৰ ওপৰত দৈলাপাৰি বিহুৰৰ বোৱাৰী বুঢ়ীমাক দিনে-ৰাতিয়ে শুইয়ে থাকে। চকুৰে নেদেখে—উঠিব নোৱাৰে। আজৰ বুঢ়ী। বুঢ়ীয়ে কাহি কাহি কফবোৰ বেৰৰ কাষে পেলাই মুখৰ ভিতৰতে ভোৰ-ভোৰাই, বিচনাতে বাগৰ সলালে। খেৰবোৰ খৰমৰাই উঠিল। আহাৰ মাহৰ [illegible] হৈছে বিহুৰৰ ঘৰটোৰ পিচফালে থকা বাহনিকনৰ বাঁহৰ কাঁইটীয়া বজুকা পোকৰ আহি

চকোৰাত বগাই জিকাজোপাত পৰিলহি।

বেলিৰ পোহৰত জিকা ফুলবোৰ জিলিকি উঠিল। বিচুৰহঁতৰ ঘৰৰ সম্মুখতে টিউবৱেল এটা আছে। কৰ্মকাৰ লাইনৰ সকলো মানুহে তাকে ব্যৱহাৰ কৰে। কামজাৰিৰ পৰা আহি মাইকী মানুহবোৰে টিউবৱেলটোৰ কাষতে গা ধুইছে। কিছুমানে বাচন-বৰ্তন ধুইছে। মুখত তুলি কিছুমানে গা-পা ধুই বটুৱাত, কিছুমানে কলহত পানী লৈ ঘৰলৈ উভতিছে। বিচুৰক কেইবাবাৰো মাতিলত—মাতবোল নকৰা দেখি ঘৈণীয়েক কদমৰ খং উঠিল। বাচন-বৰ্তনবোৰ লৈ মুখেৰে একো নামাতি তাই পানীকলটোৰ ওচৰলৈ গ'ল। পানীকলটো মাৰোতে হোৱা কেৰেক্-কেৰেক্ শব্দ, মাইকী মানুহবোৰে মৰা হাঁহিৰ শব্দ, বাচন-বৰ্তন ধোওঁতে লোৱা খুটুং-খাটং শব্দ—এই চিনাকি শব্দবোৰ শুনি তাৰ ভাল নালাগিল। তথাপি সি জুপুকা মাৰি পিৰালীতে বহি থাকিল।

বগীজান বাগিছাৰ কৰ্মকাৰ লাইনৰ আটাইতকৈ ধুৰন্ধৰ, দগবাজ, মদাহী মানুহটোৱেই হ'ল বিচুৰ—বিচুৰ কৰ্মকাৰ। সি বাগানত পাৰমেনেণ্ট্ কাম কৰে। সি দিনে-ৰাতিয়ে মদ খায়; কামত ফাঁকি মাৰে। মদ খাবলৈ নেপালে সি পগলাৰ দৰে হৈ পৰে। যাকে তাকে লগত কাজিয়া কৰে। মদখাই জখম হৈ সি কেইবাবাৰো হস্পিতালত থাকিবলগীয়া হৈছিল। কেতিয়াবা বেছিকৈ মদখাই বেহুচ হৈ ৰাস্তাই ঘাটে পৰি থাকে। বেয়া ব্যৱহাৰ কৰাৰ কাৰণে—বৰচাহাবে তাক কেইবাবাৰো ৱাৰ্ণিং দিছিল। তথাপি সি নেমানে। এনেয়ে ভাল। মদ খালেই সি জন্তুৰ দৰে হৈ পৰে। সাধাৰণ কথাতে চিঞৰ-বাখৰ কৰে। ঘৈণীয়েকক মাৰপিট কৰে। ঘৰৰ বয়-বস্তু দলিয়াই মেলি হুলস্থুলৰ সৃষ্টি কৰে। কেতিয়াবা মন গ'লে জয়ঢোলটো চোতাললৈ উলিয়াই নি ওৰে ৰাতি বজাই থাকে। সি গান গায়; কিন্তু তাৰ সুৰ নাই—কথাৰো কোনো লাগবান্ধ নাই। মুখত যি আহে তাকে গাই যায়। দৰমহা পোৱাৰ দিনা বিচুৰ বেহুচ হৈ থাকে। বোনাচ পোৱাৰ দিনা ল'ৰা-ছোৱালী আৰু ঘৈণীয়েকক কাপোৰ-কানি দিয়ে। এবাৰ অৱশ্যে ঘৈণীয়েকে কোৱাত ৰেডিঅ' এটা কিনিছিল। পাচে এমাহমান থোৱাৰ পাচতে মদ খাবলৈ পইচা নোহোৱা হোৱাত সেইটোও আধা দামতে বেচি দিলে।

বিচুৰৰ ঘৰৰ সা-সম্পত্তি বুলিবলৈ একো নাই। ভাত বন্ধা বটা, খোৱাৰ কাৰণে চিলভাৰৰ সা-সৰঞ্জাম কেইপদমান, জাৰৰ দিনত লবলৈ বাগানে দিয়া কম্বল এখন আছে। বিচুৰৰ গাৰ জোখতকৈ তাতৰ কৰ্মদায়তে পোৱা বিদেশী

পুৰণি দুযোৰ চোলা পেণ্ট আছে। এযোৰ ফাটিছে এযোৰ মলিয়ন। তাৰ আচল ৰং কোন কাহানিবাই হেৰাই গ'ল। বিচনা, খাটিয়া একেবাৰেই নাই— ৰঙা পাৰি মাটিতে যাতি আটাইবোৰ লেৰবাই শুই থাকে। বাগানত কাম নাই যদিও কমল ঘৰত বহি নেথাকে। কলঘৰৰ পৰা চুৰ কৰি অনা গুড়, পচুৱা পেলাই দিয়া চাহ, কেতিয়াবা চৌকীত বুঢ়াপাও খুন্দি তাই চেঁকেলকে গাঁৱলৈ নিয়ে। কেইবাখনো গাঁৱৰ মানুহ কমলৰ চিনাকি। মিতা-মিতিনি-পাতি লৈছে। চাহপাত সদাই তাই থান লয়। খৰি খেৰ, বাৰীৰ আম-কঠাল তাইক বহুতে এনেয়ে দিয়ে। বহুত তাই থান ৰোৱে, দাই, বিয়াই-সবাহে আৰু-তাৰ ঘৰত কাম কৰি তাই দুই এপইচা উলিয়াই থাকে। কেতিয়াবা কাণ্টু কাম ওলালে তাই বাগানতো কাম কৰে। নহ'লে বিজুৰ দৰমহাৰে সিহঁতৰ পৰিয়ালটো পোহপাল দিয়াটো সম্ভৱ নহয়। বিজুৰ বাপেক লালসিং কৰ্মকাৰেও বাগানত কাম কৰিছিল। বাপেক এবছৰৰ আগতে মৰি থাকিল। বাপেকৰ পেন্সনৰ টকা বাগানে দুটা কিস্তিত দিবলৈ ঠিক কৰিলে। প্ৰথম কিস্তিৰ টকা পাই বিজুক খৰ নোৰাৰা হৈ পৰিল। সি এটা মাইক কিনিলে। ৰাতি দিন ৰেম-ৰেমকৈ নোহোৱাকৈ সি মাইক বজাবলৈ ধৰিলে। বাপেকৰ মৰা সকামৰ পাচতো কেইদিনলৈকে সি মাইক বজাই মদ খাই কৰ নোৰাৰা হৈ থাকিল। সেইকেইদিন কৰ্মকাৰ-লাইনত যেন এজন মানুহৰ মৰা সকাম হোৱা নাই—এটা উৎসৱহে হৈছে। দিন বাগৰিল। পইচাও কমি আহিল।

বিজুৰ উৎসৱো লাহে লাহে কমি আহিল। মাইকটো তথাপি সি মাজে মাজে বজাই থাকিল।

এদিন দোকানৰ বাকীত মাৰি দোকানীয়ে বিজুৰ মাইকটোকে লৈ গ'ল। তথাপি বিজুৰ তেনেকৈ চলি থাকিল। ঘৰ-সংসাৰৰ প্ৰতি তাৰ বিশেষ চিন্তা নাই। বিশেষ আৱশ্যক হ'লে সি কেতিয়াবা বাপেকৰ পাবলগীয়া টকাকে উলিয়ায়।

বিজুৰ বয়স বেছি হোৱা নাই। চল্লিছ বছৰমান হৈছে। দেখাত তাক বয়সতকৈ বহু বুঢ়া যেন লাগে। মূৰত ৰঙা এজোপা চুলিৰে ক্ষীণ মানুহটো দেখাতেই দুৰ্বল। অতিপাত মদ খোৱাৰ কাৰণেই তাৰ হাতবোৰ কঁপি থাকে। চকুবোৰ চুলচুলীয়া। গাৰ ছালবোৰ লোতোকা-লোতোক হৈ পৰিছে। সি কেইবা বছৰতেই কমলক পানুৱাই আনিলে। বাপেক লালসিঙে তাক প্ৰথমে কিছু বাধা দিছিল যদিও পিচত একমাত্ৰ ল'ৰা কাৰণে একো নকলে। বাপেক মৰিল। মাক জীয়াই থকা নথকা একেই। বাপেকৰ পেন্সনৰ টকা মাকে বিজুকে দ'বঠাই দিলে।

বিজুৰৰ ল'ৰা-ছোৱালী সাতোটা। ডাঙৰজনী ছোৱালী সুহাগমণি। বাকী কেইটা ল'ৰা। সুহাগমণি ডাঙৰ হ'ল যদিও কেইদিনমানৰ আগতহে তাই চুকুৰী নিৰিখত কামত সোমাইছে। যাক কদমে ল'ৰা-ছোৱালী কেইটাক তাঢ়ুৰাবল স্কুললৈপঠাইছিল। সুহাগমণি স্কুললৈ গৈছিল। কিন্তু বিজুৰৰত্ত ৎপাস্তত পঢ়া-শুনা কৰাৰ সুবিধা নতুবা চিন্তাই সিহঁতে কৰিব নোৱাৰিলে। মদখাই আহি সি কিবা এটা নেপালেই ল'ৰা-ছোৱালী, মাইকী সকলোকে মাৰপিট, কৰিবলৈ আৰম্ভ কৰে। কিতাপ ফালি দলিয়াই লণ্ড-ভণ্ড কৰি চিঞৰ-বাখৰ আৰম্ভ কৰি দিয়ে। কদমে ভয়তে একো নকয়। পহিলাতে বিজুৰৰ অত্যাচাৰ সহিব নোৱাৰি ঘৰলৈ ঘুৰি যোৱাৰ কথাও চিন্তা কৰিছিল। কিন্তু ইমান কেইটা ল'ৰা-ছোৱালী লৈ তাই চলিব কেনেকৈ? ইফালেদি সুহাগমণি ডাঙৰ হৈ আহিল। তাইক চাদি দিব পৰা হ'ল। ল'ৰা এটা ওলাইছে। ল'ৰাটো ভাল। প্ৰথম সন্তান কাৰণেই নেকি সুহাগমণিৰ প্ৰতি বিজুৰৰ মৰম অল্প বেছি। সেয়ে সি তাইৰ বিয়াখন খুম ধামেৰে পাতিবলৈ ঠিক কৰিলে। কদমে টকাৰ কথা কওঁতে সি ক'লে-- বাপেৰ পেঞ্চেনেৰ টাকা বহুত পাভেলে আছে। ঐটাবে চাদি কৰাব। বিজুৰকে তুই কি বলি ভাবচি? কদম নিশ্চিন্ত হ'ল।

শহৰেক লালসিঙৰ পেঞ্চনৰ পাওনা টকা আৰু বহুত পাবলৈ আছে। কথাটো মিছা নহয়। সেইখিনিৰে সুহাগমণিৰ বিয়াখন খুব ভালকৈ পাতিব পৰা যাব।

সন্ধ্যা লাগো লাগো হ'ল।

কদমে পানী-চুনি আনি ভাত ৰান্ধিবলৈ যো-জা কৰিলে। বিজুৰ কিন্তু পিৰালীতে জলকা লাগি বহিয়েই থাকিল। গিৰিয়েক তেনেদৰে বহি থকা দেখি কদমৰ মনটো কেনেবা লাগিল। আজিনো কি হ'ল! কৰবাত কিবা এটা নিশ্চয় হৈছে। তাই ভিতৰৰ পৰা ওলাই আহি বিজুৰৰ কাষতে বহি গাটো জোকাৰি দি সুধিলে—কি হৈছে?

বহুপৰ বিজুৰ নিমাতে থাকিল। তাৰ পাচত কদমলৈ নোচোৱাকৈয়ে ক'লে— আন্ধাৰ হ'ল। ভিতৰে চাকি নাই জলাই কেনে?—তেল নাইখে। কিয়ে জ্বলাব? ভাত এখন হবেকেই। খায়ে শুই থাকব। কদমে কথাখিনি কৈ বিজুৰলৈ চালে। কদমৰ কথাত বিজুৰ যেন শুই থকাৰ পৰা সাৰ পাইহে উঠিল।

—নাই নাই চাকি জ্বালা। আজ কিয়েও ঘুমাতে নাই পাৰবেক। বিজুৰে জেপৰ পৰা টকা ছুটা উলিয়াই দি ক'লে—

হঁয়া এই টাকা ছুটা লেই তেল লেই আন। আৰ, চাকিটা জ্বালাই দে। তাৰ কথা শুনি বৈণীয়েক কদমে ভাবিলে ই পগলা হ'ল নেকি? মদ নেখাই

তাইক কেৰাচিন তেল আনিবলৈ টকা দিছে। কদমে ভাবিলে আজি বোধকৰো সংঘৰ মানুহে তাৰ লেনদেনবোৰ ঠিক কৰি দিলে। আজি বাতি সি চাকি জ্বলাই ফূৰ্ত্তি কৰিব। কদমে সুহাগমণিক টকা দুটা দি দোকানৰ পৰা তেল আনিবলৈ পঠাই দিলে। তাৰ পাচত বিছুৰ কাষতে বহি ক'লে—কি হ'ল আজ চাবাপ নাই খায়েচি?
সুহাগমণিৰ বিয়াখনলৈও বেছি দিন নাই। সেয়ে কদমে আচল কথাটো কি হ'ল জানিবলৈ উৎসুক হৈ সুধিলে—
—কামটা হ'ল কি নাই?
বিছুৰ কিছুসময় নিমাতে থাকি চকুযোৰ টেলেকা কৰি কদমৰ কালে চাই ক'লে—আজকাল মানুহ নাইকিয়া হৈ গেল। চব খুনখাৰা ঠগ চাল্লা। বিছুৰৰ কথা-কেইটাত চৰম বিতৃষ্ণা প্ৰকাশ পালে।

সুহাগমণিৰ বিয়া প্ৰায় ঠিকেই হ'ল। ল'ৰাটো পছন্দ হৈছে। ওচৰৰ বাগান এখনত পাৰ্মানেণ্ট কাম কৰে। বিছুৰেও কথা দিলে। দুৰ্গাপূজাৰ পাচতে বিয়া হ'ব। বিছুৰৰ হাতত টকা নাছিল যদিও চিন্তা নাছিল। বাপেক লালসিঙৰ পেঞ্চনৰ টকা পাবলৈ আছে। সেই টকা উলিয়াই বিয়াখন পাতিব পাৰিব। সেইকাৰণেই সি আগতীয়াকৈ বৰবাবুক টকাৰ কথা ক'লে। বিছুৰৰ কথা শুনি বৰবাবু আচৰিত হৈ উঠিল। —টকা ক'ত পাবি? সদায় নি থাকিলে তোৰ বাপেৰৰ টকা ক'ত থাকিব? বৰবাবুৰ ধমকিত বিছুৰ কিছুপৰ হতভম্ব হৈ পৰিল। তাৰ পাচত সি ক'লে-মই মাজে মাজে টকা উলিয়াও হয় বাবু—কিন্তু গোটেইখিনি টকাতো মই নিয়া নাই।
—নিয়া নাই? বহ, তোক দেখুৱাই দিওঁ।
এইবুলি বৰবাবুৱে ফাইলৰ মাজৰপৰা চিপচহী মৰা কাগজ দেখুৱাই ক'লে—চা হিচাপ কৰ কিমান নিলি!

বিছুৰে লিখিব-পঢ়িব নেজানে। বৰবাবুৱে দেখুৱা কাগজবোৰ সি নেচালে। বৰবাবুৰ কথাত তাৰ মনটো বৰি গ'ল। সিটো ইমানখিনি টকা উলিওৱা নাছিল। বিছুৰৰ সন্দেহ হ'ল। সি উপায়হীন হৈ বৰচাহাবৰ ওচৰ চাপিল। বৰচাহাবে বৰবাবুৱে দেখুৱা কাগজপত্ৰ চাই ক'লে—বৰবাবুৱে ঠিকেই কৈছে। তোৰ দেউতাৰৰ টকা আৰু পাবলগীয়া নাই।

বৰচাহাবৰ কথা শুনি বিছুৰৰ বুকুখন কঁপি উঠিল। সি বাগানৰ মজদুৰ চেক্ৰেটৰী বীৰেণ চাওতাৰ কথাবোৰ ভাঙি-পাতি ক'লে। সিও আকৌ আহি সকলোখিনি চাইবেলি ক'লে—টকাটো তই আগতেই নিলি। মাৰবাহি ক'ব

নোৱাৰা হৈ থাক নহয়! কেতিয়া কিমান নিলি তোৰ মনত আছে জানো?

—আছে। বিষ্ণুৱে কেইবাৰ টকা উলিয়াইছিল হিচাপ দিলে। কিন্তু কাগজে-পত্ৰই তাতকৈ অধিক নিয়াৰ হিচাপ আছে। সেয়ে চেক্ৰেটাৰী চাওকাইও একো কৰিব নোৱাৰিলে। বিষ্ণুৰ অশ্ৰুপাত থং উঠিল। খঙতে সি গৈ মদখাই মাতালহৈ সেইদিনা সকলোকে গালি পাৰিবলৈ ধৰিলে। —লেখতে-পঢ়তে নাই জানি কাৰণে ত'ৰা ইমান ঠগিছ। ৰ ইয়াৰ মজা বাহিৰ কৰব। ত'ৰা মকে টাকা দিতেই লাগবেক। বাপ বলে দিতে লাগবেক। জাল চহী কৰে হামাৰ বাপেৰ টাকা মাৰতে নাই পাৰবি। হামি সংঘ আপিচ যাব।

অৱশেষত বিষ্ণুৱে সংঘৰ অফিচলৈ গৈ তাৰ আপত্তি জনালে। উক্ত কাৰ্যৰ কাৰণে সংঘ অফিচৰ মানুহ পিচদিনাই অহাৰ কথা আছিল যদিও দুদিনমানৰ পাচত আহিল। বিষ্ণুৰক অফিচলৈ মাতি পঠিয়ালে। বৈণীয়েক কদমে মচাই মচাই তাক ক'লে যে সি থং নকৰে। মদখাই নেযায়। নিজৰ মানুহেই চাৰ খেতিয়া চিন্তা নাই আচল কথা ওলাই পৰিব।

বিষ্ণুৱে কদমৰ কথামতেই মদ নেখাই একান্ত শান্তহৈ অফিচলৈ গ'ল। বুকুত এবুকু তাৰ আশা। সংঘৰ মানুহৰ ওপৰত তাৰ বহুত ভৰসা। তাৰ বাপেকৰ পেঞ্চনৰ টকা পাব। সুহাগমণিৰ বিয়াখন পাতিব পাৰিব। ছাড়িয়া গুৱাব। গাহৰি মাৰিব। মাইক বাজিব। সংঘৰ চেক্ৰেটাৰী বাগানৰ চেক্ৰেটাৰী, বৰচাহাব, বৰবাবু সকলোখিনি হিচাপ-নিকাচ কৰাত ব্যস্ত। বিষ্ণু নিৰ্বিকাৰ হৈ থিয় হৈ থাকিল।

এনেদৰে বহুসময় আলোচনা কৰাৰ অন্তত সংঘৰ চেক্ৰেটাৰীয়ে ক'লে লালসিঙৰ নামত পেঞ্চনৰ আৰু পাবলগীয়া টকা নাই। সকলো নিয়া হৈ গৈছে।

নীৰৱে বিষ্ণু ওলাই আহিল। প্ৰচণ্ড শোকে তাৰ বুকু খুন্দা মাৰি ধৰিলে। দেহাটো তাৰ দুৰ্বল যেন লাগিল। বাটত আহোঁতেই সি সেই সিদ্ধান্তটো কৰি পেলালে।

পিৰালীত মুৰগুজি কথাবোৰ ভাবি কদমৰ কাষলৈ চাই ক'লে—বাপেৰ পেঞ্চনেৰ টাকা আৰ পাবেনে নাইখে ব'লে।

—কি? আচৰিত হৈ কদমে সুধিলে।

—সচা কথা। সংঘৰ চেক্ৰেটেৰীটা আবে কহল। ম'ৰ টিপচহী থাকা কাগজগিলা দেখাই কহল— এই দিলা তুই ওলা টাকাৰ হিচাব।

—তুমৰা জেনেহৰে টাকা উঠাই চেৰাপ্‌ খায়ে চেচ্‌ কৰে দিয়েছ?

—নাই কহৰ। হামি মদ খাওঁ। কিন্তু হামি কভু নাই ভুলোঁগ'। হামি

ইমান টকা নাই উলাই। অ'বা কাকি মাৰচি। কিছু সময় বৈ বিছুৱে আকৌ ক'লে— হামি একটা বেলেগ চিন্তা কৰেছি।

—কি কৰেছ? পৰম উৎকণ্ঠাৰে কদমে সুধিলে।

—হামি আৰ মই নাই খাব।

—বিছুৰ কথা শুনি কদমে ডাঙৰকৈ হাঁহি দিলে। মদখোৰ থালত পৰি থকাৰ পৰা তুলি আনোতে, মাৰপিট কৰি প্ৰথম হওঁতে সি মদ নেখাওঁ বুলি কিৰাৰ প্ৰতিজ্ঞা কৰিছিল। পিচে কি হ'ল। পিচদিনাৰ পৰাই সি যথেষ্ট খাবে।

—শুন কদম, একলা ওটাকেই নহয়। সুহাগমণিকেও হামি চাদি নাই দিব।

—কিয়? আচৰিত হৈ কদমে বিছুৰলৈ চালে।

—হামি একটা নতুন কথা ভাবিছ। ওৰাকে হামি পঢ়াব। ওৰাৰ বয়স হলেও পঢ়তে লাগবেক। তুই নাই জানি কদম, আজ হামকে পঢ়া-শুনা কৰা মানুহ পিলাই ঠগ্‌চে। কি ৰকম ঠগ্‌চেন হামি নাই জানি। হামাৰ চেনা-পুনা পঢ়া-শুনা কৰে ঐটা জানতে পাৰব। বিছুৰৰ কথা শুনি কদম নিমাতে ৰ'ল।

বেলি পৰিল। সন্ধিয়াৰ অন্ধকাৰ নামি আহিল। কেৰাচিন তেল এবটল লৈ সুহাগমণি দোকানৰ পৰা আহিল। বিছুৱে পিৰালীৰ পৰা চিঞৰিলে

—চাকিটা জ্বলাই দে।

—x—

# ৰক্তিম পাণ্ডুলিপি

ৰত্নেশ্বৰ মোধ

মঞ্চত প্ৰৱেশ কৰাৰ লগে লগে আমাৰ নায়কৰ সৰ্বশৰীৰ কঁপি উঠিল। হঠাতে যেন সি এটা নাহৰফুটুকী বাঘৰ সন্মুখত হাজিৰ হ'ল। এই নাটক অভিনয়ত এয়া তাৰ প্ৰথম পদক্ষেপ। গাত আওপুৰণি চোলা, আওপুৰণি ঠেঙা। কান্ধত এখন মোনা; ভিতৰত কিতাপ-কাগজ থকা যেন লাগে। মুৰটো পৰিপাটিকৈ আঁচোৰা। বয়স আঠ-দহ বছৰ। সাধাৰণ স্বাস্থ্য-পাতি ভাল। সূত্ৰাধাৰক সাৰথি কৰি লাজ-ভয়-দ্বিধাৰে সি আগবাঢ়িছিল সন্মুখলৈ, য'ত সি পোহৰৰ উমান পাইছে, জীৱনক গঢ় দিয়াৰ নিশ্চিত সম্ভাৱনাৰ ইংগিত পাইছে; কিন্তু মঞ্চৰ কাৰুকাৰ্য্য দেখি তাৰ বুকুখন হমহমাই উঠিল। প্ৰকাণ্ড হাউলিটোৰ ভিতৰত বিৰাট অট্টালিকা এটা। সন্মুখত শাৰী শাৰীকৈ অগণন গছ; সি জনা নজনা অলেখ ফুল। খেৰৰ পুঁজিটোৰ দৰে ধুনীয়া গছ এজোপাৰ চাৰিওফালে ধুনীয়াকৈ কই থোৱা আছে আৰু কিছুমান সেউজীয়া সৰু সৰু গছ। একাষত টিনৰ চালি এখনৰ তলত নীলা ৰঙৰ সৰু মটৰ গাড়ী এখন। দেখাত কোনো মানুহ-দুনুহ নাই। অট্টালিকাটোৰ ওপৰতলাৰ বাৰান্দাত প্ৰকাণ্ড কুকুৰ এটা বৈ আছে ৰাস্তাৰ পিনে মুখ কৰি। হাউলিটোলৈ সোমাবলৈ আছে দুটা বাটঃ এটা ডাঙৰ, আনটো সৰু। দুয়োটাতে আছে লোহাৰ দুৱাৰ। ডাঙৰখনত তলা লগোৱা ভিতৰফালৰ পৰা; সৰুখন এটা আঙঠিৰে বন্ধ কৰা আছে। সূত্ৰাধাৰে খুলিবলৈ আঙঠিটোত হাত দিয়াৰ লগে লগে খটককৈ এটা শব্দ হ'ল আৰু লগে লগে প্ৰকাণ্ড কুকুৰটোৱে ওপৰৰ পৰা হাওঁ হাওঁকৈ ভুকিবলৈ ধৰিলে। তাৰ ভুকভুকনিত চালৰ পাৰচৰাইবোৰ বিশৃংখল ভাৱে উৰা-ঘূৰিলে। শূণ্যত কাউৰী কেইটামানে কা কা কৰিলে। অট্টালিকাটোৰ তলৰ কোঠা এটাৰ পৰা মানুহ এজন ওলাই আহিল। পেটুৱা, ডপা মুৰৰ মানুহ-জনে ধুতি এখনকে লুঙিৰ নিচিনাকৈ পিন্ধিছে।

: কা-ল-উ!

মানুহজনৰ মাতত কুকুৰটো নিশ্চুপ হ'ল। মুখখন মেলি সি উশাহ লবলৈ ধৰিলে। দুই কোৱাৰীৰ কাকেৰে লেউ লেউকৈ ওলাই থকা সুদীৰ্ঘ জিভাখন

দেখাৰ লগে লগে নায়কৰ বুকুখনত কঁপনি উঠিল। ভয়তে তাৰ কান্দি দিবলৈ ইচ্ছা হ'ল; অথচ সি অভিনয় কৰিব লাগে হাঁহি-তামচা-স্ফূৰ্তিৰ। কিন্তু তাৰ এনেহুৱা লাগিল যেন তাৰ মগজুৰ সোৱাদ লবলৈহে জিভাখনে তেনেকৈ লেউ লেউ কৰিছে যেন সুতীক্ষ্ণ জোঙা দাঁত কেইটাৰে তাৰ হাড়-মূৰ কামুৰি স্পঞ্জৰ দৰে জিভাখনৰ সহায়েৰে কুকুৰটোৱে তাক সোমাই দিব পেটৰ নামৰ অন্ধকাৰ গহ্বৰটোলৈ, য'ত আছে অলেখ কেচু-কীট পলু। সি ভয়ে ভয়ে কুকুৰটোলৈ চাই ৰ'ল; সোঁ ভাবিখন, মনটো সান্ত্ব কৰি ৰাখিলে, দৰকাৰ হলে ভুকংকৈ মকৰপৰা সি দৌৰ মাৰিব তাৰ মাকৰ কাষলৈ য'ত অ'তদিনে সি কোনো বিপদৰ পৰা নিৰাপদে থকাৰ সি প্ৰতিশ্ৰুতি পাই আহিছে।

: বন্ধা আছে ব'ল, ভয় নাই।

সূত্ৰধাৰৰ অভয়বাণীত সি কিছু সকাহ পালে। খুলি খুলি সন্মুখৰ পিনে খোজ পেলালে। সি বাওঁহাতে, সূত্ৰধাৰ সোঁহাতে। দুয়ো সমান্তৰাল ভাৱে আগবাঢ়িছে। মাতিপুৱা ন বজাৰ বেলিটো সিহঁতৰ পিছফালে। সিহঁতৰ ছাঁ দুটাই সিহঁতক যেন আগবঢ়াই নিলে প্ৰকাণ্ড অট্টালিকাটোৰ বাৰান্দাখনৰ পিনে। দুয়ো গৈ ছিৰীৰ কাষত থিয় হ'ল। সূত্ৰধাৰৰ আঠুৰ তললৈ মোৱা মাৰ্কিন এখন, হাত চুটি বনিয়ন এটা। সোঁহাতত চাৰি জিটাৰ মান থৰা জপ এটা। দুয়োকো দূৰৈৰ পৰা কোনোবা শিল্পীয়ে শিলত কাটি থোৱা দুটা মূৰ্তি যেন লাগে, অলৰ-অচৰ স্পন্দনহীন। ওপৰৰ বাৰান্দাত গৃহস্বজন। পৰস্পৰলৈ দৃষ্টি নিক্ষেপ কৰিছে।

: ল'ৰা এইটোৱে চাৰ!

মানুহজনে নায়কক গভীৰভাৱে চালে। ভৰিৰ পৰা মূৰলৈ তেওঁ এনেকৈ যেন অদ্ভুত বস্তু এটাহে সূক্ষ্মভাৱে নিৰীক্ষণ কৰিছে। সম্ভৱতঃ নায়ক হোৱাৰ লায়ক হয় নে নহয় তাকেই অধ্যয়ন কৰিছে। নায়কৰ চকুৰ মণি দুটাই ভিৰ্-ৰিৰালে। সাৱধানে সি দুটা ঢোক গিলিলে। তাৰ নায়কৰ চকুৰ নিখাসৰ শব্দ সূত্ৰধাৰেও শুনিলে।

: এই ল'ৰা, কি নাম?

মানুহজনৰ মাতত নায়কে থতমত খালে। তাৰ ওঁঠ দুটা শুকাই গ'ল, বুকুখনে চপচপালে। কোন বকম লেপ গিলি সি কলে; গৌৰাংগ কলিতা। মাতটো অন্তৰ দৰণে কৰুণ হ'ল, চকু দুটা সেমেকি উঠিল। আচলতে তাৰ মনটোৱে কান্দিয়েই আছে; কাৰণ—

কাৰণ এই নাটকত অংশ গ্ৰহণ কৰিবলৈ তাৰ ইচ্ছা নাছিল। তাৰ ইচ্ছা আছিল পঢ়িবলৈ। আন দহজনৰ দৰে হৈ গুড্ডু খেলি, কাণ্টা গুটি খেলি, ইখৰ সিখৰৰ বাৰীৰে আম, জাম, লেটেকু, কঠাল, আনাৰস খাই মনৰীয়াৰে নৈত্তে ডামচা-ফূৰ্ত্তি কৰি পঢ়ি ডাঙৰ মানুহ হ'বলৈ সি হাবিয়াস কৰিছিল।

: খুব পঢ় বাবা, ডাক্তৰ ইঞ্জিনীয়াৰ বা অধ্যাপক হ'ব লাগিব। তেতিয়া সুখত থাকিব পাৰিবি, মানুহে সুধিব। মোৰ দৰে স্কুল মাষ্টৰ হ'লে জীৱনত একো নাপাবি।

জীয়াই থাকোঁতে দেউতাকে গৌৰাংগক বুজাইছিল। সি দিনে ৰাতিয়ে পঢ়িছিল। ঠাণ্ডা-গৰমক আওকাণ কৰিছিল। তাৰ চেমনীয়া মগজুত সৃষ্টি হৈছিল সুন্দৰ ভৱিষ্যতৰ এক ৰঙীন ছবি। সি সপোন দেখিছিল। গৌতম ডাক্তৰৰ দৰে অট্টালিকা সজাৰ, ৰহিম ইঞ্জিনীয়াৰৰ দৰে মক মটৰ কিনাৰ আৰু বৰ্মন অধ্যাপকৰ দৰে প্ৰখ্যাত সাহিত্যিক হোৱাৰ সি কল্পনা কৰিছিল।

: কিতাপ কেনেকৈ লিখে দেউতা ?

এদিনাখন সি দেউতাকক সুধিছিল।

: পঢ়ি-শুনি ল, নিজেই জানিবি।

সকলো কথা খৰছি মাৰি জানিবলৈ গৌৰাংগই চেষ্টা কৰিছিল। দুবুজাখিনি মাক-দেউতাকক সুধি সুধি ব্যস্ত-ব্যস্ত কৰি তুলিছিল। মাক-দেউতাকে বিৰক্তিতে কেতিয়াবা ডেকাহি মাৰি কৈছিল: যা:, কেচ্‌ফেচ্‌কৈ নাথাকিবি।

গৌৰাংগৰ দেউতাকে চাৰিওফালে থকা সমাজখনৰ কথা কোনোদিনে ভৱা নাছিল। কি দৰকাৰ ? মোৰ কথা মই ভাবিম, তোমাৰ কথা তুমি ভাবাছোন, সকলো ঠিক হৈ যাব। আপোন ভালেই জগত ভাল মনোভাবেৰে তেওঁ সীমিত পৰিসৰৰ মাজত নিজেকে যন্ত্ৰ সাজি কাম কৰিছিল নিজ স্বাৰ্থ পূৰণৰ বাবে। মাহে মাহে পোৱা দৰমহাখিনিকে তেওঁ ভাবিছিল জীৱন বুলি, জীৱনৰ নিৰাপত্তা বুলি। তাৰে পুত্ৰ-পৰিবাৰক সুখত ৰাখিবলৈ অহোপুৰুষাৰ্থ কৰিছিল।

আৰু সেইবাবেই তেওঁৰ মৃত্যুৰ পিছত গৌৰাংগহঁতৰ অৱস্থা অধিক শোচনীয় হৈ পৰিল। অনিশ্চিত ভৱিষ্যতৰ আশংকাত গৌৰাংগৰ মাকৰ হৃদয় কঁপি উঠিল। তেওঁ ইখৰ-সিখৰত কাম বিচাৰি ফুৰিবলৈ বাধ্য হ'ল। তথাপিও দুই বেলাই দুই গাঁৱ মিলোৱাটো কঠিন হৈ পৰিল। দুয়োৰে স্বাস্থ্য ভাগি গ'ল। গৌৰাংগৰ মাকে চকুৰে সৰিষাহ ফুল দেখিলে। চিন্তাতে তেওঁৰ টোপনি নোহোৱা হ'ল।

: শোণ, মই মাণিকক মাতিছোঁ বুলি কʼগৈছোন।

এদিনাখন মাকে গৌৰাংগক কলে। গৌৰাংগই ফুকণীয়া ছাগলী পোৱালী এটাৰ দৰে দৌৰী-দৌৰী জপিয়াই জপিয়াই গৈ মাণিকক খবৰটো দিলে।

: কিয় মাতিলা বৌ?

মাণিকৰ মাতত গৌৰাংগৰ মাকৰ নাক আৰু চকুৰে সৰসৰকৈ পানী বৈ আহিল। চাদৰৰ আঁচলেৰে মুখখন ঢাকি ধৰি হুক্ হুক্কৈ কান্দিব ধৰিলে। কোঠাটোৰ নীৰৱতাখিনি হঠাতে নাইকীয়া হʼল। কেৰাচিনৰ চাকিটোৰ শিখাটো কঁপি উঠিল। আধলত শুই থকা মেকুৰীজনীয়ে গৌৰাংগৰ মাকলৈ সহানুভূতিৰে চালে। মাণিক আৰু গৌৰাংগ হতভম্ব হʼল।

: কি হৈছে তোমাৰ? কিয় কান্দিছা?

লাহে লাহে স্থিৰ হʼবলৈ যত্ন কৰি তেওঁ কʼলে : মই এটা অচিন ৰোগত ভুগিছোঁ। হয়তো কিছুদিনৰ ভিতৰতে মৰো মৰি থাকিম। লʼৰাটো তোমাক গটালোঁ, তাক কʼবৰাত থৈ দিয়া।

মাণিকে চহৰৰ সি পাৰৰ দিয়া মানুহখিনিক সুধিলে কামকৰা লʼৰা লাগিব নেকি। বহুতকে নালাগে। আছে। কিছুমানৰ বাবে গৌৰাংগ অনুপযুক্ত। অভিজ্ঞতাহীন। ভাত-আঞ্জা ৰান্ধিব জানিব লাগে, কাপোৰ-কানি, বাচন-বৰ্তন ধোৱাৰ অভ্যাস থাকিব লাগে মাটৰৰ লʼৰাৰ সেইবোৰ কʼত থাকিব? আনৰৰ লʼৰা, নালাগে। অৱশেষত ঠিকাদাৰ বাবুৰ ঘৰত ঠিক হʼল। কাম বিশেষ নাই, গাই দুজনীক দানা-পানী যোগান ধৰিলেই হʼল। লৈ আহিবা, আমাৰতো বনকৰা ছোৱালী আছেই, সি লাং-পাংখিনি কৰিলেই হল; ঠিকাদাৰে কʼলে। হʼব চাৰ, দৰকাৰ হলে সি সকলো কৰিব পাৰিব; পৰিস্থিতি সাপেক্ষে মাণিকে মিছা মাতিলে।

কিন্তু নিৰ্দিষ্ট দিনত গৌৰাংগক নিওঁ বুলি আহি মাণিক বিমোৰত পৰিল। নিজক সংযত কৰি গৌৰাংগৰ মাকে পুতেকক উলিয়াই দিবলৈ যো-জা কৰোঁতে বুজিলে গৌৰাংগ নাই। দুয়ো চাৰিওফালে বিচাৰি চলাথ কৰিলে। ইজন-সিজনক সুধিলেও। গৌৰাংগৰ মাকে কান্দিবলৈ ধৰিলে। কʼবাক যালে-যিলে পৰিলনেকি!

মাণিক বিমূঢ় হʼল। আগৰ ঠাইতে বহি সি ভাবিবলৈ ধৰিলে। কিন্তু হঠাতে পিছফালে সি উচুপনিৰ শব্দ শুনিলে শব্দটো অনুসৰণ কৰি সি দেখিলে—

বাঁহৰ চাংখনৰ তলত গৌৰাংগ উবুৰি হৈ পৰি আছে। তাক বহুৰ

মাজত কিতাপ আৰু বহী। কিতাপবোৰ সাৰটি ধৰি সি উচুপি উচুপি কান্দিছে। চকুপানীত কিতাপবোৰ তিতিছে। বেৰৰ জলোঙাৰে এসোঁতা ৰ'দ আহি তাৰ মুৰটোত পৰিছে। আওহতীয়া ঠাই এডোখৰত নিগনি এটাই চুপ পাতি তাৰ কিতাপবোৰলৈ চাই আছে। মহ কেইটামানে তাৰ উদং পিঠিত নিৰিবিলি ভেজ পি আছে।

: সোণ !

কোনো ৰকম সেপ ঢুকি মাকে মাত দিলে।

গৌৰাংগৰ উচুপনি বেছি হ'ল। তাৰ উচুপনিত চাৰিওদিশ কঁপি উঠিল। মাণিকৰো বুকুখন ভাগি গ'ল। মাক অস্থিৰ। তাৰেই বেদনাত যেন দুঃখী হৈ মহ কেইটাও উৰি গ'ল, নিগনিটোৱে পিছ ঠেং এখনেৰে কুট্-কুট্‌কৈ নাকটো ভুৱাৰমান খজুৱাই চুচুক-চামাক্‌কৈ আঁতৰি গ'ল।

: মই নাযাও, মই ক'লৈকো নাযাও, মই-পঢ়িম মা, মই পঢ়িম...কিতাপ-কাগজবোৰ জোৰেৰে সাৰটি ধৰি সি বেছিকৈহে কান্দিবলৈ ধৰিলে। মাণিক আৰু মাক বুৰ্বক হৈ পৰিল।

: সেইকাৰণেইতো যোৱাটো ভাল হ'ব। ইয়াত পঢ়িবি দূৰৰ কথা, লঘোণে মৰিবি দেখোন ! ভাত খাবলৈয়ো পাবি, পঢ়াৰ সুবিধা মই চব ঠিক কৰি দিম নহয়।

মাণিকৰ আশ্বাসত গৌৰাংগই কিছু প্ৰেৰণা পালে। খাই-বৈ বহী-কিতাপ মোনা এখনত ভৰাই ল'লে। তাৰ পিছত সোঁখন হাতেৰে সি মাকৰ চৰণ চুই প্ৰণাম কৰিলে।

: যা সোণ। দ্বিধা-ভয়-লাজ একো নকৰিবি। গৃহস্থৰ নিৰ্দেশমতে কাম কৰিবি। চাফ-চিকুণকৈ থাকিবি, তেওঁলোকে তোক মৰম কৰিব।

আৰু লগে লগে গৌৰাংগই ধীৰ গতিত এখোজ দুখোজকৈ মকৰ পিনে আগবাঢ়িল। মাণিক আগত, সি পিছত। কাৰো মুখত মাত নাই। বাতিপুৱাৰ কোমল ৰ'দৰ হালধীয়া আভা সিহঁতৰ ওপৰত।

: পঢ়া-শুনা কৰিছিলি নে ?

প্ৰকাণ্ড পেটটো লাৰি লাৰি গৃহস্থজনে সুধিলে।

: ফাইভত পঢ়ি আছোঁ।

: শিকাই-বুজাই ললে ভালেই হ'ব চাব। স্বভাৱ-চৰিত্ৰও ভাল। পাৰিলে তাক অলপ পঢ়াৰ সুবিধা কৰি দিব চাব।

মাণিকে সান্ত্বনাৰে ক'লে,

: হ'ব হ'ব; তোক আ[illegible] বনাম।

মানুহজনে মুখখন বিকৃ[illegible] হাঁহি মাৰিলে। গৌৰাংগৰো ওঁঠ দুটাই মৃদুভাৱে বাগৰ সলালে.

গৌৰাংগই ঠেক কোঠাটোত সোমাই ইকালে-সিকালে চালে। এখন [illegible] খাটিয়া। এটা কোণত কেৰাচিনৰ পুৰণা টিন এটা। টিনটোৰ [illegible]ভিতৰত চাউলৰ দৰে জাতীয় কিবা বস্তু। বগা। ওচৰতে দ্তূপ কৰি থোৱা আছে আন কিবা দুই বস্তা। সি খাটিয়াখনৰ পিনে আগুৱাই গ'ল। হঠাতে মকৰাজাল এখনে তাৰ মুখখন ঢাকি ধৰিলে। দুৰ! গৌৰাংগৰ মুখখন বিতৃষ্ণাত বিকৃত হ'ল। তাৰ শৰত নেফুৰী এটা সাউৎকৈ কোঠাটোৰ পৰা ওলাই গ'ল। তাৰ গা-মন শিয়ঁৰি উঠিল। মুহূৰ্ত্ততে মাকৰ ওচৰলৈ মনটো দৌৰ মাৰিলে। তাৰ চকুৰে পানী ওলাল। সন্মুখৰ বেৰখনত জেঠী এটাই মাখি এটা ধৰিবলৈ আপ্ৰাণ চেষ্টা কৰিছে। জেঠী-টোৱে মাখিটোক খুপি খুপি আক্ৰমণ কৰে, মাখিটো উৰি গৈ আন ঠাইত পৰে; জেঠীটো সেইপিনে আগবাঢ়ে আৰু মাখিটোৱে তাৰপৰাও উৰি যায়। গৌৰাংগই থৰ লাগি সেইপিনে চাই ৰ'ল।

: এ—, তুমি কি কৰিছা?

কাৰোবাৰ মাতত গৌৰাংগ জাপ মাৰি উঠিল। এজনী ছোৱালী। ডাঙৰ। তাৰ ৰবদেউতাকৰ ছোৱালী ৰহিলাৰ দৰে শকত। মাগুৰ বৰণীয়া। চকু দুটা উজ্জল, তিৰ্‌বিৰোৱা। দাঁতকেইটা সৰু সৰু, ধুনীয়া?

: কানি-কাপোৰ সলোৱা। কান্দিছা কিয় ঘৰলৈ মনত পৰিছে? ব'লা মোৰ লগত অলপ কাম কৰিলে ভাল লাগিব। এই প্ৰথম আহিছা নেকি চাকৰি কৰিবলৈ?

গৌৰাংগই বিশেষ একো বুবুজিলে। থেৰো লাগি তাইৰ পিনে চাই ৰ'ল। ছোৱালীজনীৰ হাঁহি মুখখন দেখি তাৰ ভাল লাগিল। কাষত থকা বোনাখন লাৰি লাৰি সি এটা ঢোক গিলিলে।

: তোমাৰ নাম কি?

: গৌৰাংগ কলিতা।

: মোৰ নাম প্ৰমিলা। পৰি বাইদেউ বুলি মাতিবা।

গৌৰাংগৰ হাঁহি উঠিল।

: তোমাৰ দৰমহা কিমান ?

: দৰমহা ? মই পঢ়িবহে আহিছোঁ, দৰমহা কিয় দিব ?

প্ৰমিলাই এটা ম্লান হাঁহি মাৰিলে। থপ্‌কৈ এটা শব্দ হ'ল। দুয়ো ঘূৰি চালে। এটা জেঠী। বেৰখনৰ কাষতে মজিয়াৰ ওপৰত। গৌৰাংগই বুজি পালে, ইতিমধ্যে জেঠীটোৱে মাখিটোক ধৰিলে।

: এই ছাগলী, মেল মাৰি আছ দেখোন ! পীৰিতি কৰিবলৈ লগ পালি হবলা। সোনকালে আহ।

এজনী ঢেপাচ বুঢ়ী। বুঢ়ী মানে, চুলিবোৰহে পকা। বাকী গাল, মুখ পিতলৰ টৌটোৰ দৰে ভৰা, পিচল। শৰীৰটো পকা তিয়ঁহ এটাৰ দৰে তলে-ওপৰে সমান। খোজবোৰ বৃদ্ধ ষাড় গৰুৰ খোজৰ দৰে জোখা জোখা।

: তাক কামবোৰ বুজাই দে। গোহালি, কুকুৰ আৰু নলী নাদৰ পাৰ তাৰ দায়িত্বত থাকিব, বাকীবোৰ তোৰ। তদুপৰি, আমাৰ আল-পৈচান ধৰাৰ উপৰিও দুয়ো দুয়োকে সহায় কৰিব লাগিব। এই ল'ৰা, কাম কৰা অভ্যাস আছে নে নাই ?

বৃদ্ধাৰ কথা কোৱা ভংগী দেখি গৌৰাংগৰ খিক্‌কৈ হাঁহি দিবলৈ ইচ্ছা হ'ল, যেনেকৈ পুহা মহাজনৰ ঘৈণীয়েকৰ কথা কোৱা ভংগী দেখি হাঁহিছিল। সকলো ল'ৰা-ছোৱালীয়ে পুহা মহাজনৰ ঘৈণীয়েকৰ কথাত হাঁহে। বুঢ়ীৰ খং উঠে। তেতিয়া সিহঁতে বেছিকৈ হাঁহে। বুঢ়ীয়ে মাৰি হাতত লৈ খেদে, চৈধ্য পুৰুষ উজাৰি সিহঁতক গালি-গালাজ কৰে। ল'ৰা-ছোৱালীহঁতেও এটা নিৰাপদ দূৰত্বৰ পৰা বুঢ়ীলৈ শিলগুটি দলিয়ায়। কোনোবা এটা সময়ত চাকৰ এটাই সিহঁতক খেদি আহে। সিহঁতে পলাই পত্ৰং দিয়ে। গৌৰাংগই হাঁহি উঠিব বুলি নামাতিলেই।

প্ৰমিলাই তাক দায়িত্ববোৰ বুজাই দিলে।

: আজি কথাবোৰ বুজিহে লোৱা, কালিৰ পৰা কাম কৰিবা। গৌৰাংগৰ হুমুনিয়াহ ওলাল।

দুয়ো পাকঘৰৰ পিনে খোজ ললে। কাৰো মুখত মাত নাই। দুয়ো দুয়োৰো চিন্তাত বিভোৰ। কিছুপৰ পিছত প্ৰমিলাই ক'লে :

এইফালে শুনা।

আওহতীয়া ঠাই এডোখৰলৈ প্ৰমিলাই গৌৰাংগক লৈ গ'ল।

: মানুহখৰ বৰ বেয়া। সাৱধানে থাকিবা। আমি দুয়ো মিলি-জুলি কাম কৰিব লাগিব। মোৰ বিৰুদ্ধে একো নলগাবা।

হঠাতে মূল ঘৰৰ পৰা বিকট চিঞৰৰ ওনা গ'ল ঃ প্ৰ-মী-মি-লা। আৰু কোনোবাই বমি কৰাৰ শব্দ।

প্ৰমিলাই নকলো খুজিলে। গৌৰাংগ হতভম্ব। কাৰোবাৰ কলেৰা হ'ল নেকি? নহয়, মদ খাইছে। কিবা কলেও নাজানিবা নেই। কথাখিনি কাণে কাণে কৈ প্ৰমিলা দৌৰ মাৰি ভিতৰলৈ সোমাল।

কথা-কাণ্ড দেখি গৌৰাংগই থতমত খালে। তাঁৰ হেন মানুহ এটাই খাবাৰ্দা-খনতে ওক্-ওক্‌কৈ বমি কৰিছে আৰু আন মানুহবোৰে একো নভবাকৈ নিজৰ নিজৰ কাম কৰি গৈছে, যেন কাৰো একো হোৱা নাই। খিণ খিণকৈ সি দুখ্যাটো দূৰৰ পৰা চালে। বিজলুৰা পদাৰ্থৰ লগত খিণ লগাকৈ পৰি থকা ভাত-মাংস-বোৰ দেখি তাৰো নাড়ি-ভুৰি ওলাই অহাৰ উপক্ৰম হ'ল। তৎক্ষণাৎ তাৰ চকু আনফালে ঘূৰাই দিলে। তথাপিও মুখখন সেৰেকি উঠিল।

: এই ল'ৰা, এইখিনি চাফা কৰ।

গৌৰাংগৰ' সৰ্বশৰীৰ ঘামি উঠিল। ঘৃণা ক্ষোভ আৰু খঙত সি কঁপিবলৈ ধৰিলে। নিবুদ্ধিতাত ম্ৰিয়মান হ'ল। বাৰে বাৰে মনটো আহিল মাকৰ কথা: গৃহস্থৰ কথামতে চলিবি, তেওঁলোকে মৰম কৰিব।

গৌৰাংগই নিৰ্দিষ্ট ঠাইখিনিলৈ চালে। বমিবোৰ পনীয়া শৌচৰ দৰে চিত হৈ পৰি আছে। মাখি কেইটামানে চাৰিওকালৰ পৰা আক্ৰমণ কৰিবলৈ হেঁগ বিচাৰিছে। মধুৰি আমৰ ডালৰ পৰা কাউৰী কেইটামানে সেইফালে চাই লালসাৰে কা কা কৰিছে।

: কি কৰা যায়।

গৌৰাংগই ভাবি ভাবি উৱাদিহ নোপোৱা হ'ল। বমিবোৰৰ পৰা জেকেটা-জেকেট গোন্ধ এটা আহি তাক অস্থিৰ কৰি তুলিলে। সি ইফালে-সিফালে চালে। নাই। বাহিৰত কাকো নেদেখি সি পলাও বুলি ঠেংখন দাঙিলে; কিন্তু এনেতে—

: এই, কি ভাবি আছ?

কোনোবাই ছটা মাতেৰে সুধিলে আৰু মূৰত সজোৰে গটা মাৰি দিলে। গৌৰাংগই ছিটিকি গৈ ঘৰৰ দেৱালত খবি পৰি বেৰাৰ পৰা নিজকে ৰক্ষা কৰিলে।

: সোনকালে কৰ।

দিনবোৰ বাগৰিবলৈ ধৰিলে। পঢ়াৰ অদম্য হেঁপাহটো গৌৰাংগই বুকুত হেচা মাৰি ৰাখিব লগা হ'ল। দিনটো সি টাকুৰি ঘূৰা দি ঘূৰে। এক মুহূৰ্ত্তও জিৰণি নাই। ক'ৰবাত ছেগ বুজি অকণ বহিব খুজিলেই গৃহস্থৰ যি কোনো এজনে কুকুৰৰ দৰে ভেউ ভেউকৈ উঠে। সাঁজুৱা পৰত ল'ৰা-ছোৱালী কেইটাই পঢ়িব ধৰিলে তাৰ খুব বেয়া লাগে। খিৰিকীৰ কাষত থিয় হৈ পৰ্দাখন ডাঙি সিহঁতলৈ সি ৰ লাগি চাই থাকে। সিহঁতে নেদেখা পৰ্য্যন্ত সি তাত বৈ থাকে। তাৰ হুমুনিয়াহ ওলায়। আগতে মুখস্থ কৰা পদ্যবোৰ মনত পেলাবলৈ চেষ্টা কৰে। সিহঁতে দেখিলে জাঙুৰ খাই উঠে।

: এই, কি চাই আছ ? যা-হ !

সি নোযোৱা দেখিলে সিহঁতে চিঞৰ বাখৰ লগায়।

: আইতা ! গৌৰাংগই আমাক আমনি কৰিছে।

গৌৰাংগই কোভত দেই-পুৰি মৰে। গুজৰি-গুমৰি আঁতৰি যায়। সুবিধা পালেই সিহঁতৰ ওপৰত পোটক তোলে। দুই নম্বৰ ল'ৰাটোক কাণ মলা দিয়ে। নৈ থকা কেচুৱাটোক চিকুটি দিয়ে। খেমালিৰ ছলেৰে এক নম্বৰ ছোৱালীজনীৰ চুলিত টানে। সিহঁতৰ অভিযোগত গৃহস্থৰ বয়স্ক মানুহে তাক গালি-গালাজ কৰে। মাৰে। এদিনাখন সি এনেকৈ খিৰিকীৰ কাষত থিয় হৈ থাকোঁতে পিছ-ফালৰ পৰা বুঢ়ী আহি তাক ছাগলী কোবোৱা দিলে। হঠাতে চক খাই সি দৌৰ মাৰিলে। তাৰ পিছত নলীনাদৰ কাষৰ পৰা মুখখন বিকৃত কৰি বুঢ়ীক ভেঙুচালি কৰিবলৈ ধৰিলে। বুঢ়ী খঙতে তাক মাৰিবলৈ খেদি গ'ল। সি দৌৰ মাৰি এন্ধাৰত অদৃশ্য হ'ল।

: আজিয়েই খেদিম বাছা কুকুৰৰ জাত !

বাতিপুৱা দহ মান বাজিছে। বতৰটো কিছু অস্বাভাৱিক। আকাশত মেঘ আছে। হঠাতে কেতিয়াবা অকণমান সময়ৰ বাবে ৰ'দ ওলায়। তাৰ-পিছত আকৌ গোমা। গৌৰাংগই নিৰ্দিষ্ট ঠাইত গৰুৰ বাবে খেৰ কুটিছিল। মনত মাকলৈ চিন্তা। কোনো খবৰ-বাতৰি নাই বহুত দিন। মাণিকো অহা নাই। কি খাইছে-লৈছে ইত্যাদি। ভাবত বিভোৰ হৈ সি হুচৰ হুচৰকৈ কুটি আছে। একেবাৰে গতানুগতিক। কিন্তু হঠাতে তাৰ আঙুলি এটা কটা গ'ল। আঘাত গভীৰ। তিৰ্‌ তিৰ্‌ কৈ তেজ ওলোৱা দেখি উপায়হীন হৈ সি কান্দিবলৈ ধৰিলে। কান্দোন শুনি প্ৰমিলা দৌৰি আহিল। তেজ দেখি তাইো হতবাক।

: আইতা। আইতা !!

প্ৰমিলাৰ বিকট চিঞৰত গৃহস্থৰ মানুহবোৰ ওচৰ চাপিল। তেজটো দেখি

সিহঁতৰ হাঁহিছে উঠিল। গৌৰাংগই আঙুলীটোত টিপা মাৰি ধৰি মাটিত বাগৰি কান্দিছে। তাৰ গালে-মুখে, কানিৰে-কাপোৰে তেজ।

: বেটাৰ অভিনয় চোৱা।

কোনোবা এটাই ক'লে, বাকীবোৰৰ হাঁহিত নাড়ী-ছিগা অৱস্থা। যেন বান্দৰ নাচ চোৱাৰ সন্তুষ্টি।

: দেখাতহে বেঙা, একেবাৰে টেঙৰ ন'বা।

: সিদিনা কি কৰিছিল জান? কোঠাত ঝাক দিবলৈ গৈ বিকৃত মুখত ভৰাইছিল। পিছফালৰ পৰা দেখি ধৰিলোঁ। গলটোত টিপা মাৰি, বেটা উপায়হীন হৈ ওক্ ওক্—

শ্ৰোতাসকলে খিল্ খিল্কৈ হাঁহি দিলে।

প্ৰমিলাই নাৰ্জি ফুলৰ ডাল-পাত কিছু থেতেলাই গৌৰাংগৰ আঙুলিটোত বান্ধি দিলে। কিছুপৰ পিচত তেজ বন্ধ হ'ল। প্ৰমিলাই তাৰ ভৰি-হাত, কানি-কাপোৰৰ ধুলি-মাকতিবোৰ জোকাৰি পেলালে। তাওনাৰ শেষত আঁতৰি যোৱা দৰ্শকৰ দৰে গৃহস্থৰ মানুহবোৰে একোটা মন্তব্য দি ঘৰ্ষ্যানলৈ গুচি গ'ল।

: মাৰৰ মুৰ খাবলৈ আহিছা! আহা!

প্ৰমিলাই গৌৰাংগক তাৰ কোঠাটোলৈ হাতত ধৰি লৈ গ'ল।

: জিৰণি লোৱা।

গৌৰাংগই বিছনাখনত বাগৰি বাগৰি কিছুপৰ উচুপিলে। তাৰ ঘৰলৈ মনত পৰিল। মাকলৈ গাঁৱৰ সমনীয়াবোৰলৈ। সিহঁতে যেন কানি-কাপোৰ পিন্ধি স্কুললৈ গৈছে। স্কুলত শিক্ষকে অংক শিকাইছে, ইংৰাজী শিকাইছে। সিহঁতে চুপ্‌চাপ্ বহি বহি শুনিছে, শিকিছে। তাৰ হুমুনিয়াহ ওলাল। উঠি গৈ মোনাখনৰ পৰা ইংৰাজী কিতাপখন আনিলে। ইখন হাতেৰে কিতাপখন লৈ পঢ়িবলৈ চেষ্টা কৰিলে।

: এই ন'বা, কি কৰিছ?

হঠাতে কেচুৱাটো লৈ বুঢ়ী গোসাই আহিল।

: মৰিব ওলালি নেকি? ধাৰ ইয়াক।

বুকুৰ ওপৰত কেচুৱাটো বহুৱাই লৈ সি আগৰদৰে পঢ়িবলৈ চেষ্টা কৰিলে। কিন্তু দহ মহীয়া কেঁচুৱা। একেবাৰে অবুজনীয়া। তাক খুব আমনি দিবলৈ ধৰিলে। কিতাপখন টানি নি মুখত সুমুৱাব খোজে। গৌৰাংগ সাৱধান হোৱা

স্বপ্নেও কামত নাহে। অৱশেষত বেৰ আৰু তাৰ মাজত কেঁচুৱাটো বহাই থৈ বহী এখন খেলিবলৈ দিলে। বহীটো পাই কেঁচুৱাটো সন্তুষ্ট হ'ল। গৌৰাংগয়ো আকৌ মনোযোগেৰে পঢ়িবলৈ আৰম্ভ কৰিলে। কিন্তু হঠাৎ এবাৰ কেঁচুৱাটোৱে বহীটো পেলাই দি গৌৰাংগৰ হাতৰ পৰা কিতাপখন টান মাৰি নিলে। গৌৰাংগৰ টিঙিচকৈ খং উঠিল আৰু ধাহকৈ কেঁচুৱাটোক পটা মাৰি দিলে। কেঁচুৱাটো ছিটিকি গৈ মজিয়াত পৰিল আৰু বিকটভাৱে চিঞৰিবলৈ ধৰিলে। তাৰ চিঞৰত শাহু-বোৱাৰী দোৱী আহি হাজিৰ হ'ল।

: খালে খালে, মোৰ সোণটোক খালে!

ইতিমধ্যে গৌৰাংগই কেঁচুৱাটোক তুলি লৈছিল, বোৱাৰীয়েকে তাৰ কোলাৰপৰা আঠ-পিঠকৈ হাত কৰিলে। বুঢ়ীয়ে হুম-তুম নোহোৱাকৈ গৌৰাংগক উধাও-মুধাওকৈ চৰ-চাপৰ-ভুকু সোধালে। গৌৰাংগই আত্মৰক্ষাৰ চেষ্টা কৰিলে। হাতেৰে কাম নিসিজা বুলি ভাবি বুঢ়ীয়ে মাৰি এডালেৰে তাক পিটিবলৈ ধৰিলে, যেন গৌৰাংগৰ দেহত শিল-বৰষুণ পৰিবলৈ আৰম্ভ কৰিলে। সি চিঞৰি চিঞৰি জপিয়াবলৈ ধৰিলে। গাল-মুখ-পিঠি ফালি তেজ ওলাল। তথাপি বুঢ়ী ক্ষান্ত নহয়। সন্ সন্কৈ মাৰি চলি গ'ল। গৌৰাংগ চিঞৰি ৰ'ল। এটা সময়ত তাৰ কটা আঙুলিটোত কোব পৰিল। প্ৰচণ্ড আঘাতত বিকট চিঞৰ মাৰি ধাচ্কৈ সি পৰি গ'ল।

: তোৰ আজি বিধান মাৰিম। ইয়াত তোক পঢ়ুৱাবলৈ ৰাখিছো?

বুঢ়ীয়ে গৌৰাংগৰ আটাইবোৰ বহী কিতাপ নি জুইত লোমাই দিলে। ভাল হৈছে, বুঢ়াই মন্তব্য কৰিলে। ইয়াক খেদিব লাগে মেউতা, বোৱাৰীয়েকে ক'লে। খেদিম নে, বাছাৰ বঙা তেজ ক'লা কৰিম—ফোঁপাই-জোঁপাই বুঢ়ীয়ে ক'লে। ল'ৰা-ছোৱালীহঁতে গৌৰাংগই মাটিত পৰি কন্দাৰ ভাৱ দি দি হাঁহিবলৈ ধৰিলে।

গৌৰাংগৰ আজি-কালি মাত-বোল নাই। বুঢ়ীক দেখিলে ফিচিক্কৈ হাঁহি উঠা স্বভাৱটোও নাইকীয়া হ'ল। সকলো সময়তে সি জলক-তবক দি থাকে। যেন শৰতৰ পিছত হেমন্ত। অনবৰত চৌদিশ ঘূৰ্ণীৰে ৰহস্যময়। মাথো কাম কাম আৰু কাম। ৰাতিপুৱাৰে পৰা ৰাতি দহ বজালৈ। কেতিয়াবা নলী নাদৰ পাৰত বাচন ধুই থাকোঁতেই টোপনি ধৰে, যেনেকৈ চাউল বাছি থাকোঁতে বা কাপোৰত চাবোন দিওঁতে প্ৰমিলাৰ ধৰে। তেতিয়া পিচকালৰ পৰা বুঢ়া বা বুঢ়ী বা গৃহস্থৰ কোনোবা এটাই, নিৰ্মমভাৱে লাঠি মাৰি দিয়ে, সি হামখুৰি খাই পৰে, চুলিনিয়াহ কাঢ়ে আৰু দাঁত কৰচিব মাজে। তাৰ ব্যাকুলতাত পুৰুষেৰ।

মাছুহে তাৰ কাণত টিপে। সি বোল্দা মেকুৰীৰ দৰে গুজৰি উঠে।

: তুমি ইয়াৰপৰা গুচি যোৱা।

প্ৰমিলাই প্ৰায়ে গৌৰাংগক কয়।

গৌৰাংগই কোনো কথা নকয়। ডলমুৰকৈ কিবা ভাবি থাকে

: মোৰ লগত কথা নাপাতা কিয়? ময়ো কিবা কৰিছোঁ নেকি?

*প্ৰমিলাৰ কথাত গৌৰাংগৰ উচুপনি বাহিৰ হয়। ফেকুৰি ফেকুৰি সি কয়: আঙুলিটো ভাজ লাগিল বাইদেউ। এইটোৰে কলম ধৰিব পাৰিম নে?*

চলচলীয়া চকুৰে প্ৰমিলাই গৌৰাংগলৈ চাই থাকে।

গৌৰাংগৰ হঠাতে ভাবান্তৰ ঘটে। হঠাতে মনটো দৃঢ় হৈ পৰে। চকুৰ দৃষ্টি কঠোৰ হয়। দাঁত কৰচি মাৰি সি কয়—কিবা এটা কৰিছে মায় বাপেকে।

পাতল হাঁহি এটা মাৰি প্ৰমিলাই সোধে—কি কৰিবা?

: তাইটিক খালত পেলাই মাৰিম।

মুহূৰ্ততে প্ৰমিলাই গৌৰাংগৰ মুখখনত সোপা দি ধৰে। তাইৰ গোটেই দেহাটো থৰ্‌থৰ্‌কৈ কঁপি উঠে। পেনৰ দৃষ্টিৰে ইফালে-সিফালে চায়।

: এইবোৰ কথা শুনিবলৈ বতাহৰো কাণ থাকে, তুমি নাজানা?

: মাৰিব সিহঁতে? মাৰক।

প্ৰমিলাই গৌৰাংগৰ ওপৰত তীক্ষ্ন নজৰ ৰাখিব লগা হৈছে। লঁৰাটো শুকাই-ক্ষীণাই একেবাৰে কিবাটো হৈ পৰিছে। তাৰ আগৰ চেহেৰা, গাৰ বং একো নাই। গাৰঁৰ পৰা কোনোবা আহিলে তাক চিনিবই নোৱাৰিব। কাম-বনতো আগৰদৰে উৎসাহ নাই। কিবাবোৰ ভাবি থাকে। সকলো কামতে বিচ্যুতি ঘটে। মুখটো খিংখিঙীয়া হৈছে। কোনোবাই কিবা কলেই ওপৰাই প্ৰতিবাদ কৰে। বিনিময়ত মাৰ খায়। প্ৰতিশোধ হিচাপে সি বোৱাৰ ছলতে কাচৰ বাচন-বৰ্তন ভাঙে। কথাটো বুজি প্ৰমিলাৰো ভাল লাগে। মুখ চিপি হাঁহে।

: এইখিনি খোৱা।

কেতিয়াবা হাতৰ টিপতে প্ৰমিলাই ভজা মাছৰ টুকুৰা এটা গৌৰাংগক দিয়ে। মাছ-মাংস-কণী-গাখীৰ আদি কালি তুমো গোপনে গোপনে খোৱা কৰিছে। নহলে সিহঁতৰ আগলৈ কোনো দিনে নোজোৰে। বস্তা হোৱাৰ পিছতে বুঢ়ীয়ে আহি খোৱা ঘৰলৈ গোটেইখিনি ভাগি নিয়ে। কেতিয়াবা ব'লে পায়, নহলে নাই।

: অসময়ত তোমাৰ কিয় পিয়াহ লাগে? লোৱা।

নলীনাদৰ পাৰতে বুদ্ধি কৰি প্ৰমিলাই গৌৰাংগক গৰম গাখীৰ এগিলাচ দিয়ে। গৌৰাংগই বুজি পায় গাখীৰ গিলাচ ঘোট্ ঘোট্কৈ পি উঠি সি সোধে : মোলৈ তোমাৰ কিয় ইমান মৰম হৈছে ?

প্ৰমিলাই অংগি-ভংগি দেখুৱাই কয় : ডাঙৰ হোৱা, শকত হোৱা ; বল হওক। প্ৰতিশোধ ল'ব লাগিব। দাদাচাৰকো মাৰিব লাগিব ; পাৰিবা নে ?

: দাদাচাৰক ?

গৌৰাংগ আচৰিত হয়।

: কি ?

হঠাতে কোনোবা এজন আহিল। কথা বন্ধ হ'ল।

ৰাতিপুৱা উঠিয়ে দেউতাচাৰে প্ৰমিলাক কলে : গৌৰাংগক আজি দুখন ৰুটি দে, চাহো বেছিকৈ ; কাম আছে। প্ৰমিলা আচৰিত হ'ল। গৌৰাংগও। আনদিনাও সি কাম কৰে ; কিন্তু কোনোদিনেতো এনেকৈ এইখন ঘৰৰ কোনো এজনে মুখৰ মাত আষাৰকে ভালকৈ নিদিয়ে ! প্ৰমিলাই কিবা ৰহস্যৰ উমান পালে। তথাপিও নীৰৱে বুঢ়াৰ নিৰ্দেশ অনুসৰি গৌৰাংগক চাহ-ৰুটি দিলে। চকুৰে কিবা এটা ইংগিতো দিলে ; গৌৰাংগই বোধহয় নুবুজিলে, নিৰ্বিকাৰভাৱে খাই ৰ'ল।

: কোৰখন ল, গামালাটো ল।

বুঢ়াই গৌৰাংগক নিৰ্দেশ দিলে।

: ইয়াৰপৰা মাটি কাটি সেই খালটো পুতিব লাগিব। খুব দুৰ্গন্ধ ওলায় অ', তইঁতে নাপাৱ জানো ? দুপৰীয়া ভাত খোৱাৰ আগতে হ'ব লাগিব ; নহলে কিন্তু আজি ভাত খাব নোৱাৰিবি। বুঢ়াই হুকুমটো দি ভিতৰ সোমাল।

গৌৰাংগই কাম আৰম্ভ কৰিলে। মানুহ হিচাবে গামলাটো ডাঙৰে হৈছে। তথাপিও কৰ্-ৰকাই সেইটোৰেই সি মাটি কঢ়িয়াবলৈ ধৰিলে। প্ৰথমতে কাটি কাটি ভৰাই লয় ; তাৰপিছত ককালত ভাজ দি কথমপি মূৰত তোলে। এনেকৈ চলি আছে। খালৰ একোৱে হোৱা নাই। পাঁচ ফুট দহ ফুট মাপৰ খাল। দুই ফুটমান দ। গৌৰাংগৰ ভাগৰ লাগিছে। ঘামি-জামি জুকলা-জুপুৰা হৈছে। তথাপি কাম এৰা নাই। মাজে মাজে গামলাটো তুলি ল'ব খোজোঁতে সি পৰি যাব খোজে। বিশ মিনিট, আধা ঘণ্টাৰ মূৰে মূৰে বুঢ়াই আহি কামৰ তদাৰকি কৰিছে।

: কি অ' আধাই হোৱা নাই দেখোন ! বেছি বেছিকৈ ল।

গৌৰাংগই একো নকয় । ৰঙা পৰা চকুৰে বুঢ়ালৈ গহীনভাৱে চাই মাত্ৰ । প্ৰমিলাৰ বেয়া লাগে । বুঢ়াৰ মুখখনত ভাতৰ গৰম নিশানি মাৰি দিবলৈ ইচ্ছা হয় ।

: এই থালটো সি অকলে কেনেকৈ মাৰিব দেউতাচাৰ ?

পাকঘৰৰ পৰা ওলাই আহি প্ৰমিলাই লাহেকৈ ক'লে ।

: অকলে ?

বুঢ়াই গেঙেৰি মাৰি উঠিল ।

: মই লাগিমনেকি তাৰ লগত ? নে তই লাগিবি ?

: মই লাগিব পাৰোঁ দেউতাচাৰ ; ভাত-আঞ্জাও হৈছে ।

বুঢ়াই আচৰিত ধৰণে হাঁহি এটা মাৰি সম্মতি জনালে । প্ৰ মাৰি চাদৰৰ আঁচলটো ককালত খুঁচি ল'লে । লেতেৰা গামোচা এখনেৰে মেৰ মাৰি এটা কোধৰা সাজিলে । আন গামলা লৈ হাঁহি হাঁহি গৌৰাংগৰ ওচৰ চাপিল ।

: কাটি কাটি ভৰাই দিয়া, ; মই কঢ়িয়াম ।

বুঢ়াই কিছুসময় হাঁহি হাঁহি প্ৰমিলালৈ চালে । বিশেষকৈ দুই হাত ভাঙি গামলাটো ধৰি বেগাই খোজ কাঢ়োঁতে প্ৰমিলাৰ বুকুখনে চঞ্চলভাৱে উঠা-নমা কৰে । বুঢ়াই সেইপিনেই লালসাৰে চাই আছিল । প্ৰমিলাই ইচ্ছাকৃতভাৱে দুবাৰ-মান থু পেলালে ; বুঢ়া আঁতৰি গ'ল ।

: আমি এনেকৈ ইহঁতক বহাবও লাগিব ।

প্ৰমিলাই ক'লে

: কেনেকৈ ?

কোৰখন ওলৰলৈ ভাঙি গৌৰাংগই সুধিলে ।

পুখুৰীটোৰ পাৰতে চজিনা গছ জোপা । ঠিক দক্ষিণ-পশ্চিম কোণটোত । গছজোপা লঠঙা । পাত এটাও নাই, ডালবোৰ নাঙঠ হৈ আছে । এটা ডালত এটা বৰটোকোলা । ভেউকা ভুখন আধা মেলা অৱস্থাত ।

চজিনাজোপাৰ তলত গৌৰাংগই কুকুৰটোক দৈনিক গা-ধুৱাই দিয়ে । কুকুৰটো বান্ধি কন্তেকপৰ সি গছজোপাৰ তলত বহিল । কুকুৰটোৰ গা-মুৰ পিহি পিহি দৈনিক কিৰা-কিৰি কুকুৰটোক কয় । মনৰ কথা উজাৰি দি তাৰ ভাল লাগে । কুকুৰটো নেজ জোকাৰি জোকাৰি বৈ থাকে । কৌতুয়াৰা সি গৌৰাংগৰ লৈতে

খেমালি কৰে। দুয়ো ইতিমধ্যে বন্ধু হৈ পৰিছে। গৌৰাংগই কুকুৰটোৰ গলটোত আলফুলে সাৰটি ধৰি ক'লে : তই মোক বেয়া নাপাবি আক'। মই তোতকৈয়ো অধম হৈ আছোঁ। মই—

: গৌৰাংগ !

: গৌৰাংগই উভতি চাই দেখে, প্ৰমিলা।

: তৎক্ষাণাত অহা। তোমাৰ মাণিক খুড়া আহিছে।

গৌৰাংগই দৌৰ মাৰিব খুজিছিল; কিন্তু কুকুৰটোৱে বাধা দিলে।

: অসম্ভৱ। এক তাৰিখৰ আগতে এক পইচাও দিব নোৱাৰো।

বুঢ়াই বাঢ়ভাৱে কৈছে বাৰান্দাৰ ওপৰৰ পৰা।

নহয় চাৰ, মাকজনীৰ খুব টান। দুটকা হলেও দিয়ক। মইটো আছোঁৱে। দৰকাৰ হলে মই গাধীৰেৰে পৰিশোধ কৰিম।

মাণিকে আধলিয়াৰ পৰা সান্ত্বনয়ে ক'লে।

: মই বেছি কথা নকওঁ, তুমি জানো নে নাজানা ?

কথাখিনি কৈ বুঢ়া ভিতৰ সোমাই গ'ল। তেওঁ ইমান আস্ফালন কৰি গ'ল যে কিবা হোৱা বুলি ওপৰত কুকুৰটোৱে ভুগিবলৈ ধৰিলে। কুকুৰৰ ভুকভুকনিত ছালৰ পাৰচৰাইবোৰে বিশৃংখলভাৱে উৰা মাৰিলে।

: কা-ল-উ !

গৌৰাংগৰ মাতত কুকুৰটো নিশ্চুপ হ'ল।

: তোৰ লগত পইচা আছেনেকি ?

: মাণিকে গৌৰাংগক সুধিলে ! গৌৰাংগই প্ৰমিলালৈ চালে। প্ৰমিলাৰো মনটো মৰহি গ'ল।

: মায়েৰাৰ অৱস্থা বেয়া। কিমান দিন লঘোণে আছে ঠিক নাই। মোৰো অভাৱ। কিবা এটা কৰিবি।

কথাখিনি মুখস্থ মতাদি কৈ মাণিক গোঁ-গোৱাই ওলাই গ'ল।

সন্ধিয়া নলীনাদৰ পাৰত বাচন ধুই থাকোঁতে প্ৰমিলাই গৈ গৌৰাংগক কাণে কাণে সুধিলে : অকলে যাব পাৰিবা নে ?

: পাৰিম।

গৌৰাংগই চমুকৈ উত্তৰ দিলে।

: মানুহ উঠাৰ আগতে আহি পাবানে ?

: পাম।

: বাকীখিনি কৰিম। তুমি মাত্র কালুক মই ভাত খুৱাই থকা সময়খিনিতে চুপি চুপি গেটখন পাৰ হ'বা। ভয় নকৰিবা। মই তোমাক যি কোনো পৰিস্থিতিতে সহায় কৰিম।

হাতত পাঁচ কিলোগ্রাম ওজনৰ এটা টোপোলা। হলেও গৌৰাংগই অতি সংগোপনে আগবাঢ়িছিল; কিন্তু লোহ দুৱাৰৰ আঙুঠিটো বন্ধ কৰিব খোজোঁতে খটক্‌কৈ এটা শব্দ হ'ল। শব্দটো গৈ কুকুৰটো আৰু তিতপ্ৰভৰ টোখনি বহা বুঢ়াৰ কাণত পৰিল। কুকুৰটোৱে ভুকভুকাই উঠিল। কুকুৰৰ ভুকভুকনিত গৌৰাংগই ভিৰাই দৌৰ মাৰিলে।

চোৰ! চোৰ!!

বুঢ়া চিঞৰি চিঞৰি ওলাই আহিল। বুঢ়াৰ চিঞৰত বাকীবোৰো ওলাল। আটাইবোৰে ওপৰতলাৰ বাৰান্দাৰ পৰা ৰাস্তালৈ চালে।

: সৌৱা দৌৰিছে দৌৰিছে, কুকুৰটো এৰি দে।

: কুকুৰটোক মই ভাত খুৱাই আছিলোঁ দেউতাচাৰ!

প্ৰমিলাৰ কথালৈ কাণ নিদি কোনোবাই কুকুৰটো এৰি দিলে। সিও এটা যমদূতৰ দৰে হাওঁ হাওঁকৈ নামি গ'ল। প্ৰমিলায়ো এক মুহূৰ্ত্ত কাল নষ্ট নকৰি কুকুৰটোৰ পিছে পিছে দৌৰী দৌৰী চিঞৰি গ'ল:

কা—ল—উ—

গৌৰাংগ আগে আগে দৌৰিছে
তাৰপিছত কুকুৰটো।
আৰু তাৰপিছত প্ৰমিলা।
ৰাস্তাত আন প্ৰাণী এটাও নাই।

ওপৰতলাৰ পৰা সিহঁতে দিখিলে, হঠাতে গৌৰাংগই উজুটি খাই পৰি গ'ল। তাৰ হাতৰপৰা টোপোলাটো ছিটিকি গৈ নৰ্দমাত পৰিল। হাওঁ হাওঁকৈ কুকুৰটো গৈ গৌৰাংগৰ ওচৰ পালে। গৌৰাংগই উঠিবলৈ চেষ্টা কৰিও পৰা নাই। প্ৰমিলাই পিছফালৰ পৰা কালু কালুকৈ চিঞৰি দৌৰিছে। তাই গৌৰাংগৰ পৰা দূৰৈত। কুকুৰটো ওচৰতে। কুকুৰটোৱে গৌৰাংগক ভৰিৰ পৰা মূৰলৈকে শুঙিলে। তাৰপিছত মূৰটো তাঙি ইফালে-সিফালে চালে তাৰপিছত গজগজনে গৈ নৰ্দমাৰ পৰা টোপোলাটো কামুৰি আনি গৌৰাংগৰ কাষত থলে। কুকুৰটোক সাৱটি ধৰিচুমা খালে আৰু লগে লগে টোপোলাটো লৈ সন্মুখৰ ফালে দৌৰিবলৈ ধৰিলে। কুকুৰটোৱেও দৌৰিলে গৌৰাংগৰ পিছে পিছে।

: বন্দুকটো আন। চব বিশ্বাসঘাটকৰ দল।

কোনোবাই বন্দুকটো আনি ধ্যাক দিলে। হঠাতে নিশাৰ নীৰৱতা ভংগ কৰি এটা ভীষণ শব্দ হ'ল। কুকুৰটোৱে কেঁৎকৈ উঠিল। প্ৰমিলাই চিঞৰি দিলে: গো-বাং-গ! তাৰপিছত আৰু দুটা শব্দ।

হঠাতে চহৰখনত লোড ছেডিং আৰম্ভ হ'ল।

চাৰিওফালে গভীৰ অন্ধকাৰ। অভিনয়ৰ শেষত যেন প্ৰেক্ষাগৃহত নীৰৱে বহি থকা দৰ্শকৰ সন্মুখত প্ৰকাণ্ড ক'লা পৰ্দা।

পিছদিনা ৰাতিপুৱাৰ পোহৰত পঢ়া-শুনাৰ লেঠা নোহোৱা নাণ্ঠ ল'ৰা-ছোৱালী কিছুমানে ৰাজপথতে টোপোলা এটা পাই খুলি চালে। টোপোলাটোৰ ভিতৰত ভাত-ৰুটি-মাছভজা আদি খাদ্য সমগ্ৰী মজুত আছিল। হায় ভগবান! সিহঁত আচৰিত হ'ল। এনেকুৱা বস্তু সিহঁতে জীৱনত কোনো দিনে দেখা নাই। সিহঁতে টনা-আজোৰাকৈ সেইবোৰ খাবলৈ আৰম্ভ কৰিলে।

---

# কমল ককাইদেউৰ কথাৰে

মুকুট ভট্টাচাৰ্য্য

বহুত বছৰৰ পাছত কমল ককাইদেউক হঠাতে আজি লগ পাই মোৰ মনত যি ধুমুহাৰ সৃষ্টি হৈছে সেয়া ভাষাৰে প্ৰকাশ কৰিবলৈ মই অপাৰগ। কি কুক্ষণত যে আজি মোৰ তেওঁৰ সতে দেখা-দেখি হ'ল ! কমল ককাইদেউক ইমান দিনৰ মূৰত এনেদৰে লগ নোপোৱা হ'লেই ভাল আছিল।

একালত যিজন মানুহক খন্তেক লগ পাবলৈ আমি বহুতেই উৰাউল হৈ পৰিছিলো, যিজন কমল ককাইদেউৰ সতে দুষাৰ কথা পাতি, একেলগে ফুৰিবলৈ পাই গৌৰৱবোধ কৰিছিলো, সেইজন কমল ককাইদেউক দেখিয়েই আজি মোৰ হৃদয় অপ্ৰকাশ্য বেদনাৰে ব্যথিত। সময় তথা বাস্তৱৰ নিষ্ঠুৰতাত কেতিয়াও ভাগি নপৰিব বুলি ভাবি থকা মযো বাস্তৱৰ এই অভাৱনীয় ৰূপৰ সতে মুখামুখি হ'বলৈ টান পাইছোঁ।

সেই তাহানিৰে পৰাই কমল ককাইদেউ একপ্ৰকাৰ ব্যতিক্ৰম। সৰ্বসাধাৰণৰ বাবে যি কাম দুঃসাধ্য অথবা অগ্ৰহণীয় তেনেবোৰ কাম কৰিবৰ বাবে কমল ককাইদেউৰ মন উদ্‌ভ্ৰান্ত। তেনে কামৰ বাবে জীৱন বিপন্ন কৰিবলৈকো তেওঁ কুণ্ঠাবোধ নকৰিছিল।

কমল ককাইদেউক মই লগ পাইছিলো আমাৰ স্কুলৰ এজন অগ্ৰজ ছাত্ৰ হিচাপে। মই নতুনকৈ আহি পঞ্চম শ্ৰেণীত নাম লিখাওঁতে কমল ককাইদেৱে সেইখন স্কুলৰ পৰাই প্ৰথম বিভাগত মাইনৰ পাছ কৰি সপ্তম মানত ভৰ্তি হৈছিল। লগৰ ভালেকেইজন ইয়াত নপঢ়ি বেলেগ স্কুললৈ গ'ল, তেওঁ থাকিল। আমাতকৈ দুটা শ্ৰেণীৰ ওপৰত পঢ়িলেও তেওঁক আমি নাম কাঢ়ি নামাতি কমল ককাইদেউ বুলিছিলো। আনকি মষ্টমানৰ ছাত্ৰয়ো কমল ককাইদেউ বুলিহে মাতিছিল। সেয়া তেতিয়াৰ নিয়মেই।

কমল ককাইদেউৰ কথা ইতিমধ্যে মই কিবা-কিবি শুনিছিলো। এদিন টিফিনৰ সময়ত ওচৰতে থকা ছাত্ৰাবাসটোলৈ যাওঁতে কমল ককাইদেউৰ লগত

মোৰ পৰিচয় ঘটিছিল। পাছলৈ সেইটো ছাত্ৰাবাসলৈ টিফিনৰ সময়ত যোৱাটো মোৰ নিত্য-নৈমিত্তিক কৰ্ত্তব্য যেনেই হৈ পৰিছিল।

এদিনাখন কিবা এটা বিষয় লৈ ছাত্ৰাবাসত কেইজনমান ছাত্ৰৰ বিতৰ্ক চলিছিল—তাত কমল ককাইদেউ আৰু ময়ো আছিলো। কমল ককাইদেৱে বিষয়টোৰ ওপৰত মন্তব্য দিয়াত বাকী ছাত্ৰ কেইজনে মন্তব্যটো ভুল বুলি জানিও কমল ককাইদেউৰ কথাৰ প্ৰতিবাদ কৰা নাছিল। হয়তোবা কমল ককাইদেউলৈ ভয় কৰিলে। মই তুলনামূলকভাবে কমল ককাইদেউক তেতিয়ালৈকে কম জানিছিলো বাবেই জোৰ প্ৰতিবাদ কৰি সাহসেৰে থিয় দিছিলো। কমল ককাইদেউ খঙত টিঙিৰি তুলা হৈ মোৰ গালত এটা কাথ চৰ বহুৱাই দিছিল। সেই চৰৰ কথা মই আজিও পাহৰিব পৰা নাই। কমল ককাইদেউৰ কথা মনলৈ আহিলেই সেই চৰৰ ফৰফৰণি আজিৰ এই যৌৱনোত্তৰ বয়সতো মোৰ অনুভূত হয়।

আকৌ গতানুগতিকভাবে স্কুললৈ অহা-যোৱা কৰিবলৈ ধৰিছিলো। টিফিন নালাগে আন কোনো সময়তে সেই ছাত্ৰাবাসলৈ নোযোৱাৰ দৃঢ় সিদ্ধান্ত লৈ পেলাইছিলো।

কোনোবা এদিন—স্কুল ছুটীৰ পাছত কোবা-কুবিকৈ ঘৰলৈ খোজ চলাইছো, বতৰটো ভাৱৰীয়া আছিল। গুৰু-গম্ভীৰ স্বৰে পাছ ফালৰ পৰা কোনোবাই 'মাখন' বুলি মোক নাম কাঢ়ি মতা শুনি ঘূৰি চাই কমল ককাইদেউক দেখি বুকুখন চিৰিং কৈ উঠিল। কমল ককাইদেৱে অনুৰোধৰ সুৰত ক'লে,

: অলপ ৰ'বিচোন......

যোৱাৰ কথা নাভাবিলেও আপোনা-আপুনি ভৰি অচল হৈ গ'ল; মোৰ লগৰ আনকেইজনবো। কমল ককাইদেৱে পুনৰ ক'লে,

: সেইদিনা মোৰ বৰ ভুল হৈ গ'ল অ' মাখন—তই মোক ক্ষমা কৰ।

কথা কেইআষাৰ কৈয়ে কমল ককাইদেৱে দুয়োখন হাতেৰে মোৰ হাত এখন আকোঁৱালী ধৰিলে। একো ক'ব নোৱাৰি বেঙাৰ দৰে মই কমল ককাইদেউৰ মুখলৈ চাই থাকিলো। তেওঁ মোৰ লগৰ কেইজনক নিৰ্দেশ দিলে,

: তহঁত যাগৈ, মাখন মোৰ হোষ্টেলত সোমাই যাব।

মোৰ ফালে চাই পুনৰ কমল ককাইদেৱে ক'লে,

: মোৰ খুউব বেয়া লাগিছে। গোটেইবোৰ ল'ৰাই মোৰ বাবেই তই হোষ্টেললৈ যাবলৈ এৰিছ বুলি ভাবিছে।

কমল ককাইদেউৰ মুখলৈ ভালকৈ নিৰীক্ষণ কৰি দেখিলো বস্তবটোৰ প্ৰবেই গোৱা, যেন এই বৰ্ষবিৰ। তথাপি মই ক'লো,

: আজি বস্তবাটো অতি বেয়া—মোৰ বৰকৈ ভোকো লাগিছে। কমল ককাইদেৱে কলে,

: মোৰ মনটো বস্তবটোতকৈ কম বেয়া হৈ আছে বুলি ভই ভাবিছ নেকি? ব'ল মোৰ তাতে কিবা এটা খাই যাবি।

আৰু একো নকৈ কমল ককাইদেউৰ পাছে পাছে গৈ ছাত্ৰাবাস পালেগৈ। নিবাসীসকলে মিচিকি হাঁহিৰে মোক স্বাগত-সম্ভাষণ জনালে। কথা অৱশ্যে কোনেও নাপাতিলে-হয়তোবা কমল ককাইদেউ লগত থকাৰ বাবেই।

কমল ককাইদেউক কোনো দিনেই অথলা হৈ থকা দেখ নাই। আটক ধুনীয়াকৈ পৰিপাতি হৈ থকাটো কমল ককাইদেউৰ অভ্যাস। তেতিয়াৰ সেই গাঁৱলীয়া অঞ্চলৰ স্কুলখনৰ ওচৰত ধোবা আদিৰ নিগাজি বাসস্থান নথকাতো পাঁচ মাইল নিলগৰ চাহ বাগিচাৰ ধোবাৰ ঘৰত তেওঁ নিয়মিত কাপোৰ ধোৱাইছিল। এইবোৰ ধোবা বাগিচাৰ চাহাব মেনেজাৰে বেলেগ ঠাইৰ পৰা অনাই লোৱা। সেই কালত আমাৰ স্কুলত সপ্তম মানৰ ছাত্ৰহে নালাগে সহকাৰী প্ৰধান শিক্ষকজনৰ বাহিৰে আন কোনো শিক্ষকেই ধোবাই ধোৱা কাপোৰ নিপিন্ধিছিল। বহুতেই ধোবাই ধোৱা কাপোৰ পিন্ধাটো একপ্ৰকাৰ বিলাসিতা বুলিহে ঠাৱৰ কৰিছিল।

কমল ককাইদেউ বছৰেকীয়া পৰীক্ষাত সেইবাৰ প্ৰথম হৈছে। মই ষষ্ঠ-মানলৈ দ্বিতীয় হৈছো। কমল ককাইদেউ অষ্টমমান শ্ৰেণীত পঢ়ি থাকোঁতেই আমাৰ শ্ৰেণীৰ এজন বঁড়ং নিবাসী ছাত্ৰক সহকাৰী প্ৰধান শিক্ষক তথা বঁড়ং চুপাবিণ্টেণ্ডেণ্টে পলমকৈ শুই উঠাৰ অপৰাধত বৰ বেয়াকৈ মাৰ ধৰ কৰিছিল। চুপাবৰ প্ৰহাৰত ল'ৰাজনৰ কাণ এখন ছিগি গৈছিল। পাছ দিনাই ল'ৰাজনে হোষ্টেল তথা স্কুল চিৰদিনৰ বাবে এৰি গাঁৱৰ ঘৰলৈ গুচি গৈছিল। দুৰ্ঘটনা-টোৱে কমল ককাইদেউৰ মন চুপাবৰ প্ৰতি বিতৃষ্ণাবে ভৰাই তুলিছিল। সেই ঘটনাৰ পাছৰ পৰা কমল ককাইদেৱে চুপাবক অৱজ্ঞাৰ চকুৰে চাবলৈ লৈছিল। সহকাৰী প্ৰধান শিক্ষক তথা চুপাবৰ নাম শুনিলেই ছাত্ৰৰ চুলিৰ আগেৰে ঘাম উৰে। কোনো ছাত্ৰই চকুলৈ চাই কথা ক'বলৈ সাহস নকৰা চুপাবক কমল ককাইদেৱে সেইদিনা বহুত কিবা-কিবি কৈছিল। কমল ককাইদেউৰ যুক্তি মোৰ চুপাবেও একো মাতিব পৰা নাছিল। ল'ৰাটোৰ কষ্টত কমল ককাইদেউক ইমান

বেছিকৈ আঘাত পাইছিল যে তেওঁ স্বাভাৱিকভাবে পঢ়া-শুনাই কৰিব নোৱাৰি-ছিল। পাছদিনা ক্লাছত ইংৰাজীৰ পাঠ দিব নোৱাৰাৰ বাবে সুযোগ পাই ছুপাৰে কমল ককাইদেউক ককর্থনা কৰি কৈছিল,

: কমল, তইতো পঢ়িবলৈ অহা নাই—তই স্কুল জলাবলৈহে আহিছ।

সকলোকে হতবাক কৰি নিৰ্ভীকভাবে কমল ককাইদেৱে উত্তৰ দিছিল,

: ছাৰ, স্কুল জলাবলৈ অহা হ'লে হাতত কিতাপ নানি জুই লৈ আহিলোহেতেন।

শ্ৰেণীৰ ভিতৰতে সহকাৰী প্ৰধান শিক্ষকৰ মুখে মুখে কথা কোৱাৰ স্পৰ্ধাত তেওঁ অতীষ্ঠহে সেইদিনা তিনিডাল বেত ছিগি শেষ হৈ যোৱাকৈ কমল ককাইদেউক পাৰে-মানে কোবাইছিল। গোটেই স্কুলৰ ল'ৰা-ছোৱালী কিবা এক অজান আতংকত শিয়ঁৰি উঠিছিল। কমল ককাইদেউৰ সমগ্ৰ শৰীৰ তেজেৰে ৰাঙলী। ইস্ত্ৰি কৰি থোৱা ধপধপীয়া বগা কামিজৰ ওপৰত জিলিকি উঠা ৰঙা তেজে আমাৰ মুৰ আচন্দ্ৰাই কৰিছিল।

পাছদিনা বহু দেৰিলৈকে কমল ককাইদেউ শুই উঠা নাছিল। প্ৰথমবাৰ ছুপাৰ আহি শুই থকা বুলি জানিও একো নকৈ ঘূৰি গৈছিল। দ্বিতীয় বাৰ আহি উঠিবলৈ আদেশ দিছিল আৰু কমল ককাইদেৱে মুখ ধুবৰ বাবে টেবুলত যত্নাই থোৱা পানী মাগ বিচনালৈ মাৰি পঠাইছিল। কমল ককাইদেউ বিচনাৰ পৰা উঠি প্ৰধান শিক্ষকৰ বেতডাল কাঢ়ি লৈছিল আৰু তেওঁক গতিয়াই কমৰ পৰা বাহিৰ কৰি দিছিল। তাৰ পাছত ধীৰে-সুস্থিৰে মুখ-হাত ধুই টালি টোপোলা বান্ধি ওচৰৰে নেপালী হোটেলখনত চাহ একাপ খাই গাঁৱৰ ঘৰলৈ খোজ চলাইছিল। কিতাপ পত্ৰৰ ট্ৰাংক আৰু বিচনা আদি সেই চাহ দোকানতে থৈ গৈছিল।

সহকাৰী প্ৰধান শিক্ষক ছাৰো কেইবাদিনো ক্লাছলৈ অহা নাছিল—খঙত, লাজত নে বেজাৰত নাজানো।

তাৰ পাছৰ কেইবছৰ মান কমল ককাইদেউ অতিপাত উদণ্ড আৰু বে-পৰোৱা হৈ উঠিছিল। গাঁৱৰ যি কোনো ব্যক্তি তেওঁৰ মুখামুখি হ'লে ভীতি-বিহ্বল হৈ পৰিছিল। ইথন গাঁৱৰ কোনোবা এজনে মদ খাই মাতলামী কৰোতে কমল ককাইদেৱে একেটা চৰতে তিনিটা দাঁত সৰুৱাই দিলে। নিজ গাঁৱৰ কোনোবা ছুজনমানে খিত-মাত কৰিলে বুলিহে, নহ'লে কমল ককাইদেৱে বগা ঘৰত ভাত খোৱাটো একপ্ৰকাৰ-খাটাঙেই আছিল।

সমাজৰ নিয়ম-কানুন উফৰা কৰি কমল ককাইদেৱে চাহবাগানৰ লাইনে লাইনে ঘুৰি 'হাড়িয়া'ৰ ভূতি লৈছিল, ওৰে নিশা মাং পাতি খেলিছিল; ঝুমুৰ শিকিছিল। বনুৱা গাভৰুৰ সৈতে নাচৰ ছেও মিলাইছিল।

সদায় নতুনৰ গতি থকা ভাল পোৱা কমল ককাইদেউক এই বে-পাৰ্গ্যা জীৱনেও কম দিনতে আমুৰালে। তেওঁ এদিন ডিব্ৰুৰ বেলৰে বৰ্কছপত প্ৰশিক্ষাৰ্থী হিচাপে যোগ দিলেগৈ। সকলোৱে ভাবিলে অন্ততঃ কমল ককাইদেউৰ এটা গতি লাগিল, বহুতেই ভাবিছিল—গাঁৱত ডাঙৰ হোৱা কমল ককাইদেউ এইবাৰ চহৰলৈ গৈ শান্ত হৈ পৰিব; ইতিমধ্যে বয়সেওতো কিছু বুজনি দিছে। ডিব্ৰুলৈ আহি দৰাচলতে কমল ককাইদেউৰ নব জন্মই হ'ল। কিন্তু সেয়া সৰ্বসাধাৰণে ভবাৰ দৰে বুলিব নোৱাৰি।

ইতিমধ্যে আমি কেইবাজনেও প্ৰৱেশিকা পাছ কৰি কলেজত নাম লিখাইছিলো। তাত পঢ়ি থকা দিন কেইটাত কমল ককাইদেউক আগতকৈ ঘনিষ্ঠভাৱে লগ পাইছিলো। আমি থকা মেছটোলৈ কমল ককাইদেউ প্ৰায়েই আহিছিল। তাৰে মোৰ দূৰ সম্পৰ্কীয় ককাই এজনো আছিল কালি মাজে সময়ে ছুটিকৈ আহি ওলাই এৰাতি দুৰাতি থাকি যায়হি। এইজন ককাইদেউ এসময়ৰ বৰ কৃতি ছাত্ৰ আছিল—স্বাধীনতা সংগ্ৰামত অংশ গ্ৰহণ কৰাৰ বাবে কটন কলেজ এৰিছিল আৰু শেষলৈ কমিউনিষ্ট হৈছিলগৈ। আমাৰ মেছতে কমল ককাইদেউৰ সতে এওঁৰ সাধাৰণ পৰিচয় ঘটিছিল। এইজন মানুহৰ সতে চিনাকি হ'বলৈ পোৱাৰ পৰা কমল ককাইদেৱে মোক বেছিকৈ বিচৰা যেন লাগিছিল। কেতিয়াবা কেতিয়াবা কমল ককাইদেৱে মোক চিনেমা চাবলৈকো লগ ধৰে। প্ৰায়কেইটা চিনেমা হলতে কমল ককাইদেউক হলৰ মালিক অথবা মেনেজাৰে বিনা টিকটে বিশেষ শ্ৰেণীত বহুৱাই দিছিল। মাজে সময়ে খোৱা বস্তুও যাচিছিলহি। মোক লগত নিলেও কমল ককাইদেৱে টিকট কাটিব নালাগে। কমল ককাইদেউৰ চিনেমা হলত প্ৰতিপত্তি প্ৰতিষ্ঠিত হোৱাৰো এক কাহিনী আছে।

চিনেমা হলবোৰত সাধাৰণতে একো একোজন গুণ্ডা প্ৰকৃতিৰ মানুহক পেট ভিতৰ জন্য কিবা অথবা পদত হলৰ মালিকে নিযুক্তি দিয়ে। জনসাধাৰণ অৰ্থাৎ দৰ্শক কোনো কাৰণত বিক্ষুব্ধ হৈ পৰিলে সেই বেতনভোগী গুণ্ডাই নিয়ন্ত্ৰণ কৰে। তেনে পৰিস্থিতিতে এজন বেতনভোগী গুণ্ডাৰ সতে কমল ককাইদেউৰ কোনোবা এদিন কাজিয়া হৈছিল আৰু কমল ককাইদেউৰ প্ৰহাৰত সেই গুণ্ডাজন অজ্ঞান হৈ পৰিছিল।

কিন্তু সাধাৰণতে গুণ্ডাবিলাকৰ নিজা দল থাকে। প্ৰতিশোধ লোৱাৰ অভিপ্ৰায়েৰে দলৰ লগ-লাগি এদিন সন্ধিয়া গৈ কমল ককাইদেউক ঘৰতে ঘেৰাও কৰি ধৰিছিল। বে-পৰোৱা কমল ককাইদেৱে থৰি ফলা কুঠাৰ এখন লৈ দলৰ মুৰব্বীটোক পূৰ্ণহতীয়া কোব এটা সোধাৰাৰ লগে লগে গোটেই দলটো ফাঁকি ছিটিকা দিলে। কিছু দূৰলৈ খেদা মাৰি গৈ কমল ককাইদেউ পুনৰ ঘূৰি ঘৰ সোমালহি। এই ঘটনাক উপলক্ষ কৰিয়েই কমল ককাইদেউৰ অসীম শকতিৰ কথা কিম্বদন্তিৰ দৰে সমগ্ৰ চহৰতে বিয়পি পৰিল আৰু তেতিয়াৰ পৰাই চিনেমা হলবোৰৰ মালিক কৰ্মচাৰী সকলোৱে তেওঁলৈ ভয় আৰু সমীহ কৰিবলৈ ল'লে।

ৰৰ্কছপত প্ৰশিক্ষণ লৈ থাকোঁতেই কমল ককাইদেৱে সাম্যবাদী দলৰ মানুহ লগ পাইছিল কিন্তু তেতিয়া সেই আদৰ্শৰ প্ৰতি তেওঁৰ কোনো আকৰ্ষণো দেখা নগৈছিল অথবা বিকৰ্ষণো। আমাৰ সেই কমিউনিষ্ট ককাইদেউৰ প্ৰতি যে তেওঁ কিছু আকৃষ্ট সেই কথা মই ধৰিব পাৰিছিলো। মোকো তেওঁ বৰ বেছিকৈ ভাল পাই যোৱা যেন লাগিছিল।

পূজা-পাৰ্বনৰ বন্ধত কমল ককাইদেউৰ সতে মই প্ৰায়েই ঘৰলৈ আহিছিলো। বন্ধবোৰত আহোঁতে কমল ককাইদেউ সেই তাহানিৰ স্কুলীয়া কালৰ দৰেই মুখৰ হৈ পৰে।

আমাৰ গাঁৱৰ পৰা মাইলচেৰেক দূৰৰ চাহ-বাগিচাখনত বাগানৰ বনুৱাসকলে অতি উলহ-মালহেৰে দুৰ্গা পূজা পাতে। পূজাৰ প্ৰতিটো দিনতে বেয়া বতৰৰ প্ৰতিবন্ধক-তাকো নেওচি কমল ককাইদেউ পূজা চাবলৈ গৈছিল আৰু মোকো জোৰকৈ হ'লেও লগত নিছিল। মই কলেজত পঢ়াৰ পাছতো এইদৰে তেওঁলোকৰ দৃষ্টিত বজকৰা ল'ৰা এটাৰ সতে ঘূৰি ফুৰাটো মা-দাদাহঁতৰ বাবে অতিশয় অসন্মানৰ কথা। অথচ মাইতক অসন্তুষ্ট নকৰো বুলি ভাবি মাজে মাজে হয়ো নাযাওঁ বুলি ভাবিলেও কমল ককাইদেউৰ ব্যক্তিত্বত থকা অসাধাৰণ আকৰ্ষণৰ বাবেই নাযাওঁ বুলি ক'ব পৰা নাছিলো।

পূজা মণ্ডপৰ কাষৰ এটা খেৰী ঘৰত বগা পৰ্দা তৰি চিনেমা দেখুৱাইছিল। চাৰিওফালে চাহ-মিঠাই, মনোহাৰী সামগ্ৰীৰে জিলিকি থকা দোকানে পৰিবেশক ঠাইডোখৰলৈ এক নতুন মাদকতা আনিছিল। আপেক্ষিকভাবে আওহতীয়া ঠাই এডোখৰত কেইবাজাকো বনুৱা ডেকা-গাভৰু বৃত্তাকাৰ হৈ ঝুমুৰ নাচিছিল। কিন্‌কিনিয়া বৰখুন আৰু আদিনেহহীয়া সেমেকা বতৰৰ কথা তেতিয়া আৰি·

পাহৰি গৈছিলো। ভৰিৰ সক গাঁঠি পৰ্য্যন্ত আমি বোকাত সোমাইছিলো। বহুৰা ডেকা-গাভৰুৰ পদ চালনাত ঘাঁহ-বন মাৰি মাটি উন্মুক্ত হৈ পৰিছিল।

কিবা এক অবুজ উত্তেজনাত সেই অনামী শিল্পীসকলৰ কাষে কাষে মই ঘূৰি ফুৰিছিলো।

চঞ্চল গতিৰে এজনী বহুৰা গাভৰু আমাৰ কাষলৈ ল'ৰি আহি ক'লেহি,

: কিবে, কমলবাবু, আমাদেৰ সংগে ঝুমুৰ নাচবি ?

: হঁ, সজনী, ঝুমুৰ নাচব বলেইত আচছি, কেনে মই নাচব ? তুই কাহাঁচে আলি ? হামিন ত' তোকে খুজতে হাইৰাণ।

: এইত, টুকুনটা লাউপানী খাইকে আলি। মাইৰে, পৰবেৰ দিন থোৰা নাই পীলে মনটা ঠিক নাই লাগে।

: আচ্ছা, হামনিকে তামোল নাইদিবি নাকি ?

: কেনে নাই দিবি—লেকিন তোৰ ঐ বাবুটা আমাদেৰ তামোল খাবেক ?

: কেনে নাই খাবেক—ই আমাৰ ভাই।

সজনীয়ে তাইৰ বঙা শাৰীৰ খোচনিৰ ৰূপালি টেমাৰ পৰা খপাত মিহলি চুণৰ তামোল উলিয়াই আমাক আথে-বেথে দিছিল। খাবলৈ মোৰ কেনেবা কেনেবা লাগিলেও কমল ককাইদেৱে পৰম আগ্ৰহ আৰু তৃপ্তিৰে খোৱালৈ চাই ময়ো মুখত ভৰালো। নাখালেতো নচলিব, মই যে তেওঁৰ 'ভাই'। মোৰ তামোল খোৱালৈ চাই সজনীয়ে খিলখিলাই হাঁহিছিল।

এটা সময়ত কমল ককাইদেউ বহুৰা শিল্পীসকলৰ ঝুমুৰ নৃত্যৰ অংগ হৈ পৰিছিল। সেই অপূৰ্ব সমাবেশলৈ মোক বহুতেই বাৰে বাৰে আন্তৰিক আমন্ত্ৰণ জনালেও মই বিমূঢ় হৈ থিয় দি থকাৰ বাহিৰে একো কৰিব পৰা নাছিলো। বহু ৰাতিলৈকে উদগ্ৰ উদ্যমেৰে ঝুমুৰ চলিছিল। কাৰৰ ঘৰ এটাত ৰাখি থোৱা লাউপানী (মদ) নাচৰ বিৰতিৰ সুযোগত প্ৰায় প্ৰতিজনেই পি আহিছিল। শেষ ৰাতিলৈ কমল ককাইদেউ নিচাত একেবাৰে উন্মত্ত হৈ পৰিছিল। তেওঁ অশালীন কথা-বতৰা আৰু কাম-কাজে মোক বিৰক্ত কৰিছিল। নাচৰ শেষত কমল ককাইদেউৰ ঘৰলৈ ঘূৰিব পৰাৰ অৱস্থা নাছিল। মই একেবাৰে নিৰুপায় হৈ পৰিলো—চিনেমা শেষ হোৱাত প্ৰায়বোৰ মানুহেই ঘৰা-ঘৰি গুচি গ'ল। অপ্ৰকৃতিস্থ কমল ককাইদেউকতো এইদৰে অকলে এৰি থাব মই অন্তত: নোৱাৰো। সজনীবো নিচা হৈছিল যথেষ্ট। তথাপি কোনোমতে কমল ককাইদেউৰ হাত এখন নিজৰ ডিঙিত মেৰিয়াই লৈ তাই মোক উদ্দেশী ক'লে,

: তোৰ দাদাকে হাদি হাযাব লাইনেৰ ঘৰে লৈ যাব। তুই কোনো ফিকিৰ নাই কৰিবি। তাৰ অলপ নিচা বেছি হৈ গ'ল। তুই বাবু মাহুহ— আমাৰ ঘৰে থাকিব নাই পাৰিবি। কমল বাবুৱে কিন্তু এই চৰ পৰোৱা নকৰে।

সজনীৰ এই নিৰ্ভীক ব্যৱহাৰ, নিভাজ প্ৰীতি আৰু কৰ্তব্যনিষ্ঠা দেখি মই অভিভূত হৈ গ'লো। ইতিমধ্যে প্ৰায়বোৰ বহুৱা ডেকা-গাভৰু ঘৰলৈ ঘূৰিছিল। অজ্ঞানপ্ৰায় কমল ককাইদেউক লৈ সজনীও আন্ধাৰত মিহলি হৈ গ'ল।

মনতে ভাবিলো, পাছদিনা আৰু কমল ককাইদেৱে মোক পূজা চাবলৈ লগ ধৰিবলৈ নাহে। মানে আহিব নোৱাৰে। কেনেবাকৈ পূজা থলীত মোৰ মুখামুখি হ'লেও লাজতে তলমূৰ কৰিব।

কিন্তু মোৰ সকলো অনুমান ভুল প্ৰমাণিত কৰি পাছদিনাও ঠিক সময়তে কমল ককাইদেউ আহি মোক পূজা চাবলৈ লগ ধৰিছিলহি। ভালকৈ নিৰীক্ষণ কৰি দেখিছিলো দাড়ি-গোফ খুৰাই পৰিপাটিকৈ সজ্জিত হৈ অহা কমল ককাইদেউৰ চকু-মুখত লাজ অনুসূচনা অথবা শংকাৰ লেশমানো চিন নাই।

মই পূজা চাবলৈ নাযাওঁ বুলি কলতো কমল ককাদেৱে মোক জোৰকৈ লৈ গৈছিল। বহুৱা ডেকা-গাভৰুৰ মুকলিমূৰীয়া প্ৰেম নিবেদনৰ উন্মাদনাই মোৰ ভৰ যৌৱনক হয়তো হাতবাউলি দিছিল। মই পূজা চাবলৈ নাযাওঁ বোলা কথাটো আছিল অতি উপকৰা।

মাহঁতে মই কমল ককাইদেউৰ লগত ঘূৰি ফুৰা কথাটো ভাল চকুৰে চাব নোৱাৰিলেও তেওঁৰ আগত কোনোদিনে মুখ ফুটাই কব নোৱাৰিছিল।

সেইদিনা অৱশ্যে কমল ককাইদেৱে মোক কথা দিছিল—তেওঁ ফটিকা বেছি নাখাই আৰু ৰাতি মোক অকলশৰে ঘূৰিবলগীয়া নকৰে! কমল ককাইদেৱে কথা ৰাখিছিল।

ৰাতি ঘূৰোতে কমল ককাদেৱে মোক কৈছিল,

: সজনীজনী অতি ভাল ছোৱালী, মাখন। তাই মোক বিয়া কৰাব পৰাকৈ ভাল পাই পেলাইছে। তাইক কিজানি মই বিয়াই কৰাই পেলাম। তই কেনে দেখা যাক?

এইবাৰ মোৰ আৰু অধিক বিস্মিত হোৱাৰ সময়। মই ক'বলৈ কথাকে বিচাৰি নোপোৱা হ'লো। কমল ককাইদেৱেই আকৌ ক'লে,

: তই হয়তো ঘৰৰ কথা, সমাজৰ দোহাই দি মোক সজনীক বিয়া কৰাবলৈ মানা কৰিবি। কিন্তু তই তৰ দৰে শিক্ষিত যুৱকবোৰেই পুৰণি সমাজ ব্যৱস্থা ভাঙি চুৰমাৰ কৰি নতুন সমাজ প্ৰতিষ্ঠা কৰাৰ বক্তৃতাৰ ফুলজাৰি উৰাবি। মানুহৰ জাতিভেদ, উচ্চ-নীচ একো নহনা কথা, সকলোকে সমান চকুৰে চোৱাৰ কথা, অস্পৃশ্যতা বৰ্জনৰ কথাবোৰ আওৰাই থাকিলেও তই তৰ নিচিনাবোৰে একো নকৰ, মানে কৰিব নোৱাৰ। তই ত তথাকথিত উচ্চ শিক্ষিতবোৰ যে পুৰুষৰ মুখা পিন্ধা কাপুৰুষৰ দল সেই কথা মই ইতিমধ্যে ভালদৰে বুজিছো।

মই সৰু সৰুকৈ ক'লো,

: আপুনি নিজে ভাল বুলি বিবেচনা কৰাটো নকৰাকৈ নাথাকে বুলি মই জানো। তথাপি ইমান ডাঙৰ কাম এটা কৰাৰ আগতে অলপ গভীৰভাৱে সকলো দিশ বিবেচনা কৰি চোৱাটো ভাল।

'চাৰ লাগিব' বুলি কমল ককাইদেৱে সেইদিনা আৰু কোনো কথাই নক'লে। আনকি মই ঘৰ সোমাবৰ সময়ত বিদায় লওঁতেও মুখেৰে নামাতি ভেওঁ ইংগিতেৰেই কাম সমাধা কৰিলে।

ভাৱাণৰ দিনা অকলে ওলাই যাবলৈ ভাল নলগাত কাপোৰ-কানি পিন্ধি পদুলি মুৰতে মানুহ চাই আছোঁ। বহুত পৰলৈকে কমল ককাইদেউ নহা দেখি তেওঁ মোক এৰি যোৱা বুলি ভাবি ভিতৰলৈ সোমাই যাব খোজোঁতেই গলগলীয়া মাতেৰে কমল ককাইদেৱে চিঞৰিলে,

: ঐ মাধৱ, আহ আহ ভাৱাণলৈ যাওঁ আহ—দেৰীয়েই হ'ল।

মই প্ৰস্তুত হৈয়ে আছিলো—সময় খৰচ নকৰি আমি আগবাঢ়িলো।

: বা:—কমল ককাইদেউ আজি দেখোন একেবাৰে বেলেগ হৈ আহিছে।

চুৰীয়া পিন্ধা দেখি বেলেগ দেখিছ চাগে।

: পাটৰ পাঞ্জাবীৰে সতে আপোনাক একেবাৰে দৰা দৰা লাগিছে।

: হয় নেকি, পিছে কইনাই বা এতিয়া আকৌ কি কৰিছে।

: কইনা চাগৈ এতিয়া ভাৱাণত মজগুল।

ভাৱাণ থলীত আমি এখন বেলেগ চাহ দোকান দেখিলো। আমাৰ স্কুলতে একালত পঢ়া মহেন্দ্ৰ বৰাই দিছে। গ্ৰামোফনত বাৰে বাৰে বিকুবাজাৰ—প্ৰিয়া আজি দিয়া বিদায় মোৰ এই বিদ্ৰোহী প্ৰাণ বোলা গানটি বাজি আছে। কমল ককাইদেউক দূৰত দেখিয়ে মহেন্দ্ৰ বৰাই চিঞৰিলে,

: কমল ককাইদেউ, আহক, খন্তেক বহি যাওক। মাধৱ আহা। আমি

ভুয়ো চকী ভুখনত বহিলো। কোনোবা এজনে চাহ জুকাপ দি গ'লহি। আমি চাহত শোহা মাৰোঁতেই তাহানিতে স্কুল এৰি যোৱা কুশল গোসাই আহিল ; লগত কোনোবা এটা অচিনাকি ল'ৰা। ল'ৰাটোৱে মহেন্দ্ৰক ক'লে,

: এইবোৰ কি বেৰাৰী মানুহৰ গান বজাই আছা—পুলিচে গম পালে আঙুৰি পেলাব।

কুশলে প্ৰতিবাদ কৰি ক'লে,

: কলেই হ'ল নে ? বজাৰত ৰেকৰ্ড ওলাইছে আমি ধন খৰচ কৰি কিনি আনিছোঁ আৰু ভাল শুনিছোঁ বাবে বজাইছোঁ। আৰে এয়া দেখোন কমল ককাইদেউ, কৰ পৰা আহিল ? পূজাত ডিব্ৰুগড়ত থকা নাই নেকি ?

: নাই, পূজাত ইয়াতে। বিষ্ণুবাভা এতিয়াও তইতৰ তাতে আছে নেকি ? মানুহজনক লগ পাবৰ মোৰ বৰ মন গৈছে।

: ইয়ান জোৰে নহয় কমল ককাইদেউ, আস্তে। আপুনি ডিব্ৰুকলৈ কাহানিকৈ যাব ?

: কালিলৈ।

: মই আপোনাক তাতে লগ ধৰি ব্যৱস্থা কৰিম। এতিয়া সময় নাই, যাওঁ।

লগৰটোৰে সতে কুশল গুচি গ'ল। খন্তেক পাছতে পুলিচ মিলিটাৰী আহি দোকান ঘেৰাও কৰিলেহি। ডাৰোগাজনে ক'লে,

: আপোনালোক যেয়ে য'ত যেনেকৈ আছে তেনেকৈয়ে থাকক। আমি ইয়ালৈ বিষ্ণুবাভা অহা বুলি খবৰ পাইছোঁ। খানা-তালাচি কৰিম।

আমি বহিয়েই থাকিলো। পুলিচে টৰ্চ মাৰি সকলো তন্ন তন্নকৈ চাবলৈ ধৰিলে। কমল ককাইদেউকো ডাৰোগাজনে অতি সূক্ষ্ম ৰূপত নিৰীক্ষণ কৰিলে। পকেটৰ পৰা ফটো এখন উলিয়াই মিলায়ো চালে। বিষ্ণু বাভাক বিচাৰি নাপাই পুলিচ আঁতৰাৰ লগে লগে কমল ককাইদেৱে বহাৰ পৰা উঠি ক'লে,

মাখন বাডিয়েই হ'ল—যাওঁ বল। মহেন্দ্ৰ আমি আহিলো দেই.। আমি কোৱা-কুৰিকৈ খোজ চলালো। নতুন ঘটনা প্ৰৱাহে আমাক সজনীৰ খবৰ লোৱাৰ পৰাও বিৰত থাকিলে। চিন্তিতভাবে কমল ককাইদেৱে ক'লে,

: এটা কথা মই একেবাৰে বুজিব পৰা নাই মাখন—এই কমিউনিষ্ট কেইটাৰ পাছত ইমানবোৰ পুলিচ চোৰাংচোৱা কিয় ? ভাৰতৰ স্বাধীনতাৰ হকে দেখোন তাঁহাতেও যুঁজিছিল; সীমাহীন নিৰ্যাতনো ভোগ কৰিছিল।

: যুঁজিলে কি হ'ব—ভাৰত স্বাধীন হোৱা বুলিয়েই বিষ্ণু বাভাহঁতৰ দলে

মানি লব নোখোজে। আমাৰ স্বাধীনতা যে ভুৱা সেইটো মিছা প্ৰমাণ কৰা কঠিন। আমাৰ জ্যোতিপ্ৰসাদেও বোলে 'দাল যে কোচ কালা হেই' বুলি কৈছে।

: তাৰিলে আচৰিত নালাগেনে ইমান সুখ-সমৃদ্ধিৰ মাজত দিন কটাব পৰা মানুহবোৰে এই কণ্টকময় জীৱন স্ব-ইচ্ছাৰে বাছি লোৱা দেখি। কিহৰ তাড়না কি নাছিল? ধন-সম্পত্তিৰ কথা বাদ এৰিবলোৱেই। এজন মানুহৰ গাতে কম-বোৰ গুণৰ সমাবেশ ঘটিছেনে। উদয় শংকৰ নে কোনে বোলে শাস্তাৰ তাণ্ডৱ নাচ দেখি তৱধ মানিছিল, বাভাৰ কথাবোৰ শুনি শুনি মানুহিক এবাৰ লগ পাবলৈ মোৰ বৰ হেঁপাহ হৈছে। এইবোৰ মানুহ কি ধাতুৰে গঢ়া বাক!

: এইবোৰো আমাৰ দৰে তেজ-মঙহৰে মানুহ। আদৰ্শইহে তেওঁলোকক ইমান তেজাল আৰু বলবান কৰিছে। আমাৰ সেই কমিউনিষ্ট ককাইজনে কয়—হৃদয়েৰে খাটি খোৱা মানুহক ভাল পোৱা কোনো মানুহেই বোলে কমিউনিষ্ট নহৈ থাকিব নোৱাৰে।

: হয় নেকি?ময়োতো অন্তৰেৰে সৈতে খাটি খোৱা মানুহক ভাল পাওঁ। ময়ো বিজানি কমিউনিষ্টেই হ'ব লাগিব।

আমি দলঙৰ কাষৰ কেকুঁৰীতো ঘূৰোতেই সজনী আহি ওলাল,—

: কমল বাবু, ভাবাপী দেইখকে আলি নাকি? আবে সংগত নতুন বাবু ভি, আজি কিন্তু দুয়ুজনে মোৰ লগত কোলাকুলি কৰিব লাগিব।

সজনীয়ে প্ৰথমে কমল ককাইদেউক আলিংগন ক'ৰ মিঠাই এটা মুখত গুজি এডোখৰ নিজৰ মুখলৈ নিলে। পাছত সেইদৰে মোকো আলিংগন কৰি বিদায় লৈ তাই গুচি গ'ল।

বাকীচোৱা বাট আমি নিজৰ নিজৰ ভাৱনাত মগ্ন থাকি কোনো কথা নপতাকৈয়ে ঘৰ সোমালোহি।

পাছদিনা কমল ককাইদেউ চহৰলৈ গ'লগৈ। মোৰ কলেজ বন্ধ থকাৰ বাবে ন'গলো। বাবৰ সময়ত তেওঁ আমাৰ ঘৰত সোমাই তামোল-চাদি খাই গৈছে।

প্ৰশিক্ষণৰ অন্তত কমল ককাইদেউহঁতৰ লগৰ প্ৰশিক্ষাৰ্থীসকলক চাকৰিত ৰক্ষকলৰ সময়ত অধিবক্তৃদিন নামৰ এজনক বাদ দিব খুজিছিল। সতীৰ্থসকলৰ সতে জীৱনৰ সম্পৰ্ক অতি মধুৰ আছিল। তেওঁৰ সুশীলত কণ্ঠৰ জ্যোতি-বিষ্ণু-

ইক্‌বালৰ গানত সকলো আকৰ্ষিত। প্ৰশিক্ষাৰ্থীসকলে লগ লাগি চাকৰি নিদিয়াৰ কাৰণ জানিব খোজাত কোৱা হ'ল যে তেওঁ বিষ্ণু ৰাভাৰ সতে একেলগে 'ষ্টেনগান' লোৱা মানুহ—এনে মানুহক চাকৰি দিয়াটো বিপদজনক। উত্থাপিত গোচৰ যে মনেসজা সেই কথা বুজাত কাৰো অসুবিধা নহ'ল। লগে লগেই সকলো প্ৰশিক্ষাৰ্থীয়ে লিখিতভাৱে জনাই দিলে যে জমিৰক নিয়োগ পত্ৰ নিদিলে কোনেও নিয়োগ পত্ৰ গ্ৰহণ নকৰে। কৰ্তৃপক্ষই কমল ককাইদেউক সৈমান কৰাব পাৰিলেই কাম হাচিল হ'ব বুলি ভাবি তেওঁৰ ওচৰলৈ ফ'ৰমেনক পঠালে। বয়সীয়াল ফ'ৰমেনজনে কমল ককাইদেউক কলেহি,

: তোমাৰ ভবিষ্যৎ অতি উজ্জল—মিছা-মিছি কিয় সেই মিঞাটোৰ হৈ নিজৰ ভবিষ্যৎ নষ্ট কৰিব খুজিছা ?

: আপুনি এইবোৰ কি কৈছে ?—আমাৰ দেশ ধৰ্ম নিৰপেক্ষ স্বাধীন নহয় জানো ?

আৰে, এইবিলাকতো কথাৰ কথা। মুছলমান ভাইসকলৰ প্ৰকৃত ঠিকনা আৰু আচল মতলব জনাটো অতি কঠিন। তুমি পঢ়া-শুনা ল'ৰা—এইবোৰ নিশ্চয় বুৰঞ্জীত পাইছা।

: মোৰ লগত এইবোৰ আলচ কৰি একো লাভ নাই। আপোনালোকৰ কিবা ক'ব লগা থাকিলে লিখিতভাৱে জনাওক। আমি সকলোৱে আলচ কৰি সমিধান দিম। কিন্তু জানি থওক, আপোনালোকে যি কাৰণত জমিৰক চাকৰি দিব খোজা নাই সেই কাৰণত আচলতে মোকহে চাকৰি দিব নালাগে। অলপতে মই সঁচাকৈয়ে বিষ্ণু ৰাভাক লগ কৰি আহিছোঁ। অৱশ্যে ষ্টেন গান লওঁনে নাই সেই সিদ্ধান্ত এতিয়াও কৰা নাই।

কাম নিসিজিব বুলি জানি ফ'ৰমেন গুচি গ'ল।

প্ৰশিক্ষাৰ্থীসকলৰ সংগ্ৰাম কিছু দীঘলীয়াই হৈছিল। কেন্দ্ৰীয় চৰকাৰৰ আন দুটামান কৰ্মীসন্থাৰ মধ্যস্থতাতহে ইয়াৰ সফল সমাধান ঘটিল। এই ঘটনাই কমল ককাইদেউক ভালেকেইজন ট্ৰেডইউনিয়ন নেতা-কৰ্মীৰ ঘনিষ্ঠ কৰিলে। ডাক-তাঁৰ বিভাগৰ এজন সুদক্ষ সংগঠনক আৰু সেই কমিউনিষ্ট ককাইদেউজনৰ সতে কমল ককাইদেউৰ বিস্তৰ আলচ চলিল। এখেতসকলে প্ৰমাণসহ কমল ককাইদেউক বুজাই দিলে—শ্ৰমিক কৃষকৰ স্বাৰ্থ আৰু সাম্যবাদীসকলৰ স্বাৰ্থ এক আৰু অভিন্ন। কমল ককাইদেউ বোধকৰো এওঁলোকৰ কথাত সঁচা সঁচৈকে পতিয়ন গ'ল। ইয়াৰ দিনে ভুকহীন বুলি ভাবি থকা সাম্যবাদী দলৰ প্ৰতি তেওঁৰ আগ্ৰহ বাঢ়ি

যাবলৈ ধৰিলে। বিশেষকৈ এই দলৰ সাংস্কৃতিক ফ্ৰণ্টৰ কৰ্মীসকলক কমল ককাইদেউৰ বৰ ভাল লাগিল। খাটি খোৱা মানুহৰ সংস্কৃতি যে এওঁলোকেহে জীয়াই ৰাখিব সেইবিষয়ত কমল ককাইদেউৰ এধানিও সন্দেহ নাথাকিল।

ক্ৰমে ক্ৰমে কমল ককাইদেৱে কমিউনিষ্টসকলক ভাল পাবলৈ ধৰিলে। শং-বুদ্ধিমান কমিউনিষ্ট কৰ্মীসকলৰ ত্যাগ আৰু আদৰ্শ নিষ্ঠাই কমল ককাইদেউক অভিভূত কৰিলে। কমিউনিষ্ট পাৰ্টিৰ আনুপ্ৰেৰণাতে কমল ককাইদেৱে নতুনবীয়া বিহুগীত ৰচি জনতাক সাম্যবাদৰ প্ৰতি আকৃষ্ট কৰাত সক্ষম হ'ল। সুৰেলা কণ্ঠৰ জমিৰুদ্দিনো তেওঁৰ সংগী হ'ল। বৰ্কছপৰ বন্ধ অথবা প্ৰাপ্য ছুটীৰ প্ৰায় সকলোবোৰ দিন তেওঁলোকে বাইজৰ কামতে কটায়। অসীম প্ৰাণ প্ৰাচুৰ্যৰে ভৰপূৰ অসীম সাহসী কমল ককাইদেউৰ ঐকান্তিক যত্নত কমদিনতে সেই অঞ্চলত পাৰ্টি সংগঠন গঢ়ি উঠিল। কৃষক সভাৰ সদস্যৰ সংখ্যা আশাতীত ৰূপে বাঢ়িল।

এই দুৰ্দান্ত কমল ককাইদেউজনৰ তেনেধৰণৰ এটা আদৰ্শনীয় ৰূপৰ কল্পনা হয়তো কোনেও কৰা নাছিল। সাম্যবাদী দলৰ সান্নিধ্যই দৰাচলতে তেওঁক নতুন জনম দিলে। সাম্য শান্তি আৰু প্ৰাচুৰ্য্যেৰে ভৰা এখন উন্নত সমাজৰ প্ৰতিচ্ছবি বহুজন অৱহেলিত কৃষক মজদুৰৰ চকুত জীৱন্ত হৈ উঠিল। গীত-নাট, ছায়া-ছবিৰেও সাংস্কৃতিক কৰ্মীসকলে এনে ছবি জনমানসত চিত্ৰিত কৰাৰ যত্ন কৰিছিল। কমল ককাইদেউ আৰু জমিৰুদ্দিনৰ আশা সীমাহীন। তেওঁলোকৰ চকুত সমাজ-বাদ আসন্ন প্ৰায়।

কমল ককাইদেউৰ চেষ্টাতে সজনীহঁতৰ বাগিচাটো নতুন শ্ৰমিক সংগঠন গঢ়ি উঠিল। এই সংগঠন গঢ়ি তোলাত সজনীৰ অৱদান অসামান্য।

নতুন ফ'ৰমেনজনৰ সতে কাজিয়া কৰি কমল ককাইদেৱে বেলৰ চাকৰি ইস্তফা দিলে। গীত-মাত গাই দেশ-দেশান্তৰে ভ্ৰমি নিয়মীয়াকৈ কাৰত উপস্থিত নথকাৰ বাবে জমিৰুদ্দিনৰ চাকৰি গ'ল। তেতিয়াৰে পৰা তেওঁলোক দুয়ো বাইজৰ কামতে একাণপতীয়াকৈ লাগিল।

সজনীহঁতে কাম কৰা বাগিচাৰ সহকাৰী মেনেজাৰ চাহাবে এজনী বনুৱা গাভৰুক কৰা অপমানৰ প্ৰতিবাদত বাগিচাৰ সমূহ বনুৱাই সদলে কৰি গৈ বৰ-চাহাব ওৰফে জেনেৰেল মেনেজাৰক বঙলাতে ঘেৰাও কৰি সুবিচাৰৰ দাবী কৰিছিলে। বনুৱাসকলৰ দৃঢ় প্ৰতিবাদৰ ফলত সহকাৰী মেনেজাৰ বগা চাহাবে চাকৰি ইস্তফা দি বিলাতলৈ উভতি যাবলৈ বাধ্য হৈছিল। এই ঘটনাই চাহ শ্ৰমিকসকলৰ মনোবল অভাৱনীয় ৰূপে বঢ়াই তুলিলে। এইখন চাহ বাগিচাৰ বাহিৰেও কাষৰ

পাজৰৰ কেইবাখনো বাগানত লাল ঝাণ্ডা ইউনিয়ন গঢ়ি উঠিছিল। কমল ককাইদেউক তেতিয়াৰ পৰাই বনুৱাসকলে অতি আপোনজন বুলি ভবা হ'ল— সজনীৰ কথাতো স্বকীয়াই।

সজনীৰ এই গভীৰ প্ৰীতি আৰু সৰল ঐকান্তিকতাক কমল ককাইদেৱে বিশ্বাসঘাতকতা নকৰিলে। সমাজৰ সকলো বাধা নিষেধলৈ আওকাণ কৰি কমল-ককাইদেউ আৰু সজনীয়ে নতুন জীৱনৰ পাতনি মেলিলে।

সেই সময়ত গোটেই অসমত বীভৎস ৰূপত খাদ্যাভাবে দেখা দিছিল। জীয়াই থকাৰ তাগিদাত মানুহ ৰাজপথলৈ ওলাই আহিবলৈ বাধ্য হৈ পৰিল। খাদ্যৰ বাবে দাবী তোলা জনতাক স্তব্ধ কৰিবলৈ আমাৰ দেশৰ স্বাধীন চৰকাৰে লাঠী গুলীৰে সহায় ললে, গাৱঁৰ উৎপাদিত খাদ্য অন্যায়ভাবে মজুত কৰি চহৰলৈ নি অবিশ্বাস্য মূল্যত বিক্ৰী কৰি বিৰাট মুনাফা লোটাসকলৰ বিৰুদ্ধে গাৱেঁ গাৱেঁ প্ৰতিৰোধ আন্দোলন গঢ়ি উঠিছিল। সংগ্ৰামী কৃষক বনুৱা একত্ৰিত হৈ গাইছিল 'জান গলেও, মান গলেও ধান নিদিও। নিদিওঁ আমাৰ ধান'। ভাৰতৰ কমিউনিষ্ট পাৰ্টিৰ নেতৃত্বত হোৱা এই আন্দোলনৰ সেই অঞ্চলৰ মূল মানুহ দুজন আছিল কমল ককাইদেউ আৰু জমিৰুদ্দিন।

হঠাতে আমাৰ দেশৰ স্বাধীন চৰকাৰে কমিউনিষ্ট পাৰ্টিক বে-আইনী ঘোষণা কৰিলে। কমল ককাইদেউৰ ওপৰত গ্ৰেপ্তাৰী পৰোৱানা জাৰি হ'ল। পাৰ্টিৰ নিৰ্দেশ মতে তেওঁ আত্মগোপন কৰিলে। সজনীৰ জীৱনলৈ নামি আহিল অপৰিসীম বিপৰ্যয়। ধনীক আৰু জমিদাৰ শ্ৰেণীৰ প্ৰতিনিধি জাতীয় চৰকাৰ গাৱেঁ-ভূঞে- সাম্যবাদৰ বীজ অংকুৰিত হোৱা দেখি আতংকিত। চুবুৰীয়ে চুবুৰীয়ে পুলিচ- মিলিটাৰীৰ অত্যাচাৰ আৰো চলিল।

কমল ককাইদেৱে ঘৰ এৰিব লগা হোৱাত সজনী অকলে বেচি দিন থাকিব নোৱাৰিলে। তাই গৈ বাগানৰ লাইনত আশ্ৰয় ললেগৈ। আসন্ন প্ৰসৱা সজনীক পুলিচে গ্ৰেপ্তাৰ নকৰিলেও কমল ককাইদেউৰ খবৰ বিচাৰি প্ৰায়েই আমনি কৰেহি।

দুৰ দুৰণিৰ গাওঁভুঁইতো পুলিচ-মিলিটাৰী সোমাই সাম্যবাদৰ পুলিটি অংকুৰতে বিনাশৰ অভিযান চলালে। বহুত নিৰ্দোষী মানুহক মিলিটাৰীয়ে মৰিয়াই ঘুণীয়া কৰিলে। সৰ্বসাধাৰণৰ মাজৰ পৰাই-সুযোগ সন্ধানী দুই একে চৰকাৰৰ প্ৰিয়ভাজন হ'বৰ বাবে জনায়-নজনায় বাতৰি দি থাকিল। তেনে এক সুযোগ সন্ধানীৰ ষড়যন্ত্ৰকৌশলতে এদিন কমল ককাইদেউক পুলিচে ধৰিবলৈ সমৰ্থ হ'ল। ইমান দিনে আত্মগোপন কৰি আন্দোলন পৰিচালনা কৰাৰ হেতু কমল ককাইদেউৰ ওপৰত

পুলিচে বাৰকৈয়ে তুলিলে। পুলিচৰ নিৰ্মম প্ৰহাৰত তেওঁ সংজ্ঞাহীন হৈ গৈছিল।

তিনি বছৰৰ মূৰত জেইলৰ পৰা মুক্তি পাওঁতে কমল ককাইদেউৰ আগৰ শৌৰ্য্য-বীৰ্য্যসকলো প্ৰায় নিঃশেষ হৈ গৈছে। কি সীমাহীন কষ্টৰ মাজত যে কমল ককাইদেউৰ নৱজাত পুত্ৰ আৰু পত্নীৰ দিন পাৰ হৈছিল সেয়া মোৱেই দেখিছে। এই অভাৱনীয় কষ্টৰ মাজতো দৃঢ় প্ৰত্যয়েৰে সজনীয়ে ভৰ্তাদনৰ প্ৰতীক্ষা কৰিব পৰাটোহে আচৰিত কথা।

জেইলৰ পৰা ভগ্ন স্বাস্থ্য লৈ ওলাই অহা কমল ককাইদেউক লগ পাই সজনীৰ কেনে লাগিছিল জনাৰ উপায় নাই। বিভিন্ন ঠাইত সংগঠিত হোৱা পাৰ্টিৰ শাখাবোৰ দৈনন্দিন কাম-কাজ আৰু তদাৰকীৰ অভাৱত যে কিছু নিষ্প্ৰভ হৈ পৰিছিল সেই বিষয়ে কোনো সন্দেহ নাই।

সজনীৰ অভাৱনীয় পৰিচৰ্য্যাত কমল ককাইদেউ কিছু সুস্থ হৈ উঠিলেও আগৰ স্বাস্থ্য ঘূৰাই পোৱা নাছিল। তথাপিও বেত-বাঁহৰ কাম, সজনীৰ ছুই বোৱা, ধান-কটা আৰু তাকৰীয়া মাটিৰ ব্যয় খেতিৰ ওপৰত নিৰ্ভৰ কৰি কমল ককাইদেউহঁতৰ সৰু চাৰিজনীয়া পৰিয়ালটো বাঁচি আছিল।

জনতাৰ চকুত জিলিকি উঠা সমাজতন্ত্ৰৰ সপোন সাময়িকভাৱে ম্লান হৈ পৰিছিল। কমল ককাইদেউহঁতৰ দৰেই অসমৰ তথা সমগ্ৰ ভাৰতৰ হাজাৰ হাজাৰ জন প্ৰকৃত সমাজসেৱী জাতীয় চৰকাৰৰ দ্বাৰা নিৰ্মমভাৱে নিৰ্যাতিত হৈছিল—তাৰ লিখিত ইতিহাস প্ৰকাশিত নহ'লেও জনতাৰ হৃদয়ৰ গভীৰত এয়া খোদিত হৈ গৈছে। ইয়াক মচি পেলোৱাৰ সাধ্য কাৰো নাই।

আমাৰ নিচিনা বহুজন দোদুল্যমান মধ্যবিত্ত যুৱকৰ সমাজতন্ত্ৰৰ সপোন ঠান-বান হৈ ছিগি-ভাগি গৈছিল। ভাল এটা চাকৰি পাব পৰাৰ যোগ্যতা আমাৰ বহুতৰে আছিল। আমাক চাকৰি একোটা দি ব্যস্ত ৰাখিব পাৰিলে সাময়িক-ভাৱে হলেও সমাজতন্ত্ৰৰ অগ্ৰগতি ৰোধ কৰিব পৰা যাব বুলি হয়তো চৰকাৰেও ভাবিছিল—সেয়ে মোৰ দৰে—বহুতেই চাকৰি পাই গ'লো। আমাৰ দৰে এচামে জানিবুজিও ব্যক্তিগত ক্ষুদ্ৰ স্বাৰ্থ পূৰণৰ লালসাত আদৰ্শক জলাঞ্জলি দি বুৰ্জোৱা সমাজ ব্যৱস্থাৰ গুণ-গৰিমা কীৰ্তনত ব্যস্ত হৈ পৰিলো। কমল ককাইদেউৰ দৰে আদৰ্শৰ বাবে সৰ্বস্ব ত্যাগ কৰা ব্যক্তিসকলৰ কথা আমি পাৰ্যমানে পাহৰি পেলাবলৈ যত্ন কৰিলো।

মোৰ যৌৱনৰ স্মৃতি বিজড়িত ঠাইখনলৈ চৰকাৰী কামত অহা আজি তিনি-দিন হৈছে। এটা বিশেষ অনুসন্ধানৰ কামত ইয়াত মই প্ৰায় এমাহ কটাব লাগিব।

গেষ্ট্ৰিক প্ৰেছাৰ আদি সকলোবোৰ অসুখ মোৰ আৰম্ভ হৈ গৈছে। সৰহদিনৰ বাবে ঘৰৰ পৰা আঁতৰি আহিলে পৰিবাৰো লগতে আহে। আবেলি পৰিবাৰ আৰু মই এনেয়ে বাটে বাটে ঘূৰি ফুৰোতে হঠাতে কমল ককাইদেউৰ সতে দেখা হৈ গ'ল। নৰকংকাল সদৃশ কমল ককাইদেউক মই চিনিবই পৰা নাছিলো। আমাক দেখিয়েই বোধকৰো তেওঁ কান্ধৰ মোনাটো নমাই থৈ আছিল। আমি কাষেৰে পাৰ হৈ যাব খোজোতে আগৰ সেই একেই গলগলীয়া মাতেৰে তেওঁ কলে,

: মাখন, তোৰ স্বাস্থ্যটো বেচ সুন্দৰ হৈছে। এইগৰাকী নিশ্চয় তোৰ পৰিবাৰ—অদ্ভুত মিলিছে।

অবাক বিস্ময়ত মোৰ মুখৰ পৰা ওলাল, ।

: কমল ককাইদেউ……আ……আপুনি ··

কমল ককাইদেৱে ইতিমধ্যে একাষৰীয়াকৈ থোৱা মোনাটো কান্ধত তুলি লৈছে। মোনাটোত সম্ভৱ চাউল-দালি জাতীয় কিবা খোৱা বস্তু আছে। তেওঁ কৈ গ'ল,

: আমি আগৰ ঘৰটোতে আছো—তই এদিন আহিবি। তোৰ পৰিবাৰকো লৈ যাবি। সজনীয়ে তইতক দেখিলে বৰ আনন্দ পাব। মোৰ ল'ৰা দুটা পঢ়ি আছে। সিহঁত কিন্তু মোৰ দৰে কেংমৰা ·····

কথা কৈ কৈ কমল ককাইদেউ অদৃশ্য হৈ পৰিল—হয়তো বেলেগ বাটেৰে গ'ল। আমি দুয়ো লৰালৰিকৈ ডাক বঙলালৈ ঘূৰিলো।

একালৰ সুশ্ৰী, স্বাস্থ্যবান কমল ককাইদেউ খীণাই-শুকাই একো নাই হ'লেও প্ৰথম দৃষ্টিতে মানুহক আকৰ্ষণ কৰিব পৰা তেওঁৰ উজ্জ্বল চকু জুৰিৰ জ্যোতি আজিও অম্লান হৈ আছে। সেই জুৰি চকুৰ দুৰ্বাৰ আকৰ্ষণ উপেক্ষা কৰাৰ শকতি মোৰ নাই। মই কমল ককাইদেউৰ কাষলৈ যাবই লাগিব। ভুৱা আত্ম মৰ্য্যাদাৰ সকলো আচৰণ দলিয়াই মানুহক সুধি-সুধি যাব লগা হ'লেও মই কমল ককাইদেউৰ ঘৰলৈ যামেই।

---

# ৰজা

**বিবেকানন্দ বৰুৱা**

মানুহে তাক 'ৰজা' বুলি মাতে। মাক বাপেকে তাৰ নাম কি ভাবি ৰজা ৰাখিছিল এইলৈ কোনেও মাথা নঘমায়। অন্ধ মানুহৰ নামো যদি পদ্মলোচন ৰাখিব পাৰি, তাৰ নাম ৰজা ৰখাত অসুবিধাটো কি? স্বাধীন ভাৰতত ভাল চাকৰি এটা পাবলৈ যিখিনি শিক্ষাগত অৰ্হতা লাগে সেইখিনি তাৰ আছে। চাকৰি এটা পোৱাৰ আশ্বাসো ইতিমধ্যে ৰজাই পাইছে—কামটোহে হৈ উঠাগৈ নাই। এই চাকৰিৰ সংক্ৰান্তত এজন ডাঙৰ মানুহক লগ পাবলৈ চহৰত পৰ দিওঁতেই ইমান ৰাতি হৈ গ'ল।

পকী আলিটোত মানুহৰ সমাগম প্ৰায় নোহোৱাৰ দৰেই—পলমকৈ ঘৰলৈ ওভটা যাত্ৰী একোজন তুলি দুই এখন ৰিক্সাহে অহা যোৱা কৰি আছে।
—এতিয়া কিমান বাজিছে বাৰু? বাৰ, এক? ৰজাই সময়ৰ এটা অনুমান কৰিবলৈ যত্ন কৰে। —ঘড়ী পিন্ধা মানুহ এটা লগ পালে বেয়া নাছিল, সময়টোকে জানি ল'ব পৰা গ'লহেতেন।

তাৰ নিজৰ হাত ঘড়ীটো বিক্ৰী কৰাৰ পাছত ইমান যে অসুবিধা হব, সেই কথা সি আজিহে উপলব্ধি কৰিলে।

জোনাক ৰাতি যদিও আকাশত মেঘ থকাৰ কাৰণে নিচেই কাষেদি পাৰহৈ যোৱা ৰিক্সাৰ আৰোহীকো চিনিব পৰা নাযায়।
—এই কোন অ' ভই?
মাত শুনি ৰজা থমকি ৰ'ল। ৰাতিৰ কথা যেতিয়া অচিনাকী মানুহজনৰ এনে অভদ্ৰ আচৰণত সি থতমত খালে। অন্ধকাৰ গলি এটাৰ পৰা ওলাই আলিবাটত ভৰি দিয়া মানুহজনক সি নিৰীক্ষণ কৰিলে। গুণ্ডা প্ৰকৃতিৰ মানুহ নেকি বাৰু? নহলে, এনেদৰে তুচ্ছ তাচ্ছিল্য কৰি প্ৰশ্ন কৰিব কিয়। মানুহজন কেনে প্ৰকৃতিৰ হ'ব—এই বিষয়ে ৰজা নিশ্চিত হ'ব পৰা নাই, এনেতে আকৌ প্ৰশ্ন

হ'ল। প্ৰশ্নকৰ্ত্তাৰ কণ্ঠস্বৰ আৰু কৰ্কশ।—এই কোন ভই, ক'লৈ যাবলৈ আহিছ হৌ ?

কিবা এটা উত্তৰ নিদিলে নোহোৱাত পৰিল। কি ক'ব ভাবি থাকোঁতেই প্ৰশ্নকৰ্ত্তাই ধমকিৰ সুৰত পুনৰ কলে,
—ৰাতি হ'লে এই ফালে অকলে আহিব নাপায় বুলি নাজান হ'বলা ? আৰে, ইচোন কথা নকয় ! হেই, নামাত কিয় ?
—মই সৌ ওচৰৰ গাওঁখনলৈ যাম
—অ তাকে ক ! চহৰলৈ কিয় আহিছিলি ? চেকেণ্ড শ্ব' চাবলৈ ?
—নহয়।
—নহয় যদি কি ?
—চাকৰি বিচাৰি।
—চাকৰি ? এই ৰাতিখন ?
কথা কৈ কৈ মানুহটোৱে হোঁ হোঁৱাই হাঁহি উঠিল। বক্তাৰ কথাত বেচ আমোদ পোৱা যেন লাগিল। তাৰ হাঁহি যেন থামিব নোখোজে। সি যিফালৰ পৰা আহিছিল সেই ফালৰ গলিটোৰ পৰা এজাক কুকুৰে তাৰ হাঁহিৰ প্ৰত্যুত্তৰত ভোঁ ভোঁৱাই উঠিল। সি এইবাৰ ভোৰ ভোৰালে।
মানুহৰ খাবন-শোৱন নাই, কেৱল চাকৰি আৰু চাকৰি !

এইবাৰ মানুহটোৱে মুখ ফুটাই প্ৰশ্ন কৰিলে। —ঘৰত হাল গৰু নাই, এই ৰাতিখনো চাকৰি বিচাৰি ফুৰিছ যে হো, ?
—নাই।
—খেতিৰ মাটি একা ?
—নাই।
—মাটি, হাল গৰু, চাকৰি ইয়াৰ এটাও নহলে মানুহ বাচে কেনেকৈ' ? এই ভই অসমীয়া, নে বঙালী ? আজি কালি বঙালীয়েও ভাল অসমীয়া শিকিছে, মুখৰ মাত শুনি বুজা বৰ টান।
—অসমীয়া।

মানুহটোৱে নিজৰ পেণ্টৰ জেপত হাত ভৰাই বিচৰা বস্তুটো নাপাই বিৰক্তি প্ৰকাশ কৰিলে চেহ ! চিগাৰেট কেইটা শেষ হৈ গ'ল !
—তোৰ তাত চিগাৰেট এটা হ'ব নেকি ?
—বিড়িহে আছে।

বিড়ি ? হ'ব দে, চলি যাম।

মানুহটোৰ হাতত বিড়ি এটা তুলি দি ৰজা যাব খুজিলে।

—মোৰ দেৰি হৈ গৈছে মই গৈ থাকোঁ।

—দেৰি হৈছে ?—ক'ত দেৰি হৈছে ? এতিয়াও বাতি পুৱাবলৈ বহুত বাকী। তোৰ নিজৰ ঘৰ আছে নেকি ?

ৰজাই নামাতিলে। এটা অচিনাকী মানুহৰ লগত ইমান কথাৰ কি দৰকাৰ—এই ভাৱত সি মনে মনে থকাটোকে ঠিক কৰিলে যদিও মানুহটোৱে তাক মনে মনে থাকিবলৈ নিদিলে। তোৰ নাম সোধাই হোৱা নাই !

—মোৰ নাম ৰজা।

—ৰজা ?

এইবাৰো সেই একে অট্টহাস্য আৰু কুকুৰৰ ভুকভুকনি। তাৰ 'ৰজা' নাম-টোক লৈ মানুহটোৱে পেংলাই কৰা বুলি ৰজা বিৰক্ত হ'ল।

—আপুনি থাকক, মই আহিলোঁ।

ৰজাই খোজ আগবঢ়াবলৈ ধৰোতেই মানুহটোৱে মাত দিলে—এই ৰজা, তোৰ নামটোহে ৰজা—আচল ৰজা মইহে, বুজিলি ? একধৰ তিনি গিলাচ ধৰি আহিছোঁ। মোক এতিয়া কিয় যাব খুজিছ হৌ ? মোক বেয়া পালি নেকি ?

—নাই বেয়া পাম কিয় ?

—তেনেহলে ? সৌটোহে মোৰ ঘৰ।

ৰাস্তাৰ সিটো পাৰৰ ফালে আঙুলিয়াই মানুহ টোৱে পুনৰ কলে,

—ব'ল না মোৰ লগত। মোৰ নাম বিপুল শইকীয়া। চহৰৰ চব মানুহে মোক চিনি পায়, মোৰ সমনীয়াবোৰেও মোক 'বিপুলদা' বুলিহে মাতে। আৰু সিহঁত-বোৰে এতিয়া মোক 'মহাহী' বুলি উপলুঙা কৰে। সিহঁতবোৰনো কি ? চব বদমাইচৰ দল—সাজে পোছাকেহে সিহঁত ভাল মানুহ। এইযে চহৰৰ বৰ বৰ অট্টালিকাবোৰ, সন্মুখত সজোৱা ফুলনি বাগিচা—তাৰ মালিকবোৰৰ আচল ৰূপ দেখিলে বিৰ্কচনাত তোৰ বমি আহি যাব, ইমান লেতেৰা ইহঁত। ইহঁতক গালি পাৰিব লৈকো দুই এক গিলাচ দৰকাৰ—কি কয় ৰজা ?

ৰজাই কোনো উত্তৰ দিয়াৰ প্ৰয়োজন বোধ নকৰিলে। মানুহটো আঁত মদাহী, গুণ্ডা, প্ৰতাৰক—এনেবিধৰ হব বুলিয়ে সি প্ৰথমে ধাৰণা কৰিছিল। তাৰ এই ধাৰণা সলনি হোৱাৰ উপক্ৰম হৈছে। মদাহী যদিও, মানুহৰ অপকাৰ কৰিব বিচৰা বিধৰ লোক যে সি নহয়—প্ৰত্যয় ৰজাৰ অজানিতে মনহে পৰ

নালাগিল।

—তই চাকৰি বিচাৰি ঘূৰিছ—অথচ মই চাকৰি এটা পায়ো হেৰুৱালোঁ! আচ্ছা বজা, মোৰ ঘৰলৈ যোৱাত আপত্তি আছে নেকি হোঁ?

—পলম হোৱা কাৰণে মই যাবগৈহে খুজিছোঁ। আপোনাৰ নামটো পাইছোঁ। যোতিয়া আপোনাৰ ঘৰলৈ দিনৰ ভাগত আহিবলৈ চেষ্টা কৰিম—সেইটোৱে ভাল হ'ব।

—নহয় বজা, মোক ঘৰত থৈ তই যাবিগৈ। পোহৰ হ'বলৈও সৰহ পৰ নাই। মই মদ খাই ঘৰলৈ অহা দেখিলে ব'টিয়ে বৰ কষ্ট পাব—যিহে মানুহ খঙত ফিট হৈ যাবও পাৰে। ব'টিৰ হাইব্লাড প্ৰেছাৰ আছে। তই লগত থাকিলে ব'টিয়ে নিশ্চয় খং নকৰিব।

বজা নিমাত। বিপুলে পুনৰ অনুৰোধ কৰিলে—ব'লনা বজা, অলপ সহায় কৰি দিবি-বচ ইমানেই।

আসাম টাইপৰ এটা পুৰণি ঘৰ। ঘৰটোৰ পৰ্টিকৰ কোঠাটোত লেম এটা জ্বলি আছে। চিমিনিটো ক'লা পৰি যোৱাত লেমটোৱে ভালদৰে পোহৰ দিব পৰা নাই। তথাপি ভিতৰত যে লেম এটা জলাই থোৱা আছে বাহিৰৰ পৰা বুজি পোৱা যায়। ঘৰটোৰ সমুখৰ চোতালতে বজাক ৰবলৈ দি বিপুলে আগবাঢ়ি গৈ দুৱাৰত শব্দ কৰিলে। লগে লগে ভিতৰৰ পৰা নাৰী কণ্ঠৰ মাত ভাঁহি আহিল।

—কোন, পোনাকণ নেকি?

অ' মই, দুৱাৰ খোল।

ক্ষন্তেক পাছতে দুৱাৰ খোল খালে। হাতৰ লেমটো ওপৰলৈ দাঙি এগৰাকী বৃদ্ধাই প্ৰশ্ন কৰিলে।

—কাৰবাৰ লগত কথাপতা শুনিছিলোঁ—লগত কাৰবাক আনিছ নেকি?

—অ' বজা আহিছে।

—কোন বজা অ'?

—তই চিনি নাপাবি দে। ঘৰ বিচাৰি থাকোতে বহুত ৰাতি হ'লতো সেই কাৰণে মোৰ বন্ধু বজাক বাটতে পাই ধৰি আনিছোঁ।

—ভালেই কৰিছ। আজি কালি দিন কাল বেয়া পৰিছে, ৰাতি বিয়লি অকলে ঘুৰা ভাল নহয়। ক'ত, তোৰ বন্ধুটোক দেখা নাইচোন?

—গোৱা নহয়—আন্ধাৰত থিয় হৈ আছে। বজা, এই বজা, আহ আহ ভিতৰত বহোঁগৈ।

কোঠালিটোৰ ভিতৰখন পৰিষ্কাৰ পৰিচ্ছন্ন। একালে বেৰৰ গাত লগাকৈ পাৰি থোৱা বিছনা, আন এটা কিনাৰত কাঠৰ টেবুল চকী এজাৰ।

বৃদ্ধাই হাতৰ লেমটো টেবুলখনৰ ওপৰত থৈ বিপুলক সুধিলে।

—কাম হ'লনে, পোনাকণ ?

—এতিয়াও হোৱা নাই।

—তেনেহলে কাইলৈ কি হ'ব ?

—ৰ'চোন ব'টি তই মনে মনে থাক—হব নহয় কিবা এটা।

মাকে একো নমতা দেখি বিপুলে পুনৰ কলে—

—এতিয়াও সময় আছে—তই ভিতৰলৈ গৈ অকমান শুই লগৈ, মই ৰঞ্জাৰ লগত কথা পাতো। —কিয়, তইঁতে ভাত নাখাবি নেকি ? পেটত ভাত এমুঠি নপৰিলে টোপনি নাহিব। এমুঠি খাই ল। —এতিয়া নাখাওঁ। পোহৰ হ'বলৈ বেছিপৰ নাই নহয়—প্ৰথম কুকুৰাই ডাক দিয়েছে লাগে। বাতি পুৱাওক দে, আমি দুয়ো একেলগে খাম, কি কব ৰঞ্জা ?

ৰঞ্জাৰ কাণৰ ওচৰলৈ মুখখন নি বিপুলে ফুচফুচাই মাকে শুনানাকৈ কলে— এই ৰঞ্জা, মোক আপুনি বুলি নামাতিবি, ব'টিয়ে সন্দেহ কৰিব।

ৰঞ্জাই মাত বোল নিদিলে। 'কিখনৰ মাজত পৰিলোঁহি এই ভাৱত ৰঞ্জা আত্মবিভোৰ। মুখ ফুটাই 'যাওঁ' বুলিও ক'ব নোৱাৰা হ'ল।

মাক আন এটা কোঠালিলৈ সোমাই গ'লত বিপুল সন্মুখৰ আৰু ভিতৰলৈ সোমাই যোৱা দুৱাৰ দুয়োখন বন্ধ কৰি দিলে।

—তই বহা নাই কিয়, ৰঞ্জা ? বহ—চকীখনতে বহ।

ৰঞ্জা বহিলত বিপুলে নিজেও পাৰি থোৱা বিছনাখনতে বহি ললে।

—বুজিছ ৰঞ্জা, বহুদিনৰ পাছত আজি আকৌ মদ খালোঁ। কামটো ভাল নহ'ল, অথচ মানসিক যন্ত্ৰণাৰ হাত সাৰিবলৈ অন্য উপায় নাছিল—অলপ বেছি-কৈয়ে খালোঁ।

ক্ষন্তেক ৰৈ সি পুনৰ আৰম্ভ কৰিলে। —প্ৰথম দেখাতে তোমাক 'তই' বুলি সম্বোধন কৰি এতিয়া লজ্জিত হৈছোঁ। সম্বোধনটো সলাবলৈ যত্ন কৰিও পৰা নাই। গাত নিচা লাগিলে মানুহৰ কাণ্ড-জ্ঞান নাথাকে—একেবাৰে ৰজা বাদছাহৰ মিজাজ হৈ পৰেতো, সেই কাৰণে। মোৰো সেইটোৱে হৈছিল।

—মই বেয়া পোৱা নাই।

—আচলতে কি জানা, আজি কেইদিনমানৰ পৰা খুব বেছি অশান্তিৰ মাজত দিন কটাইছোঁ। এনে অৱস্থাত ভাল মানুহৰ মনতো অজানিতে কেতিয়াবা বেজাৰ দিছোঁ—তোমাকো মই কম আমনি দিলোনে !

—আপোনাৰ কথাই প্ৰথম অৱস্থাত বিৰক্তি দিলেও, এতিয়া দিয়া নাই। আপোনাৰ কিছুমান কথাই আপোনাক আৰু আপোনাৰ ঘৰখনক জনাৰ কৌতু-হল বৃদ্ধিহে কৰিছে।

—আমাৰ বিষয়ে ?

—অ' আপোনাৰ বিষয়ে।

—আমাৰ প্ৰতি আপোন মানুহবোৰেও ইমান আগ্ৰহ দেখুৱা নাই কিন্তু!

—আপুনি মোৰ কথাত বেয়া পালে নেকি ?

—নাই। তুমি মোতকৈ বয়সত বহুত সৰু হ'বা—তোমাক মোৰ আপোন ভাই যেন লাগিছে। ৰাস্তাত কথা পাতোতে মোৰ চাকৰি যোৱা বুলি কৈছিলোঁ নহয়।

—অ' কৈছিল।

—মাত্ৰ ছুৰছুৰ কৰিলোঁ, তেতিয়াই মোৰ চাকৰি গ'ল। সেইবোৰ কথা তোমাৰ কাৰণে নিশ্চয় বিৰক্তিকৰ হ'ব।

—হলেও হওক, মোৰ জানিবলৈ মন গৈছে।

—তুমিও চাকৰি বিচাৰি হাবাথুৰি খাইছা, তোমাক দেখিলেই তেনে এটা ধাৰণা কৰি ল'ব পাৰি। তুমি চাকৰি এটা পাবা নে নোপোৱা—পালে কি চাকৰি, কেনেকৈ পাবা—এই বিষয়ে মোৰ কোনো কৌতূহল নাই। চাকৰি বিচৰা মানুহৰ সংখ্যা চাকৰি পোৱাবোৰতকৈ বহু হাজাৰ গুণে বেছি। গতিকে তুমি চাকৰি এটা যোগাৰ কৰিব নোৱাৰিও আচৰিত হ'ব লগা নাই।

—আপোনাৰ স্পষ্টবাদিতাত মই বেয়া পোৱা নাই।

—সত্য হলে অপ্ৰিয় কথাকো কোৱাৰ অভ্যাস মোৰ সৰু কালৰে। মোৰ চাকৰি যোৱাৰ ক্ষেত্ৰত মোৰ এই অভ্যাসটোও কিছু পৰিমাণে দায়ী। মই ইনকম টেক্সৰ চাকৰি পাইছিলোঁ। বিশ হাজাৰ টকাৰ এটা ইনকম্ টেক্সৰ কেছ ধৰিছিলোঁ। মোৰ চাকৰিৰ দ্বিতীয় বছৰতে—বচ কথা ডাঙৰ হৈ গ'ল। কেছ মন্ত্ৰীৰ ওচৰ পালেগৈ। অভিযুক্ত সাৰি গ'ল—অৰ্থাৎ মন্ত্ৰীয়ে নিজৰ মানুহক বচাই দিলে। মানুহক মিছাতে জুলুম কৰা বুলি মোৰ বিৰুদ্ধে প্ৰশাসনীয় অভিযোগ উত্থাপিত হ'ল।

—তাৰ পাছত ?

—তাৰ পাছত হ'বলৈ বেলেগ কিটো আছে ? মোৰ চাকৰি গ'ল।

—আপুনি আপীল কৰা নাছিল নেকি ?

—চেষ্টা কৰি চালোঁ, কামত নাহিল।

কিছুসময় নীৰৱতাৰ পাছত বিপুলে পুনৰ কথা আৰম্ভ কৰিলে ।

—আমি কাইলৈ এই ঘৰটো এৰি দিব লাগিব । —কিয় ? এইটো আপোনালোকৰ নিজা ঘৰ নহয় জানো ?

—হয়, তথাপি এৰি দিব লাগিব । এই ঠাইতে আন এজনৰ মালাৰ উঠিব আৰু এটা হৰি—মন্দিৰ হ'ব ।

—তাৰ মানে ? কথাটো মই একো ধৰিব পৰা নাই ।

—কৈছোঁ শুনা । মোৰ দেউতা দুবছৰ আগতে ঢুকাল । তেখেতৰ জীৱিত কালতে মোৰ এক-মাত্ৰ ভনীজনীৰ বিয়াত প্ৰভাত গোস্বামী নামৰ লোক এজনৰ পৰা পাঁচ হাজাৰ টকা ধাৰ লৈছিল । সেই সূত্ৰে এই ঘৰ আৰু বাৰীমাটিখিনি ৰেজেষ্ট্ৰি কৰি দিছিল দেউতাই । তিনি বছৰত টকা ঘূৰাব নোৱাৰিলে ঘৰ-মাটি বিক্ৰী হোৱা বুলি ধৰা হ'ব—এই কথাও দলিলত উল্লেখ আছিল । তেনচাৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক দেউতাই সময়মতে ঋণ পৰিশোধ কৰিব নোৱাৰিলে । দেউতাৰ জীৱিত কালতে ঘৰ মাটিলৈ আদালতত মোকৰ্দমা চলি আছিল ।

—তাৰ পাছত ? —এতিয়া ঘৰ-মাটিৰ দখল ল'বৰ কাৰণে আদালতৰ হুকুম পাইছে গোস্বামীয়ে । —আপুনি হৰি মন্দিৰ হোৱাৰ কথা কৈছিল যে ?

—অ' অ' ঠিকেই । হৰি মন্দিৰ কথাটো তোমাৰ বেচ মনত আছে । প্ৰভাত গোস্বামী এনেয়ে চহৰত নাম-জলা ধনী মানুহ, এতিয়া ধাৰ্মিক মানুহ বুলিও প্ৰচাৰ হৈছে ।

আচল কথা কি জানা—আদালতত সাক্ষী-বাদীৰ কথাও থাকে, গতিকে আমাৰ চুবুৰীটোৰ মানুহ-খিনিক হাতত ৰাখিবলৈ গোস্বামীয়ে বহুত ধন খৰচ কৰিছিল । কিন্তু কামত নাহিল—মোৰ দেউতা ভাল শিক্ষক হিচাপে মানুহৰ মাজত এটা সন্মান আছিলতো সেই কাৰণে । ধন খৰচ কৰি কাম নোহোৱা দেখি তেওঁ বেলেগ এটা ফন্দি বাহিৰ কৰিলে । একদম পাকা চয়তান নহলে কাৰো পক্ষে সেইটো সম্ভৱ নহয় । আমাৰ বাৰীখনৰ চুকটো মাটিত হৰি মন্দিৰ এটা সজাই দিব বুলি দুই একৰ কাণত লগাবলৈহে পালে, লগে লগে কাম হাচিল হৈ গ'ল । গতিকে হৰি মন্দিৰ এটা হ'ব হয়তো ।

—ইমানখিনি মাটি আৰু ঘৰটো পাঁচ হাজাৰ টকাতে ল'বনে ? এতিয়া মাটিখিনিৰ দামেই বহুত হ'ব চাগৈ !

—চহৰৰ মাটিৰ দাম এনেয়ে বেছি । আমাৰ এইখিনি মাটি চহৰৰ গাতে লগা ।

বাৰীখনত মূঠ তেৰ বিঘা আছে—ঘৰে-মাটিয়ে লাখ টকাৰ নহ'ব। ব'টিক লৈহে বৰ বিপদত পৰিছোঁ। ভাড়া ঘৰ এটা এতিয়ালৈকে যোগাৰ কৰিব পৰা নাই। ঘৰ থাকিলেও নিবনুৱা এটাক মালিকে ভাড়াত দিব নোখোজে।

বজা বিপুল শইকীয়াৰ ঘৰৰ পৰা ওলাই আহোতে পুৱা সাত বাজিছিল। সম্পূৰ্ণ নিশা এটা উজাগৰে কটোৱাৰ পাছতো তাৰ মনটো আজি অলপো ভাগৰি পৰা নাই। গোটেই বাটছোৱা অনেক প্ৰশ্নই তাৰ মনটোক দোলা দি গৈছে। বিপুল শইকীয়াৰ কথাবোৰ এটা মদপীৰ কথা বুলি উৰাই দিব নোৱাৰিলে।

মানুহ একেজন প্ৰভাত গোস্বামী। বজাক চাকৰিৰ আশ্বাস দিয়া মানুহজনেই বিপুল শইকীয়াৰ পৰিয়ালক সৰ্বহাৰাত পৰিণত কৰিহে এৰিছে। বিপুল শইকীয়াৰ মাকজনীৰ স্নেহ-পূৰ্ণ মাতৃ-মুখখনে তাৰ মানসপটত মচিব নোৱাৰাকৈ ৰেখাপাত কৰিলে। এগৰাকী বৃদ্ধা মহিলা সামাজিক প্ৰতাৰণাৰ চিকাৰ হৈ উচ্চ-ৰক্তচাপত ভুগিছে। আমাৰ দেশৰ আইনে তেওঁক নিৰাপত্তা দিয়া দূৰৰ কথা, আজিৰ ভিতৰতে হয়তো ৰাস্তাত থিয় কৰাব। মন্দিৰৰ কথা মনলৈ অহাৰ লগে লগে বজাই নিজক নিজে অনুচ্চ-স্বৰে কৈ উঠিল—ঠিকেইতো, বিপুল শইকীয়াৰ পৈত্ৰিক স্থাবৰ সম্পত্তিৰ ওপৰত হৰিমন্দিৰ নিৰ্মাণৰ পৰিকল্পনা প্ৰভাত গোস্বামীয়ে এনেয়ে কৰা নাই।

প্ৰভাত গোস্বামীৰ যোৱা নিশাৰ ছলাহী কথাবোৰ ঘূৰি ঘূৰি মনলৈ আহোতে বজাৰ মনৰ মজিয়াত এভাল শুঙাল বিছা বগাই ফুৰা যেন লাগিল। কি আচৰিত মানুহ! নিজেই ঘৰলৈ আহিবা বুলি মাতি গ'ল, অথচ কথাৰ ইমানবোৰ সেৰ-পেঁচ!

—অ' তুমি আহিলা, তুমি আহিবা যে—সেইটো মোৰ মনতে নাছিল।

—আপুনিয়েতো সিদিনা মাতি আহিছিল।

—অ' অ', মাতিছিলো—মোৰ আক' বহুত কাম নহয়। বহুত মানুহৰ লগত যোগাযোগ ৰাখি চলিব লাগে—ৰাজনীতি কৰা মানুহতো। এইবোৰ সৰু কথা আজিকালি মনতে নথকা হ'ল। চাকৰি বিচাৰি অহা মানুহ দিনটোত দুশছেই—অসমীয়া ডেকা ল'ৰাবোৰে অলপমান পঢ়াশুনা কৰিলেই চাকৰি বিচৰাত লাগি যায়। নিজৰ ভৰিত নিজে থিয় হোৱাটোহে আচল কথা, এইবোৰ কথা মানুহক বুজালেও নুবুজে। এনেকৈ হ'লে আমাৰ বুৰি-দকীয়া আঁচনিখন কেনেকৈ কৃতকাৰ্য হ'ব তুমিয়ে কোৱাচোন। বাকীবোৰ মানুহ পাণ-তামোলৰ দোকান একোখন দিয়ে ভালদৰে চলিছে—সেইবোৰহে আচল মানুহ।

—আপুনি মাতিছিল বাবেহে...... !

—অ’ মাতিছিলোঁ। তোমাক দিম বোলা চাকৰিটোৰ বাবে বহুত টকা খাচি আছে বুলি মিনিষ্টাৰে মোক নিজে কলে। নগদ পোন্ধৰ হাজাৰ। তুমি অৱশ্যে ইমান নিদিলেও হ’ব। দহ হাজাৰ দিলেই কামটো হৈ যাব—তুমি চিন্তাই কৰিব নালাগে। তুমিতো জানাই, মিনিষ্টাৰ মোৰ হাতৰ মানুহ।

‘মিনিষ্টাৰ হাতৰ মানুহ’ বুলি কথাষাৰ কৈ গোস্বামীয়ে আত্ম-তৃপ্তিত যেতিয়া উচ্চ-স্বৰে হাঁহিবলৈ ধৰে—সেই দৃশ্যটো যে কিমান বীভৎস আছিল বন্যাই এই মুহূৰ্ত্তত উপলব্ধি কৰিবলৈ যত্ন কৰিলে।

প্ৰভাত গোস্বামীৰ সান্নিধ্যলৈ অহাৰ পৰা বন্যাই আন নহলেও এটা কথা ভালদৰে বুজি পালে। সেইটো হ’ল—বৰ্ত্তমানৰ সমাজখন ওপৰত যিমানে চাক চিকুনকৈ সজাবলৈ বিচৰা হৈছে ভিতৰলৈ সিমানে পচি গৈছে। এতিয়া অকল দৰবে কাম নিদিয়ে—ভাণ্ডৰ বিধৰ অপাৰেছন এটাৰো দৰকাৰ।

—+—

# পকেটমাৰৰ পৰা সাৱধান

সমীন্দ্ৰ হুজুৰি

সি কিবা এটা কৰিবই। ঘৰখনৰ পিনে চাব নোৱাৰা হৈছে। তাক গ্ৰেজুৱেট কৰিবলৈ ঘৰখনৰ কি বাকী থাকিল। তাৰ বি,এ পৰীক্ষাৰ আগৰ বছৰত চূড়ান্ত সৰ্বনাশটো হৈছিল। এল, পিৰ শিক্ষক হৰিনাথ কলিতা পইচাৰ অভাৱত বিনা চিকিৎসাই মৃত্যুবৰণ কৰিবলগীয়া হৈছিল। চিকিৎসাৰ বাবে নাপালেও মুখৰ ছাই গুচাবলৈ ওচৰ-চুবুৰীয়াৰ সহায় সি পাইছিল, যদিও সা-সকামৰ পিছতেই অৱশিষ্ট ভুঁই মাটি দুবিঘা বন্ধকত দিয়া হেণ্ডনোটৰ ৰেভিনিউৰ ওপৰত সি স্বাক্ষৰ কৰিবলগীয়া হৈছিল। এতিয়া আৰু কোনো উপায় নাই। ছয়টা পেটৰ পৰিয়ালটোৰ সমস্ত ভৰণপোষণৰ ভাৰ তাৰ ওপৰত।

থকা ঘৰ দুখোটাৰেই সৰগৰ তৰা গণিব পাৰি। সৰুটো ভায়েকে তাৰ পাঠ্যপুথি কেইখন বৰষুণৰ পৰা ৰক্ষা কৰিবলৈ কলপাত-কচুপাত কাটি কম কষ্টখন কৰেনে? গাভৰু ভনীয়েক দুজনী তাৰ বাবে যমকাল হ'ল। তাহাঁতৰ যৌৱনকতো আৰু কচুপাত কলপাতেৰে ঢাকি ৰাখিব নোৱাৰি। মানুহ-দুনুহ আহিলে সিহঁতৰ ওলোৱা সোমোৱা বন্ধ হ'ল। তাৰ মাকৰ বিষয়ে কল্পনা কৰিবলৈকো ভয় লাগে। মাত্ৰ দুকুৰিৰ দেওনা পাৰ হোৱা দেহ এটাৰ সেইজনী মানুহ এটা কংকালৰ নামান্তৰ মাত্ৰ।

সি নিৰুপায় হৈছে। বি,এ পৰীক্ষাৰ প্ৰমাণপত্ৰখনেই কাল হ'ল বুলি তাৰ মাজে মাজে ধাৰণা হয়। দুবাৰো দুটা চাকৰি তাক দিব নোৱাৰাৰ একমাত্ৰ কাৰণ হৈছিল—সি গ্ৰেজুৱেট। চতুৰ্থশ্ৰেণীৰ চাকৰিৰ বাবে গ্ৰেজুৱেট হব নালাগে।

অনাৰ্চ সহ সুখ্যাতিৰে বি, এ পাছ কৰাৰ খবৰ বাতৰিত ওলাইছিল। ঘৰৰ অৱস্থা নহলেও হৰিয়া পণ্ডিতৰ ঘৰত গঞা নামৰ যোগাৰ হৈছিল। সধুলি গঞাৰ সমাজত সিহঁতৰ ঘৰ ৰজনজনাই গৈছিল। অৱশ্যে এই ৰজন্‌জননি হৰিনাথ কলিতাৰ শ্ৰাদ্ধতকৈ হেজাৰগুণেই সৰু আছিল। প্ৰসংগ শেষ হোৱাত বয়স্কাত—লেঠেৰে আউৰীয়ে আউৰীয়ে আশীৰ্বাদ দিছিল। বিদ্যা-বুদ্ধি বঢ়াৰ, ধন-জন বঢ়াৰ, [illegible] [illegible] মুৰব্বী হোৱাৰ আশীৰ্বাদ।

যোৱা নিশা সি বণ্ মহৰীৰ ঠিকাদাৰ পুতেকৰ পৰা টকা এহেজাৰ লৈছে। বস্তি মাটিখিনিতো আৰু বেচিব নোৱাৰি, অথচ তাক টকাও সুবহীয়াকৈ নহ'লে নহয়। সেই বাবেই সি সিদ্ধান্ত কৰি পেলালে ঘৰ-চোতাল বাদে বাকীখিনি মাটি বন্ধকত দিব।

তাৰ প্ৰমাণপত্ৰ কেইখন ফাইলত ভৰাই ল'লে। লিখিত পৰীক্ষাত সি প্ৰথম দহজনৰ ভিতৰৰ এজন হৈ পাছ কৰিছে। মৌখিক সাক্ষাতত সি ভালেই কৰিব বুলি তাৰ বিশ্বাস। অৱশ্যে এইটোও সি জানে যে লিখিত পৰীক্ষাত পাছ কৰিলেও ইচ্ছা কৰিলেই মৌখিক পৰীক্ষাত বাধি দিব পাৰে। তাৰ মেধাৰ ওপৰত বিশ্বাস আছে কিন্তু বাৰে বাৰে প্ৰত্যাখিত হৈ তাৰ ধাৰণা হৈছে— চাকৰিৰ বজাৰখন ক্ৰমাত সংকুচিত হৈ আহিছে। বেকাৰ বাঢ়িছে জ্যামিতিক হাৰত আৰু চাকৰি ওলাইছে গাণিতিক হাৰত। সেই সকলোবোৰ জনাৰ পিছতো এই মুহূৰ্ত্তত তাক চাকৰি এটা লাগে, অন্ততঃ তাৰ পৰিয়ালটোক সি জীয়াই জীয়াই কবৰ দিব নোৱাৰে।

প্ৰচলিত সমাজ ব্যৱস্থাৰ কেৰোনবোৰ আঁতৰাবলৈ হলেও প্ৰথমে বাচি থাকিব লাগিব। যদি ব্যৱস্থাৰ বিৰুদ্ধে যুঁজিবলৈ আহি ভিত্তিত চিপজৰী লগাব লগীয়া হয় তেনেহলে সেই যুঁজ কৰিব কোনে? দ্বিধা-দ্বন্দ্বৰ মাজত সি প্ৰায় সিদ্ধান্ত কৰি পেলালে—মাটি বিক্ৰী কৰি পোৱা টকা হেজাৰো সি চাকৰিৰ বিনিময়ত দিবলৈ প্ৰস্তুত হ'ব।

জীয়াই থকাৰ অৱলম্বন হিচাপে তাক এটা চাকৰি লাগে। তাৰ মুখৰ ফালে চাই আছে অৰ্দ্ধনগ্না গাভৰু ভনীয়েক দুজনী। মোমায়েকৰ ঘৰত থাকি লিখা-পঢ়াৰ সপোন দেখা কণমানি ভায়েক জন। কাপোৰৰ অভাৱত স্কুল বন্ধ হোৱা দ্বিতীয়জন ভায়েক, অস্থি চৰ্মসাৰ তাৰ মাক। মাটি বন্ধক থৈ পোৱা টকা হেজাৰ পকেটত ভৰাই লোৱা সময়ত সিহঁত আটাইৰে চকুবোৰ চলচলীয়া হৈ উঠিছিল।

এক হেজাৰ টকাৰ কেইটামান টকা খৰচ কৰিলেই ভনীয়েক দুজনীৰ লাজ ঢাকিবলৈ দুসাজ কাপোৰ কিনিব পাৰে। সৰু ভায়েকটোক চোলা এটা কিনি দিলেই সি স্কুললৈ যাব পাৰে। বৰষুণৰ সময়ত হাহাকাৰ লগা অৱস্থাটোৰ পৰা পৰিত্ৰাণ পাবলৈ এহেজাৰ টকাৰ এটা ক্ষুদ্ৰ অংশ খৰচ কৰি বিৰিণাৰেই চাল কেইখন ছিয়াব পাৰি।

সি সযতনে পকেটখন বন্ধ কৰি ল'লে। লাইন বাছেৰে আহটো লোৱাৰ পিছতে সি সময় মিলাবলৈ লোনকালে চিটি বাছত উঠিল। বাছৰ খাতে লেখা

সুন্দৰ হাতৰ আখৰৰ শব্দ কেইটা তাৰ চকুত পৰিল—'পকেট মাৰৰ পৰা সাৱধান।' সি ব্যাকৰণত বৰ চোকা আছিল। সি বুজি পালে নিজৰ পকেট মাৰৰ পৰা নিশ্চয় সাৱধান হবলৈ কোৱা নাই, পকেটমাৰৰ পৰাহে সাৱধান কৰি দিছে সেই শব্দ কেইটাই। শব্দ কেইটা দেখাৰ পিছত সি ভাবিব ধৰিলে—চীনদেশৰ মানুহে গাড়ীখনত উঠা হ'লে কি ভাবিলেহেঁতেন; যিখন দেশত পকেটমাৰ বা চোৰ ডকাইত নাই। পকেটমাৰ থকা বুলি আমি জানো, অথচ পকেটমাৰবোৰ আমি বিচাৰি উলিয়াব পৰা নাই ?

বিভিন্ন ভাবৰ খেলিমেলিত তাৰ কাণত পৰিল—দিছপুৰ জনতা ভৱন। ততাতৈয়াকৈ সি নামি পৰিল; পকেটখন আকৌ এবাৰ ভালকৈ পৰীক্ষা কৰি চালে। ঠিকেই আছে।

জনতা ভৱনৰ দুৱাৰ মুখৰ গান্ধীমূৰ্তিটোলৈ তাৰ চকু গ'ল। এক তীব্ৰ বিতৃষ্ণাত তাৰ চকুৰ ভ্ৰূখিনি কোচ খাই গ'ল।

'সদায় সত্য কথা কবা।' 'মোৰ জীৱনেই মোৰ বাণী।'

সঁচা কথা নকবলৈ মানুহক কিহে পাইছে ? সবাতোকৈ সহজ কথা হ'ল সঁচা কথা কোৱা। দুইৰ লগত দুই যোগ কৰিলে চাৰি হয়। তাকটো আৰু ছয় বা দহ বুলি কব নোৱাৰি। কিন্তু বাস্তৱত কি ঘটিছে ?
এজন মন্ত্ৰী বা চৰকাৰী বিষয়াই চাকৰিকালত বন্ধা চহৰৰ বিতোপন প্ৰাসাদটো, বেংকৰ বেলেঞ্চ,—এইবোৰ তেওঁৰ পৰিয়ালৰ দৈনন্দিন খৰচ বাদ দিয়াৰ পিছত থকা পৰিমাণৰ টকাৰে জানো কৰা সম্ভৱ ? এইবোৰ কথাৰ লগত দুই যোগ দুই সমান দহ এই সৰল গণিতৰ হিচাপটোৰ পাৰ্থক্য কোনখিনিত ?

গান্ধীনামৰ মহামানৱজনে জানো আমাৰ দেশৰ জনগণক ক্ষমতাৰ হস্তান্তৰক স্বাধীনতা বুলি কোৱা নাছিল ? বগা চামৰাৰ প্ৰভুইতৰ ক্ষমতাৰ দণ্ড কলা চামৰাৰ নেতানামৰ প্ৰভুসকলক গতাই যদি দিয়া নাছিল—এখন দেশৰ স্বাধীনতাৰ ত্ৰিকুৰি বছৰ পিছত সি কিয় জীৱন জীৱিকাৰ কাৰণে হাহাকাৰ কৰি ফুৰিব লগীয়া হৈছে।

যথাসময়ত সাক্ষাৎকাৰ আৰম্ভ হ'ল। তাক গোপনভাবে হেড-এচিটেণ্টজনে খবৰ দিলে প্ৰথম লিষ্টত মন্ত্ৰীৰ কোটাই পূৰ নহ'ল। দ্বিতীয় লিষ্টত তাৰ কথা বিবেচনা কৰা হ'ব পাৰে কাৰণ যেহিট ভাল। কিন্তু !!

কিন্তুৰ উত্তৰ সি বিচাৰি পালে। কোঠাটোৰ পৰা সি ওলাই আহিল। এটা আশাৰ বেঙুনি সি দেখা যেন পালে। সি জনতা ভৱনৰ গান্ধীমূৰ্তিটোৰ

ওচৰ পাইছে মাত্ৰ। এজন পোহৰ বোল বহুৰীয়া ল'ৰাক এজোৰ মানুহে খেদি আহিছে। সি আত্ৰানি হৈ দৌৰিছে। মানুহবোৰে চিঞৰিছে—পকেটমাৰ পকেটমাৰ······পকেটমাৰ

মানুহজাকে তাক ধৰি পেলালে। আৰম্ভ হ'ল চৰ-ঢকা গোৰ ভোঁওৰ গচ্ছক। ল'ৰাজনৰ নাকে মুখে তেজ ওলাব ধৰিলে। সি চিঞৰি উঠিল—বাইজ আপোনালোকে যদি পকেটমাৰক খতম কৰাই সিদ্ধান্ত কৰিছে আহক মোৰ লগত আহক। নিৰাপদে - নিৰ্বিবাদে পকেটমাৰি থকা সকলক ধৰকহি। মই নিৰুপায় হৈ গুচি আহিছোঁ।

অনাহাৰ অনিদ্ৰাই ভুকলা কৰা, জীৱিকাৰ সন্ধানত সৰ্বস্বান্ত হোৱা, ভুখাৰ জ্বালাত দুই টকীয়া নোটখন চুৰি কৰা জনক মাৰি বীৰত্ব দেখুৱাওঁতে আহক—মই দেখুৱাই দিম প্ৰতিদিন আমাৰ প্ৰত্যেকৰে পকেট মাৰি খোৱা সেই শ্ৰেণীটো, যাক নিৰাপদ প্ৰহৰাত ৰখাৰ ব্যৱস্থা আমাৰ ধনেৰেই কৰা হৈছে!

গৃহমন্ত্ৰীৰ গাড়ীখন অহা দেখি দুজন পুলিচ লাঠি জোকাৰি সেইফালে খেদি আহিল।

—×—

## ক্ৰময়শঃ

### পোলেন গগৈ

"এইটো কণজানৰ ঘৰ নহয়নে ?"

চোতালত ভুখৰি পীৰা এডোখৰ পাৰি ডলমুৰকৈ ভগা খৰাহি এটা বান্ধি থকা কণজানে নিচেই কাষতে কাৰোবাৰ মাত শুনি উচপ খাই উঠিল। থকা-মকাকৈ মুৰ তুলি চাই দেখিলে তাৰ নিচেই কাষতে পুলিচ এজন থিয় হৈ বাৰীখনৰ ইফালে সিফালে ঘুৰি পকি কিবা চাইছে। একান্তমনে নিজৰ কামত ব্যস্ত হৈ থকাৰ কাৰণে কেতিয়ানো পুলিচজন আহি তাৰ কাষত ৰ'লহি, সি গমকে নাপালে।

পুলিচজনক দেখাৰ লগে লগে তাৰ বুকুখন চিৰিং কৰি গ'ল। যোৱাবে কথা। জীৱনত সি কাহানিও পুলিচ জাতীয় এই মানুহবোৰৰ সতে মুখামুখি হোৱা নাই। প্ৰয়োজনবোধও কৰা নাই। শুভোতা খোজৰ এই মানুহচামৰ পৰা সি সদায় আঁতৰি থকাৰ চেষ্টা কৰি আহিছে। কিন্তু পুলিচ নিজেই আহি তাৰ মুখামুখি হৈ থিয় দিয়াত এক প্ৰকাৰ তাৰ দম বন্ধ হৈয়েই গৈছিল। তথাপি নিজক যেনে তেনে সংযত কৰি "হয় হজুৰ" বুলি ভগা খৰাহীটি ঠাইতে এৰি, লৰা-লৰিকৈ ভিতৰৰ পৰা ভগা মুঢ়া এটা উলিয়াই আনিলে। কান্ধত লৈ থকা ফটা গামোচাখনেৰে মুঢ়াটো জাৰি-জোকাৰি "বহক হজুৰ" বুলি আগবঢ়াই দি ঘন ঘন উশাহ টানি কিছুদূৰত পুলিচজনলৈ চাই থিয় হৈ ৰ'ল।

"তাৰ মানে আপুনিয়ে কণজান ?"

"হয় হজুৰ।" কণজানে সেপ ঢুকিলে।

"আপোনাক হজুৰে কালিলৈ থানালৈ মাতিছে।"

"থানালৈ।" কণজানৰ ডিঙিটো একৰকম শুকাই যোৱাৰ দৰেই লাগিল। "কিবা ...?"

"থাকিব পাৰে। আপোনাৰ বাৰীত শাক পাচলি একো নাই দেখিছো।'

“নাই হজুৰ, বাৰী ৰুলিবলৈ মাটিনো কিমান। তাতে ইফালে সিফালে হাজিৰা কাম কৰি ফুৰোঁতে সময়ো নাপাওঁ।”

পুলিচজনৰ কাণত কিন্তু কণজানৰ কথাবোৰ সোমোৱা যেন নালাগিল। কণজানৰ কথা শেষ হ'ল কি নহ'ল, আচ্ছা, কালিলৈ নোযোৱাকৈ নোৱাৰিবি দেই বুলি পুলিচজন গ'লগৈ।

কণজানে কিন্তু পুলিচজনৰ কথাবোৰৰ একো অৰ্থ বুজি নাপালে। থানাৰ লগত শাক-পাচলিৰ আকৌ সম্পৰ্ক কি। সি থানালৈ যাবই বা লাগে কিয়। অপৰাধ কৰাৰ কথাতো তাৰ মনত নপৰে। খাবলৈ নাপাই লঘোণে থাকিলেও সি কাৰোবাৰ ঘৰৰ সিন্ধি দিবলৈ যোৱা নাই। কাৰোবাৰ লগতে কাজিয়া পেঁচাল কৰাৰ কথাটো তাৰ মনতেই নপৰে। সি কাকো ঠগামি কৰা নাই। বৰঞ্চ তাকহে আনে বহুত ঠগিছে। তেনেস্থলত থানালৈ যাব লগা হোৱাটোত সি একো কাৰণ বিচাৰি নাপালে।

অৱশ্যে বিদেশী খেদা আন্দোলনত সি দুদিন নে তিনিদিন গৈছিল। কেৱল সি যোৱাই নহয় ওচৰৰে জয়ৰাম বড়ো, জয়লাল খেৰিয়া, সিহঁতো গৈছিল আৰু গৈছিল মানে গৈছিল আৰু আহিছিল। কিন্তু আন্দোলনলৈ যোৱা কেইদিন গধূলি আখলত জুই নোযোৱাৰ কাৰণে পিচলৈ সি সেইবোৰ বাদ দিলে। মুঠতে কোনো অপৰাধৰ কথাই তাৰ মনত নপৰিল।

তাৰ আৰু কাম কৰা নহ'ল। আধাৰজা খৰাহীটো ঘৰৰ এচুকত দলি মাৰি থৈ চোতাললৈ ওলাই আহি বাহিৰত সি কিছুসময় তভক মাৰি ৰ'ল। ল'ৰা-ছোৱালী হালো নাই। জয়ৰামৰ ঘৰত খেলি আছেগৈ। আনোৱাৰ ঠিকাদাৰৰ তলত আলি তোলা কাম কৰা মেৰিচাও আহি পোৱা নাই।

এখোজ দুখোজকৈ সি জয়ৰামৰ ঘৰৰ ফাললৈ ওলাই গ'ল। জয়ৰাম বাৰীতে শাকতলী এডোখৰত কোৰ মাৰি আছিল। কণজান যোৱা দেখি শাকতলীতে কোৰখন এৰি সিও আহি তাৰ লগতে বহিলহি। কণজানৰ পৰা সি সকলো শুনিছে। কিন্তু তাৰ ঘৰলৈ পুলিচ আহিব লগা হোৱাটোত আৰু সি থানালৈ যাব লগা হোৱাটোত জয়ৰামে একো কাৰণ বিচাৰি নাপায়। কাৰণ সি কণজানক ভালদৰেই চিনি পায়। সৰুৰে পৰা তাৰ লগত সি ওমলি জামলি আজিৰ এই অৱস্থা পাইছেহি। কণজানে আজিলৈকে কাৰোবাক তই বুলি কোৱা সি শুনা নাই। সেয়ে কণজান থানালৈ যাব লগা হোৱা কথাটোত তাৰ কিছু অস্বাভাৱিকতা থকা যেন লাগিল। তথাপি বিষয়টো কিছু লঘু কৰি তাক কিছু সাহ যোগাবলৈ

বাবেই, "মাতিছে যেতিয়া গৈ আহ" বুলি কোৱাৰ বাহিৰে জয়ৰামে একো বুলি ভাবসা দিব নোৱাৰিলে।

গধুলি বেলিকা মেৰিচাক কথাটো কম বুলি ভাবিও তাৰ আৰু কোৱা নহল। কলে বিপদ, পিছদিনা তাই কামলৈকে নাযাব। তাই কামলৈ নোযোৱা মানে আকউ দুই এসাজ লঘোণ। সি নিজৰে গাটো ভাল নথকাৰ বাবে কেনিও কাম বিচাৰি যাবই পৰা নাই। এইবোৰ চিন্তাতেই গোটেই ৰাতিটো সি ছটফট কৰি কটালে।

পিচদিনা পুৱাই গাটো তিয়াই আহি ফিকা চাহ এঢোক খাইয়ে পুৰণি থৰক বৰক চাইকেলখনত পাম্প আছেনে নাই, পিটিকি চালে। গা-পা ধুই আঁহোতে মেৰিচাই কেনি যায় সুধিছিল। কিন্তু সি এইফালৰ পৰা আহো বুলি কৈ আছল কথাটো তাইক নকলে। তাইও গা-পা ধুই গিৰিয়েক কেনিবা যাবলৈ ওলাইছে বুলি জনাৰ আগ্ৰহ থকা সত্বেও অধিক একো সুধিলে। মাথোন সোনকালে আহিব বুলি তিমানতে বিষয়টো সামৰণি মাৰিলে। "সিহঁতক জয়ৰাম কাইটিৰ তাতে থৈ যাবা বুলি" আল্লাকে সাৰ কৰি কণজান চাইকেলখন ঠেলি ঠেলি ওলাই গ'ল।

দহ মাইল বাট। তাতে ওখোৰা-মোখোৰা কেঁচা ৰাস্তা। চাইকেলৰ অৱস্থাও তদ্ৰুপ। ঠেতেলা-বেঙেনা খাই দুঘণ্টামানৰ মূৰত সি থানা পালেগৈ। থানাৰ সন্মুখ পাইয়ে সি চাইকেলৰ পৰা নামি চাইকেলখন ঠেলি থানাৰ ভিতৰলৈ সোমাই গ'ল। অতদূৰ বাট চাইকেল কৰোতে এনেয়ে তাৰ সৰ্বশৰীৰ ঘামত তিতি গৈছিল। তাতে থানাত ভৰি দিয়াৰ লগে লগেই ভয় আৰু শঙ্কাত ঘামত তিতি সি তেনেই জুৰুলি-জুপুৰি হ'ল।

সি থানালৈ সোমাই যাওঁতে বাৰাণ্ডাতে দুজনমান পুলিচে এনেয়ে পাঁয়চাৰী কৰি আছিল। তাক সোমাই যোৱা দেখি এজনে ধমকৰ সুৰত মাত লগালে—

"ঐ কি হ'ল তোৰ ?"

কণজানে মূৰ তুলি চাই পুলিচজনক চিনি পালে। সেই পুলিচজনেই যোৱা কালি তাক থানালৈ মাতি থৈ আহিছিল। এতিয়া সিয়েই আকৌ এনে প্ৰশ্ন কৰাত কণজান আচৰিত হ'ল যদিও "আপুনি কালি মাতি থৈ আহিছিল" বুলি ম্লান হাঁহি এটা মাৰি; গামোছাখনেৰে মুখখন মচি মচি বাৰাণ্ডাৰ কাষতে থিয় দি ৰ'ল। পুলিচজনে "অ হয়নেকি" বুলি অনুসৰণ কৰিবলৈ ইঙ্গিত দিলে। কণজানে চাইকেলখন বাৰাণ্ডাতে আউজাই পুলিচজনৰ পিছে পিছে চুচুক-চামাক

কৈ থানাৰ ভিতৰলৈ সোমাই গ'ল। পুৰণা ফাইল লুটিয়াই লুটিয়াই অ'চি ফুকন থানাতেই বহি আছিল। কণজানহঁত সোমাই যোৱা দেখি অ'চিয়ে মূৰ তুলি চালে। অ'চিৰ চকুতো সেই একে 'ঐ কি হ'ল তোৰ" ভাব দেখি কণজানে সেই দৃষ্টি সহ্য কৰিব নোৱাৰি অন্য একালে মুখ ঘূৰালে পুলিচজনে তাৰ পৰিচয় দিলে, "চাৰ ইয়াৰ নামেই কণজান। অ'চিয়ে "হুঁ" বুলি আকৌ ফাইল লুটিয়াই কিবা বিচাৰিবলৈ ধৰিলে। পুলিচজন ওলাই আহিল। এক মিনিটমান সময়ৰ পিচত নীৰৱতা ভঙ্গ কৰি অ'চিয়ে আৰম্ভ কৰিলে—

"তেন্তে তোৰ নামেই কণজান ?"

"হয় হুজুৰ।" কণজানে সেপ ঢুকিলে।

"কণজান তোৰ নাম হয়তো ?"

"হয় হুজুৰ।"

কিছু সময় আকৌ নীৰৱে গ'ল।

"ভোটৰ লিষ্টত তোৰ নামটো নাই।"

"নাই যদি কি কৰিম হুজুৰ। আমি গৰীব মানুহ। কণজানে কথাটো কিছু সহজ কৰিবৰ বাবে চেষ্টা কৰিলে।

"হুঁ। কিন্তু ভোটৰ লিষ্টত নাম নাথাকিলে ভোট দিবি কেনেকৈ"

"নাপালে নাই আৰু হুজুৰ।" কণজানজনে বিষয়টো প্ৰায় এনাই চলিবৰ বাবেই চেষ্টা কৰিলে।

কিছু সময় আকউ নীৰৱে গ'ল,

"আচছা তোৰ স্কুলৰ চাৰ্টিফিকেট, ৰেডিঅ' কিনা লাইচেঞ্চ, বা মাটিৰ পট্টা আছেনে ?" নীৰৱতা ভঙ্গ কৰি অ'চিয়ে আকৌ প্ৰশ্ন কৰিলে।

"মাটি ছুবিঘাৰ পট্টা এখন আছে হুজুৰ। তাৰ বাহিৰে একো নাই।

"হব " অ'চিয়ে আকৌ ফাইলত মন দিলে। "কালিলৈ সেইখন লৈ আনিবি।" কণজানে "ভাল হুজুৰ" বুলি এটা দীঘলীয়া উশাহ টানি থানাৰ পৰা ওলাই আহিল। আহোঁতে গোটেই বাটটো সি পট্টাখন থানাত বিচৰা কথা চিন্তা কৰিলে। কিন্তু একো উৱাদিহ উলিয়াব নোৱাৰিলে। তাৰ ভাব হ'ল কৰবাত যেন কিবা গণ্ডগোল ঘটিব ধৰিছে।

গধূলি কথাটো আলোচনা কৰিবৰ বাবে জয়ৰামৰ ঘৰ পালেগৈ। থানাত হোৱা কথা বতৰা আৰু পিচদিনা তাক থানালৈ মাতি পঠোৱাৰ কথাটো সি জয়ৰামক ক'লে। তালৈমান পৰ আলোচনা-বিলোচনা হোৱাৰ পিচতো কিছু জয়-

ৰামে তাক 'একো উপায় দিব নোৱাৰিলে। থানাই মাটিৰ পট্টা বিচৰাটোত সি একো যুক্তিযুক্ততাও বিচাৰি নাপালে। বিপৰীতে থানালৈ নগলেও বিপদ বাঢ়ে, মুঠতে থানালৈ যোৱাৰ বাহিৰে অন্য কোনো পথ সি কণজানক দিব নোৱাৰিলে।

এটা ভাৰাক্ৰান্ত মন লৈ সি গধুলি আঠমান বজাত ঘৰ সোমালহি। ইতি-মধ্যেই ল'ৰা-ছোৱালীহাল শুই পৰিছে। মেৰিচাই ধিমিক ধামাক হাতচাকিটো আগত লৈ ফটা লুঙি এখন সি পুতকি আছিল। গিৰিয়েক যোৱা দেখি ফটা লুঙিখনতে বেজিটো খুঁচি থৈ গিৰিয়েকৰ খোৱাৰ যোগাৰ কৰিবলৈ বুলি ভিতৰ সোমাই গ'ল। চিন্তাক চাকনৈয়াত পৰি তাৰ ভোক-পিয়াহ কেতিয়াবাই হেৰাই গৈছিল। গতিকেই, পেটত ভোক থকা সত্ত্বেও 'মোৰ ভোক লগা নাই ; ভাত নাখাওঁ, তয়ে খা' বুলি এচুখুৰীয়া নাগাচাৰিটো মজিয়াতে পাৰি দীঘল দি শুই পৰিল। কিন্তু মেৰিচাই মানুহটোৰ উদাস উদাস ভাবটো আগদিনাৰ পৰাই লক্ষ্য কৰিছিল। দিনটো বাহিৰত লঘোণে ভোকে কটোৱাৰ পিচত ভোক নলগা কথাটোৰে মেৰিচাৰ মনটোত চেৰাই গ'ল। বঢ়া ভাতকেইটা ঢাকি-ঢুকি থৈ, গিৰিয়েকৰ ওচৰলৈ আহি কিনো হৈছে, সুধিলে। আগদিনা সি ভাবিছিল যদি মেৰিচাক নোকোৱাকৈও কামটো সমাধা হয়, । ভাল হয়। কিন্তু ঘটনাৰ যিহেতু তিমানত অন্ত নপৰিল, গতিকেই সি ভাইৰ পৰা আচল কথাতো লুকুৱাই ৰখাটোৰ কাৰণে নিজকে অপৰাধী অপৰাধী অনুভৱ কৰিলে। বাধ্যত পৰি সি মেৰিচাক সকলো কথা বিৰিৰি কব লগা হ'ল। সিদিনা গধুলি দুয়োটাৰে আৰু একো খোৱা নহ'ল। মেৰিচাই গোটেই নিশাটো কেৱল আল্লাক চিন্তা কৰিয়ে কটালে।

পিচদিনা ৰাতিপুৱা থানালৈ বুলি কণজানে চাইকেলেখন ঠেলি ঠেলি ওলাই গ'ল। মেৰিচাই দুৱাৰ মুখত থৈ কণজান ওলাই যোৱাৰ বাটলৈ একেথৰে চাই ৰ'ল। তাইৰ মনটো এক অজান আশংকাত কঁপি উঠিল। তাই বুকুখনত বিষ অনুভৱ কৰিলে। সিদিনা তাইৰ কামলৈও যোৱা নহ'ল।

কণজান যেতিয়া থানা পালেগৈ, তেতিয়া থানাত দুজনমান পুলিচৰ বাহিৰে কোনো নাছিল। দুজনমান পুলিচে সৰ্বসাধাৰণে ব্যৱহাৰ নকৰা কিছুমান শব্দ ব্যৱহাৰ কৰি কৰি বাৰাণ্ডাতে কথা পাতি আছিল। কণজান সোমাই যোৱালৈ কেৰাহিকৈ এবাৰ চাই সিহঁতে আকৌ কথাত মন দিলে। কণজানে থানাৰ সন্মুখত থকা শিৰিষ গছজোপাত চাইকেলখন আওজাই থৈ চুচুক-চায়াককৈ পুলিচ-দুজনৰ কাষত থিয় হ'লগৈ। সিহঁতৰ স্বাধীন কথাবাৰ্তাত কিছু বাধা পৰাৰ কাৰণে এজনে পেন্দুৱাকৈ চাই প্ৰশ্ন কৰিলে—

"ঐ কি হ'ল তোৰ ?"

"হুজুৰৰ ওচৰলৈ আহিছিলো।" কণজানে সহজ ভাবেই উত্তৰ দিলে।

"অঁ চাব নাই।" পুলিচ দুজন আকৌ কথা পতাত ব্যস্ত হ'ল। কণজান সিহঁতৰ ওচৰতে থিয় দি থাকিল। চাব নাই বুলি কোৱাৰ পিচতো সি আঁতৰি নহাৰ কাৰণে পুলিচ এজনে প্ৰায় ভাক ধমকিয়ে দিলে "ঐ, চাব নাই বুলি কোৱা নাই নেকি।"

সিহঁতৰ আচাৰ-ব্যৱহাৰত আগদিনাৰ পৰাই মোটামুটি সি অভ্যস্ত হৈ পৰিছিল। গতিকেই বিশেষ চিন্তা নকৰি 'চাব আজি আহিবনে নাই,' সি পুনৰ প্ৰশ্ন কৰিলে।

"নাহি ক'লৈ যাব।"

দাঁতনিকটাই দিয়া সিহঁতৰ জবাবত সি একপ্ৰকাৰ ক্ষুণ্ণ হ'ল যদিও একো নকৈ লাহে লাহে আঁতৰি আহি শিৰিষজোপাৰ ওচৰত থিয় হৈ ৰ'ল।

এঘণ্টা দুঘণ্টাকৈ দুপৰীয়া পাৰ হ'ল। বৈ বৈ কণজান অতিষ্ঠ হৈ উঠিল। কিমান বহিব। কিমান থিয় হৈ থাকিব। ইফালে আগদিনাৰ পৰা একো খোৱা নাই। ওকালি আহিছে। ভোক পিয়াহত সমস্ত নাড়ী ভুঁড়ীয়ে খামোচ মাৰি ধৰিছে। বিপৰীতে অ'চিক লগ নকৰাকৈ সি কোনোপধ্যেই যাব নোৱাৰে। অন্য একো গত্যন্তৰ নেদেখি গধূলি পৰলৈকে বাট চোৱাটোকে থিৰাং কৰি শিৰিষজোপাতে আউজি সি আকৌ বহি পৰিল। ৰোৱানিশা টোপনি খটিৰ বাবে চকুদুটি বগ্‌ৰগাই পুৰিছে। চকু দুটি মুদি সি খন্তেক টোপনি যাবৰ বাবে চেষ্টা কৰিলে। কিন্তু টোপনি যাব নোৱাৰিলে।

প্ৰায় চাৰিটামান বজাত জীপ এখন আহি থানাৰ সন্মুখত ৰ'লহি'। জীপৰ পৰা চলং পলংকৈ অ'চি নামি নিজৰ কোঠাত সোমালগৈ। অ'চি সোমোৱাৰ অলপ পিচতে কণজানো গৈ অ'চিৰ কোঠাত সোমাল। সি সোমায়ে দেখিলে, অ'চিয়ে ক্লান্ত দেহাটো চকিখনত এৰি দি চকু দুটি মুদি হেকেটিয়াই আছে। সি টেবুলখনৰ ওচৰলৈ চাপি গৈ ভয়ে ভয়ে মাত লগালে—

"হুজুৰ"।

"হু" বুলি চকু দুটি মেলিয়ে কণজানলৈ খোপাকৈ চাই অ'চিয়ে প্ৰশ্ন কৰিলে—

"কি হ'ল তোৰ ?"

"কালি হুজুৰ পট্টাখন আনিবলৈ কৈছিল।"

"অয়েচ্। উলিয়া" বুলি অ'চিয়ে মুখটো টেবুলত থৈ হাতখন কণজানৰ ফালে

আগবঢ়াই দিলে। কণজানে ফটা পাঞ্জাবী চাৰ্টটোৰ পৰা আলফুলে পট্টাখন উলিয়াই অ'চিৰ হাতত দিলে। পট্টাখন ভালেমান সময় লিৰিকি বিদাৰি চাই হেকেটিয়াই হেকেটিয়াই প্ৰশ্ন কৰিলে—

"চৌকত আলি কাৰ নাম।"

"বাবাৰ নাম হুজুৰ।"

"আছেনে নাই।"

"নাই হুজুৰ।

"হু" বুলি দুটামান উগাৰ মাৰি অ'চিয়ে আকৌ প্ৰশ্ন কৰিলে—

"তোৰ পট্টাখন ক'ত ?"

"এইখনেই তো মোৰ পট্টা হুজুৰ।"

"শ্যাট আপ।" অ'চি গৰজি উঠিল। "এইখন তোৰ বাপেৰৰ পট্টা। মই বিছাৰিছো তোৰ পট্টা।"

'অ'চিৰ ৰেহ-ৰূপ দেখি কণজানে আগৰে পৰাই সমীহ কৰিছিল। এতিয়া আকৌ ধমক খোৱাত তাৰ অষ্ঠ-কণ্ঠ শুকাই গ'ল। তথাপি কিছু সাহ-কৰি অ'চিক পতিয়ন নিয়াৰৰ বাবে পুনৰ সি চেষ্টা কৰিলে—

'আপুনি বিশ্বাস কৰক হুজুৰ। এইখনেই মোৰ পট্টা।"

'চুপ ভৰাই থম, গম পোৱা নাই। লোকৰ পট্টাক নিজৰ পট্টা বুলি দেখুৱাবলৈ আহিছ।"

অ'চিৰ কথাত কণজানৰ মুখৰ মাত হৰিল। যিখন পট্টাৰে সি ইমানদিন উত্তৰাধিকাৰী স্বত্ব লাভ কৰিছে সেই পট্টাখনো আইনৰ মেৰপাকত লোকৰ হ'ল। তথাপি সি শেষবাৰৰ বাবে অ'চিক অনুনয় বিনয় কৰিলে—

"বিশ্বাস কৰক হুজুৰ।"

. "সেইবোৰ তোৰ ঘৈণীয়েৰৰ আগত কবিগৈ। আৰু পৰহিলৈ টকা পাঁচ শ লৈ আনিবি।" কথাখিনি শেষ কৰিয়ে অ'চিয়ে মুখটো পুনৰ টেবুলত আঁউজাই দিলে। কণজানৰ মুৰত আকাশ ভাগি পৰিল। সি চকুৰে' ধুৱঁলি কুঁৱলী দেখিলে। প্ৰায় কান্দি কান্দিয়ে সি অ'চিক কাবৌ-কোকালি কৰিলে—

"আমি গৰীব মানুহ হুজুৰ। এসাজ খাই দুসাজ লঘোণে থাকো। পাঁচ শ টকা মই ক'ৰ পৰা আনি দিম হুজুৰ।"

কণজানৰ কাকুতি মিনতিয়ে একো কাম নিদিলে অ'চিয়ে মুৰ নোতোলা-কৈয়ে কাৰোবাক নিৰ্দেশ দিলে।

'ঐ বাহিৰত কোন আছে ? ইয়াক উলিয়াই দে।"

অ'চিৰ নিৰ্দেশত পুলিচ এজন সোমাই আহি কণজানক প্ৰায় চোচোঁৰাই নিয়াৰ দৰেই টানি নি বাহিৰলৈ উলিয়াই বাৰাণ্ডাৰ পৰাই নমাই দিলে। কণজান থাৰি জাৰি থৰক-বৰকৈ চাইকেল ঠেলি ঠেলি তেতিয়া থানাৰ বাহিৰ ওলাই আহিল। বাটে-ঘাটে গাঁৱে-ভূঞে জাক জাক আন্ধাৰ নামিছে।●

—x—

# এজন পগলাৰ আত্মকথা

তোষেশ্বৰ চেতিয়া

এই উশৃঙ্খল ল'ৰাবোৰ গোটখালেই আজিকালি মোৰ ভয় লাগে। এই দীঘল চুলীয়া, মুচা জুলফীৱালা ডাঢ়ীয়া, চিত্ৰ-বিচিত্ৰ কাপোৰ পিন্ধা, হাতী-মাৰ্কা পেণ্ট আৰু আৰু আধা ফুট ওখ জোতা পিন্ধা উদণ্ড ডেকাবোৰ জাকপাতা দেখিলেই দেখোন মোৰ মনত আশংকা জাগে। কিবা অঘটন ঘটিব পাৰে বুলি বুকুখন চপচপাই উঠে। ইহঁতৰ চিঞৰ-বাখৰ, চিৎকাৰ, অট্টহাস্য অতপালি, এন্দুৰ-বিড়ালৰ লুকাভাকুবোৰ ( হায়! এয়ে নে যৌৱনৰ প্ৰকাশ! ) কিয় জানো অতি ভয়ানক, অতি জঘন্য, অতি চক্ৰান্তমূলক যেন লাগে। ইহঁতবোৰে গাড়ীত হৈ হাল্লা কৰি গলে, ৰাস্তাইদি শোভাযাত্ৰা কৰিলে, চান্দা তোলাৰ নামত দৌৰাত্ম্য চলালে, পোষ্টাৰ-ফেষ্টুনৰ নামত নীচক বহুৱালী কৰিলে মোৰ মনত কিয় জানো ভাব হয় যে ইহঁতৰ মাজত চোৰ-গুণ্ডা-ডকাইত, খুনী, হত্যাকাৰীও থাকিব পাৰে।

আৰু এনেদৰে চিন্তা কৰিবলৈ লোৱা বাবেই মোক আৰু বহুতকে ইহঁতে পাগল বুলি কয়। কথাবোৰ পগলাৰ প্ৰলাপ বুলি উৰাই দিবলৈ ইহঁতে চেষ্টা কৰে। আমাক ইহঁতে দেশদ্ৰোহী আখ্যা দিয়ে, প্ৰাণে মৰাৰ ভাবুকি দিয়ে, মোক আৰু মোক লগৰবোৰৰ বিৰুদ্ধে ভিত্তিহীন অপপ্ৰচাৰ আৰু কুৎসা ৰটনা কৰে।

কিন্তু মোক ইহঁতে কেতিয়াৰ পৰা পাগল বুলি কবলৈ লৈছে? কেতিয়াৰ পৰা মই ইহঁতৰ কঢ়া নজৰলৈ আহিছোঁ?? কি কাৰণে ইহঁতে মোক উন্মাদ আখ্যা দিছে???

ওৰে জীৱন মই আঁহতগুৰি নামৰ এই মজলীয়া নগৰখনত ঠেলাগাড়ী চলাই আহিছোঁ। নগৰখনৰ সকলো ঠাইৰ লগতেই মোৰ পৰিচয় আছে। চহৰৰ লাখপতি মাৰোৱাৰী মহাজনৰ পৰা সাধাৰণ লোকৰ, সকলোৰে বস্তু মই ঠেলাৰে কঢ়িয়াই দিছোঁ। কাৰোবেই লগত মই কাজিয়া পেচাল কৰা নাই। ভাড়াৰ বাবে কাকো পীড়াপীড়িও মই কৰা নাই। আকালো নোহোৱা উড়ালো নোহোৱা এটা/

নীৰিহ জীৱন মই যাপন কৰিছোঁ। চহৰৰ সাধাৰণ মানুহে মোক "ৰাম নাথ ঠেলা ভাই" বুলি মাতে। বৰলোকৰ বাবে আমিবোৰ বকৰাণীৰ কীট হলেও তাত আমাৰ হৰিবাদ-বিষাদ নাই। কাৰণ যি পাইছোঁ তাকে লৈয়ে সন্তুষ্ট হবলৈ বিচৰা প্ৰাণী মই।

পিচে এদিন শ্ৰমিক সংগঠনৰ বাবে কৃষক শ্ৰমিক-সৰ্ব্বহাৰাৰ দলৰ নেতা কমৰেড সুনীল চলিহা আহিল। শ্ৰমিক মুক্তিৰ নতুন দিগন্ত দাঙি ধৰিলে। যুগযুগ জোৰা শোষণ-বঞ্চনাৰ শিকলি ছিঙি মুক্ত দুনিয়াৰ স্বপ্নত আমি আত্মহাৰা হলোঁ। ৰঙা-পতাকা ঊৰ্দ্ধত তুলি আমি ট্ৰেড ইউনিয়ন সংগঠন কৰাত লাগি গলো।

শ্ৰমিক-কৃষক-ছাত্ৰ-যুৱক মধ্যবিত্ত এক হোৱাৰ মোহিনী মন্ত্ৰত আমি ঐক্যবদ্ধ হলো। কৃষক সভাই গণ অৱস্থান কৰিলে—আমি ঠেলাৰে পানী, বুট, থৈলা, তিৰপাল যোগান ধৰি কৃষক কমৰেডসকলক সহায় কৰিলো। প্ৰগতিশীল ছাত্ৰ-সকলে প্ৰচেষ্টন কৰিলে—আমি ঠেলাত মাইক আৰু ফেষ্টুনলৈ সহযোগিতা কৰিলে। যুৱফেডাৰেচনে সন্মিলন কৰিলে—আমি তেওঁলোকৰ বস্তুবেহানি কঢ়িয়াই সুবিধা কৰি দিলো।

লগে লগেই চাৰি আলিৰ উদণ্ডীয়া ডেকাহঁতৰ তাচ্ছিল্যভৰা চিঞৰ শুনিলো—"ৰাম নাথহঁতে পাগলামী কৰিছে।"

"হয়তো এয়া এক নতুন সৃষ্টিৰ পাগলামীও হব পাৰে,"—আমিবোৰে নীৰৱে ভাবিলো। কিন্তু এই অভিনৱ পাগলামীৰ নায়ক কমৰেড সুনীল চলিহা মোৰ বাবে বিস্ময়, নমস্য আৰু জীৱনদাতা। এই নামটো শুনিলেই মই ঋণবদ্ধতাত, কৃতজ্ঞতাত নতশিৰ হৈ উঠো। ইও মোৰ জীৱনৰ এক করুণ মধুৰ ইতিহাস।

আঁহতগুৰিৰ পৰা পূবা ১০০ মাইল দূৰৰ কঠীয়াতলীত মোৰ জন্ম ঘৰ আছিল। অশিক্ষা-অজ্ঞান-আন্ধাৰত ডুবা সেই গাঁৱৰে নতুনকৈ পতা ভেঞ্চাৰ স্কুলত মোক নাম লগাই দিছিল। মই তেতিয়া ৩য় মান শ্ৰেণীৰ ছাত্ৰ। ঘৰত মা-দেউতা আৰু একমাত্ৰ ককাইদেউৰ বেয়া অসুখ। কিন্তু অসুখটো কিমান বেয়া বুজাৰ জ্ঞান মোৰ হোৱা নাছিল। মই প্ৰায় লঘোনে—ভোকেই স্কুললৈ গৈছিলো। পঢ়াত মই চোকা। শ্ৰেণীত প্ৰথম হব পাৰিছিলো।

এদিন মোক স্কুলত পঢ়িবলৈ দিয়াৰ বাবে অন্যান্য অভিভাৱকৰ পৰা আপত্তি আছিল। আমাৰ স্কুলৰ চাৰজন মৰমীয়াল আছিল। চাৰ নিজেও দুখীয়া আৰু আমাৰ দৰে দুখীয়া মানুহৰ বাবে দয়ালু আছিল। মোক যে ইমান মৰম কৰিছিল। আজিও মনত পৰিলে চাৰৰ প্ৰতি ভক্তি জন্মে।

চাবে মোৰ হাতত মৰমেৰে ধৰি চিলট-কিতাপ আৰু শ্লা চাৰিখন সামৰি লবলৈ কৈ বাকী ল'ৰা-ছোৱালীবোৰক সম্বোধি কলে—

"ল'ৰাহঁত, আজিৰ পৰা আৰু ৰামনাথ স্কুললৈ আহিব নোৱাৰে।"

কিয় নোৱাৰে চাৰ? ৰামনাথ কিয় আহিব নোৱাৰে??" সকলো ল'ৰা-ছোৱালীয়ে একো বুজি নাপাই সহজ-সৰল প্ৰশ্ন কৰিলে।

"কাৰণ ৰাম নাথৰ বেমাৰ। তাৰ মাক-বাপেকৰ বেমাৰটোৱেই ....." চাৰে আৰু কথাষাৰ শেষ কৰিব নোৱাৰিলে। বেজাৰত তিতি অহা চকুহাল চাৰে কমালেৰে মচি ললে। মই এই হিয়াভগা বাতৰি পাই হুবাবুৱাকৈ কান্দিলো। ল'ৰা-ছোৱালীবোৰেও ফেকুঁৰি-ফেকুঁৰি কান্দিলে।

চাৰে মোক হাতত ধৰি লাহে লাহে লৈ গ'ল। ল'ৰা-ছোৱালীহঁতে থুকাথুকি মাতেৰে চিঞৰিলে—"ৰামনাথ আকৌ লগ পাম।" মইয়ো ভগাভগা মাতেৰে উত্তৰ দিলো—"পুনৰ লগ পাম ভাইহঁত।"

মোক ঘৰলৈ লৈ আহি চাৰ হতবাক হ'ল। ঘৰত মা-দেউতা আৰু ককাইদেউ কাপোৰেৰে গা ঢাকি পৰি আছে। চাৰে বৰ বেমাৰত (কুষ্ঠৰোগ) উৰ্ত্তীৰ্ণ হোৱা, দুৰ্গন্ধভৰা এই জীয়া শবোৰ চাই থাকিব নোৱাৰি মোৰ হাতত এটা টকা গুজি দি গুচি গ'ল। তেতিয়া মই লক্ষ্য কৰিলো যে মোৰ হাত ভৰিতো দেউতাহঁতক খুলি খুলি খোৱা বেমাৰটোৰ বগা বগা দাগ ওলাব ধৰিছে। অন্য মানুহে তেন্তে মোৰ এই বেমাৰ হোৱা কথাটো ঠিকেই ধৰিছে।

পাঁচ দিন মানৰ মূৰত চাৰ, কেইজনমান গাঁৱৰ মানুহ আৰু এজন অচিনাকী দেৱতা দেৱতা লগা মানুহ দুখন ঠেলা গাড়ীলৈ আহিল। তেতিয়াহে বুজি পালো যে চাৰে কিবা দুখীয়া মানুহৰ পাৰ্টি কৰে। লগৰ কেইজন হ'ল—পাৰ্টিৰ কৰ্মী আৰু নতুন মানুহজন হ'ল—পাৰ্টিৰ ডাঙৰ নেতা কমৰেড সুনীল চলিহা। চাৰহঁতে আমাক চিকিৎসাৰ বাবে ৰাজধানীলৈ নিয়াৰ কথা বুজ'লে। আপত্তি কৰিবলৈ আৰু কাৰ কিটো আছিল। মা-দেউতা আৰু ককাইদেউৰ আধামৰা দেহা এখন ঠেলাত আৰু আনখন ঠেলাত নাম—লাকটু যি আছিল তাক লৈ আমাক দুৰিৰ মাইল দূৰৰ চৰকাৰী হস্পিতেললৈ লৈ গ'ল। হস্পিতেলৰ ডাক্তৰে চৰকাৰী বেমাৰী নিয়া গাড়ী (এম্বুলেন্স) যে আমাক দুশমাইল দূৰৰ ৰাজধানীৰ বৰ ডাঙৰ চৰকাৰী হস্পিতেলত ভৰ্ত্তি কৰি থৈ আহিল গৈ।

দুবছৰৰ চিকিৎসাৰ পিচত মই সম্পূৰ্ণ আৰোগ্য হলো। মোৰ গাৰ বগা দাগবোৰ ক্ৰমে ক'লা পৰি গ'ল। মা-দেউতা আৰু ককাইদেউৰ পিছে

বচাব নোৱাৰিলে। কাৰণ তেওঁলোকৰ অৱস্থা আৰোগ্যৰ বাহিৰত আছিল। তথাপি মা-দেউতাহঁত বহুত আৰামত মৰিব পাৰিলে। ঘৰত মৰা হলে হাত-ভৰি, অঙ্গ-প্ৰত্যঙ্গ নোহোৱা কোমোৰাৰ দৰে বাগৰি বাগৰি মৰিব লাগিলহেঁতেন। কিন্তু ডাক্তৰৰ হাতত তেওঁলোকে তেনে অৱস্থা নোপোৱাকৈয়ে সুখত মৰিল।

মোক হস্পিতেলৰ পৰা খালাচ দিলে। মৃত মা-দেউতা—ককাইদেউৰ প্ৰতি শ্ৰদ্ধাৰ নমস্কাৰ এটা জনাই মই চৰণকেই মৰণৰ গতি নিৰ্দ্ধাৰণ কৰিবলৈ দিলো। এবাৰ ভাবিলো—মা দেউতাহঁতৰ লগতে মৰা হলেই ভাল আছিল। বাচি থাকিনো কি সুফল ফলাম। আকৌ ভাবিলো—এই জগতত চাবৰ দৰে কম্. সুনীল চলিহা আৰু কমৰেডসকলৰ দৰে দয়ালু, মানৱপ্ৰেমী মানুহো আছে যেতিয়া জীয়াই থকাৰ নিশ্চয় কিবা অৰ্থ আছে। কিন্তু সেই অৰ্থক মই ফলৱতী কৰিমেই বা কেনেকৈ ?

তেতিয়া হলে মই এতিয়া কলৈ যাম ? মোৰ আশু কৰ্তব্য কি ? পুনতে ভাবিলো—জন্মৰ গাঁৱলৈকে ঘূৰি যাওঁ। শ্ৰদ্ধেয় চাব আৰু কমৰেডসকলৰ পৰা জীয়াই থকাৰ পথ বিচাৰিম। পুনৰবাৰ ভাবিলো—গাঁৱৰ মানুহে জানো মোক বিশ্বাস কৰিব ? বৰ—বেমাৰী ৰোগী বুলি মোক লেইলেই-ছেইছেই নকৰিবনে ? মই ডাক্তৰৰ হাতত সম্পূৰ্ণ আৰোগ্য হলেও গাঁৱৰ অন্ধবিশ্বাসী মানুহে এই কথা নিশ্চয় বিশ্বাস নকৰিব। তেওঁলোকে মোক এঘৰীয়া কৰিব, অস্পৃশ্য বুলিব। পুনৰ গাঁৱলৈ গৈ লাঞ্ছিত হব খুজিলো।

তাৰ পিচত ঐদহে-বৈদহে কেই বছৰমান ঘূৰি ফুৰি আঁহতগুৰি পালোহি। এটা স্থায়ী জীৱিকা অৰ্জাৰ পথ চিন্তা কৰি শেষত এক সিদ্ধান্তলৈ আহিলো। মই ঠেলাগাড়ী চলাম। ঠেলাগাড়ী মোৰ বাবে বৰ পবিত্ৰ। কাৰণ ঠেলাগাড়ীয়েই কঢ়িয়াই নি মা-দেউতা-দাদাহঁতক শান্তিৰে মৰিবলৈ দিলে, মোক নতুন জীৱন দান কৰিলে।

প্ৰথমে মহাজনৰ পৰা ভাৰাত আৰু পিচত নিজাকৈ ঠেলাগাড়ীলৈ জীৱন-টোক ঠেলি নিলোঁ। দিনবোৰ কোনো ৰকমে কাটি গ'ল।

আৰু এটা সময়ত মোৰ নবজন্মদাতা কমৰেড সুনীল চলিহা আহি আমাক নতুন আলোকৰ সন্ধান দিলেহি। কম্. চলিহাক ভৰিত ধৰি সেৱা কৰি তেওঁৰ ওচৰত মই আজীৱন থকৰা বুলি কলো। কমৰেডে ঢেক্‌ঢেকাই হাঁহি মোক নতুন আদৰ্শৰ কামত মনপুতি লাগিবলৈ উপদেশ দিলে। মই তেনে কৰাৰ প্ৰতিশ্ৰুতি দিলো, হাতে কামে লাগিও গলো।

কমৰেড চলিহাৰ যোগেদিহে জানি হবলা মোৰ সকলোকালৰ নবজন্মদাতা চাবে এদিন লেখিছে—"ৰামনাথ, তোৰ আৰোগ্যৰ খবৰ পাইছো আৰু এইটোও জানিছো

যে তই শুদ্ধ পথ বাচি লৈছে। এই পথেৰেহে তই তোৰদৰে শত-সহস্ৰ কষ্ট-লাঞ্ছিতৰ জীৱন দান কৰিব পাৰিবি।”

চাৰ, কম্. চলিহা আৰু শোষণ—মুক্তিৰ আদৰ্শৰ নৱজ্যোতিয়ে মোৰ মন আকাশ উজলাই তুলিছে। মই নতুন শিকালোৱাত ব্যস্ত। মই বিপ্লৱী জ্ঞান-কাজত আত্মনিয়োগ কৰিব ধৰিছোঁ।

ইফালে বাস্তাত, চিনেমাহ’লৰ মুখত বিদ্ৰূপৰ অট্টহাসি—“বামনাথহঁত পাগল হৈছে।”

সিহঁতে পাগল বুলিলেও সময়ৰ সন্তীয়া হাৱাত, দেশপ্ৰেমৰ পলীয়া বন্যাত আমি উটি যাব নোৱাৰো। শ্ৰমিক-কৃষকৰ নেতৃত্বৰ অবিহনে আমি সুবিধাভোগী ধনী-মধ্যবিত্তলোকৰ নেতৃত্বত বিশ্বাস ৰাখিব নোৱাৰো। শ্ৰমজীৱী মানুহৰ ঐক্য বিনষ্ট কৰা কোনো আন্দোলনকেই আমি সমৰ্থন কৰিব নোৱাঁৰো। সেইবোৰ সংগ্ৰামতহে আমি যোগদান কৰিব পাৰো যি সংগ্ৰামে শোষক-শোষিতৰ দ্বন্দ্ব তীব্ৰ কৰি তুলিব আৰু মেহনতী মানুহৰ ঐক্য দৃঢ় কৰি তুলিব। সেইবাবেই কল্পিত শত্ৰুৰ বিৰুদ্ধে গদা ঘূৰাই কেৱল দুঃখকাৰী মানুহৰ সংগঠন ভঙাৰ আন্দোলনত চকুমুদি আমি জাপিয়াই পৰিব নোৱাৰিলো।

আহঁতগুৰিৰ পূব মূৰৰ চলপুৰৰ ফালে গৈ দেখিলো এই উদণ্ড ডেকা একখা গোটখাই বিৰাট কিৰিলি পাৰিছে। ইহঁতবোৰ লগ লাগিলেই মোৰ সন্দেহ জাগে। ওচৰ চাপি দেখিলো নীৰেন দাস নামৰ স্থানীয় লোক এজনক আঠুকঢ়াই সিহঁতে চাৰি আলিটোত ঘূৰাই ফুৰিছে। নীৰেন দাসৰ পিঠি আৰু বুকুত খালি গাত হাতুৰি-কাঁচি আঁকি দিয়া হৈছে। তৎমুহূৰ্ততেই মই বুজি পালো। নীৰেন দাস কৃষক সভাৰ সভ্য, মাজে মাজে তেওঁ কৃষকৰ আন্দোলন,—সমদলত যোগ দিয়ে। সেইটোৱেই ডেনেহলে দাসৰ দোষ। উত্তেজিত ল’ৰাহঁতে যিমানে উন্মাদনাৰ হাঁহি মাৰিছে বেচেৰা দাসে বেদনাত সিমানেই চিৎকাৰ কৰিছে। অসপ ওচৰৰ পৰা দেখিলো যে কেইবা ফটা ধৰি পকা আলিত চুচৰি আঠুৰ ছাল ছিগি লংপেন্টৰ ওপৰেদিও তেজ ওলাই ক’লা ৰাস্তা ৰঙা কৰি পেলাইছে। মোৰ সহ নহ’ল। এনে ঘটনা সহ কৰাটো ভীৰুতা, ক্লীবতা। লগে লগেই মই ওচৰতে বৈ থকা ঘটৰিয়া চালক কম্. যতীনক কথাটো বুজাই দিলো। সি আটোখন কিছু দূৰত ষ্টাট দি ৰাখিলে।

মই হৰ মূৰকৈ সোমাই নীৰেন দাসক গাজে মূৰে চব কেইটামান লগাই দিলো। ডেকাহঁতে মোৰ কাণত ভালপাই থাওঁৰি গৈ কৃষক সভা মূৰ্দাবাদ

দিলে। সেই সুযোগতে তীড় বেগে নীৰেনক টানি নি যতীনৰ অটোত উঠাই বিশ্বাশৰদে দৌৰিলো। ডেকাহঁতে তেতিয়াহে কাণ্ডটো ধৰিব পাৰি শিলগুটি দলিয়াই চিঞৰিবলৈ ধৰিলে—

"ৰামনাথ পাগলৰ কাম! ধৰ, ধৰ, পিট, দেশদ্ৰোহীক।"

পশ্চিম আহঁতগুৰিৰ হাইস্কুলৰ ল'ৰা-ছোৱালীবোৰক দেশৰচোৱা আন্দোলনলৈ গাড়ীত উঠোৱাৰ সময়তে অৱলীলাক্ৰমে মই গৈ পাওঁগৈ। প্ৰগতিশীল ছাত্ৰ অনুষ্ঠানৰ নেতা অজিত নামৰ ল'ৰাজনে এই আন্দোলনত যোগদান নকৰে বুলি কোৱাৰ লগে লগেই যেন কাউঁৰিৰ বাঁহতহে জুই লাগিল। অজিতক মাইকী, ভীৰু, কাপুৰুষ, বদন বুলি আউঁৰিয়ে আউঁৰিয়ে তিৰস্কাৰ কৰিলে। ঘটনা সিমানতে ক্ষান্ত নাথাকি উত্তেজনাত উন্মাদ হৈ দময়ন্তী নামৰ দাংকাচি, যতামুৰী, নাটেশ্বৰী ছোৱালী এজনীয়ে নিজ মেখেলাখন খুলি অজিতৰ ভিতিৰৈদি সোমাৰাই দিলে। মই এক মুহূৰ্তও নবৈ ল'ৰা-ছোৱালী জাকৰ মাজলৈ সোমাই গৈ অজিতক টানি আনি হাৰামজাদীৰ চুটা কাপোৰখন দলিয়াই দি ৰাস্তাৰ টেক্সি এখন ৰখাই অজিতক উঠাই পঠাই দিলো।

ল'ৰাবোৰে মোলৈ শিলগুটি, ভঙা ইটা দলিয়াই চিঞৰিবলে—"ৰামনাথ পাগলক ধৰ ঐ ধৰ। দে, তাৰ পিঠি ফালি দে। দালাল ছাত্ৰ ফেডাৰেচন মুৰ্দাবাদ।"

কাণ-মুখ জোকাৰি মই শিল-ইটাৰ বৰষুণ ফালি পলালো। গোটেই গাতে আঘাত পালো যদিও এটা সাহসী কাম কৰি আনন্দও পালো।

এনে কাৰণতেই এই দায়িত্বহীন ডেকা ল'ৰাবোৰ গোট খালে মোৰ সন্দেহ হয়। ইহঁতৰ মাজত যেন বহুতো কুটচক্ৰ সোমাই আছে। বহুতো দেখা-নেদেখা, বিদেশী চক্ৰান্তই যেন ইহঁতৰ মাজেদি কাম কৰি আছে।

আঁহতগুৰিৰ দক্ষিণ ফালৰ পৰা এটা দীঘল শোভাযাত্ৰা আহি আছিল। ডেকা-ল'ৰাবোৰে বিকট চিঞৰি মাৰি কাৰোবাক গৰিহণা দি আহিছে। সিহঁতৰ চকু মুখত হত্যাকাৰীৰ নিষ্ঠুৰ ভ্ৰূকুটি, খুনী-গুণ্ডাৰ পাশৱিক অভিব্যক্তি। এনে-ধৰণৰ হৈ হাল্লা হলেই আজিকালি মই থাকিব নোৱাৰো। মই স্বয়ংক্ৰীয় যন্ত্ৰৰ দৰে প্ৰচেতনটোৰ সন্মুখ পালোহি। কাণ্ড দেখি মই নাৰ্ভাচ হৈ গলো। শোভা-যাত্ৰাৰ সন্মুখত দুটা প্ৰকাণ্ড কাপৰে ধৰা কুকুৰ। এটাৰ কঁপালত হাতুৰী কাঁচি আঁকা চিত্ৰ আনটোৰ কঁপালত কমৰেড হুনীন চীনহাৰ ৰাজচিত্ৰ আৰু তলত নাম লেখা কাগজ লগোৱা আছে। সিহঁতবোৰে উন্মাদৰ দৰে আস্ফালন কৰিছে—

“বাঁচিব-জবক নৰহত্যাৰ [illegible]”
“দেশদ্ৰোহী মান-হৰীণ চাঁদ্ৰা [illegible]
“গৰিহণী [illegible] হত্যা কৰা”—ইত্যাদি।

ইয়াৰ পিচত আৰ মোৰ দুখিবলৈ বাকী নাথাকিল। এই [illegible] হবে হৈ পৰিছিলা। এনে কথা কাৰকো সহ্য কৰিব পৰা যায়নে? [illegible] কাণ এৰাই নে? মই বিহ্বা এখনত আগবাঢ়ি গলো। মোৰ মুখৰ [illegible] কৰি গলো।

প্ৰতিবাদ কলনীত সকলোকে কৈ শক্ত কৰি দিলো। মই আৰু [illegible] তাল গুটি, শিলগুটি আৰু খৰ্কাঁড় বাচি লৈ দুয়োটাই হাঁপনৰ পৰা [illegible]। [illegible] মকামকালি, আলোন পাহৰা হৈ সকলোটো আহি পৰেহি। আমি প্ৰস্তুত হৈয়ে আছিলো। দুদুৰ মুঠা [illegible] পোৱাৰ লগে লগে [illegible] একেলগে এৰিলো। আমাৰ পক্ষতেই নহ'ল। দুদুৰ মুঠা [illegible]। সকলোটোত হুলস্থুল লাগিল। আমি আমাৰ কলনীৰ কালে দৌৰিলো। [illegible] বন্ধুসকল গাছ আছিলেই।

মোক দূৰৰ পৰাই চিনিপাই সিহঁতে চিঞৰিলে—“ৰামনাথ [illegible] যাব যাব, তাক হত্যা কৰ।” আমাৰ পিচে পিচে জেকাবোৰে [illegible] পাটিলে আমাৰ বন্ধুসকলে বাধা দিলে। মাৰ-পিট, হতাহতি আৰম্ভ হ'ল। [illegible] সময়তে যেনিবা পুলিচ আহি পোৱাৰে অৱস্থাটো চম্ভালি জেকাবোৰক খেদাই নিলে।

দেশপ্ৰেমৰ এনে আদৰ্শ নমুনা দেখিয়েই, এই [illegible] [illegible] মোৰ দুখন আন্তৰ কঁপি উঠে। ইহঁতৰ [illegible], [illegible], গাবেনকৰ, [illegible] কৰিব পাৰে। [illegible] ইহঁতবোৰেই, শ হত্যাৰ [illegible] ইতিহাসৰ পুনৰাবৃত্তি কৰিব [illegible]

[illegible] সিহঁতে এখন [illegible] সিহঁতে [illegible] [illegible] এখন [illegible] [illegible] [illegible] [illegible] কৰিবলে। [illegible] [illegible] [illegible] [illegible] [illegible] [illegible]।

এই সভাত সৰ্বহাৰা দলৰ নেতা কমঃ সুনীল চলিহাৰ প্ৰতিমূৰ্ত্তি দাহ কৰিব। দেশদ্ৰোহী, বিদেশীৰ দালাল সুনীল চলিহাৰ প্ৰতিকৃতিত জুই দি সিহঁতৰ উন্মাদ—জিঘাংসা আৰু জন্তুবৎ প্ৰতিশোধ পূৰণ কৰিব। হায়, হায়—শেষত মোৰ নৱজন্মদাতা, পৰম শ্ৰদ্ধেয়, দুৰ্গত জনতাৰ বাবে আত্মাহুতি দিয়া কমঃ চলিহাৰ কল্পিত হত্যাযজ্ঞহে চাবলৈ আহিলোঁ।

সমবেত ভদ্ৰমণ্ডলীলৈ লক্ষ্য কৰিলোঁ। নগৰখনৰ কোটিপতি মহাজন, মিল মালিক, চাহ খেতিয়ক, বৃহৎ ব্যৱসায়ী ডাক্তৰ, ইঞ্জিনীয়াৰ, কেৰেনী-আমোলা-পোৱালী বিষয়া, ঠিকাদাৰ, অধ্যক্ষ, হেডমাষ্টৰ, অধ্যাপক, শিক্ষক, ছাত্ৰ এচাম উপস্থিত আছে। কিন্তু কোনো শ্ৰমিক-কৃষক, সাধাৰণ লোক আৰু সচেতন ব্যক্তি আৰু ছাত্ৰ-ছাত্ৰী সভাত উপস্থিত থকা নাই।

কিয় থাকিব? এনে কামৰ ফলত কাৰ লাভ হ'ব? সাধাৰণ মানুহবোৰ এনে কামৰ পৰা লাভতকৈ লোকচানেই বেচি হয়। দেশত যিমানেই হুলস্থুল হয়, সাধাৰণ শ্ৰমজীৱী মানুহৰ মাজত কাজিয়া হয়, বামপন্থী-গণতান্ত্ৰিক মানুহৰ ওপৰত হামলা হয়—সিমানেই এই উপস্থিত ভদ্ৰমণ্ডলীৰ সুবিধা হয়।

দেশ মানে কাক বুজোৱা হৈছে? মই ভাবি গলো—এই পুঁজিপতি—জমিদাৰ, সুবিধাভোগী মধ্যবিত্তসকলেৰেই সমগ্ৰ দেশখন নেকি? বস্তুৰ মূল্য কোনে বঢ়ায়? ভেঁজাল কোনে কৰে?? কৃত্ৰিম নাটনি কোনে কৰে??? দুৰ্নীতিৰ আশ্ৰয় কোনে লয়? ৰাতাৰাতি দল বদলি কোনে কৰে? জৰুৰী অৱস্থা কোনে সমৰ্থন কৰিছিল?? ইহঁতবোৰেই নহয় নে? অথচ দেশপ্ৰেমৰ, জাতি বচোৱাৰ ঠিকাদাৰী ইহঁতেই কৰিবলৈ আছে!! এক ঘৃণা, জুগুপ্সা আৰু বিতৃষ্ণাৰ ভাবে মোৰ সমস্ত শৰীৰ-মন উতলাই পেলালে।

এনে এক গভীৰ বিশ্লেষণী চিন্তাত তন্ত্ৰাময় হৈ থাকোঁতেই মাইকৰ গুৰু-গম্ভীৰ মাতত মই সজাগ হৈ পৰিলোঁ। মাইকত ঘোষণা শুনা গ'ল—"আমাৰ সংগ্ৰাম পৰিষদৰ সভাপতি শ্ৰীবগৰা চৌধুৰাই দেশদ্ৰোহী বদন শ্ৰীসুনীল চলিহাৰ প্ৰতিকৃতিত অগ্নিদাহ কৰিব।" মই সন্মুখৰ প্ৰকাণ্ড আহঁত গছজোপাৰ ফালে চালোঁ। খেৰৰ কুণ্ডলিৰে এটা প্ৰকাণ্ড মূৰ্ত্তি বনাই আঁৰি থৈছে। মূৰ্ত্তিটো অদ্ভুত আপচুতাৰে বনোৱা হৈছে। মুখাবয়ত হাতুৰী কাঁচিৰ চিন আৰু নানা কু-বিশেষণেৰে কমঃ চলিহাৰ নাম লেখা হৈছে।

মি. চেতিয়া মোলা, তিনিখা ভদ্ৰলোকজন আগবাঢ়ি গ'ল। এই তথাকথিত উচ্চ শিক্ষিত ভণ্ড ভদ্ৰলোকজনৰ প্ৰতি প্ৰথমে মোৰ পুতৌ জাগিল। বেচেৰাই

বোধহয় মাক-বাপেকৰ মৃত্যুত মুখাগ্নি কৰি নেপালে। বিপুল হৰ্ষধ্বনি আৰু গালি-গালাজৰ মাজেদি মিঃ চৌধুৰীয়ে প্ৰতিকৃতিত জুই দিলে। শেষ খাক কটাকানিৰ জুমুঠি জ্বলি উঠিল। বতাহে জুইকুৰা চুগুণে জগাই তুলিলে। আৰু মোৰ যে কি হৈ গ'ল। প্ৰতিকৃতিত জুইকুৰা যেন মোৰ গাতহে জ্বলিবলৈ ধৰিলে; কম্ চলিহাক কৰা অপমানৰ জ্বালা, আৰ্দৰ অৱমাননাৰ প্ৰতিশোধ আৰু নিজ কাপুৰুষতাৰ প্ৰতি জন্মা ধিক্কাৰ—এই আটাইবোৰ মিলি মোক এটা ছুংলাগুলী দুৰন্ত যুৱা, অকুতোভয় যন্ত্ৰত পৰিণত কৰিলে।

মই স্প্ৰিঙৰ পুতলাৰ দৰে জঁপিয়াই উঠি প্ৰতিকৃতিটোৰ ওলমোৱা বাঁহডাল টানি জ্বলন্ত জুমুঠিটো মিঃ চৌধুৰী আৰু ভদ্ৰলোকসকলৰ মুখৰ ফালে মাৰি পঠালোঁ। হনুমানে লংকাদাহ কৰাৰ দৰে জুমুঠিৰ জুই ছিটিকি পৰি মিঃ চৌধুৰীকে ধৰি বহুতো বৰলোকৰ মুখ আৰু কাপোৰ কানি পুৰিবলৈ ধৰিলে। চাৰিও ফালে হাঁহাকাৰৰ চিৎকাৰ! মোৰ গাৰ ভেশছুন খহি পৰিল। মই পগলাৰ দৰে অট্টহাঁহি মাৰিলোঁ। জীৱনত আজিহে যেন প্ৰথমে মই প্ৰাণ খুলি হাঁহিলোঁ।

ইতিমধ্যে চাৰিও ফালৰ পৰা উদণ্ড ডেকাহঁতে মোক ধৰি মাৰ—চৰ, ভুকু, কিল দিবলৈ ধৰিলে। মই আধামৰা হৈ পৰিলোঁ। সিহঁতে চিঞৰিবলৈ ধৰিলে—"ৰামনাথ পগলাক বান্ধি জেলপুৰলৈ পঠাব লাগে। এই পগলাক এক মুহূৰ্তও ইয়াত ৰাখিব নালাগে।"

সিহঁতে মোক হাতভৰি বান্ধি জন্তুৰ দৰে টোচৰাই নিব ধৰিলে। মই সৰ্বশক্তি প্ৰয়োগ কৰি চিঞৰি কবলৈ ধৰিলোঁ—

"ৰাইজ, মোৰ বক্তব্য আছে। মোক পগলা ফাটেকলৈ নিয়াৰ আগতে মোৰ কথা এবাৰ শুনি লওক। শ্ৰদ্ধেয় ৰাইজ,—এনেদৰে দেশ বা জাতি ৰক্ষা নহয়। এনেকৈয়ে চক্ৰেটিছ, যীশুখ্ৰীষ্ট, গেলিলিও, মহাত্মাগান্ধী আদিক হত্যা কৰা হৈছিল, এনেকৈয়ে জাৰ্মানীত ৬০ লাখ ইহুদী, ইন্দোনেছীয়াত ৩০ লাখ কমিউনিষ্টক হত্যা কৰা হৈছিল। তেনে অত্যাচাৰৰ চক্ৰান্ত আৰু তেনে হত্যাকাৰীও ইহঁতবোৰৰ মাজত থাকিব পাৰে।"

"পণ্ডিত শ্ৰদ্ধেয় ৰাইজ, এনে হাজাৰ ষড়যন্ত্ৰীয়া ষড়যন্ত্ৰৰ বিৰুদ্ধে জাগি উঠক। দেশৰ চুকে কোণে থকা শ্ৰমকাৰী মানুহ ওলাই আহক। এইবোৰ লোকৰ মাজৰ পৰাও শুভবুদ্ধিৰ লোকসকল ওলাই আহিব। সকলোৱে মিলি এখন নতুন মুক্ত সমাজ পাতক য'ত এনে বৰ্বৰ চক্ৰান্ত আৰু নেথাকিব, য'ত মানুহে ওপৰত মানুহৰ পীড়ন নেথাকিব।

---

( অ:নু নুৰুৰ গল্পৰ বাঁচনিত । )

# ধুমুহাৰ পাছত

বিপুল খাটনিয়াৰ

—এক—

“দেশ বুলি কলে আবেগ নেলাগে
মোৰ হেংদাঙত টগবগাই উঠে
এহেজাৰ এটা ভগনীয়া বঙাল ।”

ফৰিংফুটা জোনাকে নিশাৰ পৃথিৱীখনক বুৰাই পেলাইছিল' জোনাকৰ মাজত—বহুদূৰলৈকে বিস্তৃত হৈ থকা গেঁৰুৱা ওলোৱা খাননি পথাৰখন স্পষ্ট হৈ পৰিছিল । ঠায়ে ঠায়ে শৰতৰ নাজকুৰীয়া কুঁৱলীয়ে থোপা পাতিছিল আৰু জোনাকৰ পৰশত ধূসৰ হৈ উঠিছিল ।

গাওঁ নাই, কেৱল খাননি পথাৰ । মাজে মাজে আহু অথবা মৰাপাটৰ চলপৰা ভাঁজ । কবোবাত আকৌ ভোঙা বক্সা পানী কিবা ম'হৰ খুলি—পাতলীয়া জলনিৰ মাজলৈ উচপ খাই সোমাই যোৱা জ্যাতুৰ পানী তেজুলীৰ ধলকনি ।

কথাতো জীপ নাই, যেন অপুষ্টিজনিত ৰোগত ভোগা গৰ্ভৱতী মাতৃ । গোচৰোৰ পাতল, গেঁৰুৱা ওলাইছে, কিন্তু এয়াও যেন এক স্বাভাৱিক প্ৰক্ৰিয়া নহয় । যেন অশেষ নিকাৰ ভুগি এক দুখাৰী মাতৃয়ে মৰণৰ সতে যুঁজি জন্ম দিছে এটি ক্ষীণ কণীলা শিশু ।

—এইবাৰ মানুহ মৰিব ।

সেইকাই আগবাঢ়িছিল ।

মই একো উত্তৰ নিদিলো । কেৱল তেওঁৰ পিছে পিছে পথাৰৰ একানি একানি আলি আৰু বৰলা বৰা বোকা খচি লাহে লাহে আগুৱাই যাব ধৰিলো ।

হঠাৎ [illegible] নিকটে এখন গাওঁ আহিল । পথুৰাৰ গাওঁ । সংগঠন আৰু কামতে মোক পিয়াৰ সকল বিচাৰি মই এবাৰ আহিছিলো ।

কমাল উদ্দিন নামৰ ডেকা এজন আছিল । বৰ্তমান কিন্তু উৎসাহী । [illegible] লোক জোগাইছিল ।

প্ৰায় একশৰ মানুহৰ খাই।

বল তাৰোৱা আৰু মাজে মাজে দুই এজোপা [illegible] [illegible]। তাৰোৱা আৰু নাৰিকলে যোক যেন লাগিছিল, যেন আৰু দুই [illegible] অপেক্ষা কৰিছিল।

মানুহবোৰ বেছ চকুত লগা।

বেছি ভাগেই অৰ্দ্ধাহাৰী, পেটুকপাবোৰৰ পেট-বুকবোৰ ডুবৰ পৰাই চকুত পৰা।

তথাপি কাৰাতে সন্তোষ দেখিছিল।—পাণ্ডৱত গিয়েই একমাত্ৰ শিক্ষিত ল'ৰা। তাৰ ইচ্ছা আছিল—এখন প্ৰাথমিক বিদ্যালয় খুলিব। লৰাবোৰক লাহে লাহে লাজ চাকিবলৈ শিকাব। কিন্তু—

কি জানো হ'ল, হঠাতে বৈ গ'ল পেঁচুকাই।

পেঁচুকাই সকলো আৰও লোবোকা মানুহ। কিন্তু গিছে মন ভল।

তাৰৰ আছুনিৰ কাষেৰে সৰকি আহি এটাই বোকাপানী মোৰ চুৰিয়াখনতো চিটিকি পৰিলহি। আকৰুলে লগে এটা ভেকেটা ভেকেট গোন্ধও মোৰ নাকত লাগিলহি।

তিতিত দেখিয়াই লোৱা গামোচাখনেৰে, মই নাকটো চেপা মাৰি ধৰিলো।

—কিহৰ গোন্ধ ককাই?

পেঁচুকায়ো তাপেধিনি সময় নিতাল মাৰি ৰ'ল। গোন্ধটো কিহৰ হ'ব পাৰে তাৰেকে যেন ভেঙা মাৰি চাব ধৰিলে। তাৰ পিছত পানী জোপে বেগ মাৰি পাৰ হৈ বৰকীপাটোলৈ উঠি গল ভেঙা—।

—চুৰিয়াখন কোচাই লোৱা, পেঁচুকায়ে কলে।

ম' চানেকীয়া হলেও পানীতোলা ঠেক। পাৰ হৈ বৰকীয়াত উঠি আমি আকৌ চুটি চুটি খোজেৰে আগবাঢ়িব ধৰিলো।

—গোন্ধটো কিহৰ পেঁচুকাই? মই মৌনতা ভঙ্গ কৰিলো।

—মানুহৰ নহয়।

—কেনেকৈ জানিলা?

—বহুত দেখিলো।

পেঁচুকায়ে কলে আৰু কৈয়ে এইটো কাপোৰখন মান পৰা খকাই চুৰুত পাৰৰি মাৰি দলে।

তাৰ পিছত ভেঙা মেজাবোৰ পৰিৱ হৈ আহিল।

আমি আৰু এবেলা দুবৰি [illegible] আগবাঢ়ি ধৰিলো।

[illegible]

বেকা হৈ আগবাঢ়ি যোৱা বৰকীয়াটো বহুয়ুৰলৈকে জিলিকি পৰিছে।

পোহৰ বেয়া পোৱা থকুৱা ধূৰ্ত্ত নিশাচৰ প্ৰাণী এটা হঠাতে আমাৰ আগত পৰিলহি। সি সম্ভৱ অলপ বেয়াকৈ ভয় খালে আৰু কাণ্ডজ্ঞান হেৰুৱাই আমাৰ আগে আগে ৰবকীয়াৰ ওপৰেদি লৰ ধৰিলে। কিছুদূৰ আগবাঢ়িহে হব পাই নিজৰ ভুলটো বুজি, বেঁকা হৈ বাওঁফালে ধাননিৰ মাজত অন্তৰ্ধান হৈ পৰিল।

মোৰ আকৌ মনত পৰিল কামাল উদ্দিনলৈ।

আচলতে প্ৰাথমিক বিদ্যালয় এখন খোলাৰ কথাটো মনোজ—মানে মোৰ কলেজীয়া দিনৰ বন্ধু মনোজ পূজাৰীয়েই (যাক লগ কৰিবৰ বাবেই মই চোৰৰ দৰে আহিছো) কামালৰ মুৰত সুমোৱাই দিছিল।

প্ৰথমতে সি মনোজৰ কথাবোৰ হাঁহি মাৰিয়েই উৰাই দিছিল। দিছপুৰীয়া লেঠাবোৰ নিজেই লম বুলি কোৱাৰ পিছতো মনোজৰ কথা সি গুৰুত্ব দিয়া নাছিল। কিন্তু স্বপ্ন দেখা ল'ৰা, মন ঘূৰিল। বাঁহৰ খুটা, মৰাঠাৰিৰ বেৰ, নৰাৰ চালি আৰু এপাল ল'ৰা-ছোৱালীৰে তাৰ প্ৰাথমিক খন গঢ় লৈ উঠিল।

সেইবাৰ লগ পাওঁতে কামালে পোনে পোনে মোক টানি আনিছিল তাৰ প্ৰাথমিকখন চাবলৈ!

অৱশ্যে তাৰো এক কাৰণ আছিল।

দিনটো আছিল—স্বাধীনতা দিৱস।

আমি গৈ পোৱাৰ আগতেই প্ৰায় তেৰ কুৰি শিশুৱে পতাকাখন ঘূৰণীয়াকৈ বেৰি ধৰিছিল। সিহঁতৰ পিঠিবোৰ আছিল উদং। খেনোটোৰ পিন্ধনত টিকা ওলোৱা পেণ্ট, খেনোটোৰ কঁকালত ডিয়নি চুৰিয়াৰ টুকুৰা, বেছিভাগেই সম্পূৰ্ণ নাঙঠ।

বৰ বিভোপন দৃশ্য।

ল'ৰাবোৰ যেই হওক—সহিব পাৰি, কিন্তু নাঙঠী ছোৱালী? মই দৃষ্টি ঘূৰাই লৈছিলো পতাকাখনৰ ফালে।

কামালে পতাকা উত্তোলন কৰিছিল।

ৰূপজান প্ৰাথমিক বিদ্যালয়ত প্ৰথম পতাকা উত্তোলন।

নাঙঠ দুলৰ পাণৰিবোৰ শিচৰতি হৈ পৰিছিল।

আৰু নঙঠা গালে হাড়বোৰ কপালত থৈ একেঠৰে চাই আছিল বতাহত ঠেঙাৰি নাচি উঠা পতাকাখনৰ ফালে।—এৰা, বৰ অদ্ভুত বস্তু এই পতাকাখন!

—কিয়া অলপ কওক কৰাইছিলো, কামালে মোৰ হাতত এখনত খামুচি ধৰিছিল।

কি কব মই? জিলটা কংকালসাৰ নাঙঠ শিশুৰ সন্মুখত থিয় হৈ কি

কয় মই ? কাৰকথা কয় ? কিহৰ কথাকেইবা কয় ?

মোৰ হাতখনত ধৰি পুনৰ জোকাৰি দিছিল কামালে ।

—কি কয় মই ? মোৰ ভাঁৰ কঁপিছিল । মই অসহায় হৈ থকাৰ দৰে চাই আছিলোঁ কামালৰ মুখলৈ ।

কিন্তু কামালৰ উৎসাহৰ যেন অন্ত নাই । সি মোক পতাকাখনৰ কাষলৈ, তাৰ তাৰ ছাত্ৰ-ছাত্ৰীবোৰৰ সন্মুখলৈ টানি আনিছিল ।

—গান্ধীৰ কথা কওক ককাইদেউ । আৰু জৱাহৰলাল, আমাৰ তৰুণৰাম, গোপীনাথ, বাহাদুৰ গাওঁবুঢ়া —

কৰবাত এটা কেউৰাই চিঞৰি উঠিছিল ।

তাৰো যে কি চিঞৰ ।

গেঁঠুকাইয়ে সন্তৰ ভয় খাইছিল । তেওঁ ইচ্ছা কৰিয়েই জোৰেৰে কাঁহিছিল আৰু তাকে কৰি যেন আপদটোক আঁতৰাই পঠাব বিচাৰিছিল ।

—কি হ'ল ককাই ? মই সুধিলোঁ ।

—সি আমাকে বনৰ বস্তু বুলি ভাবিছে, গেঁঠুকায়ে কলে ।

—কোনে ?

—সেইটোৱে, কেউৰাটোৱে ।

গেঁঠুকায়ে গতিবেগ বঢ়াই দিব ধৰিলে ।

ওখ ডাঙৰ মেদাং মানুহ গেঁঠুকাই । কিন্তু কি যে বিপৰীত সম্পৰ্ক দেহ আৰু মনৰ, "ছাটোকো বাঘ দেখা মানুহ তেওঁ ! খলুৱা শুগালো গেঁঠুকাই হাতৰ মাজেৰে অহা বুলি শুনিলে দাইচ্ এৰি পলায় । এনে হেন মানুহটোৰো পৰ্বটো ফুৰাৰ লগে লগে কি ভয় ।

তেওঁৰ কথাকে ভাবি মই আগবাঢ়িব ধৰিলোঁ ।

অলপ দূৰ আগবঢ়াৰ পিছতে কেইজোপা মান নাৰিকল আমাৰ চকুত পৰিল । চিৰিকা চিৰিকি পাতবোৰৰ মাজেৰে সৰকি অহা জোনাকে যেন ঠাই টুকুৰা ৰহস্যময় কৰি তুলিছিল ।

তালেমান নিলগৰ পৰা এজনী নিশাচৰী চৰাইৰ বিননি ভাহি আহিছিল তাইৰ উৎকৰ্ণ বিননিয়ে জোনাকেৰে ভৰা নিশাটো গহীন কৰি তুলিছিল । বহুকৈৰ বাবে হলেও যেন মোৰ সমস্ত দেহ শিৰশিৰাই উঠিছিলু ।

—সেইটো, সেইটো !

কিয় জানো, খপহকৈ বৈ গ'ল গেঁঠুকাই ।

—কি হ'ল ককাই ?

—সেইটো, সেইটো !

গেঁঠুকাইৰ মাতটো কঁপিছিল । সম্ভৱ কোনো এক বিপদৰ আশংকাত ভেঙু শিয়ঁৰি উঠিছিল ।

ভেঙু ভয়ে ভয়ে আঙুলিয়াই দেখুৱাৰ ফালে মই মুখ তুলি চালো ।

—ফেঁচা, কেৱল ফেঁচা ।

এখিলা কলৰ পাতত জুপুকা মাৰি বহি তাই যেন আমাকেই আলেখ লেখ চাই আছিল ।

নিমাখিত হলেও তাই কিন্তু ভয় খোৱা নাছিল । বৰং তাইৰ উপস্থিতিয়েহে গেঁঠুকাইক দুৰ্ব্বল কৰি তুলিছিল ।

—কি হল ককাই ? মই সুধিলো ।

জোনাকত ভেঙুৰ ভয়াতুৰ মুখখন স্পষ্ট হৈ পৰিছিল । অৱশ্যে কথাটো মোৰ নজৰত পৰা বুলি জানিয়েই হ'ব পাই ভেঙু প্ৰকৃতিস্থ হবলৈ চেষ্টা কৰিছিল ।

—এতিয়া কোন বাটে যাবা গেঁঠুকায়ে সুধিলে ।

ইয়াৰ পৰাই পথটো দুভাগ হৈ পৰিছে ।

চাইকেল মাৰি যাবলৈ হ'লে বাওঁহাতৰ পথটোৱেই সুবিধাজনক । কিন্তু বণজানৰ মাজেৰে যোৱা পথটো চমু, খোজকাঢ়ি যাবলৈ সেইটো পথেই ভাল ।

—বণজানৰ পথটো ছিগি আছে নেকি ? মই চালো গেঁঠুকাইৰ মুখলৈ ।

—ছিগা নাই, অলপ সময় ভলকা মাৰি বৈ গেঁঠুকায়ে কলে, কিন্তু সেইফালেৰে কিজানি নোযোৱাই ভাল হ'ব ।

—নোযোৱাই ভাল হ'ব কিয় ?

—ঠাইটুকুৰা জয়াব হৈ পৰিছে । ৰাতি বিয়লি মানুহ গ'লেই বোলেই লটি ঘটি হয় ।

হাফটিৰ জৈয়াটো খুলি বিড়ি এডাল মুখত গুজি দলে গেঁঠুকায়ে ।

ভেঙু যেন সঁচাকৈয়ে জপথাই উঠিছিল ।

বিড়িটো জলাই ভেঙু কণ্ঠ নৰুঙৈকে কলে, তুমি কি ভাবা নাজানো । কেইদিন মানৰ আগতে বোমে মনোজকো আগচি ধৰিছিল । এটা ছুটা নহয় এজনুৰ ।

—এজনুৰ এজনুৰ কি ?

—সি কোৱা মতে মানুহ । খন্তেক বৈ বিড়িটোত জোৰে হুটান মাৰি গেঁঠুকায়ে দৃঢ়ভাৱে কলে, কিন্তু মই হ'লে বিশ্বাস নকৰো ।

—কি নকৰা ?

—ভাৱে আৰু ক'ৰ মানুহখন আহিব ? মোৰ মতে সেইবোৰ ইঁৰৰ কণ্ঠ নওঁক কৈ গেঁঠুকাৰে কলে, হয় বুইছা, সেইবোৰ ইঁৰৰ মিঞাৰ ভূত !

এচাটি পলৰীয়া বতাহ খৰখেৰাকৈ আহি আমাৰ গালে মুখে ছিটিকি পৰিলহি।

যা লাগি নাৰিকলৰ পাতবোৰ জিৰ্‌জিৰকৈ কঁপি উঠিছিল। মযো গামোচা-খনেৰে ডিঙিটো মেৰিয়াই ললো।

ইয়াতেই সমুখ অলপ সোঁফালে প্ৰাথমিকখন পাতিছিল কামাল উদ্দিনে। প্ৰাথমিকখনৰ পৰাই আৰম্ভ হৈছিল পমুৱাৰ গাওঁ। এতিয়া ঘৰবোৰ নাই আঁতৰে দহিলে। নাৰিকল গছবোৰো কাটি-কুটি কোনোবাই 'খৰি খোৱা কাঠ' কৰিলে। কলগছবোৰো হেনো কচুকটা দিছিল। পিছে জবিবোৰ কোনে উভালিব পাৰে ? পুলিবোৰে পুনৰ মূৰ দাঙি উঠিছে।

কেঁচাজলীৰ কালে এচপৰা মাটি দলিয়াৰ পঠালে গেঁঠুকাৰে। তাৰ পিছত মোৰ সাহসতেই হ'বপাই ৰণজালৰ মাজেদি যোৱা পথটোৰে আগবাঢ়ি থাকিলে।

গেঁঠুকাই আগবাঢ়িছিল।

কিন্তু মোক যেন বহুত হাতে একেলগে নাৰিকল জোপাৰ কাষতে থৰি বাঁধিব বিচাৰিছিল।

কলৰ জোপোহাবোৰৰ খাঁজত লুকাই এযুধা উলঙ্গ শিশুৱে যেন থাবাপাত মেলিছিল। —একত একে এখাৰ এক দহ এক, একত দুই বাৰ —। আৰু কোনোবা এটাই যেন চুপি চুপি কাষলৈ আহি কাণৰ কাষত কিচ্‌ কিচাই এটা কবিতা, হয় এটা কবিতাকেই যেন আবৃত্তি কৰিছিল। স্পষ্ট উচ্চাৰণ, মিঠা গলগলীয়া কণ্ঠ ……

'মোক ভাতে ঠাই দিয়া য'ত তেজৰ উম, বিশ্বাসৰ আকাশচুম্বী মহৎ পৰ্বত
………, লৈ যোৱা মোক
হেলাৰঙে ৰণজিকা বিবেকহীন কৃতকাৰ্যতাৰ অভিভূতিৰ পৰা দূৰ ক'ৰবালৈ,' .. ...

ছিঃ, এইটোচোন তাৰ প্ৰিয় কবিৰে কবিতা ! আৰু মাতটো ? হয়, মাতটো তাৰে, কামালৰে মাত এইটো।

তেন্তে সঁচাকৈ গেঁঠুকাৰ কথাবোৰ ?

নাই, মই বিশ্বাস নকৰো।

—দুই—

"আহ ওলাই আহ সজাগ জনতা
আহ ওলাই আহ বঙাল খেদোতা,
আমাৰে দেশতে থকা বঙাল বখোতে
যায় যদি জীৱনটো যাওক।"

চাওঁতে চাওঁতে পথাৰখন শেষ হৈ আহিল।

আৰম্ভ হ'ল হাবিতলীয়া পথ।

সেই পথেৰে কিছুদূৰ আগবঢ়াৰ পিছতে যমুনামুখৰ প্ৰথমটো ঘৰ আমাৰ চকুত পৰিল।

গেঁঠুকায়ে মোৰ মুখলৈ চালে।

—সময় কিমান হ'ল ?

গাওঁখন নিজান হৈ পৰিছিল কেৱল এটা কুকুৰে নিলগত কিবা কাৰণত কেংকেঙাই উঠিছিল আৰু এটা বিশেষ শব্দইহে তালৈখিনি সময়ৰ অন্তৰে অন্তৰে নিশাৰ নিস্তব্ধতাক জোকাৰ মাৰি গৈছিল। হু-চি-য়া-ৰ !

ভয়াতুৰ মানুহজনে হাঁহিছিল।

—কি হ'ল ককাই ? মই সুধিলো।

গেঁঠুকায়ে কলে, শাস্তি বাহিনী !

অলপ পিছতে ৰাস্তাটোৰ দুয়োকাষে গাঁৱৰ ঘৰবোৰ আৰম্ভ হ'ল। স্কুলখনৰ পিছতে নামঘৰটোও আমি অতিক্ৰম কৰি আহিলো।

মোৰ মনত থকা মতে নামঘৰটোৰ পৰা অকণমান গৈয়ে তামোল পাণৰ প্ৰকাণ্ড বাৰী এখনেৰে সৈতে মনোজহঁতৰ ঘৰ, বাঁহ খেৰৰ হলেও বৰ আটোম-টোকাৰি।

মনোজৰ বাপেক আছিল কৰ্মঠ। মানুহে নাম দিছিল— মোমাই তামুলী দ্বিতীয়। —এই বাৰীখনেই আছিল সিহঁতৰ উপাৰ্জনৰ একমাত্ৰ পথ। অৱশ্যে বাপেকে সময় উলিয়াই দৰ্জীৰ কামো কৰিছিল।

মই কেউফালে চালো।

উপচি পৰা জোনাকত চৌদিশ স্পষ্ট হৈ পৰিছে।

এটা দীঘল শঙুলিৰ মূৰত এজোপা শেৱালী ফুলিছে, তাৰেই সুবাসে ঠাই টুকুৰা ধুৰাই পেলাইছে। মোৰ চিৰিংকৈ মনত পৰিল — এৰা, ঠিকেই এই জোপাই —

সেই জোপা শেৱালি। শেৱালী জোপাৰ তলেদি এটা দীঘল শঙুলি। কিন্তু

কত সেই ভৰা তামোলৰ বাৰী, শাৰী শাৰী নাৰিকলৰ জোপোহা। আৰু সেই সৰু কিন্তু ধুনীয়া সোমাই তামুলীৰ ঘৰটোৱেই বা ক'ত?

—আঁহা, সোমাই আঁহা।

—কোনে?

গেঠুকায়ে মোক হাতখনত ধৰি টানি নিব ধৰিলে।

—এইটোৱেই নে?

মই গেঠুকাইৰ মুখলৈ চালো।

তেওঁ কিন্তু মুখেৰে নামাতিলে, কেৱল মূৰটো জোকাৰি মোৰ হাতখন এৰি দি গজং গজংকৈ চোতালৰ ফালে আগবাঢ়ি যাব ধৰিলে।

এটা সৰু ঘৰ। বেৰবোৰ নতুন, মোচাও হয়তো বেছি দিন হোৱা নাই। পিৰালিত ভৰি দিয়াৰ লগে লগে কেঁচা গোবৰৰ গোন্ধটো নাকত লাগিলহি।

বাঁহৰ দুৱাৰখন হেঁচুকি চালে তেওঁ, খোলাই আছে। তথাপি ঘপহকৈ ভিতৰলৈ সোমাই নগৈ পিৰালিৰ পৰাই গেঠুকায়ে মাত দিলে, অ' বাইটি, বাইটি অ'!

—কোন? গেঠুনেকি?

ভিতৰৰ পৰা এগৰাকী বৃদ্ধাৰ মাত ভাঁহি আহিল। চিনাকি মাত। হয়, এইয়া মনোজৰ বুঢ়ী মাতৃৰে মাত।

—শুলাই নেকি বাইটি? গেঠুকায়ে সুধিলে।

—কাটি হৈছিলোহে, টোপনি অহা নাছিল। আহ, সোমাই আহ।

—লগত মানুহ আছে, গেঠুকায়ে কলে।

ভিতৰৰ পৰা বৃদ্ধাৰ মাত ভাঁহি আহিল, অ' মনিনা উঠচোন, আলহী আহিছে। কি অ' এইজনী, পাটিত পৰিলেই জগা কাঠ। উঠ উঠ, ককায়েৰৰ লগৰ কোনোবা আহিছে, উঠ।

গেঠুকাইৰ পিছে পিছে মই পুখুৰীটোৰ ফালে আগুৱাই গলো।

আগৰটোৱেই পুখুৰী, কেৱল দলংখনহে নতুনকৈ বোৱা। জামুকা বাঁহৰ কামি, বৰ মজবুত দলং। তাতে বহি আমি দুয়ো ভৰি কেইটা পখালি পুনৰ পিৰালিলৈ উঠি আহিলো।

বাঁহৰ দুৱাৰখন মেলি হাতত টিপ্‌চাকি এটা লৈ এজনী সৰু ছোৱালী বাহিৰলৈ ওলাই আহিল। বেছিকৈ বঢ়াই দিয়া মৰাপাটৰ শলিতাৰ পোহৰত তাইৰ মুখখন জলমলে জিলিকি উঠিছিল।

এজনী মিঠা মুখীয়া ন দহ বছৰীয়া ছোৱালী। কপালত এটা কটা দাগ। গাটো উদং, কঁকালত তাই এখন বৰঘোহা গামোচা মেৰিয়াই লৈছিল।

আমাক দেখিহে হব পায় তাই তাইৰ উদং গাটোৰ কথা মনত পেলাব পাৰিলে 'আহক' বুলি কৈয়ে তাই চাকিটোৰে সৈতে সাউতকৈ ভিতৰলৈ সোমাই গ'ল।'

আমিও তাইৰ পিছে পিছে ভিতৰলৈ সোমাই আহিলো।

ঘৰটোত কেৱল মাথোন এটাই কোঠা।

একাষে এখন বাঁহৰ চাং। চাংখনৰ এমূৰে নিয়াৰিকৈ ঠাক পাতি থোৱা কিছুমান কিতাপ আলোচনী, খবৰ কাগজ।

কোঠাটোৰ ঠিক মাজতে জুহাল। আৰু জুহালৰ কাষতে নগাচাৰি এখনত শুই আছিল মনোজৰ বৃদ্ধা মাতৃ আৰু আগতে নেদেখা এইজনী ছোৱালী। কি নামেৰে বা মাতিছিল? হয়, মলিনা, মলিনাই হোৱা উচিত তাইৰ নামটো।

আমি সোমাই অহাৰ আগতেই বৃদ্ধা শোৱাৰ পৰা উঠিছিল। —তেওঁৰ গাত তেনেকৈ কাপোৰ নাছিল, মেখেলাখনকে উঠাই বুকুত মেথনি মাৰি লৈছিল।

—চিনি পাইছেনে আই?

পীৰাখন টানি মই বহি পৰিলো। মোৰ বাককৈয়ে ভাগৰ লাগিছিল।

টিপ্‌ চাকিটো মোৰ মুখৰ আগলৈ আনি পুনৰ গছাটোৰ ওপৰত নমাই থলে তেওঁ। অজানিতে তেওঁৰ মুখৰ পৰা এটা হুমুনিয়াহ ওলাই আহিল।

—তুমিও আমাৰ সুখ চাবলৈ আহিলা।

বৃদ্ধাৰ মুখত এক করুণ হাঁহি বিয়পি পৰিছিল।

মোক তেওঁ চিনি পাইছে। এদিনীয়াকৈ দেখিলেও তিৰোতা মানুহে সাধাৰণতে চিন নাপাহৰে। তেওঁক কি কম হঠাতে মই একো ভাবি নাপালো।

—ই হৰলা নাই? মই সুধিলো।

—আছে আছে। বৃদ্ধাই কলে, আজি পাল পৰিছে। কিবা শান্তি সেনা এটা উলিয়াইছে নহয়। ইয়াৰে কাম এইবোৰ। মানুহ দুদুহ যদি সাং পালে, এতিয়া শান্তি সেনা উলিয়াই হ'ব কি?

ভিতৰলৈ সোমাইয়েই জুহালৰ জুইকুৰা দুৱাৰ ধৰিছিল গেহুঁকায়ে। তেওঁৰ কোনকটো বৌহ, জুহালৰ ওপৰত ওলোমাই থোৱা চাপনিখনত তেওঁ কিবা এটা বিচাৰিব ধৰিছিল।

—মাহ-পুঠি একো নাই নেকি মাইকী? গেহুঁকায়ে সুধিলে।

—বামুণৰ ঘৰ। থাকিলেই যেনিবা, সেই মুঠি চাউলৰ ওপৰত পাৰিলে কিবা। বহাৰ পৰা উঠি আহিল মনোৰমৰ মাতৃ। তেওঁ সুধিলে, ভাত-পানী কাৰো থাকিল ? বহু কষ্ট হৈ যাব এতিয়াই। জলাইছু যেতিয়া দুইমুঠা ভালকৈয়ে জলা। হেৰৌ মলিনা, আই অ', তই আকৌ কিহৰ কাপোৰ পিন্ধাত লাগিলিগৈ। নিজৰহে ককায়েৰ, আহ, কিহৰ লাজ! নাই হোৱা যে তোৰ গাত কাপোৰ লোৱা বয়স। ধুই যে বটুৱাটো, মই চাউল পানী কৰো।

বৃদ্ধা ব্যস্ত হৈ পৰিল।

মলিনা চুচুকচামাককৈ কাষ চাপি আহিছিল। গাজটো পিছে এতিয়া তাইৰ ঠিক নাকটোৰ ওপৰতে লাগি আছিল। তাই এটা মুলাৰ ফ্ৰক পিন্ধিছিল। ফ্ৰকটো নতুন, কপাৰ গন্ধটো মোৰ নাকত লাগিছিলহি।

সেঁহু কাইৰ অবিৰাম চেষ্টাৰ পিছত চৌকাৰ জুইকুৰা জ্বলি উঠিল। পুখুৰীত চাউল কেইটা ধুই আনি মনোৰমৰ মাতৃও আমাৰ কাষত বহিলেহি।

বৌটিয়েৰৰ ভালনে ? তেওঁ সুধিলে।

—চুকাল নহয়।

—কেতিয়া, কেনেকৈ ?

—অলপ দিন হ'ল, বয়স পাই চুকাল।

—এ হয়নেকি।

মলিনাই আওখালি দিয়া বটুৱাটো পানীৰ সৈতে চৌকাৰ ওপৰলৈ তুলি দিলে তেওঁ।

এইবাৰ মানুহ মৰাৰ যেন পৰিছে। অত্যন্ত নিৰ্লিপ্ততাৰে বৃদ্ধাই কলে, পমুৱা গাওঁ দুখন গ'ল নহয়। মুনিহবোৰৰ কিছুমান পলাই সাৰিল। মাইকীবোৰ সমূলঞ্চে মৰিল। ল'ৰা-ছোৱালীবোৰকো কচু কটা দিলে। দুখনকৈ গাওঁ, মৰ-মনিচ খুলিবলৈ এটাও বাকী নাথাকিলগৈ।

—যেন কুৰুক্ষেত্ৰ যুদ্ধ! নৰকৰ ছবিখন যেন আতুৰ মানুহজনৰ চকুৰ আগত ভাহি উঠিছিল। —নেদেখিলে বুজিবা বুজিছা, তেওঁ সেঁহাই সেঁহাই কলে, হয় কৌৰৱ নহয় পাণ্ডৱ, তুমি এপক ল'বই লাগিব।

—পিছে পাণ্ডৱনো কোন ?

বৃদ্ধা মানুহ কণ্ঠত বাধৰ দুকটো স্পষ্ট হৈ পৰিছিল।

সেঁহুকায়ে কলে, যি যাৰ পক্ষত—সেই পক্ষই পাণ্ডৱ।

কিছেক সময় ভলকা মাৰি বৈ বৃদ্ধাই জুইকুৰা খুচৰি থাকিল। মই তেওঁৰ ভাবলেশহীন মুখখন চকুৰাই চাই থাকিলো।

—ভাং খোৱা হাতী আটাইবোৰ। বৃদ্ধাই নিজকে নিজে কোৱাদি কব ধৰিলে, পগলা নহলে কোনেও এনে যুদ্ধত নামিব নোৱাৰে। আৰু আমিয়েই বা কৰিছিলো কি? নিজৰ গাৱঁৰ মানুহেই দেখোন বাৰীৰ লাগনি গছবোৰ কচু-কটা দিলে। দহজোপাকৈ নাৰিকল, এবাৰী তামোল-পাণ এনিশাৰ ভিতৰতে শেষ। তাতো সিহঁতৰ হাউচ নপলাল। —এদিন নিশা আহি ঘৰটোতে জুই দি গ'লদি। প্ৰাণকেইটা যেনিবা কেনেবাকৈ বাচিল। পিছে এগছো সম্পদ ৰক্ষা কৰিব নোৱাৰিলো।

বুকুৰ পৰা খহি যাব ধৰা মেখেলাখন পুনৰ খুচি ল'লে বৃদ্ধই।

কথাবোৰ কৈ যাওঁতে তেওঁৰ মুখত দুখ বা বেজাৰৰ কোনো ছাপ ফুটি উঠা নাছিল। নিতান্ত যান্ত্ৰিকভাৱেই যেন তেওঁ কথাবোৰ কৈ যাব ধৰিছিল।

পানীয়ে চি চিৱাঁই উঠাৰ লগে লগে পিতলৰ খৰাহীটোত ধুই অনা চাউল কেইটা তেওঁ বতুৱাটোত ঢালি দিলে। জুপুকা মাৰি বহি থকা গেঁঠুকাই হঠাতে জিকাৰ খাই উঠিল, সম্ভৱ চিটিকি অহা গৰম পানীৰ টোপাল কেইটা তেওঁৰ গাত পৰিছিলহি।

চৰা এখনৰ ওপৰত বহি থুতঁৰিত হাত থৈ সৰু ছোৱালীজনীয়ে হবপায় আমাৰ কথাকে শুনি আছিল। মাজে মাজে তাইৰ মুৰটো হাতৰ পৰা খহি পৰিছিল। তাইৰ ওপৰত চকু পৰাৰ লগে লগে বৃদ্ধা বহাৰ পৰা উঠিল।

—অ' আই মলিনা, শোৱ যদি শুগৈ যা। ঢাৰিখন সোফালে টানি নে। ভৰি হাত কেইটা ঢাকি লবি। যিহে মহ পৰিছে। কৈয়ে ঢাৰিখন তেওঁ একাষলৈ টানি নিব ধৰিলে।

মলিনা পিছে শুবলৈ নগ'ল। টোপনি যে ধৰা নাই তাকে প্ৰমাণ কৰিবৰ বাবে অলপ লৰি-চৰি বহি আঁঠুৰ ওপৰত থুতৰিটো থৈ পুনৰ ডাঙৰ মানুহৰ কথা শুনিবলৈ ধৰিলে। ভাত কেইটা চাবিচোন বুলি টিপ্‌চাকিটো লৈ মনোজৰ মাক বাহিৰলৈ ওলাই গ'ল।

জুহালৰ জুইকুৰা পিৰিক পাৰাককৈহে জলি আছিল। গতিকে চাকিটো লৈ যোৱাৰ লগে লগে কোঠাটো প্ৰায় আন্ধাৰ হৈ পৰিল। তথাপি জুইৰ পোহৰত গেঁঠুকাইৰ বিভৎকাৰে ভৰা মুখখন মাজে মাজে জিলিকি উঠিছিল। আৰু কথা কোৱা নাছিলো, কেৱল বটুৱাৰ উতলা ভাত গালৰ বকবকনিহে কমাৎ শুনি পাই আছিলো।

পিৰালিৰ কাষৰ চালিখনতে বৃদ্ধাই কিবা এটা কৰি আছিল। বেবৰ জলঙা এটাৰে তেওঁৰ শৰীৰৰ কিয়দংশ মোৰ চকুত পৰিছিল।

আগৰ বাৰ আহোতে মনোজহঁতৰ ঘৰত পোৱা মাছ আৰু কঠালগুটিৰ পিটিকা খোৱা মোৰ মনত আছে। বৃদ্ধাই হয়তো চালিখনৰ তলত শুকুৱাই থোৱা কঠাল-গুটি জাতীয় কিবা এটাকে বিচাৰিছে, মই ভাবিলো।

কিন্তু কন্তেক পিছতে মোৰ ধাৰণা ভ্ৰান্ত প্ৰমাণিত হ'ল।

বৃদ্ধাই সন্তৰ্পণে পাতিহাঁহ এজনীৰ ডিঙিটোত মুঠিৰে ধৰিছিল। প্ৰথমতে দুবাৰমান হাঁহজনীৰ প্ৰাণটাকী মৰা চিঞৰ আৰু তাৰপিছত সেউকাৰ খপ্‌খপনি আমাৰ কাণত পৰিলহি। আৰু অলপ সময়ৰ পিছতে মৰা হাঁহজনী পাচি এটাৰ ভিতৰত লৈ তেওঁ ভিতৰলৈ সোমাই আহিল।

—এইটো কাম কিয় কৰিলা বাইটি?

—গেঁঠুকায়ে ইচ্‌ইচাৰ ধৰিবলে।

মোৰো নিজকে বৰ দোষী দোষী লাগিল।

হাঁহজনীয়ে এতিয়াও মাজে মাজে ঠেং দুখন আচাৰি আছিল। বৃদ্ধীয়ে পাচিটোৰে সৈতে হাঁহজনী গেঁঠুকাইৰ ফালে আগবঢ়াই দিলে।

—সিবাৰ আহোঁতেও তোক এসাজ ভালকৈ খুৱাব নোৱাৰিলো। বৃদ্ধা মাতৃয়ে কলে, আকৌ যে চকুৰে দেখা পাইছো সেইটোও জানো কম ভাগৰ কথা। তহঁতৰ ফালে ভালনে?

—দেখাত চেঁচা। মই যথাসাধ্য নিজকে লুকুৱাব বিচাৰিলো। তথাপি মুখৰ পৰা ওলাই আহিল, পুলিচবোৰেহে বৰ জুলুম আৰম্ভ কৰিছে। কৰ্মী মানুহ কেইবা-টাও ধৰা পৰিছে।

—কাকনো কম বুলিবি?

মই চালো বৃদ্ধা মাতৃৰ মুখলৈ।

—টিহৰ কথা শুনিছনে নাই? খন্তেক সময় তলকা মাৰি থৈ তেওঁ কলে, তাত বোলে এহেজাৰমান মানুহে লগলাগি দীন কলিতাটোক হানি খুচি মাৰিলে, গণশক্তি নে কি এখন কাগজ আছে নহয়, তাতে লিখিছে এইবোৰ কথা, হয়নেকি?

মই বৰ অস্বস্তি অনুভৱ কৰিলো।

দীন কলিতা ভাল মানুহ হ'ব পাৰে, কিন্তু বদনৰ বংশধৰ। বদনৰ আকৌ কিহৰ ভাল বেয়া আছে।

গেঁঠুকায়ে এটা বুঢ়া তামোলৰ বাকলি শুচাইছিল। কুৰকুৰীয়া গন্ধটো চুৰব পৰাই মোৰ নাকত লাগিছিলহি।

—পাণ পাইছনে নাই?

বুঢ়া মাতৃয়ে কাঠৰ খুন্দনাটোৰ তলিৰ কোৰোংটোৰ পৰা পাণ এখিলা উলিয়াই গেঁঠুকাইৰ কালে আগুৱাই দিলে। তাৰপিছত কটা তামোল একাল খুন্দনাত ভৰাই ঘপং ঘপং কৈ খুন্দিব ধৰিলে।

ভেণ্ডৰ হাতখন হঠাতে এবাৰ বৈ গ'ল।

ভেণ্ড কলে, আমাৰ ইয়াতো গোটেই গালে লগ লাগি ধনেশ্বৰ নাথটোক জীয়াই জীয়াই গাতত পুতিলে। সি বোলে শেষ সময়ত ল'ৰাটোৰ মুখখন চাবলৈ বিচাৰিছিল। শকুনবোৰাই তাৰ সেই ইচ্ছাও পূৰণ নকৰিলে।

— লোৱা লোৱা, পাণ টুকুৰা লোৱা। চুণে ধপাতে ছুৰিয়াই পাণৰ টুকুৰাটো খুন্দনাৰ ভিতৰলৈ সুমোৱাই দিলে গেঁঠুকায়ে।

বুঢ়া মাতৃয়ে পুনৰ খুন্দনাত মনোনিবেশ কৰিলে। গেঁঠুকাইৰ মনটো আগৰে পৰাই খচ্‌খচাই আছিল।

—সিও কিবা কমনেকি? চুণ এজোৰা দাঁতৰ ফাকত সুমুৱাই দিলে গেঁঠুকায়ে।

—তাৰ তেমাকীও কিবা কমনে? গোটেইখন বাইজে ধৰকাঁহ ভৰা লৈ খিএগ খেদিবলৈ আহে, সি নিৰকে ফিচিঙা ফিচিঙিকৈ হাঁহে। বাইজখনে কয়, ভুল কৰা বুলি লিখি দে। সি কয় বোলে—বাইজৰহে ভুল। বাইজেহে বোলে বেঁকা বাটেৰে বাট বুলিছে।

ছুহালৰ ভুঁইবোৰৰ ওপৰতে শেৰেকুকৈ পিকাই দিলে গেঁঠুকায়ে।

আমাৰ আলোচনাও আক বেছি দুৰলৈ আগ নাবাঢ়িল।

খাই বৈ উঠাৰ পিছত বুঢ়া মাতৃয়ে বাঁহৰ দুৱাৰখনত লোকাদাল ভালদৰে লগাই দিলে।

—শুইত শুগৈ যা।

ভেণ্ড আমাক মনোজৰ চাংখনৰ কালে আঙুলিয়াই দেখুৱালে।

মলিনা ইতিমধ্যে চোঁপাদিৰ কোলাত চলি পৰিছিল। তাইৰ নাকৰ ঘোৰ্ঘোৰণিয়ে কোঠাটোৰ পৰিবেশ গহীন কৰি তুলিছিল।

গেঁঠুকায়ে জুইকুৰা খুচৰি আছিল। হয়তো ভেণ্ডৰ ঠাণ্ডা লাগিছিল, অথবা তাক ৰাখি কৰি ভেণ্ড বাৰে মিংকৰা কথা কিছুমান নিজে ভৰা মতে পাতুলি আছিল।

—বাইটি তুমি শোবাগৈ যোৱাঁ।

ভুই খুচাঁৰিবলৈ এৰি কাগত গুজি থোৱা আধা হপা বিড়িৰ টুকুৰাটো জলাই ললে গেঠুকায়ে।

—কিয়, তইঁত হৰপায় মুক্তৰ? নে আকৌ কৰবালৈ যাবি?

—ইয়াৰ পৰা আমি আৰু আগুৱাই যাম। মই কলো, সি আহক, পুৱাতে আমি যামগৈ। মানুহে নেদেখিলেই ভাল।

—তোৰ ভয় কাৰ পৰা, পুলিচ নে মানুহৰ পৰা?

মই একো উত্তৰ নিদিলো।

মোৰ উত্তৰলৈ বাট নাচাই বৃদ্ধা মাতৃয়ে নিজেই কলে, তইঁতৰ পথটোৱেই কিজানি ভুল। মই এলাই ভাবৰী, মোৰো ভুল হ'ব পাৰে। কিন্তু মই ভাবো মানুহে মানুহক ভয় কৰাতকৈ বিশ্বাস কৰিবলৈ শিকাই ভাল।

বিৰালিচত ফাটেক খটা বৃদ্ধা মাতৃক এলাই ভাবৰী বুলি ভবাৰ ধৃষ্টতা মোৰ নাই। হেজাৰ হলেও আমি কেৱল আজিৰহে ল'ৰা।

তেওঁৰ মাতটো কিন্তু কঁপিছিল।

ভুখৰী পীৰা এখন মুৰৰ শিতানত লৈ তেওঁ নগাচাৰিখনৰ ওপৰতে ষাঠি বছৰীয়া দেহাটো এৰি দিলে। টোপনিয়ে তেওঁক আমনি কৰিব পৰা নাছিল, আমনি কৰিছিল হয়তো কোনো এক মৃতকৰ আশা ভৰা উজ্জল মুখৰ ছবিয়ে। হয়তো মনোজ অথবা মোৰেই বিপদৰ আশংকাত তেওঁ বিচলিত হৈ পৰিছিল।

মলিনাৰ নাক বাজিছিল।

গেঠুকায়েও আঁঠু দুটাৰ মাজত মূৰটো সুমোৱাই দি ভাগৰ পলুৱাইছিল। শলিতাদালত এটা ডাঙৰ অঙৰা বান্ধিছিল, ভাৰবাৰেই টিপ্‌চাকিটোৰ পোহৰো কমি আহিছিল।

—তই শুগৈ যা। অঙৰাটো গছাটোৰ গাত ঘঁহাই গুচাই দিলে তেওঁ। কলে, গেঠু মোৰ কাষতে শোৱক। তই চাংখনলৈ উঠি যা। সি আহিলেই মই তোক জগাই দিম।

ময়ো আৰু একো আপত্তি নকৰিলো।

ঠাণ্ডাৰ প্ৰকোপো চৰি আহিছিল। চকু দুটা মুদি দিয়াৰ অলপ পিছতেই এজাক চৰায়ে একেলগে কিৰিকিৰাই উঠিল। আৰু ঠিক গাঁৱৰ মাজৰ পৰাই শহৰাদাৰী শান্তি সেনাৰ চিয়ঁৰ ভাহি আহিল, হু-চি-য়া-ৰ।

শোৱাৰ পৰা উঠি মনোজৰ মাতৃয়ে দুৱাৰখন মেলি বাহিৰলৈ চালে।

কেতিয়াবা সিহঁত এইটো বাটেৰেই আহে। নতুবা নামঘৰটোৰ কাষেৰে ভাগ হৈ এদল মূপজানৰ ফালে আৰু আনদল মুৰৰ জনজাতীয় গাওঁবোৰৰ ফালে আগুৱাই যায়। সিহঁতৰ হাতে হাতে লাঠী। কেতিয়াবা সিহঁতে সুৰ মিলাই গান গায়। কেতিয়াবা ইটোৱে সিটোৰ লগত কৰে অবিৰাম তৰ্ক। কোনো-টোৱে মাজে মাজে আকাশ কঁপাই চিঞৰি উঠে, হু-চি-য়া-ৰ!

নাই, সিহঁত আজি এই বাটে নাহিল।

দুৱাৰখন কিন্তু তেওঁ জপাই নিদিলে।

টোপনিয়ে মোক বাৰকৈয়ে অস্থিৰ কৰি তুলিছিল। তথাপি সিহঁতে গাই যোৱা চিনাকি গীতৰ কলিবোৰ মুক্ত দুৱাৰেদি ভিতৰলৈ সোমাই অহা মই গম পাইছিলো।

'আহ ওলাই আহ······
আহ ওলাই আহ পোহৰ আনোতা
বামৰে দেশতে থকা ৰাৱণ বধোতে
যায় যদি······'

—তিনি—

"আই মোৰ অসমী জননী
লখিমী দুখুনী;
অসমবাসীৰ হৃদয়ৰ বাণী
মোৰ পৰাণৰ
মোৰ জীৱনৰ
চেনেহী গোসানী।"·····

কোনোবাই যেন বাতাৰ গীত গুণ্ গুণাইছিল। আৰু তাৰে হৃদয় বিদৰা সেমেকা অনুভূতিয়েহে যেন মোৰ চকুৰ পৰা টোপনি হৰি নিছিল।

চকু মেলাৰ লগে লগে জুহালৰ জুইৰ পোহৰে চকুত চাতমাৰি ধৰিলেহি। আৰু কাণত পৰিলহি মোৰ বন্ধু মনোজৰ গলগলীয়া কণ্ঠস্বৰ।

—ঘৰত জানো কিবা আছিল? আলহীক কিহেৰে ভাত দিলি?

মোৰ টোপনিত ব্যাঘাত ঘটোৱাৰ বাবেই যেন সি মাজটো চেপি ধৰিছিল।

—কোনোবা কাহানিতে অহা ন'বা। তুমা তাত গাল কেনেকৈ দিওঁ। উজনিত পৰা চাহজনীকে বাখিলা।

মোৰ বুকুখন যেন হঠাতে বিষাই উঠিল।

জুইৰ পোহৰত মনোজৰ মুখখন জিলিকি উঠিছে।

ল'ৰাটো খীণাইছে। কপালত দীঘলীয়া কটা দাগটোৰ বাবে মুখখন বিকৃত হৈ পৰিছে। এখন কাণ নাই, আমাৰ কোনোবাই কাটি নিছে।

তাৰ এই নতুন ৰূপটোৱে মোক কঁপাই তুলিলেহি।

ভয় বিস্ময় আৰু এক বুজাব নোৱাৰা শোকৰ সংমিশ্ৰণে মোক জঠৰ কৰি তুলিছিল। তাৰ আৰু তাৰ বৃদ্ধ মাতৃৰ কথোপকথন শুনি শুনি মই তালৈখিনি সময় লৰচৰ নকৰাকৈ নিতাল মাৰি পৰি আছিলো।

তাৰপিছত কিহৰ তাড়নাত জানো হঠাতে চাংখনৰ পৰা জাপিয়াই নামি তাক প্ৰায় সাৱটি ধৰিলোহি।

ইস্! কেনে কুৎসিত হৈ পৰিছে মুখখন!

দাৰ কোবটো কপালৰ পৰা চকুৰ বাহু হৈ ঠিক নাকৰ মাজলৈ নামি আহিছে। তাতে আকৌ কোনো অনভিজ্ঞ অথবা অমানুহ ডাক্তৰৰ হাতত পৰা বাবে তাৰ মুখখন অত্যাধিক বিকৃত হৈ পৰিছে।

মোৰ চকুহুটা খচ্‌খচাই উঠিছিল।

সি হাঁহিলে আৰু হাঁহি হাঁহিয়েই মোৰ কাণে পীৰা এখন আগুৱাই দিলে।

তাৰ হাঁহিৰে ভৰা মুখখন আৰু বেছি ভয়াবহ হৈ উঠিছিল। মোৰ মগজুয়ে যেন কাম নকৰা হৈ আহিছিল।

—তুমি নাহাঁহিবা মনোজ। হাঁহিলে তোমাক বৰ অদ্ভূত দেখায়।

নিজৰ কথাত মই নিজেই শিয়ঁৰি উঠিলো। সি কিন্তু একো আঘাত নাপালে, বৰং মোৰ হাত এখন প্ৰাণৰ পৰশেৰে চেপি ধৰিলে।

—কিয় এনে হল মনোজ?

মই জানো, কিয় এনে হয় কিন্তু মনোজৰ এই নতুন ৰূপ যে মোৰ কল্পনাৰো অগোচৰ। মোৰ চকুহালে বাধা মনা নাছিল, মাতৃৰ বিয়োগতো মোৰ এনে হোৱা নাছিল।

—মই শেষলৈকে সিহঁতৰ লগত আছিলো। মনোজে মোৰ হাতখন এৰি নিদিলে। অৱশ্যে মানুহ কাটিব পৰাকৈ মানসিক প্ৰস্তুতি মোৰ নাছিল। সি কলে, তথাপি ৰণজানৰ গাওঁ দুখন শেষ হৈ যোৱালৈকে মই ভাল মানুহ হৈয়ে আছিলো। সিহঁতে কামালক কাটিলে, তাৰ প্ৰাথমিকখন জলালে, তিনটা শিশুক ভিতৰতে জলাই মাৰিলে। মই তথাপিও ভাল মানুহ হৈয়ে আছিলো। কিন্তু

জুইকুৰা খুচৰি দিলে মনোজে, কিন্তু কি হ'ল জানো ? মনোজে মোৰ হাতখন আৰু জোৰেৰে খামুচি ধৰিলে। সি কলে, কচাইৰ চকুক ফাকি দি কামালৰ ভনীয়েক-আমাৰ ঘৰ ওলালহি। তাই মোৰ ভৰি দুটা এনেকৈ সাৱটি ধৰিছিল যে চেষ্টা কৰিও মই তাইক একৰাই পঠাব নোৱাৰিলো।

মই চালো মনোজোৰ মুখলৈ।

—তাৰ পিছত সিহঁত আহিলে। এটা দুটা নহয়, আমাৰ আগৰ আটাইটো দল। লখিমী ডুগুনী আহ অসমীৰ দুখ মোচনৰ বাবে সিহঁতক আৰু এটি বলিৰ পঠা লাগে। অকণমান সময় বৈ মনোজে পুনৰ ক'ব ধৰিলে, কিয়জানো মই তাইক উচৰ্গা কৰাৰ সাহস গোটাব নোৱাৰিলো। মোৰ এই অমানবীয় দুৰ্বলতাই দেশদ্ৰোহী কৰি পেলালে। বদনৰ এটাই পুৰস্কাৰ ! সিহঁতে মোক ঘপিয়ালে। তাইৰ কপালতো দাৰ ঘাপ পৰিল। তাৰ পিছত সিহঁতে আমাৰ ঘৰটোত জুই লগাই দিলে।

—সিহঁতেই জুই ?

সি একো উত্তৰ নিদিলে। কিন্তু মই হে যেন অস্থিৰ হৈ উঠিলো।

—কিন্তু ছোৱালীজনী ? কামালৰ ভনীয়েকজনী ? মই সুধিলো।

এইবাৰো সি একো উত্তৰ নিদিলে।

ওখে নিশাটো উজাগৰে কটোৱাৰ পিছত বৃদ্ধা মাতৃ শুই পৰিছিল।

কৰোবাত এজনী পিশাচৰী চৰায়ে বিনাইছিল।

—ককাইদেউ, চাহ খাবানেকি ?

ঘূৰি চালো মই।

জুহালৰ জুইকুৰা খুচৰি দেগ্‌চিটো জুইৰ ওপৰলৈ তুলি দিছে সৰু ছোৱালী-জনীয়ে।—সেইজনী মলিনা। এতিয়া আৰু তাইৰ টোপনি ধৰা নাই। ককায়েক আহিছে, তাইৰ বাৰু কেনেকৈ টোপনি ধৰে।

জুইৰ পোহৰত তাইৰ কপালৰ কটা দাগটো জিলিকি উঠিছে। এৰা ঠিকেই, এইখন দেখোন অবিকল কামালৰ মুখ। ইমান সময়ে ময়েই বাৰু কথাটো কিয় এবাৰলৈ হলেও সন্দেহ কৰা নাছিলো।

—খাবানেকি চাহ ? তাই আকৌ সুধিলে।

বাৰু বাৰু।

খোপা বন্ধা গুৱাৰোৰ গুচাই চাকিটো জলাই দিলে মনোজে। সি সুধিলে, কথা এটা মোযো বেয়া নোপোৱাজো ?

—বেয়া, আৰু তোমাক ? মই হাঁহিবলৈ চেষ্টা কৰিলোঁ।

—তুমি বাৰু কেতিয়াবা পিছলৈ ঘূৰি চাইছানে ? সি সুধিলে।

পিছলৈ কোনে ঘূৰি চায় ?—মই কাপুৰুষ নহয়, ইমান অলপতে লেও মৰা মানুহো নহয়। আৰু সময়েই বা ক'ত ঘূৰি চোৱাৰ ? এতিয়া সময় কেৱল আগুৱাই যোৱাৰ।

—মই কিন্তু পিছলৈ চালেই শিয়ঁৰি উঠোঁ। মনোজে কলে, হাত ভৰি ঠক্‌ঠক্‌কৈ কঁপি উঠে। এদিন জানো এইবোৰৰ নিৰ্মোহ বিচাৰ নহ'ব ?

মই মনোজৰ পৰা দৃষ্টি ঘূৰাই ললোঁ।

মলিনাই বঙা চাহৰ গিলাচ দুটা আমাৰ ফালে আগুৱাই দিলে। —বৰ তপত চাহ। শোহা মাৰিয়েই গিলাচটো মজিয়াত নমাই থলে মনোজে।

—কি কৰিম বুলি ভাবিছা তুমি ?

—সিহঁতে জুই লগাইছে সিহঁতে জুই নুমুৱাব নোৱাৰে। তুমি, মই, আমি যিবোৰে নিস্বাৰ্থভাবে আগবাঢ়িছিলোঁ, আটাইবোৰ সিহঁতৰ হাতৰ পুতলা হৈ পৰিলোঁ। কি কৰিছোঁ আমি যেন নিজেই একো নাজানো তেন্তে জুই নুমুৱাব কোনে ? চৰকাৰে ? ক্ষন্তেক বৈ মনোজে স্পষ্টভাবে কলে, এইটো বস্তুৰ ওপৰত মোৰ তিল এটাৰ সমানো বিশ্বাস নাই। সাপ হৈ খোটা, বেজ হৈ জৰা।

—তুমি কি ভাবা ?

মই মনোজক থুটিয়াই চাব ধৰিলোঁ।

—ঘৰে ঘৰে ফুচফুচীয়া মেল। কোনেও কাকো বিশ্বাস নকৰে। শংকা আৰু সন্দেহৰ বগুমলাই গোটেইখন চানি পেলাইছে। তেন্তে আমি এনেকৈয়ে কালৰ বুকুত হেৰাই যাম নেকি ?

মই চালোঁ মনোজৰ মুখলৈ। তাৰ মুখখন যেন ক্রমাৎ আৰু কঠিন হৈ আহিছে। ময়ো আৰু একো নামাতি নিতাল মাৰি চাহ খোৱাত মনোনিবেশ কৰিলোঁ।

হঠাতে এগাল চৰায়ে অবিৰাম কিৰ্কিৰাবলৈ ধৰিলে।

পূব আকাশতো যেন এচাটি কোমলীয়া পোহৰ সিঁচৰতি হৈ পৰিছে। গোপনে সোমাই আহিছে এচাটি চেঁচা বতাহ, কঢ়িয়াই আনিছে শেৱালিৰ সুবাস।

মনোজৰ বিষয়ে বহুত কথাকেই শুনিছোঁ মই। কিন্তু লিখা মেলা বাদ দিয়াৰ বাবে তাৰ চিন্তাৰ দিশ সম্পৰ্কে মই এতিয়াও অন্ধকাৰত ডুবি আছোঁ।

সেয়ে চালে-বেৰে কোবাই নাথাকি মই তাক পোনে পোনেই কিছুমান কথা সোধা ভাল হ'ব বুলি ভাবিলো।

সি চাহ খোৱা নাই। কেৱল গিলাচটো হাতৰ মুঠিত খামুচি সি যেন কিবা এটা ভাবি আছে।

—তুমি ইতিমধ্যে কোনো দলত যোগ দিছানেকি ?

—দল ?

মোৰ প্ৰশ্নইহে যেন তাৰ চিন্তাত ব্যাঘাত জন্মালেহি।

সি পোনে পোনে মোৰ চকুত থৈ চালে। তাৰপিছত পুনৰ স্পষ্টভাবে কলে, এতিয়ালৈকে দিয়া নাই। কিন্তু খুব সোনকালে যোগ দিম।

—তেন্তে তুমি পুনৰ হতাশ হ'বা। মই মোৰ মনৰ ভাব মুকলিকৰিলো।

—তোমাৰ কথায়েই সঁচা হ'ব পাৰে। অকণো খোকোজা নলগাকৈ মনোজে কলে, তুমি মূলতঃ শিল্পী। তোমাৰ কৰ্মক্ষেত্ৰ বহল। দলক তুমি সংকীৰ্ণতাৰ প্ৰতীক বুলিও নিজৰ মতে ভাবিব পাৰা। কিন্তু মোৰ ভূমিকা সংগঠকৰ, দল অবিহনে মই কেনেকৈ বাট বুলিম। —কিছু পলমকৈ হলেও মই এই সত্যতে উপনীত হৈছো।

—তথাপি তুমি এবাৰ ভাবি চোৱাঁ।

মনোজৰ কঠিন মুখখনে মোক হতাশ কৰি তুলিলে।

দল বোলোতে কেনেধৰণৰ দলৰ কথা কৈছে—সেয়া আৰু মোৰ বাবে অস্পষ্ট হৈ থকা নাই। এই বিষয়ে তাৰ লগত আৰু বেছি কথা পতাৰ আগ্ৰহো মোৰ নাই। কিন্তু সিহে যেন প্ৰসঙ্গ এবাৰ যাব নিবিচাৰিলে।

—যোৱা দুৰ্যোগৰ বছৰটোৰ অভিজ্ঞতাৰে মই এটা কথা ৰবকৈ উপলব্ধি কৰিছো। তুমিও কথাটো মন কৰিছানে ?

আকৌ বা কি কয় সি ?

মই কিন্তু তাৰ মুখলৈ নাচালো।

গলখেকাৰি মাৰি মাতটো পৰিষ্কাৰ কৰি ললে মনোজে।

সি কলে, য'তেই গণতান্ত্ৰিক দলবোৰৰ সংগঠন দ'লৈ শিপাইছে—তাতেই আক্ৰমণটো কেৱল দলীয় কৰ্মীসকলৰ ওপৰতে সীমিত হৈ পৰিছে কিন্তু যি ঠাইত সংগঠন দুৰ্বল—তাতেই আক্ৰমণটো পোনে পোনে আহি জনসাধাৰণৰ ওপৰত পৰিছেহি। অসংগঠিত অঞ্চলত নিশাটোৰ ভিতৰতে মানুহবোৰ হিন্দু-মুছলমান, জনজাতি-অজনজাতিলৈ পৰিণত হৈছে। তোমালোক শিল্পীবোৰেও মানৱতাৰ কথাকে কোৱা,

এতিয়া মানৱতাৰ স্বাৰ্থতে হলেও আমি গণতান্ত্রিক সংগঠন জোৰদাৰ কৰি তুলিব লাগিব।

'মানৱতা', 'গণতান্ত্রিক সংগঠন', এইবোৰ কথা মোৰ কাণখনৰ বাবে তেনেই নতুন কথা নহয়। সকলো ঠাইতে মনোজৰ দৰে আন বহুতৰ মুখতেই এতিয়া এইবোৰ কথাই এৰাধৰাকৈ হলেও ঠাই পাইছে।

মই বাহিৰলৈ চালো।

মুক্ত দুৱাৰখনেৰে কুঁৱলীয়া পোহৰবোৰ সাৰ দুৰ নোহোৱাকৈ ভিতৰলৈ সোমাই আহিছে। সাৰ পাই গেঠ্‌কায়েও আমাৰ আঁৰিয়া অ'ৰিয়াবোৰকে শুনি আছিল। বাহিৰত পোহৰ দেখিয়েই হৰপাই তেওঁ শোৱাৰ পৰা খপহ কৈ উঠিল।

—নোযোৱা নেকি ?

গেঁঠ্‌কায়ে ছাই এজেৰা লৈ দাঁত মাজিবলৈ ধৰিলে।

মোৰ নামত গ্রেপ্তাৰী পৰোৱানা আছে। অৱশ্যে দেখাৰ লগে লগে হয়তো কোনেও চিনি নাপাব। হলেও গাঁৱে ভূঞে চিপাহী চকীদাৰবোৰ এনেদৰে সোমাই পৰিছে যে পকৰা এটাও তেওঁলোকৰ চকুত ফাঁকি দি সাৰি যাব নোৱাৰে। গেঁঠ্‌কায়ে জানে, আৰু সেইবাবেই তেওঁ উচ্‌পিছ লগাব ধৰিলে।

কিন্তু মই বহাৰ পৰা উঠাৰ আগতেই মনোজে মোৰ হাত এখনত পুনৰ খামোচ মাৰি ধৰিলে।

—এতিয়া আমি নিজকে এটা প্রশ্ন কৰা উচিত। সি কঠোৰ দৃষ্টিৰে মোৰ চকুলৈ চালে।

—কি প্রশ্ন ?

তাৰ প্রশ্নটো যে কি হ'ব পাৰে মই ভাবি উলিয়াব নোৱাৰিলো। সি গলগলীয়া কণ্ঠেৰে সুধিলে, যোৱা চাৰিটা বছৰে আমি কৰিলো কি ? ৰৰৰৰ সাজিলো নে, গঢ় লৈ উঠিব খৰা ঘৰটোহে খানবান কৰি পেলালো।

এই প্রশ্ন এতিয়া তেনেই অবান্তৰ।

নষ্ট পোৱা দ'বাটোৰ লগত কথাপাতি মিছাতে সময় নষ্ট কৰাৰ যুক্তিও মই বিচাৰি নেপালো। তথাপি তাৰ প্রশ্নটো যেন মোৰ মূৰত দৰাইছিল।

—হলেও এয়া সময় নহয় যুক্তি তৰ্কৰ, এতিয়া সময় কেৱল আগবাঢ়ি যোৱাৰ।

তই থকা বৃদ্ধা মাতৃক নিলগৰ পৰাই সেৱা জনাই কাপোৰৰ বেগটো কান্ধত লৈ মই বাহিৰলৈ ওলাই আহিলো।

মোৰ পিছে পিছে গেঁঠুকাই আৰু মনোজো বাহিৰলৈ ওলাই আহিল।

আগনিশা চেঙেলযোৰ পিৰালিৰ কাষৰ চাংখিনৰ তলতে বৈ ভিতৰলৈ সোমাই গৈছিলো। বোকাবে লেটপেট চেঙেলযোৰ হাতত লবলৈ যাওঁতে চাংখনৰ একাষে থানকঢ়া পাচিটোৰ ওপৰত মোৰ চকু পৰিল।

পাচিটোৰ ভিতৰত খেৰৰ ওপৰত আছিল দহোটামান হাঁহৰ কণী। উমনি দিয়াৰ বাবেই কণীবোৰ নীলা হৈ পৰিছিল। হাঁহজনী আমাৰ পেটত সুসোমোৱা হ'লে আৰু দুই চাৰি দিনতে চাগে কণীবোৰ ফুটি পোৱালি ওলালেহেঁতেন।

আমি তিনিও দীঘল পদুলিটোৰে বাস্তালৈ ওলাই আহিলো।

দুৱাৰ দলিত থিয় হৈ আমন জিমনকৈ আমালৈকে চাই আছিল মলিনাই। পদুলিটো পাৰ হোৱাৰ আগতেই তাই চিঞৰ মাৰি দিলে।

—ককাইদেউ, বেছি দূৰলৈ নাযাবা।

তাইৰ ফালে ঘূৰি চাবলৈ মোৰ ভয় লাগিছিল।

মই নেচালো।

মনোজেহে হৰপায় কিবা এটা কলে, তাৰপিছত আমি খৰখেদাকৈ আগুৱাব ধৰিলো।

মনোজক দিবৰ বাবে অনা কাগজ-পত্ৰবোৰৰ বাবেই মোৰ বেগটো গধুৰ হৈ পৰিছিল। কথাটো গম পায়েই হবলা সি সুধিলে, বেগটো মযে লমনেকি?

—নাই, নালাগে।

গাঁৱৰ মানুহ শুই উঠাৰ আগতেই আমি গেলাজুৰিৰ পাৰ পালেহি।

দলংখন নাই, জ্বলিল।

ভাল খুটাবোৰ কোনোবাই নিলে. আধাপোৰা দুই এটা খুটাই অৱশ্যে এতিয়াও আকাশলৈ চাই কাৰোবাক অভিশাপ দিব ধৰিছে।

জুৰিটো পাৰ হবৰ বাবে মই চুৰিয়াখন কোচাই লব ধৰিলো।

—মই আৰু নাযাওঁ। মনোজে মোৰ কান্ধত হাত দুখন থলে, কলে, তুমি নিশ্চয় বেবেজীয়ালৈ যাবা। সুবিধা পালে হয়বৰ গাঁৱতো সোমাই যাব পাৰা। অকণমান বৰাই হয়তো তোমালোকৰ পক্ষকে ল'ব।

মনোজ চাধাচিধা ল'বা। হয়তো সি গম পোৱা নাই। কিন্তু মই জানো অকণমান বৰাক। তেওঁ ইতিমধ্যেই চৰকাৰ পক্ষত যোগ দিছে।

—আৰু তুমি? মই যেন মনোজৰ আশাহে সম্পূৰ্ণভাবে ত্যাগ কৰিব পৰা নাছিলো।

জুবিটোৰ পাৰৰ পৰা লৰচৰ কৰাৰ ইচ্ছা প্ৰকাশ নকৰিলে মনোজে। মঞো শেষ বাৰৰ বাবে তাৰ চকুলৈ মূৰ তুলি চালো। কলো, মোক তুমি কিবা এটা কোৱাঁ।

—জানো, মোৰ সংকল্পৰ বিষয়ে জানিবলৈকে তুমি ইয়ালৈ আহিছা। কিন্তু বন্ধু, হাত ভুখন মোৰ কান্ধৰ পৰা আঁতৰাই নিলে মনোজে, সি কলে, অন্ত যিয়েই নহওক কিয়—মই কিন্তু সন্ত্ৰাসৰ পথ ল'ব নোৱাৰিম।

দেখাত জুবিটোত তেনেকৈ পানী নাছিল। কিন্তু বোকাত ভৰি ছুটা ভৰভৰকৈ সোমাই যোৱা বাবে পানীয়ে মোৰ চুৰিয়া আৰু কাগজ-পত্ৰৰ বেগটো তিয়াই পেলালেহি।

কেৱল ইচ্‌ ইচাই উঠাৰ বাহিৰে কৰিবলৈ মোৰ একো বাকী নাথাকিল। ওচৰ চাপি অহা গেঁঠুকাইৰ কান্ধত দেহৰ আধা ভৰ দি মই কোনোমতে জুবিটো পাৰ হৈ আহিলো।

ছিঃ, কেনে আলভীয়া বোকা!

ভিতৰুৱা অঞ্চলবোৰত অৱশ্যে এখনো দলং বাকী নাই।

মই লুকাই চুৰকৈ গেঁঠুকাইৰ ফালে চালো। তেওঁৰ উদং টিকা ছুটাতো বোকাৰ চিটিকনি পৰিছে। তেওঁৰ মুখখনো যেন ক্ৰমাৎ গোমা হৈ পৰিছে।

জুবিটোৰ এইপাৰে জনজাতি গাওঁ, কিছুদূৰ আগুৱাই গলেই নগাৰলৈ যোৱাৰ পকী পথ। ভৰি হাতবোৰ আওথালি বেগটো মই পুনৰ কান্ধলৈ তুলি ললো।

সিপাৰৰ পৰা মনোজে আমালৈকে চাই আছিল।

—এটা প্ৰশ্নৰ উত্তৰ তুমি মোক এতিয়াও নিদিলা। সিপাৰৰ পৰাই মনোজে খিং মাৰি সুধিলে, লাভ হ'ল কাৰ? নে সেই উত্তৰ বিচৰাৰ অধিকাৰো আমাৰ নাই?

লাভ-লোকচান? অধিকাৰ-অনাধিকাৰ??

সময় আনো হলেই চূড়ান্ত হিচাপ নিকাচৰ???

তাৰ নাক-কাণ কটা ঘৃণীয়া বীভৎস মুখখনৰ ফালে মূৰ তুলি চাবলৈ মোৰ যেন সঁচাকৈয়ে ভয় লাগিছিল। কুৰচ চাৱনি আৰু যোপমাৰী লোৱা এৰীয়া চাদৰ খনেৰে সৈতে আঁতৰৰ পৰা তাক বৰ অদ্ভুত দেখাইছিল।

—তুমি তেন্তে সঁচাকৈয়ে নাহা? কোনো মতে সুধিলো।

—গাঁৱৰ বাইজেও সাৰ পাওক। সিপাৰৰ পৰা সি প্ৰায় চিঞৰাৰ দৰেই কলে, দুৰ যেন লাগিলেও মই এই বাওঁকাৰৰ পথটোৰেহে আগবাঢ়িম।

সি আৰু কিবা কিবি কৈছিল, কিন্তু আটাইবোৰ কথা আহি মোৰ কাণত পৰাহি নাছিল।

ঠিক সূৰ্যটোৰ ফালেই এজাক ব'দপিয়া চৰাই উধাতু খাই উৰা মাৰিছিল। মিঠা কিৰকিৰণি আৰু ডেউকাৰ ধপ্ ধপনি, ক্লান্তকৰ বাবে হ'লেও যেন সিহঁতে আকাশখন চানি ধৰিছিল। আৰু এটি মিঠা কিন্তু গম্ভীৰ গীতৰ কলি ইপাৰৰ পৰা সেমেকা বতাহজাকৰ সতে মিহলি হৈ গেলাজুৰি পাৰ হৈ আহিছিল।

হয়, এইয়া বিষ্ণু ৰাভাৰে গীত।

ক'ৰ গীত বাৰু?

'মুক্তি দেউল', নে 'ন পৃথিৱীৰ নতুন যুগ'?

—x—

# ওভতনি

**মৰম শৰ্মা**

সন্মুখত বহল নৈখন আৰু বালিচৰবোৰ দেখি শৰীৰ দোঁ খুৱাই দিয়া ক্লান্তি আৰু হতাশাত অৱশ হৈ জয়শংকৰ বালিৰ ওপৰতে বহি পৰিল। নৈখনৰ বিশালতা তাৰ বাবে অপ্ৰত্যাশিত নাছিল। যোৱা তিনিমাহত অন্ততঃ দুবাৰ সি এই ঠাই ভোৰবলৈ আহিছে তাৰ আশ্ৰয়দাতা গোবিন্দৰ লগত। বহু আশাৰে সি গোবিন্দৰ সৈতে ইয়ালৈ আহিছিল। ভাবিছিল তাৰ সংস্থানৰ কিবা এটা ব্যৱস্থা হ'ব। দুয়োবাৰেই ব্যৰ্থ হৈ উভতি যাব লগীয়া হৈছিল। এতিয়া এক সম্পূৰ্ণ বেলেগ পৰিস্থিতিত সি এই ঠাইলৈ আহিবলৈ বাধ্য হৈছে।

আওহতীয়া এই নিৰ্জন ঘাটত নাও এখনো নেদেখি তাৰ শৰীৰ আৰু মন যেন অন্তহীন অৱসাদ আৰু ভাগৰে হেঁচি ধৰিছে। ঝাউবনৰ পাতল ছাঁত ফটা ধুতী এখন পাৰি সি ল'ৰাটোক শুৱাই থ'লে। কপালত হাত দি চালে-জ্বৰ এতিয়াও কমা নাই। গাত লোৱা উৰ্ণি যোৱা চাদৰখন ল'ৰাটোৰ গাত দি জয়শংকৰে একেধিৰে তাৰ মুখলৈ চাই ৰ'ল। ল'ৰাটোলৈ তাৰ বেয়া লাগিল। বেচেৰাই কম ভয় খালেনে! ল'ৰাটোক এনেকৈ লৈ অহাটো যে ভীষণ পাপ, এক অক্ষমনীয় অপৰাধ সি নিশ্চিত। ল'ৰাটোৱে তাৰ বাবে এক ভয়ংকৰ সমস্যাৰ সৃষ্টি কৰিছে। আৰম্ভণিতেই সেই কথা সি অনুমান কৰিছিল। বাৰে বাৰে বাধৰজনক কৈছিল ল'ৰাটোৱে বিপদত পেলাব কিন্তু। পাপৰ কথা ক'লে সিহঁতে হাঁহি উৰাই দিলেহেঁতেন। শেষত সকলো হয়তো বাচি যাব, কেৱল তাৰ বাবে এৰি যাব এক আতংক আৰু আন্ধাৰে ঢকা দুঃসহ ভৱিষ্যৎ।

যোৱা ৰাৰকটা সি কেৱল ল'ৰাটোক লৈ নিৰাপদ আশ্ৰয়ৰ সন্ধানত ইঠাইৰ পৰা সিঠাইলৈ দৌৰি ফুৰিছে। প্ৰতিমুহূৰ্ততে তাৰ ভাব হৈছে—এই যেন পুলিচে ঘেৰাও কৰিব, তালৈ লক্ষ্য কৰি গুলিয়াব। এক দুশ্চিন্তা আৰু মানসিক উত্তেজনাত এই কেইঘণ্টাৰ ভিতৰতে যেন সি নিশকতীয়া হৈ পৰিছে; ভীষণ অৱশশৰীয়া হৈ পৰিছে। কৈশোৰ পাৰ হোৱাৰ পিছৰ পৰাই সি একপ্ৰকাৰ

পলাই ফুৰিছে—কেতিয়াবা সশস্ত্ৰ ডকাইতৰ পৰা, কেতিয়াবা সন্ত্ৰাসবাদীক বিচাৰি গোটেইখন তহিলং কৰা পুলিচৰ পৰা, কেতিয়াবা মাটি গিৰি-সকলৰ সুসজ্জিত সৈন্যদলৰ পৰা। আৰু এতিয়া সিতো নিজেই এক ডকাইত, অপৰাধী, অপহৰণ-কাৰী। তাৰ এই অৱস্থাৰ বাবে জানো সিয়েই দায়ী? সি জানো এনে অন্ধকাৰাচ্ছন্ন জীৱনৰ সন্ধানতে শ শ মাইল পলাই আহিছিল?

বেলেৰে আহি থাকোতে ইয়াৰ সেউজীয়া প্ৰকৃতি, সাৰুৱা মাটিবোৰ দেখি সি উৎফুল্লিত হৈ উঠিছিল। খেতিৰ মাটি এনেয়ে পৰি থাকে। অলপ পৰিশ্ৰম কৰিয়েই মাটিত সোন ফুলাব পাৰি। তাৰতো নিজৰ বুলিবলৈ মাটি এডৰা নাছিলেই। পুৰুষে খেতি কৰি অহা লোকৰ মাটিৰ প্ৰতি তথাপি এক মোহৰ সৃষ্টি হৈছিল। নদীখনৰ দেখ-নেদেখ সিপাৰলৈ চাই সি ভাবিলে-কেনেবাকৈ সিপাৰলৈ গৈ কাৰোবাৰ খেতি পথাৰত বা শাক-পাচলিৰ বাৰীত নিশ্চিন্তমনে কাম কৰিব পৰাহেঁতেন এই কেইমাহৰ তিক্ত অভিজ্ঞতাৰ কথা পাহৰি যাব পাৰিলে-হেঁতেন।

বেলি লহিয়াবলৈ লৈছে। অলপ পিছত সন্ধিয়া নামিব, আন্ধাৰ হ'ব। চিনাকি ব্যৱসায়ীজনে কৈছিল এই ঘাটটোত হেনো নাও পোৱা যায়। সন্ধিয়াৰ আগতে নৈ পাৰ হ'ব নোৱাৰিলে আকৌ পাঁচ-ছয় কিলোমিটাৰ খোজকাঢ়ি সেই বিহাৰী ব্যৱসায়ীজনৰ ঘৰলৈকে উভতি যাব লাগিব। কিন্তু তেওঁ আশ্ৰয় দিবতো!

ল'ৰাজনে টোপনিৰ জালত নে জ্বৰৰ যন্ত্ৰণাত ভোৰ ভোৰাইছে। সি হুমুনিয়াহ কাঢ়ি ল'ৰাটোলৈ চালে। এইকণ সময়ৰ ভিতৰতে তাৰ মুখৰ উজ্জল বং মোলান পৰিছে, চুলিত ধূলিৰ চামনি, কাপোৰ মলিয়ন। চাক-চিকুণ হৈ থকাহেঁতেন তাৰ লগত ল'ৰাটোক দেখি যিকোনো মানুহে সন্দেহ কৰিলেহেঁতেন।

গামোচা খনৰ গাঁঠি খুলি সি বিস্কুট পেকেট উলিয়াই ল'লে। বিস্কুট চোবাই আধা-মুদা চকুৰে সিপাৰলৈ চাই থাকোতে ওঠৰঘণ্টা আগৰ ঘটনাটোৰ কথা মনলৈ আহিল। সকলো এতিয়া সপোন যেনেই লাগে।

ৰামযতনহঁতে কেইবাবাৰো তাক লগ ধৰিছিল ৰাতিৰ অভিযানত যোগ দিবলৈ। বহুবাৰ কায়দা-কিটিপ কৰি সি কোনোমতে এৰাই চলিছিল। তলে তলে তিনিচুকীয়াত অন্তত: বিক্সা এখন চলোৱাৰ ব্যৱস্থা কৰিব পাৰিব পাৰিলেই অনুশংকৰে সিহঁতৰ লগ এৰিলেহেঁতেন। কিন্তু কালি সন্ধিয়া তাৰ কোনো আপত্তিয়ে নখাটিল। দুজন মানুহ এনেয়েও কম আছিল। দুলীয়াজানৰ ফালে কিবা কামত গৈ আবেলি লৈকে উভতি অহা নাছিল। আবেলি খবৰ আহিছিল

আৰু এদিন মান লাগিব হেনো। কি কাম বুজিবলৈ জয়শংকৰৰ টান নহ'ল। পিছৰ অভিযান কাৰখৰত চলোৱা যাব তাক ঠিক কৰা আৰু সেই অভিযানৰ বাবে প্ৰয়োজনীয় তথ্য গোটোৱা—এয়াই সিহঁতৰ কাম নিশ্চয়।

ৰামযতনৰ নিৰ্বাচন প্ৰশংসা কৰিব লগীয়া। পুলিচ থানাৰ পৰা আঁতৰত, বাগানৰ ঠিক কাষতে অথচ বাগানৰ সতে সম্পৰ্কহীন মানুহৰ ঘৰ। গাঁওবেই বুলিব পাৰি ঠাইখনক। আঠবজাৰ আগতে মানুহ শুই নিঃ পালি দিয়ে হুলস্থুল লাগিলেও সহায়ৰ বাবে মানুহ আহি পাবলৈ বেচ কিছু সময় লাগিব। ৰাতি দহবজাৰ আগে আগে ঘৰটোৰ পৰা আধা কিলোমিটাৰমান আঁতৰত জাৰণি এডৰাৰ ওচৰত সিহঁত টেক্সীখনৰ পৰা নিঃশব্দে নামি সাৱধানে আগবাঢ়িছিল। জয়শংকৰক ধৰি তিনিজনক বাহিৰত ৰখাই থৈ ৰামযতনহঁত ব্যৱসায়ীজনৰ ঘৰলৈ সোমাই গৈছিল। দহ মিনিটমানৰ ভিতৰতে ঘৰখনৰ সকলো মানুহ সাৰ পাই উঠিল। মাইকী মানুহ আৰু ল'ৰা ছোৱালীৰ চিঞৰ-বাখৰ, কান্দোন শুনি সি ভয়েই খাইছিল। ৰাম যতনৰ মাতৰ বিভলতাৰ দেখি আৰু তাৰ কলিজা কঁপাই দিয়া গৰ্জন শুনি শেহত সকলো ভাপ মাৰিছিল। ৰাৰাণ্ডাৰ পৰাই সি ঘৰৰ মুখিয়ালজনক গালি-শপনি, ধমক দি প্ৰশ্ন কৰি থকা শুনিবলৈ পাইছিল। আশা-কৰামতে বস্তু-বাহানি নাপাই ৰামযতন হয়তো ক্ৰুদ্ধ হৈ উঠিছিল। হঠাৎ গুলিৰ শব্দ শুনি সি উচপ খাই উঠিছিল। ৰামযতন বেগাই ওলাই আহিছে। পিছে পিছে সংগী কেইজন। তাৰোপিছত হাতত বন্দুক লৈ হয়তো সেয়া ব্যৱসায়ীজনৰ ভায়েক। ৰাৰাণ্ডালৈ ওলোৱা দুৱাৰখনৰ চুকতে কঁপি কঁপি ল'ৰাটো থিয় হৈ আছিল। ৰামযতনে তাক গৰামাৰি কোলাত তুলি গেটলৈ দৌৰ দিলে। তাৰ ইংগিত পাই সিহঁত আটায়ে দৌৰি দৌৰি সকলয়ে গাড়ীত উঠিলহি। ব্যৱসায়ীজনৰ ভায়েকে হাতত বন্দুকটো লৈ অসহায় ভাৱে সিহঁত যোৱাৰ পিনে চাই থাকিল। মাইকী মানুহৰ চিঞৰ আৰু কান্দোনত জয়শংকৰ মুহূৰ্তৰ বাবে বিচলিত হৈ পৰিছিল। "ল'ৰাটো এৰি দিয়া", সি ক'লে। "কি ক'লে যুৱক? ল'ৰাটোৰ বাবে বাচি গলোঁ। চালা, আহক বাদৰহঁত—এই খবৰ লৈছে কুকুৰহঁতে—ঘৰত বন্দুক আছে এই খবৰটোও নিদিলে সিহঁতে। ভাগ্য ভাল আছিল কাৰনেহে বাচি গ'লোঁ"।

গাড়ীত উঠি পলাই অহাৰ সময়ত সিহঁত আটায়ে একমত আছিল যে নিৰাপদ দূৰত্ব যোৱাৰ পিছতে ল'ৰাটোক এৰি দিব। কিন্তু ইতিমধ্যে ৰামযতন

আৰু শেখৰৰ মুখত আন এটা বুদ্ধি খেলালে। শেখৰে বুজাইদিলে, "ল'ৰাটোক এৰি দিলে বিপদ আছে। ৰাখি থলে পিছত টকা দাবী কৰিব পৰা যাব"।

ল'ৰাটোৱে চিঞৰি চিঞৰি কান্দিছিল, হাত-ভৰি এচাৰিছিল। ৰামযতনে প্ৰথমে তাক এচৰ মাৰি পিছত হাতেৰে মুখত সোপাদি কোনোমতে ঠাইডোখৰ পাৰ হ'ল। এটা সময়ত ভাগৰ আৰু ভয়ত অৱশ হৈ ল'ৰাটোৰ টোপনি আহিল। জয়শংকৰে দুৰ্বলভাবে প্ৰতিবাদ কৰিছিল, "তাক আনি কিন্তু ভাল নকৰিলোঁ। তাৰ বাবেই শেষত চৰ ধৰা পৰিব লাগিব"।

"চুপ। সি একেবাৰিতেই ওস্তাদ হৈ গ'ল। ৰামযতন ভেতিয়াও টিঙিৰি তুলা হৈ আছিল—সি হয়তো কাহানিও এনেদৰে ব্যৰ্থ হোৱা নাছিল।

কান্দি কান্দি টোপনি যোৱা আঠবছৰীয়া ল'ৰাটোক দেখি জয়শংকৰৰ বুকুখন চিৰিংকৈ গৈছিল। এনে লাগিছিল যেন তাৰ পুতেক বব্বুৱা মুৰি আহিছে। লাইট নুমুৱাই তীব্ৰ গতিত চলা গাড়ীৰ ভিতৰত বহি সি কেৱল যন্ত্ৰনাত ছট ফটাইছিল। ধূলিময় কেঁচা ৰাস্তাৰে গাড়ীখন আগবাঢ়িছিল। কেনি গৈছে, কিমানদূৰ আহিছে তাৰ লক্ষ্য নাছিল। সি কেৱল ঘুৰি গ'ল এবছৰ আগৰ সেই আতংকময় নিশাটোলৈ।

জাহানাবাদ সিহঁতৰ সেই পিছপৰা গাওঁখনৰ পঞ্চাছটা অভাৰী পৰিয়ালৰ জীৱন একে ৰাতিৰ ভিতৰতে কেনেকৈ তচ-নচ কৰি দিলে। ৰাতিৰ আন্ধাৰ গাঢ় হোৱাৰ লগে লগে দুখন জীপত উঠি মানুহ বোৰ আহিছিল—মানুহ নহয়, মৃত্যুৰ দূত। তাৰ দুসপ্তাহমানৰ আগৰ পৰাই এক চেপা উত্তেজনাই তাহঁতৰ গাঁওখন আৰু চৰকাৰী আলিৰ কাষৰ গাঁও দুখন ছানি ধৰিছিল। চৰকাৰী নিয়মমতে পাবলগীয়া মজুৰীৰ দাবীত আন্দোলন কৰিবলৈ ওলোৱা সংগঠনত সিহঁতৰ গাঁৱৰ ডেকা দুজনমানেও যোগ দিছিল। জয়শংকৰৰ দৰে ভয়াতুৰ, নিৰ্যাতিত প্ৰাণীয়ে তেনে মানুহৰ দলত যোগ দিয়াৰ প্ৰশ্নই নুঠে। কিন্তু গাঁৱৰ দুই-চাৰিজন মানুহেও মুৰ দাঙি উঠিবৰ চেষ্টা কৰা মানে গোটেই গাঁওখনেই প্ৰভাৱশালী বাবুসকলৰ বিৰুদ্ধে যোৱা। এনে অবাধ্যতাৰ শাস্তি দিবলৈ সিদিনা ৰাতি বিছ-বাইছজন বন্দুকধাৰী আহি প্ৰথমতে অহীৰ, কুশুহঁতক নামকাঢ়ি মাতি নিলে; তাৰ পিছত একালৰ পৰা ঘৰে ঘৰে সোমাই গুলিবৰ্ষণ কৰিবলৈ ধৰিলে। তাৰ বুঢ়া বাপেক-মাক আৰু ডেকা ভায়েক তাৰ চকুৰ আগতে ছটফটাই মৰিল। সিহঁতৰ বাবে দুখ কৰিবলৈকো সময় নাছিল। কেইপদমান আৱশ্যকীয় বস্তু লৈ জয়শংকৰে ঘৈণীয়েক আৰু পুতেকক পিছফালেৰে দৌৰি গৈ বাই আজিত উঠিব

চেষ্টা কৰিছিল। যেঁহৰ পথাৰ খনৰ মাজতে বন্দুকৰ ওপৰা উপৰি গুলিত তিনিও ঢলি পৰিল। যেতিয়া চেতনা ঘূৰি আহিল তেতিয়া সি পাঁচমাইল দূৰৰ চৰকাৰী হাস্পাতালত। মৈণীয়েক আৰু পুতেক ববুৱা হাস্পাতাল নাপালেহি। কেইবামাহো অনাই-বনাই প্ৰাণৰ ভয়ত, পেটৰ ভোক আৰু সকলো হেকউৱাৰ যন্ত্ৰনাত অস্থিৰ হৈ সি সম্পৰ্কীয় মানুহৰ ঘৰে ঘৰে আশ্ৰয় বিচাৰি ঘূৰি ফুৰিলে। তাৰপিছত চাৰিমাহ মান আগতে ৰেলত উঠি এদিন এই অচিনাকি ঠাইলৈ গুচি আহিল। সকলোৰে কম অসমত কিবা নহয় কিবা এটা কৰি খাব পাৰিবি; কিন্তু কিবা এটা কৰা মানে আকৌ এই নিষ্ঠুৰতা, বৰ্বৰতাত লিপ্ত হোৱা! সি ভাবিছিল-ৰিক্সা চলাবলৈ শিকিব, নাইবা দিন মজুৰি কৰিব। সেই যে গুলি লাগিছিল তেতিয়াৰ পৰাই মাজে মাজে কান্ধৰ একাশে বিষ উঠে। তথাপি সি বেচ সুস্থ, স্বাস্থ্যবানেই আছিল। চহৰৰ উপকণ্ঠৰ সেই লেতেৰা বস্তিটোত তাক আশ্ৰয় দিয়া গোবিন্দ যে ৰামযতনৰ দলৰ শুভাকাংক্ষী—সি জনা নাছিল। গোবিন্দই তাক আশ্বাস দিছিল—কিছুদিন বাট চা, তাৰপিছত কামৰ ব্যৱস্থা হৈ যাব। ইতিমধ্যে ৰামযতনৰ চুৰিৰ মাল সি দুই ঠাইলৈ কঢ়িয়াই নিবলৈ বাধ্য হৈছিল। ক'ৰ নোৱাৰাকৈয়ে সিওযে ৰামযতনৰ দলত সোমাই পৰিছিল জয়শংকৰে পলমকৈ বুজিলে। আৰু আজি শিশু অপহৰণৰ দৰে মহাপাপত লিপ্ত হ'বলগীয়াত পৰিল। ভগৱানে দেখিব সিতো এইবোৰত সোমাবলৈ ইচ্ছা কৰা নাছিল। তাৰ কোলাতে মূৰটো থই পৰা ল'ৰাটোলৈ চাই তাৰ আকৌ পুতেকলৈ মনত পৰিল। সৌভাগ্যবশতঃ আন্ধাৰত কোনেও তাৰ দুৰ্বলতাৰ উমান নাপালে।

ৰাতি বহু ঘূৰি-পকি সিহঁতে ঠাইত কিছুপৰ আশ্ৰয় ল'লে। কিবা কিবি খাই শেষ ৰাতি পুনৰ আন এখন গাড়ীৰে যাত্ৰা কৰিলে। ইতিমধ্যে পুলিচে সিহঁতৰ পিছলোৱা বুলি দলৰ খবৰ সংগ্ৰহকাৰী মানুহে জনালে। ৰামযতনে বাধ্য হৈ তাৰ পূৰ্বৰ আঁচনি সাল-সলনি কৰিলে। সেই সাল-সলনিৰ কথা শুনিয়েই জয়শংকৰ সন্ত্ৰস্ত হৈ উঠিছিল। ল'ৰাটো হয়তো তাৰ ভিতৰতেই ওলাব।

খোকমোকালিৰ আগে আগে এখন চাহ বাগিছা পাৰহৈ শাক-পাচলিৰ প্ৰকাণ্ড বাৰী এখনৰ সন্মুখত গাড়ীখন ৰৈ গ'ল। তাতেই দলপতি ৰামযতন আৰু পাঁচজন নামি গ'ল। সেই ঠাইৰ পৰা গৈ সিহঁতে বেলেগ বেলেগ ঠাইত লুকাই থাকিব। কেইদিনমান তাপ মাৰি থকাৰ পিছত ল'ৰাটোৰ ব্যৱস্থা কৰিব। ৰামযতন অভিজ্ঞ মানুহ। সেইহে পলুৱাই অনা ল'ৰাটোক নিজৰ লগত নাৰাখি জয়শংকৰ আৰু বাসাবাৰীৰ লগত গাড়ীত বহুৱাই এইকাষে আহিবলৈ নিৰ্দেশ দিলে।

ভুমডুমাৰ ওচৰত পৰিচিত মানুহৰ হোটেলত দুপৰীয়া ভাত সাজ খাই থাকোঁতেই সিহঁতে গম পালে পুলিচে কেইবাটাও পৰিত্যক্ত ঘাটিত ৰেইড্ কৰিলেই। এনে ঘাটিবোৰৰ উপস্থিতিৰ কথা জয়শংকৰে একেবাৰে নজনাকৈ থকা নাছিল যদিও ৰামযতনৰ সৈতে ভাল সম্পৰ্ক থকা বহু মানুহকে সি নিচিনে। ভুমডুমাতেই ৰামধাৰীয়ে তাৰ লগ এৰিলে। গাড়ী এৰি ল'ৰাটোকলৈ সি পাব্লিকবাছত উঠি তলা পালেহি। ৰামধাৰীয়ে দিয়া ঠিকনাত গৈ খবৰ কৰি গম পালে তাত থকা মুঠেই নিৰাপদ নহয়। পুলিচে বহুদিন আগৰে পৰা তাত চকু ৰাখিছে। ৰামযতনৰ চিনাকি দোকানী এজনক পুলিচে এৰেষ্ট কৰিছে। তাৰ পিছত এই তিনি-চাৰি ঘণ্টা সময় জয়শংকৰে কি এক উত্তেজনা, উদ্বেগ আৰু ভয়ৰ মাজত পাৰ কৰিছে সিহে জানে। নৈখন পাৰ হ'ব পাৰিলেই কিবা এটা পথ ওলাল-হেঁতেন। ল'ৰাটোক কোনোবা মানুহৰ ওচৰত, অথবা নিৰাপদ লগা ঠাইত এৰি থৈ গ'লহেঁতেন। সিপাৰৰ দুই-এজন মানুহক চিনি পায়—এজনে গাখীৰৰ ব্যৱসায় কৰে, আনজনৰ পাচলিৰ বাৰী আছে। সিহঁতক বিচাৰি উলিওৱা কঠিন নহ'লহেঁতেন। হয়তো সিপাৰতে খেতি-বাতিত লাগি কিবা বুদ্ধি কৰি ৰামযতনৰ দলৰ সৈতে সকলো সম্পৰ্ক ছিন্ন কৰি নিৰলে থকাৰ চিন্তা কৰিব পাৰিলেহেঁতেন।

পুৱাৰ পৰাই ল'ৰাটোৰ জ্বৰ। ডুমডুমাৰ দোকান এখনত সোমাই টেবলেট দুটা কিনি গুড়ি কৰি পানীত মিহলাই খুৱালে। কিন্তু সি জানে এই জ্বৰ ৰোগ নহয়, ভয় আৰু দুশ্চিন্তাৰ ফল। ল'ৰাটোৰ টোপনিত কৰুণ হৈ পৰা পৰা মুখখনলৈ চাই তাৰ হুমুনিয়াহ ওলাল। বয়সত ববুৱাতকৈ সৰুৱেই হ'ব। কিন্তু তালকৈ খাবলৈ পোৱা ঘৰৰ ল'ৰা আৰামত ডাঙৰ হোৱা; সেইহে বয়সতকৈও ডাঙৰ যেন দেখি। ববুৱাৰ সতে এক অদ্ভুত সাদৃশ্য হঠাতে সি আবিষ্কাৰ কৰিলে। ববুৱাৰ গাৰ বং অৱশ্যে ইয়াতকৈ বহুত ক'লা। কিন্তু একেই মুখ, একেই চকু-নাক। নে সি ভুল দেখিছে? ববুৱা কি আকৌ ঘূৰি আহিছে? সেই দুৰ্যোগৰ ৰাতি যেহঁৰ পথাৰখনৰ মাজেদি প্ৰাণৰ মায়াত দৌৰোতে ববুৱা বাৰে বাৰে পিছপৰি গৈছিল। সেউজীয়া যেহঁৰ মাজত লুকাই পৰিছিল বাৰে বাৰে। তাৰ আৰু জানকীৰ বুৰত, হাতত ঘৰৰ দুই-এপদ সিহঁতৰ মানত অমূল্য সম্পদ। তাক কোলাত তুলি লোৱাহেঁতেন!

লাহে লাহে পাতল আন্ধাৰ নামিব লাগিছে। হিয়াভগা হতাশা আৰু দুখে তাক আগুৰি ধৰিছে। বহল নৈৰ পাৰৰ বতাহে কোবোৱা পাৰৰ বালিত বহি ল'ৰাটোলৈ চাই তাৰ দুচকু তৰি আহিল। কেনেবাকৈ নদীখন পাৰ হ'ব

পৰা হ'লে! এই পাৰৰ আৰু কাৰোবাৰ লৈতে হয়তো বাময়ভনৰ যোগাযোগ আছিল। কিন্তু সেই সকলোবোৰ যোগাযোগৰ সূত্ৰ বিচাৰি পোৱা তাৰ বাবে সহজ নহয়। পুলিচে এনেকৈ সিহঁতৰ পিছ ল'ব বুলি বাময়ভনে হয়তো কল্পনাই কৰা নাছিল। আন্ধাৰ হৈ অহাৰ লগে লগে জয়শংকৰ শংকিত হৈ উঠিল। কান্দত পৰা জন্তুৰ দৰে অস্থিৰ অসহায় হৈ পৰিল। থিয় হৈ নৈৰ পাৰৰ যিমানলৈকে চকু যায় চালে। ল'ৰাটো ভেতিয়াও টোপনিত, নে অৱত অচেতন। তাক জগাই নেপালী গাওঁখনৰ পাছ ফালেদি ঘাটলৈ আগবঢ়া বাটৰ কাষৰ সেই বিহাৰী মাছমৰীয়াৰ জুপুৰী কেইটালৈ যোৱাই ভাল হ'ব। হঠাৎ পিছফালে উভতি চাই তাৰ বুকু কঁপি উঠিল। বালিৰ ওপৰেদি বেগাই খোজ দি কেইজনমান গাৰঁৰ মানুহ। তাৰ পিছে পিছে সেয়া পুলিচ নেকি!

ল'ৰাটোলৈ একমুহূৰ্ত চাই চিন্তা কৰিলে—ইয়াতে সি নিৰাপদ। এনেয়েও তাকলৈ পলোৱা অসম্ভৱ হ'লহেঁতেন। ল'ৰাটোক ঝাউবনৰ কাষৰ পাতল আন্ধাৰৰ মাজত এৰি থৈ সি সমুখলৈ বেগাই খোজ দিলে। ওখ জংঘলাকীৰ্ণ পাৰত উঠিব পাৰিলে ক'ৰবাত লুকাই পৰাৰ সুযোগ ওলাব পাৰে। মানুহ কেইজনে তাৰপিনে দৌৰিবলৈ লোৱা দেখি সি প্ৰাণটাকি দৌৰিবলৈ ধৰিলে। কাৰোবাৰ চিঞৰ তাৰ কাণত পৰিল, 'এই ৰুক যাও, ৰুক যাও।' কোনোমতে বগুৱা বাই থিয় গৰাইদি পাৰত উঠি সি পিছলৈ নাচাই দৌৰি থাকিল। পিছে পিছে মানুহ কেইজনৰ চিঞৰ। তাৰ এনে লাগিল এবছৰ আগৰ সেই ভয়াবহ ৰাতিটো ঘূৰি আহিছে আৰু সি যেহঁৰ পথাৰখনৰ মাজেদি প্ৰাণৰ মায়াত উধাতু খাই দৌৰিছে। হঠাৎ যেন এটা সুহুৰিহে পাৰ হৈ গ'ল। বাওঁ ভৰিৰ আঠুৰ ভলত প্ৰচণ্ড যন্ত্ৰণা অনুভৱ কৰিলে সি। ক্ৰমে আন্ধাৰ বিয়পি পৰা জোপোহাবোৰৰ মাজত সি বাগৰি পৰিল। গম পালে বন্দুকৰ গুলি এটা তাৰ ভৰিৰ পেশীৰ মাজলৈ সোমাই গৈছে। বিষ, যন্ত্ৰণা আৰু ভয়ত সি মূৰ্চ্ছা যোৱা যেন হ'ল। পুলিচ কেইজন আহি তাৰ ওচৰ পালেহি। জয়শংকৰে অসহায়, আতংকিত চাৱনিৰে পুলিচলৈ চাই থাকিল। জ্ঞান হেৰুৱাৰ আগমুহূৰ্তত এক গভীৰ দুখ আৰু হতাশাৰ মাজেৰে সি ভাৱিলে—সি জানো কাহানিবা তাৰ চিনাকী খেতিয়কৰ জীৱনলৈ ঘূৰি যাব পাৰিব! এতিয়াৰ পৰা তাৰ পৰিচয় যেন নিশ্চিত হৈ গ'ল—এজন সৰ্বস্বান্ত দৰিদ্ৰ খেতিয়ক নহয়, কেৱল এজন ডকাইত, শিশু অপহৰণকাৰী এক জঘন্য অপৰাধী। ব্ৰহ্ম নৈখনৰ কাষৰ পৰা অহা বতাহে কোবোৱা জোপোহা-বোৰৰ মাজৰ মাটিত মুখ গুজি সি পৰি ৰ'ল—তাৰ আজন্ম চিনাকি মাটিৰ পৰা বহু বহু দূৰৈত।

—x—